অসম সাহিত্য সভাৰ বুৰঞ্জী

পৰেশ বৈশ্য

Rekha Prakashan

ৰেখা প্ৰকাশন

ফটাশিল-আমবাৰী, গুৱাহাটী-২৫

ASAM SAHITYA SABHAR BURANJEE : A book on History of Asam Sahitya Sabha written by Mr. Paresh Baishya of Dadara Higher Secondary School and Published by Sri Deben Kalita on behalf of M/S Rekha Prakashan, Fatasil-Ambari, Guwahati-781025 (Assam).

Price : Rs. 100/- only

প্ৰকাশক ঃ দেবেন কলিতা
ৰেখা প্ৰকাশন
ফটাশিল-আমবাৰী, গুৱাহাটী-২৫
ফোন - ৯৪৩৫১-১৪২০৩

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০১০

মূল্য ঃ ১০০.০০ টকা

বৰ্ণ সংস্থাপন ঃ আঙ্গিক প্ৰকাশন

মুদ্ৰণ ঃ আঙ্গিক প্ৰেছ
গোপীনাথ বৰদলৈ পথ
আমবাৰী, গুৱাহাটী-১

পাতনি

অসম সাহিত্য সভা বিশ্বৰ এটি সৰ্ববৃহৎ সাহিত্যৰ জাতীয় অনুষ্ঠান। ১৯১৭ চনত অসমৰ কেইগৰাকীমান অসমপ্ৰেমী তথা অসমীয়া ভাষা-সাহিত্যৰ পূজাৰীৰ চেষ্টাৰ ফলত জন্ম লাভ কৰা এই অনুষ্ঠানটোৱে ২০১৭ চনত শতবৰ্ষ পূৰ্ণ কৰিব। অসমৰ জাতীয় জীৱনৰ এই মহৎ অনুষ্ঠানটোৰ জন্মকথা আৰু বিভিন্ন ঘটনাক্ৰমৰ বিষয়ে পঢ়িবলৈ বজাৰত হাতপুথি সহজতে পাবলৈ নাই। অসম সাহিত্য সভাৰ ৰূপৰেখা, অভিলেখ আদি দুখনমান গ্ৰন্থ অসম সাহিত্য সভাই বহুদিন আগতে প্ৰকাশ কৰিছিল যদিও সেইসমূহো সহজতে পাবলৈ নাই। তদুপৰি সেইসমূহত শেহতীয়া কোনো তথ্য বিচাৰি পোৱা নাযায়। এনেবোৰ সমস্যাৰ প্ৰতি লক্ষ্য কৰি 'অসম সাহিত্য সভাৰ বুৰঞ্জী' নামৰ গ্ৰন্থখন লিখি উলিয়ালোঁ। গ্ৰন্থখন লিখোঁতে সভাৰ জন্মকথাৰ সৰহভাগ তথ্য অসম সাহিত্য সভাৰ 'অভিলেখ' আৰু 'অসম সাহিত্য সভাৰ ৰূপৰেখা' গ্ৰন্থ দুখনৰ পৰা লোৱা হৈছে। আনহাতে প্ৰয়োজনীয় ভালেমান তথ্য (বৰ্তমানলৈকে) গ্ৰন্থখনত সন্নিবিষ্ট কৰা হৈছে। গ্ৰন্থখনৰ বাবে ভালেমান তথ্য অসম সাহিত্য সভাৰ কৰ্মচাৰী ৰমেশ চন্দ্ৰ মহন্তই যোগাৰ কৰি দিয়া বাবে এই ছেগতে তেখেতৰ শলাগ ল'লোঁ। তথ্যৰ অভাৱত কিছুক্ষেত্ৰত অসম্পূৰ্ণ তথ্য সন্নিবিষ্ট হৈছে। পৰৱৰ্তী সময়ত সেইসমূহ পূৰ্ণ কৰিবলৈ প্ৰয়াস অব্যাহত ৰাখিম। গ্ৰন্থখনত কিবা ভুল-ত্ৰুটি দেখিলে সুধী সমাজে শুধৰাই দিলে কৃতাৰ্থ হ'ম। সদৌ শেষত গ্ৰন্থখন প্ৰকাশ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা বাবে 'ৰেখা প্ৰকাশন'ৰ স্বত্বাধিকাৰী দেবেন কলিতাৰ শলাগ ল'লোঁ।

পৰেশ বৈশ্য

পাণ্ডৱ নগৰ, ৰবীপাৰা
মালিগাঁও, গুৱাহাটী-১২
১৭ জানুৱাৰী, ২০১০ চন

সূচীপত্ৰ

		পৃষ্ঠা
১। অসম সাহিত্য সভাৰ জন্মকথা	ঃ	৫
২। চন্দ্ৰকান্ত অভিধানৰ জন্মকথা	ঃ	৩১
৩। অসম সাহিত্য সভাৰ ন্যাস-পুঁজি আৰু বঁটা-পুঁজিসমূহ	ঃ	৪৭
৪। অসম সাহিত্য সভাই প্ৰদান কৰা উপাধি	ঃ	৬৬
৫। অসম সাহিত্য সভাৰ ভৱনসমূহ	ঃ	৭১
৬। সাহিত্য সভাৰ কেইটামান বিশেষ সিদ্ধান্ত	ঃ	৭৪
৭। অসম সাহিত্য সভাৰ নিয়মাৱলীৰ কৃয়দাংশ	ঃ	৭৬
৮। অসম সাহিত্য সভাৰ প্ৰকাশন	ঃ	১১৪
৯। কিছুমান পুৰণি শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি/সম্পাদকসকল	ঃ	১৩৭
১০। অসম সাহিত্য সভাৰ কেইখনমান অধিৱেশনৰ ক্ষেত্ৰৰ নাম	ঃ	১৪৯
১১। অসম সাহিত্য সভাৰ অধিৱেশনৰ কিছুমান স্মৃতিগ্ৰন্থৰ নাম	ঃ	১৫০
১২। কবি সন্মিলনৰ সভাপতিসকল	ঃ	১৫০
১৩। বিশেষ অধিৱেশনৰ সভাপতিসকল	ঃ	১৫২
১৪। আদৰণি সমিতিৰ সভাপতিসকল	ঃ	১৫২
১৫। অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদকসকল	ঃ	১৫৪
১৬। অসম সাহিত্য সভাৰ সহকাৰী সম্পাদকসকল	ঃ	১৫৬
১৭। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকসকল	ঃ	১৫৮
১৮। অসম সাহিত্য সভাৰ উপ-সভাপতিসকল	ঃ	১৬১
১৯। অসম সাহিত্য সভাৰ সভাপতিসকল	ঃ	১৬২
২০। ফটো ফাইল	ঃ	১৬৫

অসম সাহিত্য সভাৰ জন্ম কথা

"... ১৯১৬ চনত গুৱাহাটীত গংগাগোবিন্দ ফুকন ডাঙৰীয়াৰ সভাপতিত্বত অসম এছোচিয়েচনৰ বছৰেকীয়া অধিৱেশন অনুষ্ঠিত হৈছিল। উজানবজাৰৰ লতাশিল খেলমাটিত সজোৱা সেই সন্মিলনৰ সভামণ্ডপত অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিৱেশন বহিল। এই ছাত্ৰ সন্মিলনৰ ত্ৰিমাতা— কলিকতাৰ এ-এছ-এল ক্লাব, গুৱাহাটী এ-এছ-এল ক্লাব আৰু গুৱাহাটীৰ একতা সভা। উদ্যোক্তা ছাত্ৰসকল আছিল চন্দ্ৰনাথ শৰ্মা, অম্বিকানাথ বৰা, জ্ঞাননাথ বৰা, সৰ্বেশ্বৰ শৰ্মাকটকী, উমেশ চন্দ্ৰ চৌধাৰী আৰু দৈৱচন্দ্ৰ তালুকদাৰ প্ৰভৃতি। অসমৰ সকলোবোৰ স্কুল-কলেজৰ ছাত্ৰ-প্ৰতিনিধিৰ উপৰি অসমৰ নবীন-প্ৰবীণ সাহিত্যিকসকল সমবেত হ'ল। সভাপতিত্ব কৰিবলৈ আহিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়া। প্ৰথমতে ইয়াত 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন' কৰিব খোজা হৈছিল। পিছত অৱশ্যে কৰ্মৰ পৰিসৰ ব্যাপকতৰ কৰিবৰ বাবে 'অসম ছাত্ৰ সন্মিলন' নামকৰণ কৰা হ'ল।

এই ছাত্ৰ সন্মিলনৰ অভূতপূৰ্ব কৃতকাৰ্যতা দেখি বয়সীয়া সাহিত্যিকসকলৰো গা উঠিল। তেওঁলোকৰ মনৰ পৰা বহুদিনৰ পৰা গোট মাৰি থকা দোধোৰ-মোধোৰ ভাব পানীকৃত হৈ নোহোৱা হ'ল। সন্মিলনত যোগ দিবলৈ অহা বিভিন্ন স্থানৰ সাহিত্যিকসকলক থুপ খুৱাই গৌৰীকান্ত তালুকদাৰৰ উকীলখানাত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে এখন বৰমেল পাতিলে। এই মেলৰ সভাপতি হ'ল অধ্যাপক সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়া। তাত দৃঢ়তাৰে সিদ্ধান্ত লোৱা হ'ল যে বিৰুদ্ধবাদী কেইজনমানৰ হেঙাৰলৈ কেৰেপ নকৰি পিছৰ বছৰ অসম এছোচিয়েচনৰ লগতে অসম সাহিত্য সভা পাতিবই লাগিব। এই উদ্দেশ্যে আন ঠাইৰ সাহিত্যিকসকলৰ লগত পৰামৰ্শ আৰু শিৱসাগৰৰ লগত যোগাযোগ কৰি সদৌ অসমৰ সাহিত্যিকসকলৰ লগত পৰামৰ্শ আৰু শিৱসাগৰৰ লগত যোগাযোগ কৰি সদৌ অসমৰ সাহিত্যিকসকলৰ সভা এখনৰ প্ৰথম অধিৱেশন পাতিবলৈ এই মেলতে এখন তদৰ্থ সমিতি গঠন কৰি দিয়া হয়। সেই সমিতিৰ সম্পাদকৰ ভাৰ দিয়া হয় 'অসমৰ পিট' চন্দ্ৰনাথ শৰ্মাক।... সাহিত্য সভা পাতিবলৈ চন্দ্ৰনাথ শৰ্মাৰ যোগেদি যোৱা সাহিত্যিকসকলৰ আহ্বানত শিৱসাগৰৰ শিৱদ'লে মূৰ দুপিয়াই সমৰ্থন জনালে।

... অসম সাহিত্য সভা উপজিছিল বুৰঞ্জীয়ে গৰকা পুৰণি ৰংপুৰ বা আধুনিক শিৱসাগৰ নগৰত— যি ঠাইত অৰুনোদই-এ ধলফাঁট দিয়াত অসমীয়া সাহিত্যৰ বৰ্তমানৰ যুগৰ আৰম্ভ হৈছিল। একে ঠাইতেই অনুষ্ঠিত হোৱা অসম এছোচিয়েচনৰ সভামণ্ডপেই এই সভাখনকো কোলা পাতি লৈছিল। সদৌ অসমৰ সাহিত্যিকসকলক আদৰি সোধ-পোছ কৰিবলৈ সুযোগ পাই সাহিত্যপ্ৰেমী ৰংপুৰীয়া ৰাইজৰ গা সাতখন-আঠখন হৈছিল। তেওঁলোকে আদৰণি সভাৰ সভাপতিৰ দায়িত্ব দিলে, সুপ্ৰসিদ্ধ জনপ্ৰিয় 'ভ্ৰমৰঙ্গ'ৰ অন্যতম নাট্যকাৰ গুঞ্জানন বৰুৱা ডাঙৰীয়াক। সম্পাদক হ'ল কবি লক্ষ্মীকান্ত বৰুৱা বি এল। এই আদৰণি সভাৰ আন সদস্যসকল আছিল ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, ৰাধিকানাথ শৰ্মা, সিদ্ধেশ্বৰ গোহাঞি প্ৰভৃতি। শৰৎ গোস্বামী আৰু কুলধৰ চলিহাই যোৰহাটৰ পৰা শিৱসাগৰলৈ আহি গাত লাগি দিহা-পৰামৰ্শ দিছিল। সভাপতি নিৰ্বাচিত হৈছিল সাহিত্যগুৰু পদ্মনাথ গোহাঞিবৰুৱা।

...

শুভ দিন, শুভ লগ্নত অসম সাহিত্য সভা আৰম্ভ হ'ল। সেইদিনা আছিল ১৯১৭ চনৰ ২৬ ডিচেম্বৰ। গোহাঞি বৰুৱাক থাকিবলৈ দিয়া হৈছিল বৰপুখুৰীৰ পাৰত থকা জোঁৱাৰেক সিদ্ধেশ্বৰ গোহাঞিৰ বঙলাত। তাৰ পৰা ফণীধৰ চলিহাৰ নেতৃত্বত এটা সমদলে তেখেতক বিষুণ্দ'ল, দেৱীদ'ল প্ৰদৰ্শিণ কৰাই ঘোঁৰাবাগীত তুলি সভামণ্ডপলৈ আদৰি নিছিল। (সভাপতিৰ ভাষণৰ উপৰি) সেই সভাত নগাঁৱৰ মোছলেইউদ্দিন আহমেদৰ 'অসমীয়া সাহিত্য আৰু মুছলমান', গুৱাহাটীৰ ডাঃ বিপিনবিহাৰী বৰাৰ 'গোবৰ-ৰহস্য', শৰৎ চন্দ্ৰ গোস্বামীৰ 'কীৰ্ত্তনৰ সাহিত্য-সৌষ্ঠৱ' আৰু ৰত্নকান্ত বৰকাকতীৰ 'অসমীয়া ভাষা' নামৰ প্ৰবন্ধ পাঠ কৰা হৈছিল। বিষয়-বাছনি সভাত অনুমোদিত অসম সাহিত্য সভাৰ নিয়মাৱলী গৃহীত হ'ল। তেতিয়াৰ সাহিত্য সভাৰ পুঁজিৰ ঘৰত শূন্য। ডাঃ হৰেকৃষ্ণ দাস ডাঙৰীয়াই চোলাৰ মোনাৰ পৰা দহটকীয়া নোট এখন উলিয়াই শূন্যৰ আগত এক এটা লগাই দহ কৰি দিলে। এয়ে সাহিত্য সভাৰ মূল ভঁৰালৈ প্ৰথম দান। সেই সভাতে সাহিত্য সভাৰ প্ৰথম বছৰৰ বিষয়ববীয়া নিৰ্বাচিত হৈছিল। প্ৰথমখন কাৰ্যনিৰ্বাহকৰ প্ৰধান সম্পাদক আছিল শৰৎ চন্দ্ৰ গোস্বামী।"

— *অসম সাহিত্য সভাৰ ৰূপৰেখা, অতুল চন্দ্ৰ হাজৰিকা, ১৯৭৭, অসম সাহিত্য সভা*

আসাম সাহিত্য সন্মিলনৰ
প্ৰথম কাৰ্য-বিৱৰণী

শিৱসাগৰ ঃ ২৬ আৰু ২৭ ডিচেম্বৰ, ১৯১৭ চন

আসামত সাহিত্য সভা এখনি স্থাপন কৰিবৰ কাৰণে ১৯১৭ চনৰ ২৮ ছেপ্টেম্বৰ তাৰিখে শিৱসাগৰৰ ক্লাব-ঘৰত তাৰাপ্ৰসাদ চলিহা বেৰিষ্টাৰ ডাঙৰীয়াক সভাপতি পাতি এখনি সভা পতা হয়। তাত ১৯১৭ চনৰ ডিচেম্বৰ মাহত আসামৰ শিক্ষিত আৰু সাহিত্যানুৰাগী পুৰুষসকলক নিমন্ত্ৰণ কৰি এখনি 'সদৌ আসাম সাহিত্য সভা' গঠন কৰিবৰ প্ৰস্তাৱ কৰা হয় আৰু সেই উদ্দেশ্যে হোৱা সম্মিলনীত শ্ৰদ্ধাস্পদ ৰায় চাহাব পদ্মনাথ গোহাঞিবৰুৱা ডাঙৰীয়াক সভাপতি বৰণ কৰা হয়।

সেই অনুসাৰে ১৯১৭ চনৰ ২৬ ডিচেম্বৰ তাৰিখে শিৱসাগৰৰ আসাম কনফাৰেন্সৰ ৰভা ঘৰতে সদৌ আসাম সাহিত্য সম্মিলনী বহিছিল। ঠিক এক বজাত সভাৰ কাৰ্য আৰম্ভ হৈছিল। লক্ষ্মীকান্ত বৰুৱাদেৱৰ ৰচিত গান এটিৰে সভাৰ কাৰ্য আৰম্ভ কৰাৰ পিছত অভ্যৰ্থনা সমিতিৰ সভাপতি গুণ্ডানন বৰুৱা ডাঙৰীয়াই সভাৰ উদ্দেশ্য বুজাই দিয়াত অনাৰেবল ৰায় ফণীধৰ চলিহাৰ প্ৰস্তাৱ মতে আৰু হৰেশচন্দ্ৰ ৰাজখোৱা আৰু দেৱেশ্বৰ চলিহা ডাঙৰীয়াৰ সমৰ্থন মতে ৰায় চাহাব পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে।

* * *

সভাত ৭০০/৮০০ মানুহ গোট খাইছিল। এই বক্তৃতাৰ (সভাপতিৰ ভাষণ) শেষ হোৱাৰ পিছত ৰচনা পাঠ আৰম্ভ হয়। প্ৰথমে নগাঁও নিবাসী মৌলবী মোছলেহউদ্দিন আহমদৰ 'অসমীয়া সাহিত্য আৰু মুছলমান' বিষয়ক ৰচনা পাঠ কৰা হয়। তাৰ পাছত গুৱাহাটীৰ বিপিনবিহাৰী বৰা ডাঙৰীয়াৰ 'গোবৰ-ৰহস্য' বিষয়ক দীঘল অথচ ৰসপূৰ্ণ ৰচনাই সভাত অতিকৈ আমোদ দিলে। তাৰ পিছত শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ 'কীৰ্ত্তনৰ সাহিত্য সৌষ্ঠৱ' শীৰ্ষক ৰচনাৰ এক খণ্ড পাঠ কৰা হয় আৰু শেহান্তৰত ৰত্নকান্ত বৰকাকতীৰ 'অসমীয়া ভাষা' বিষয়ক প্ৰবন্ধ পঢ়িবলৈ সময়ৰ নাটনি হোৱাত তাৰ এভাগ পঢ়াৰ পাছত বাকীভাগ পঠিত বুলি গণ্য কৰা হ'ল। তাৰ পাছত তাৰাপ্ৰসাদ চলিহা ডাঙৰীয়াৰ প্ৰস্তাৱ আৰু বংশীভূষণ বৰুৱাৰ সমৰ্থন মতে তলত লিখা ভদ্ৰলোকসকলক বিষয়-নিৰ্বাচনী সভ্য নিযুক্ত কৰা হ'ল। সভাপতি ডাঙৰীয়া, অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া, শৰৎ চন্দ্ৰ গোস্বামী, হৰিহৰ দাস, কুলধৰ চলিহা, দেৱেশ্বৰ শৰ্মা, শিৱ ভট্টাচাৰ্য, মহাদেৱ শৰ্মা, চন্দ্ৰনাথ শৰ্মা, মৌলবী আলী, মৌলবী মোছলেহউদ্দিন আহমদ, লক্ষ্মীকান্ত বৰুৱা, সিদ্ধেশ্বৰ গোহাঁই, দেৱেশ্বৰ চলিহা, লোহিত ভূঞা।

লেখক
স্বা ঃ সিদ্ধেশ্বৰ গোহাঁই
অভ্যৰ্থনা সমিতিৰ সভ্য

স্বা ঃ গুণ্ডানন বৰুৱা
অভ্যৰ্থনা সভাৰ সভাপতি
স্বাক্ষৰ ঃ লক্ষ্মীকান্ত বৰুৱা
অভ্যৰ্থনা সমিতিৰ সম্পাদক

অসম সাহিত্য সভাৰ প্ৰথম সম্পাদকৰ প্ৰতিবেদনখন

"আজি কিছুমান বছৰৰ পৰা শিক্ষিত সমাজৰ মাজত এখন সাহিত্য সম্মিলন হ'ব লাগে এনে এটা আকাংক্ষা জাগৰূক হৈছিল। এই আকাংক্ষা দুটা-এটা চেষ্টাত প্ৰকাশো হৈ পৰিছিল। প্ৰথমে ১৯১৫ ইংৰাজী চনৰ... জুলাই তাৰিখে এখন ডাঙৰ সাহিত্য সভা যোৰহাটৰ বিষ্ণুৰাম হলত হয়। এই সময়ত আসাম উপত্যকাৰ প্ৰজাহিতৈষী কমিচনাৰ মাননীয় কৰ্ণেল গৰ্ডন চাহাব বাহাদুৰৰ চেষ্টাত যোৰহাটত আসামৰ শিল্পৰ উন্নতিৰ কাৰণে এখন সভা হৈছিল। এই সভাত আসাম উপত্যকাৰ চৰকাৰী চাকৰি নকৰা প্ৰায় আটাইখিনি ভাল মানুহ গোট খাইছিল। এই সুযোগকে লৈ যোৰহাট সাহিত্য সভাৰ গৰাকীসকলে তেতিয়া যোৰহাটত উপস্থিত আটাইবিলাক ভদ্ৰলোকক-নিমন্ত্ৰণ কৰি এখন ডাঙৰ সাহিত্য সভা পাতে। এই সভাৰ সভাপতি আছিল মাননীয় ৰায় ফণীধৰ চলিহা বাহাদুৰ; আৰু ইয়াত অনাৰেবল মজিদ চাহাবে আৰু ৰায় চাহাব পদ্মনাথ গোহাঞিবৰুৱাই এটি অতি শুৱলা দীঘল বক্তৃতা দিছিল; আৰু দুৰ্গেশ্বৰ শৰ্মা, ঘনকান্ত বৰুৱা আৰু মোক্ষনাথ ফুকন এখেতসকলে প্ৰত্যেকে একোটা প্ৰবন্ধ পঢ়িছিল।

এই বছৰবে ডিচেম্বৰ মাহত ডিব্ৰুগড়ত আসাম কনফাৰেন্স বহে। কনফাৰেন্স শেষ হোৱাত কনফাৰেন্সৰ গৰাকীসকলৰ আয়োজনত ৩০ ডিচেম্বৰ তাৰিখে ডিব্ৰুগড়তো এখন ডাঙৰ সাহিত্য সভা বহে। এই সভাত মাননীয় ফণীধৰ চলিহা ডাঙৰীয়াই আগভাগ লৈছিল। সত্যনাথ বৰা ডাঙৰীয়াই এই সুন্দৰ দীঘল বক্তৃতা দিছিল আৰু বেণুধৰ ৰাজখোৱা, পদ্মনাথ গোহাঞিবৰুৱা, শ্ৰীযুক্ত মৌলবী তফজ্জুল হুছেইন হাজৰিকা আৰু দুৰ্গানাথ চাংকাকতী আদিয়ে একোটা বক্তৃতা দিছিল।

ইয়াৰ পিছত গুৱাহাটীৰ পৰা দুৰ্গানাথ শৰ্মা, চন্দ্ৰনাথ শৰ্মা আৰু গৌৰীকান্ত তালুকদাৰ, প্ৰভৃতি কেইগৰাকীমান ডেকাই গোটখাই অসম সাহিত্য সন্মিলন এখন হ'ব লাগে বুলি চেষ্টা কৰিছিল।

অৱশেষত শিৱসাগৰৰ কিছুমান ভদ্ৰলোকে অসম কনফাৰেন্সৰ সময়তে অসমৰ অনেক লোক গোট খোৱা সুবিধাটোকে লৈ শিৱসাগৰত সাহিত্য সন্মিলন এটি পাতিবলৈ মন কৰে আৰু এই উদ্দেশ্যে অসমীয়া সাহিত্যৰ চৰ্চা কৰা সকলো লোককে নিমন্ত্ৰণ কৰে। ডিচেম্বৰ ২৬ আৰু ২৭ তাৰিখে শিৱসাগৰত এই সন্মিলন বহে।

শৰৎ চন্দ্ৰ গোস্বামী
আসাম সাহিত্য সভাৰ প্ৰথম প্ৰধান সম্পাদক

উৎস : অভিলেখ

অসম সাহিত্য সভাৰ
প্ৰথম নিয়মাৱলী

(ক) নাম

১। এই সভাৰ নাম হ'ব 'আসাম সাহিত্য সভা'।

(খ) উদ্দেশ্য

২। অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্বাংগীন উন্নতি কৰাই এই সভাৰ উদ্দেশ্য।

৩। ৰাজনৈতিক বিষয়ত এই সভাই হাত নিদিয়ে।

৪। অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে সভাই তলত দিয়া মতে বিশেষ কাৰ্য কৰিবলৈ যত্নপৰ হ'ব।

(ক) অভিধান আৰু ব্যাকৰণৰ সংস্কৰণ, (খ) প্ৰাচীন সাহিত্যৰ অনুসন্ধান (গ) আমাৰ সাহিত্যত যি যি বিষয়ৰ পুথিৰ অভাৱ সেই সেই বিষয়ত পুথি লিখাৰ চেষ্টা (ঘ) অৱস্থাহীন সাহিত্যিকৰ গ্ৰন্থ প্ৰকাশ (ঙ) নিভাঁজ পুৰণি অসমীয়া সুৰৰ ৰেকৰ্ড (গ্ৰামোফন) প্ৰস্তুত (চ) সংগীত আৰু চিত্ৰবিদ্যা শিক্ষাৰ অৰ্থে বৃত্তি দান (ছ) সভাৰ মুখপত্ৰ এখন প্ৰকাশ (জ) সাহিত্য উন্নতিৰ অৰ্থে আন কোনো প্ৰকাৰ যত্ন। ইয়াৰ লগত সভাৰ গঠন, কাৰ্যনিৰ্বাহক সভা, শাখা সভা, স্বীকৃত সভা, বাৰ্ষিক সাহিত্য সন্মিলন, অভ্যৰ্থনা সভা, বিষয়-বাছনি সভা, সন্মিলনৰ সভাপতি, সন্মিলনৰ কাৰণে প্ৰবন্ধ আদি, টকা-কড়ি, নিয়ম পৰিবৰ্তন— এইকেইটা ছেদ নিয়মাৱলীৰ অন্তৰ্ভুক্ত হয়। গোৱালপাৰাত অনুষ্ঠিত দ্বিতীয় অধিৱেশনত ১৩টা সংশোধনী গ্ৰহণ কৰা হয়।

অসম সাহিত্য সভাৰ পঞ্জীয়ন

যোৰহাটত বহা পঞ্চম সন্মিলনত আসাম সাহিত্য সভাক ১৮৬০ চনৰ ২১ নং আইন অনুসৰি পঞ্জীয়ন কৰিবৰ কাৰণে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেইমতে ১৯২৪ চনৰ ৫ মে' তাৰিখে সভা পঞ্জীভুক্ত হয়।

অসম সাহিত্য সভাৰ চৰকাৰী পঞ্জীয়নত ব্যৱহৃত সংবিধানখন

In the matter of Act XXI of 1860 of the Acts of the Governor General of India in Council, being an Act for registration of Literary Scientific and Charitable Societies and In the matter of the 'Assam Sahitya Sabha'.

MEMORANDUM OF ASSOCIATION

I. The name of the Association (to be herein after referred to as

the 'Sabha' is the 'Assam Sahitya Sabha'.

II. The objects for which the Association is established are :

(1) To effect all round improvement of the Assamese Language and Literature.

(a) To revise and bring up-to-date the Assamese Dictionary and Grammar.

(b) To encourage the research in and study of the Ancient Assamese Literature, such as old puthis, buranjees, bargeet, folk-lore and proverbs (phakaras).

(c) To publish and encourage the publication of works on subjects in which the Assamese literature is generally poor.

(d) To publish or assist in the publication of useful works by authors who cannot afford to do so themselves.

(e) To prepare Gramophone records of bonafied ancient Assamese tunes.

(f) To grant Scholarships, rewards or prizes for encouraging the study and culture of Music and Arts.

(g) To publish a periodical organ of the 'Sabha'.

(h) To carry on propaganda work for the spread of the study and research in the Assamese Language and Literature among the general public.

(2) To invite and collect subscriptions and donations from the public for the afroesaid subjects.

(3) To hold and manage all funds raised for the above subject.

(4) To hold as trustees such trusts which may be created in favour of the Sabha, either singly or along with other trustees nominated by the creator of the trusts, in furthereace or any of the objects of the Sabha.

(5) To purchase or acquire on lease or in exchange or on hire or by gift or otherwise, of all real and personal property and any rights or privileges necessary or convenient for the purpose of the Sabha.

(6) To sell, improve, manage and develop all or any part of the property of the Sabha.

(7) To do all such other things as are incidental or conductive

to the attianment of the above subject of the Sabha or any of them, including the funding and maintaining of libraries, museums, laboratories, studentships and chairs on literary, scientific, philosophical and theological subjects.

III. The names and addresses and occupation of the persons who are members of, and from the first Board of Management which is the Governing Body of the Sabha are as follows :

Secretary ...	Sreejut Sarat Chandra Goswami B.A., B.T. Superintendent, Training School, Jorhat.
Asstt, Secretary	(1) Sreejut Harinath Pathak Chowdhuri, Sub-Registrar, Jorhat. (2) Sreejut Adyanath Sarma, Instructor, Training School, Jorhat
Treasurer & Accountant	The Secretary for the time being pending appointment of a seperate office bearer or bearers at the next annual conference.
Ordinary Membars :	(1) The Hon'ble Mr. Chandradhar Baruah, Tea Planter and Member of Council of State, India, Jorhat. (2) Rai Bahadur Radha Kanta Handique, Tea Planter, Jorhat. (3) Rai Sahab Durgadhar Borkotoky, Retired Assistant Inspector of Schools, Jorhat. (4) Rai Sahab Golap Chandra Baruah, Deputy Inspector of School, Jorhat. (5) Sreejut Hem Chand a Goswami, E.A.C., Jorhat. (6) Sreejut Iswar Prasad Baruah

B.L., E.A.C, Jorhat.

(7) Sjt. Rameswar Baruah, B.A. Headmaster, Govt. High School, Jorhat.

(8) Moulovi Keramot Ali, Pleader, Jorhat.

(9) Moulovi Jahiruddin Ahmed, B.A., B.T., Asstt. Master, Govt. High School, Jorhat.

(10) Sjt. Purnananda Sarma Pathok B.L. Pleader, Jorhat.

(11) Sjt. Deveswar Sarma, B.L., Pleader, Jorhat.

(12) Sj. Chandranath Dutta Phookan, B.A., B.T., Teacher, Training School, Jorhat.

(13) Sj. Devendra Nath Bez Baruah, B.L. Pleader, Jorhat.

(14) Sj. Deveswar Chaliha, Pleader, Jorhat.

(15) Sj. Kuladhar Chaliha, B.L., Tea Planter, Jorhat.

(16) Babu Jitendra Coomar Das, Merchant, Jorhat.

(17) Sj. Krishna Kanta Bhattacharyya, Editor and Printing Press Keeper, Jorhat.

IV. The Head quarters of the Sabha shall be located in Jorhat in Assam.

V. The Sabha may sure to sue or be sued in the name of the Secretary.

VI. Documents and conveyance, in respects of the transfer or property belonging to the Sabha or for any other purpose shall bear the signature of the Secretary and of one other member of the Board and shall have affixed to them the seal of the Sabha.

VII. The income and property of the Sabha, whensoever derived.

shall be applied solely towards the promotion of the objects of the Sabha as set forth in this Memorandum of Association, and no protion therefore shall be paid of transfered directly or indirectly by way of dividends, bonus, or otherwise by way of profits to the persons who at any time are or have been members of the Sabha or to any of them or to any person claiming through any of them or any person claiming through any of them, provided that nothing herein contained shall prevent the payment in good faith of remuneration to any officers of servents of the Sabha or to any member thereof other person for any service rendered to the Sabha.

VIII. No members or member of the Board of Management shall be answerable for any loss arising in the administration or application of the said trust funds or sums of money, or for any damage to or deterioration that shall, happen to the trust property, unless such loss or damage or deterioration shall happen by or through his or their wilful default or neglect.

IX. If upon the dissolution of the Sabha, there shall remain after the satisfaction of all its debts and liabilities, any property whatsoever, the same shall not be paid or distributed to and among the members of the Sabha or any of them, but shall be given or transferred to some other Sabha or Association, institution or institutions, having objects similar to the objects of the Sabha, to be determined by the votes of not less than three-fifth of the members of the Sabha present personally or by proxy at a meeting called for the purpose or in default thereof, by such judge or Court or Law as may have Jurisdiction in the matter.

A printed copy of the original Rules and Regulations of the said Sabha in the Assamese vernicular with a typed copy of English Translation thereof is filed with this Memorandum of Association and the undersigned being seven of the members of the Governing Body of the said Sabha, do hereby certify that such copy and translation of such Rules and Regulation of the said Sabha are correct.

As witness our several and respective hands, dated this day of 17th March 1924.

Witness to the signatures :
Sd/- Faizuddin Ahmed, E.A.C., on leave
Sd/- Md. Amzad Ali, Head Clerk, Divl. Forest Office
Sd/- Gopal Chandra Goswami Head Clerk, Office of the Inspector of Schools, A.V.C.

Sd/- Hem Chandra Goswami
Sd/- Harinath Pathok Chowdhuri
Sd/- Devendra Nath Bezbaruah
Sd/- Rameswar Baruah
Sd/- Sarat Chandra Goswami
Sd/- Zahiruddin Ahmed
Sd/- Adya Nath Sarma.

Registered by me this 5th Day of May, 1924
Sd/- W.L. Scot
Registrar of Joint Stock Companies, Assam.

অসম সাহিত্য সভাৰ
প্ৰথম কাৰ্য-নিৰ্বাহক সমিতি

শিৱসাগৰ ঃ ২৬ ডিচেম্বৰ, ১৯১৭ চন

সভাপতি ঃ পদ্মনাথ গোহাঞিবৰুৱা
প্ৰধান সম্পাদক ঃ শৰৎ চন্দ্ৰ গোস্বামী
সহকাৰী সম্পাদক ঃ দেৱেশ্বৰ শৰ্মা
সদস্য ঃ
মঙ্গলদৈ ঃ তাৰানাথ চক্ৰৱৰ্তী, ৰমণীকান্ত বৰুৱা
তেজপুৰ ঃ পদ্মনাথ গোহাঞি বৰুৱা, মহাদেৱ শৰ্মা
লক্ষীমপুৰ ঃ ৰোহিতাশ্ব দাস, ডম্বৰুধৰ গঁগৈ
শদিয়া ঃ মেদেলাৰাম দাস, গিৰীশচন্দ্ৰ ৰায়চৌধুৰী
ডিব্ৰুগড় ঃ হৰিকৃষ্ণ দাস, নীলমণি ফুকন, মৌঃ মফিজুদ্দিন আহমদ হাজৰিকা
শিৱসাগৰ ঃ গুণাভিৰাম বৰুৱা, লক্ষ্মীকান্ত বৰুৱা, সিদ্ধেশ্বৰ গোহাঁই।
যোৰহাট ঃ দেৱেশ্বৰ চলিহা, কুলধৰ চলিহা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, পূৰ্ণানন্দ শৰ্মা, মৌঃ জেহিৰুদ্দিন আহমদ
গোলাঘাট ঃ শ্ৰীনাথ বেজবৰুৱা, কালিৰাম দত্ত

কহিমা ঃ চন্দ্ৰকুমাৰ বৰুৱা, সীতানাথ বৰবৰা
নগাঁও ঃ ৰত্নকান্ত বৰকাকতী, মৌঃ মোছলেহউদ্দিন আহমদ
ছিলং ঃ কমলাকান্ত বৰুৱা, সিংহদত্ত গোস্বামী
গুৱাহাটী ঃ সত্যনাথ বৰা, চন্দ্ৰনাথ শৰ্মা, মৌঃ আজিজৰ ৰহমান
বৰপেটা ঃ কমলকান্ত দাস, অম্বিকা ৰায়চৌধুৰী
গোৱালপাৰা ঃ কমলেশ্বৰ নাথ, দুৰ্গেশ্বৰ শৰ্মা, মৌঃ চফিয়ৰ ৰহমান
ধুবুৰী ঃ অমৃতভূষণ অধিকাৰী, প্ৰমথনাথ চক্ৰবৰ্তী, কীৰ্তিনাথ বৰদলৈ
প্ৰবাসী ঃ লক্ষ্মীনাথ বেজবৰুৱা, লোহিতচন্দ্ৰ ভূঞা, ৰাধানাথ ফুকন।

ৰেভাৰেণ্ড এছ অ' ডি বগস্ আৰু ৰেভাৰেণ্ড চি এইচ টিলডেন নামৰ দুজন ইউৰোপীয়ক ইয়াৰ মনোনীত সদস্য কৰা হৈছিল।

কাৰ্য-নিৰ্বাহক সমিতিৰ প্ৰথম অধিৱেশনৰ কাৰ্য-বিৱৰণী

আসাম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহকৰ সভাৰ অধিৱেশন

সময় ঃ ২০-২-১৯১৮ গধূলি ৭.৩০ বজাত।
ঠাই ঃ কুলধৰ চলিহাৰ ঘৰ।
উপস্থিত ঃ কুলধৰ চলিহা, দেৱেশ্বৰ চলিহা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, পূৰ্ণানন্দ শৰ্মা (লোকৰ দ্বাৰা by proxy) সম্পাদক, আৰু সহকাৰী সম্পাদক।

(১)

আসাম সাহিত্য সভাৰ নিয়মাৱলী আৰু শিৱসাগৰত বহা অধিৱেশনৰ কাৰ্য-বিৱৰণী ছপা কৰিবলৈ আৰু ছপাৰ খৰচ সভাৰ পৰা নিৰ্বাহ কৰিবলৈ সম্পাদকক ক্ষমতা দিয়া হ'ল।

— সৰ্বসম্মতিক্ৰমে গৃহীত

(২)

সভাৰ সম্বন্ধে পোৱা টকা স্বীকাৰ কৰিবৰ নিমিত্তে ১,০০০ (এক হাজাৰ) ৰচিদ ছপা কৰিবলৈ আৰু ছপাৰ খৰচ সভাৰ পৰা নিৰ্বাহ কৰিবলৈ সম্পাদকক ক্ষমতা দিয়া হ'ল।

— সৰ্বসম্মতিক্ৰমে গৃহীত

(৩)

ৰেভাৰেণ্ড এছ অ' ডি বগ্‌ছ আৰু ৰেভাৰেণ্ড চি এইচ টিলডেন চাহাবক এই সভাৰ সভ্য কৰি লোৱা হক।

প্ৰস্তাৱক ঃ ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, সমৰ্থক ঃ দেৱেশ্বৰ চলিহা আৰু সৰ্বসম্মতিক্ৰমে গৃহীত।

দেৱেশ্বৰ শৰ্মা
সহকাৰী সম্পাদক
২০-২-১৯১৮

উৎস ঃ অভিলেখ, ১৯৭৭ চন

অসম সাহিত্য সভাৰ পূৰ্বে গঠন হোৱা সাহিত্য সভা দুখন

কোহিমা সাহিত্য সভা

অসম সাহিত্য সভা জন্মৰ পূৰ্বেই অবিভক্ত অসমৰ কোহিমাত গঠন হৈছিল 'কোহিমা সাহিত্য সভা'। অসম সাহিত্য সভাৰ জন্ম হয় ১৯১৭ চনত। কিন্তু 'কোহিমা সাহিত্য সভা'ৰ জন্ম হৈছিল ১৮৯৫ চনত। কোহিমা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল নবীন চন্দ্ৰ ভট্টাচাৰ্য আৰু প্ৰতিষ্ঠাপক সম্পাদক আছিল পদ্মনাথ গোহাঞিবৰুৱা। নবীন চন্দ্ৰ ভট্টাচাৰ্য বঙালী মানুহ আছিল।
দ্ৰষ্টব্য ঃ দৈনিক অসম, ৫ ডিচেম্বৰ, ২০০৫।

যোৰহাট সাহিত্য সভা

অসম সাহিত্য সভা গঠন হোৱাৰ পূৰ্বে ১৯১৪ চনত গঠন হৈছিল 'যোৰহাট সাহিত্য সভা'। এই সভাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল দেৱীচৰণ বৰুৱা আৰু প্ৰতিষ্ঠাপক সম্পাদক আছিল শৰৎ চন্দ্ৰ গোস্বামী। ২৫/৪/১৯১৮ চনত যোৰহাট সাহিত্য সভাক অসম সাহিত্য সভাই প্ৰথম স্বীকৃতি দিছিল।

"সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াই যোৰহাট সাহিত্য সভা গঠনৰ এমাহৰ পিছত দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত হোৱা সভাত কৈছিল— "আমাৰ সাহিত্য সভা নিচেই নুমলীয়া। মুঠতে এমাহ আগতেহে ইয়াৰ প্ৰথম সভা বহি গৈছে। এনে কেঁচুৱা অৱস্থাতো যে আমি আপোনালোকৰ নিচিনা মহন্ত পুৰুষসকলক আদৰিবলৈ পাইছোঁ ই আমাৰ পৰম ভাগ্যৰ ফল। আমাৰ আৰু এক পৰম ভাগ্যৰ কথা যে মাননীয় শ্ৰীল শ্ৰীযুত ৰায়চাহেব ফণীধৰ চলিহাৰ নিচিনা মহাপুৰুষ এজনক আমি

আজি সভাপতি পাইছোঁ আৰু শ্ৰীল শ্ৰীযুত মাননীয় পদ্মধৰ বৰুৱাৰ নিচিনা প্ৰবীণ সাহিত্যিক এজনক আমাৰ সভাত থিয় হৈ আমাক দুই-এষাৰ উপদেশবাণী শুনাবলৈ পাইছোঁ। এনে সুলক্ষণ আগত লৈ আৰম্ভ কৰাৰ পৰা আমাৰ আশা হৈছে যে আপোনালোকৰ কৃপা আৰু আশীৰ্বাদ থাকিলে আমাৰ এই নুমলীয়া সভাই এদিন আসাম সাহিত্য ক্ষেত্ৰত নানাবিধ ৰত্নতুল্য শস্যৰ জননী হ'ব পাৰিবগৈ।" "আমি কি উদ্দেশ্য লৈ সভাখন পাতিছোঁ তাক আচলতে ক'ব পৰা আমাৰ উদ্দেশ্য নহয়। ই ইমান কেঁচুৱা যে আগলৈ ইয়াক কি কৰিম তাক ভাবিবৰ এতিয়াও সময় নৌ হয়। ...আমাৰ নামটোৰ বিষয়েও এক আষাৰ কথা আমাৰ ক'বলৈ আছে। যদিও আমি ইয়াৰ নাম যোৰহাট সাহিত্য সভা দিছোঁ তথাপিতো আমি আশা কৰিছোঁ যে অসমীয়া সাহিত্যৰ জননী স্বৰূপা অঃ ভাঃ উঃ সাঃ সভাৰ পদাংক অনুসৰণ কৰি আমাৰ সভাই চলিব পাৰিব। অঃ ভাঃ উঃ সাঃ সভাৰ নিচিনা ডাঙৰ নাম আমাৰ কেঁচুৱা সভাক দিবলৈ সাহ কৰা নাই, কাৰণ তেনে কৰিলে আমাৰ পুৰণি আৰু মাতৃস্বৰূপা সেই সভাৰ অৱমাননা কৰা হ'ব বুলিহে ভাবিছিলোঁ।" (যোৰহাট সাহিত্য সভাত দিয়া শৰৎ চন্দ্ৰ গোস্বামীৰ ভাষণৰ অংশবিশেষ, *আলোচনী* ৭ম বছৰ পুহ ১৮৩৭, ৩য় সংখ্যা)

প্ৰথম শাখা সভা

অসম সাহিত্য সভাৰ প্ৰথমখন স্বীকৃত শাখা হ'ল 'যোৰহাট' সাহিত্য সভা। সভাখন ১৯১৪ চনত প্ৰতিষ্ঠা হৈছিল। সভাখনৰ প্ৰতিষ্ঠাপক সভাপতি দেৱীচৰণ বৰুৱা আৰু প্ৰতিষ্ঠাপক সম্পাদক শৰৎ চন্দ্ৰ গোস্বামী। কাৰ্য-নিৰ্বাহক সমিতিৰ দ্বিতীয় অধিৱেশনে (২৫-৪-১৯১৮) যোৰহাট সাহিত্য সভাক শাখা সভাৰূপে স্বীকৃতি দিয়ে। এই বছৰতে গুৱাহাটীৰ অ. ভা.উ.সা.সভা (৮-৬-১৯১৮), তেজপুৰৰ অ.ভা.উ.সা. সভা (১-৮-১৯১৮), নগাঁৱৰ অ.ভা.উ.সা. সভা (১৩-৯-১৯১৮), উত্তৰ লক্ষীমপুৰ সাহিত্য সভা (১৩-৯-১৯১৮), নাজিৰা সাহিত্য সভা (১৩-৯-১৯১৮), নলবাৰী সাহিত্য সভা (১৩-৯-১৯১৮), শিৱসাগৰ সাহিত্য সভা (১৩-৯-১৯১৮), গৌৰীপুৰ সাহিত্য সভা (২৬-৯-১৯১৮), গোলাঘাট সাহিত্য সভা (২৬-৯-১৯১৮) আৰু মঙ্গলদৈ সাহিত্য সভাক (২৬-৯-১৯১৮) শাখা সভাৰূপে আৰু শিৱসাগৰৰ বিমলালয় সভা আৰু ডিব্ৰুগড় সাহিত্য সভাক স্বীকৃত সভাস্বৰূপে স্বীকৃতি দিয়া হয়। ১৯২১ চনলৈকে মুঠ ১৬খন শাখা সাহিত্য সভা গঠন হয়। বৰ্তমান সভাৰ শাখাৰ সংখ্যা প্ৰায় ৮০০ খন। আমেৰিকা, লণ্ডনতো অসম সাহিত্য সভাৰ শাখা আছে।

প্ৰথম সংগঠক

১৯২৪ চনৰ ২৭, ২৮ আৰু ২৯ ডিচেম্বৰত গুৱাহাটীত বহা সপ্তম সম্মিলনত

বেণুধৰ শৰ্মা ডাঙৰীয়াক প্ৰচাৰক নিযুক্ত কৰা হয়। 'আৱশ্যকীয় ঠাইত আসাম সাহিত্য সভাৰ শাখা বা স্বীকৃত সভা স্থাপনৰ অৰ্থে আৰু সকলো প্ৰকাৰে অসমীয়া সাহিত্যৰ প্ৰচাৰৰ অৰ্থে যত্ন কৰিবলৈ ... তলত নাম দিয়া ভদ্ৰলোকসকলক ঠায়ে ঠায়ে এনে যত্ন ল'বলৈ অনুৰোধ জনোৱা হওক।

ডিব্ৰুগড় ঃ পদ্মধৰ চলিহা
উত্তৰ লক্ষীমপুৰ ঃ মহম্মদ চাদিৰ হুছেইন
শিৱসাগৰ ঃ দুৰ্গাপ্ৰসাদ বৰঠাকুৰ
যোৰহাট ঃ নকুল চন্দ্ৰ ভূঞা
গোলাঘাট ঃ জগত চন্দ্ৰ গোস্বামী
নগাঁও ঃ ৰামেশ্বৰ বৰুৱা
তেজপুৰ ঃ চন্দ্ৰনাথ শৰ্মা
মঙলদৈ ঃ কৃষ্ণকান্ত মহন্ত
গুৱাহাটী ঃ সৰ্বেশ্বৰ কটকী
বৰপেটা ঃ মনহৰি দাস
গোৱালপাৰা ঃ সুৰেন্দ্ৰমোহন দাস
গৌৰীপুৰ ঃ পীতাম্বৰ চক্ৰৱৰ্তী
ছিলং ঃ ৰায় চাহাব কমলাকান্ত বৰুৱা
কলিকতা ঃ যতীন্দ্ৰনাথ দুৱৰা
ঢাকা ঃ গুণগোবিন্দ দত্ত

অসম সাহিত্য সভাৰ প্ৰথম দাতা

অসম সাহিত্য সভাৰ প্ৰথমজন দাতা হ'ল ডাঃ হৰেকৃষ্ণ দাস। শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ প্ৰথম সন্মিলনত পোনপ্ৰথমতে ডাঃ দাসে এখন দহটকীয়া নোট অসম সাহিত্য সভালৈ আগবঢ়ায়। ডাঃ দাসে আগবঢ়োৱা এই দহ টকাই হ'ল অসম সাহিত্য সভাৰ প্ৰথম সন্মিলনৰ প্ৰথম দান। ডাঃ দাসৰ এনে মহানুভৱতাৰ আঁত ধৰি প্ৰথম সন্মিলনৰ সভাপতি পদ্মনাথ গোহাঞিবৰুৱাই এটি ভাষণৰ জৰিয়তে সাহিত্যপ্ৰেমীসকলক অনুপ্ৰাণিত কৰে। পদ্মনাথ গোহাঞি বৰুৱাৰ ভাষণৰ প্ৰতি সন্মান জনাই সভাস্থলীতেই ২২৪২ টকা দান আদায় দিয়াৰ প্ৰতিশ্ৰুতি আদায় কৰা হয়।

'কমলা দেৱী সাহিত্য মন্দিৰ'ৰ কথা

চাহ খেতিয়ক ৰাধা নাথ গোস্বামীয়ে মাক কমলা দেৱীৰ স্মৃতি ৰক্ষাৰ্থে দুহাজাৰ

টকা দান দিছিল। প্ৰথমতে সেই টকাৰে কমলা দেৱীৰ নামত সাহিত্য সভাৰ এটা ঘৰ সজাৰ কথা আছিল। ঘৰটোৰ নাম ঠিক কৰা হৈছিল 'কমলা দেৱী সাহিত্য মন্দিৰ'। কিন্তু এই ধনেৰে যোৰহাটত 'কমলা দেৱী সাহিত্য মন্দিৰ' হৈ নুঠিল। কেইদিনমান পিছত ৰাধাকান্ত সন্দিকৈয়ে পুত্ৰৰ স্মৃতিত সাহিত্য সভাৰ ভৱন নিৰ্মাণৰ বাবে শকত পৰিমাণৰ ধন দিয়াত ৰাধানাথ গোস্বামীক 'কমলা দেৱী সাহিত্য মন্দিৰ'ৰ সলনি 'কমলা দেৱী শিশু সাহিত্য' নামেৰে শিশুৰ সাহিত্য ছিৰিজ এটা উলিয়াবলৈ দিহা দিয়া হয়। সেই অনুসৰি হৈ উঠিল শিশু সাহিত্যৰ উন্নতিকল্পে কমলা দেৱী শিশু সাহিত্যৰ প্ৰথম ন্যাস। গতিকে এই ন্যাসৰ ধন শিশু সাহিত্যৰ কাৰণে সুকীয়াকৈ থাকিল।

প্ৰথম অধিৱেশনৰ আয়-ব্যয়

১৯১৮ চনৰ ডিচেম্বৰ মাহত গোৱালপাৰাত অনুষ্ঠিত সভাৰ বাৰ্ষিক অধিৱেশনত পঠিত আৰু গৃহীত সম্পাদকীয় প্ৰতিবেদনৰ পৰা জনা যায় যে সভাৰ মুঠ আয় ১৬২ টকা ১২ আনা টকা পাই আৰু ব্যয় ১০৬৩ পাই। উল্লেখযোগ্য যে শিৱসাগৰ অধিৱেশনত ডাঃ হৰেকৃষ্ণ দাসে দিয়া ১০ টকীয়া নোটখনেই অসম সাহিত্য সভাৰ প্ৰথম সম্মিলনৰ প্ৰথম দান। দ্বিতীয় দিনাৰ অধিৱেশনত পদ্মনাথ গোহাঞিঃ বৰুৱাৰ হৃদয়গ্ৰাহী বক্তৃতাত অনুপ্ৰেৰণা পাই সভাস্থলীতে ২২৪২ টকাৰ চহী আৰু নগদ ৬৪৭ টকা আদায় হয়। প্ৰস্তাৱক গোহাঞিবৰুৱাই ১০০ টকা আৰু সমৰ্থক কুলধৰ চলিহাই ৫০ টকা আগবঢ়ায়।

প্ৰথম কৰ্মচাৰীৰ দৰ্মহা

২৬-৯-১৯১৮ তাৰিখৰ কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত মতে মুঠ ২০ টকা বেতনত অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ— এই তিনিমাহৰ কাৰণে এজন কাৰ্যালয় সহকাৰী নিয়োগ কৰা হৈছিল। ইয়াৰ পিছত ১৮-২-১৯১৯ তাৰিখৰ কাৰ্যনিৰ্বাহকত নিয়মীয়াকৈ কাৰ্যালয় চলাবৰ কাৰণে মাহে দহ টকাৰ বেতনত এজন কাৰ্যালয় সহকাৰী নিয়োগ কৰিবলৈ সিদ্ধান্ত কৰে। এই অধিৱেশনতেই ধনভঁৰালৰ অৱৰক্ষণ সমিতিৰ নিয়মাৱলী যুগুত কৰাৰ কথা চিন্তা কৰে।

সভাৰ প্ৰথম বছৰৰ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ

অসম সাহিত্য সভাৰ প্ৰথম বছৰত সভাৰ শ্ৰীবৃদ্ধি কৰিবৰ কাৰণে সংগঠনৰ ওপৰত অধিক গুৰুত্ব দিছিল; সেয়ে প্ৰথম বছৰত গ্ৰহণ কৰা প্ৰস্তাৱসমূহ ঘাইকৈ সভাৰ সাংগঠনিক দিশটো গঢ় দি তোলাৰ চেষ্টাহে। দ্বিতীয় বছৰ গোৱালপাৰাৰ বাৰ্ষিক অধিৱেশনত গ্ৰহণ কৰা দুটা প্ৰস্তাৱ আৰু তাৰ কাৰ্যকৰী কৰাৰ ব্যৱস্থা হুবহু উদ্ধৃত কৰা হ'ল।

ষষ্ঠ প্ৰস্তাৱ ঃ কটন কলেজত অসমীয়া শিক্ষাদানৰ লগে লগে অসমীয়া পুৰণি সাহিত্যৰ লুপ্ত ৰত্নবিলাক উদ্ধাৰ কৰিবৰ নিমিত্তে সেই কলেজত এজন অসমীয়া ভাষাৰ স্থায়ী অধ্যাপক নিযুক্ত কৰিবৰ অৰ্থে আসাম গভৰ্ণমেণ্টে যেন এটা পদৰ সৃষ্টি কৰি দিয়ে সেইবাবে বিনীতভাৱে গভৰ্ণমেণ্টক আবেদন কৰা হওক।

প্ৰস্তাৱক ঃ যতীন্দ্ৰনাৰায়ণ চৌধুৰী, **সমৰ্থক ঃ** ৰমাকান্ত বৰকাকতী, **অনুমোদক ঃ** হৰিপ্ৰসাদ নাথ, প্ৰমথনাথ চক্ৰৱৰ্তী।

৯ম প্ৰস্তাৱ ঃ অসমৰ পঢ়াশালিৰ পাঠ্য কিতাপ বাছনি সভাত আসাম সাহিত্য সভাৰ নিৰ্বাচিত প্ৰতিনিধি অন্ততঃ এজন সমজুৱা ভুক্ত কৰিবলৈ গভৰ্ণমেণ্টক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক ঃ মাননীয় ৰায় ফণীধৰ চলিহা বাহাদুৰ, **সমৰ্থক ঃ** চন্দ্ৰনাথ শৰ্মা, **অনুমোদক ঃ** সুখলতা দুৱৰা মৌলবী চফিয়ৰ ৰহমান।

২৮ ডিচেম্বৰ, ১৯১৮

প্ৰথম আজীৱন সভ্য

ডিব্ৰুগড়ত অনুষ্ঠিত ষষ্ঠ সন্মিলনৰ নিয়মাৱলীৰ গঠন পঞ্চম ছেদত স্থায়ী সভ্য অন্তৰ্ভুক্ত হয়। ১৯২৪ চনৰ ২৭ ডিচেম্বৰ তাৰিখে গুৱাহাটীত বহা সভাৰ সপ্তম সন্মিলনৰ তৃতীয় দিনা (২৯ ডিচেম্বৰ) মুকলি অধিৱেশনত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞি বৰুৱা, ৰজনীকান্ত বৰদলৈ, কালিৰাম মেধি, ঈশ্বৰপ্ৰসাদ বৰুৱা, গংগাৰাম চৌধুৰী— এইসকলে স্থায়ী সভ্য হ'বলৈ প্ৰতিশ্ৰুতি দিয়ে সেইমতে তেখেতসকল সভাৰ আজীৱন সভ্য হয়। কিন্তু এখেতসকলৰ আগতে স্বীকৃতি পাই শিৱসাগৰৰ তাৰাপ্ৰসাদ চলিহাই (৮.১.২৫), লক্ষ্মীনাথ বেজবৰুৱা (২১ ১.২৫), নন্দেশ্বৰ চক্ৰৱৰ্তী (১৮.৬.২৫), ঈশ্বৰ প্ৰসাদ বৰুৱা (১৮.৬.৫), গংগাৰাম চৌধুৰী (২৮.৭.২৫), জীতেন্দ্ৰ কুমাৰ দাস (২৮.৭.২৫), ৰজনীকান্ত বৰদলৈ (২৬.১১.২৫) য়ে ক্ৰমে স্থায়ী সভ্যৰূপে স্বীকৃতি লাভ কৰে। বৰ্তমান সভাৰ আজীৱন সভ্যৰ সংখ্যা ৮১৪১ জন (১৫.১০.২০০৯ লৈ

প্ৰথম হিতৈষী সভ্য

ডিব্ৰুগড়ত অনুষ্ঠিত ষষ্ঠ সন্মিলন সভাৰ গঠন মতে ৯ম বিধিৰ হিতৈষী সভ্য অন্তৰ্ভুক্ত কৰা হয়। "...কাৰ্যনিৰ্বাহক সভাই যিকোনো বিশিষ্ট ব্যক্তিক বিশেষ বিবেচনা কৰি সভাৰ, হিতৈষী (Patron) ভুক্ত কৰি ল'ব পাৰিব।" সভাৰ সপ্তম সন্মিলনৰ পঞ্চম প্ৰস্তাৱ অনুসৰি ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ আৰু ৰাধানাথ গোস্বামীৰ হিতৈষী সভ্য মনোনীত কৰা হয়।

প্ৰথম সংগীত অধিৱেশন

ডিব্ৰুগড়ত বহা সভাৰ ষষ্ঠ সম্মিলনত কাৰ্যনিৰ্বাহক আৰু আদৰণী সমিতিৰ প্ৰযত্নত প্ৰথম সংগীত অধিৱেশন বহে। এই সম্পৰ্কীয় প্ৰথম প্ৰস্তাৱটি আগবঢ়াইছিল কুমুদেশ্বৰ বৰঠাকুৰে। শৰৎচন্দ্ৰ গোস্বামীয়ে যুগুত কৰা বছৰেকীয়া প্ৰতিবেদনৰ পৰা তলৰ কথাখিনি উদ্ধৃত কৰা হ'ল।

"২০ এপ্ৰিল ৰবিবাৰৰ দিনা (১৯২৪ চনৰ সম্মিলনৰ দ্বিতীয় দিনা) পুৱা ৭½ বজাৰ পৰা সংগীত সংঘৰ অধিৱেশন বহে। ...ইয়াৰ সভাপতি আছিল ইন্দ্ৰেশ্বৰ বৰঠাকুৰ। এখেতৰ অভিভাষণ অতি সুন্দৰ হৈছিল, ইয়াত ভাৰতীয় সংগীতকলাৰ এটি চমু আভাস পোৱা হৈছিল। ...ইয়াতেই সংগীত সংঘ স্থাপিত হয়। তাৰ সম্পাদক নিযুক্ত হয় ডাক্তাৰ উমেশচন্দ্ৰ দাস। সাহিত্য সম্মিলনৰ লগে লগে সভাৰ সংগীত সংঘ বহাৰো স্থিৰ হয়।..."

প্ৰথম প্ৰদৰ্শনী

ষষ্ঠ সম্মিলনতে লক্ষেশ্বৰ বৰুৱাৰ যত্নত প্ৰথম প্ৰদৰ্শনী পতা হয়। "এই প্ৰদৰ্শনী দেখি সকলো লোকে সন্তোষ পাইছিল। ইয়াত কিছুমান পুৰণি পুথি মুদ্ৰা আদিও দেখুৱা হৈছিল। ...সাঁচিপতীয়া পুথিবোৰত আঁকা চিত্ৰবোৰেই প্ৰদৰ্শনীৰ বিশেষ উল্লেখযোগ্য কথা ...মৎস্য চৰিত্ৰ পুথিৰ দশ অৱতাৰৰ ছবিখন অতি বিতোপন আছিল। সেই পুথিখন ১৭৫৩ শকৰ মাঘ মাহত জয়ানন্দৰ দ্বাৰা নকল হৈছিল। পুথিখন দিনজয় সত্ৰৰ পৰা সংগ্ৰহ কৰা হৈছিল। তলত দিয়া পুৰণিকলীয়া পুথিবিলাক প্ৰদৰ্শনীত ৰখা হৈছিল— (১) ভক্তিতত্ত্ব সাৰ, (২) গোৰক্ষতত্ত্ব, (৩) ভীষ্মপৰ্ব (ৰাম সৰস্বতী), (৪) বঘাসুৰ বধ (১৭৩২ শক), (৫) উষাহৰণ (১৭১৬ শক), (৬) কুলাচল বধ, (৭) লংকাকাণ্ড, (৮) ৰামায়ণ, (৯) লংকাকাণ্ড ৰামায়ণ (১৭৩২ শক), (১০) চৰিতপুথি। ইয়াত ইয়াৰ বাহিৰে এশ বছৰৰ আগৰ লোৰ ওপৰত পিতলৰ পানী চৰোৱা দুডাল লোৰ খুঁটিও ৰখা হৈছিল। সুতা কটা, তাঁত বোৱা ইত্যাদিও তাত দেখুৱা হৈছিল। গুৱাহাটীৰ বিপিন চন্দ্ৰ বৰায়ো এড়ি পলু পোহা অসমীয়া যঁতৰত এড়ি কটাৰ প্ৰণালী দেখুৱাই প্ৰদৰ্শনী ধুনীয়া কৰিছিল।

বিভিন্ন সম্মিলনৰ প্ৰথম সভাপতি

প্ৰথম বুৰঞ্জী সম্মিলনৰ সভাপতি হিতেশ্বৰ বৰবৰুৱা ১৯২৫, নগাঁও,
আদৰণী সমিতিৰ প্ৰথম সভাপতি গুণাভিৰাম বৰুৱা, শিৱসাগৰ, ১৯১৭
আলোচনা-চক্ৰৰ প্ৰথম সভাপতি হলিৰাম ডেকা, ১৯৫৮, তিনিচুকীয়া
বিজ্ঞান সম্মিলনৰ প্ৰথম সভাপতি জীৱনৰাম ফুকন, ১৯৪৭ চন, ডিব্ৰুগড়

দৰ্শন বিভাগৰ প্ৰথম সভাপতি ষড়ানন তৰ্কতীৰ্থ, ১৯২৬, ধুবুৰী
পুথিভঁৰাল শাখাৰ প্ৰথম সভাপতি ৰামেশ্বৰ বৰুৱা, ১৯৩৭ গুৱাহাটী
প্ৰথম শতবাৰ্ষিকী— আনন্দৰাম ঢেকীয়াল ফুকন, ১৬ জুন, ১৯৫৯

সভাপতি পাতিছিল হেমচন্দ্ৰক, হ'ল চন্দ্ৰধৰ

১৯১৮ চনত অসম সাহিত্য সভাৰ দ্বিতীয়খন অধিৱেশন গোৱালপাৰাত অনুষ্ঠিত হৈছিল। উক্ত অধিৱেশনৰ সভাপতি হিচাপে হেমচন্দ্ৰ গোস্বামীক নিৰ্বাচিত কৰি থোৱা হৈছিল। কিন্তু অধিৱেশনত হেমচন্দ্ৰ গোস্বামীয়ে আকস্মিক দুৰ্ঘটনাত পতিত হোৱাত সভাত উপস্থিত হ'ব নোৱাৰিলে। পিছত যেনিবা শৰৎ চন্দ্ৰ গোস্বামী আৰু কুলধৰ চলিহাৰ অনুৰোধত চন্দ্ৰধৰ বৰুৱাই সভাৰ গোৱালপাৰা অধিৱেশত সভাপতিত্ব কৰিব লগাত পৰে।

এই প্ৰসংগত অসম সাহিত্য সভাৰ যোৰহাটত বহা ২৫ এপ্ৰিলৰ সভাৰ প্ৰস্তাৱটো ঃ "অহা গোৱালপাৰা সাহিত্য সম্মিলনৰ সভাপতি পদ গ্ৰহণ কৰিবলৈ পূৰ্ব নিৰ্বাচিত সভাপতি শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই অসমৰ্থ হোৱাত আৰু সেইবাবে পুৰ্ননিবাচন আৱশ্যক হোৱাত যোৰহাটৰ প্ৰবীণ সাহিত্যিক শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াক সৰ্বসম্মতিক্ৰমে সাধাৰণ সভাৰ সম্মতি আশা কৰি সভাপতি নিৰ্বাচন কৰা হ'ল।"

আসাম এছোচিয়েছনৰ সৈতে সম্পৰ্ক ছেদ

অসম সাহিত্য সভাই আৰম্ভণিৰে পৰাই সভাৰ অধিৱেশন আসাম এছোচিয়েছনৰ সহযোগত কৰি আহিছিল। সভাৰ চতুৰ্থ তেজপুৰ অধিৱেশনখন ১৯২০ চনত আসাম এছোচিয়েছনৰ মণ্ডপতেই হয়। কিন্তু এই বছৰতেই আসাম এছোচিয়েছনে কংগ্ৰেছত যোগদান কৰাত ইয়াৰ পৰৱৰ্তী যোৰহাট অধিৱেশনত (১৯২৩) অভ্যৰ্থনা সমিতিৰ দ্বাৰা সভাৰ অধিৱেশন অনষ্ঠিত কৰাৰ আনুষ্ঠানিক পৰম্পৰা আৰম্ভ হয়। অসম সাহিত্য সভাৰ যোৰহাট অধিৱেশনত (১৯২৩ চন) বঙালী নাট 'দেবলাদেৱী'খন অসমীয়ালৈ ভাঙনি কৰি মঞ্চস্থ কৰা হৈছিল।

সভাৰ মুখপত্ৰ প্ৰকাশৰ চিন্তা ১৯১৮ চনতেই

১৯১৮ চনতেই অসম সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে সভাৰ এখন মুখপত্ৰ উলিওৱাৰ চিন্তা কৰিছিল। সভাৰ ১৯১৮ চনৰ ১৭ ডিচেম্বৰত লোৱা এক প্ৰস্তাৱত এইদৰে কোৱা হৈছিল ঃ

"আসাম সাহিত্য সভাৰ এখন মুখপত্ৰ প্ৰকাশৰ নিতান্ত আৱশ্যক হোৱা বাবে পোনতে তিনিমহীয়া কাকত এখন প্ৰকাশ কৰা হওক; এই বিষয়ে যথাবিহিত কৰিবলৈ প্ৰথম বছৰৰ কাৰণে তলত লিখা কাৰ্যকৰী সভা গঠিত হওক। শ্ৰীযুত মহাদেৱ শৰ্মা, শ্ৰীযুত বেণুধৰ দাস; সম্পাদক আৰু সহকাৰী সম্পাদক দুজন।"

৫৫ বছৰে কৰিব নোৱৰা সাহিত্য সভাৰ কামটো

অসম সাহিত্য সভাই ১৯৫৪ চনতেই এটা সিদ্ধান্ত লৈছিল যে অসমৰ নতুন, পুৰণি সকলো সাহিত্যিকৰ চমু পৰিচয় সম্বলিত এখনি গ্ৰন্থ প্ৰকাশ কৰিব লাগে। সেই বিষয়ত সভাই এক শক্তিশালী প্ৰস্তাৱো গ্ৰহণ কৰিছিল। কিন্তু আজি ৫৫ বছৰে এই কাম কৰা পৰিলক্ষিত হোৱা নাই। ১৯৫৫ চনত এই সংক্ৰান্তত অসম সাহিত্য সভাই লোৱা প্ৰস্তাৱটো আছিল এনেধৰণৰ ঃ "অসমৰ ন-পুৰণি সকলো সাহিত্যিকৰ চমু পৰিচয় আৰু কাৰ্যাৱলী সম্বলিত এখনি গ্ৰন্থৰ অভাৱ অনুভৱ কৰি আজিৰ সন্মিলনে প্ৰস্তাৱ কৰে যে তেনে এখন গ্ৰন্থ যুগুত কৰা হওক আৰু কাৰ্যনিৰ্বাহক সভাই সেই বিষয়ে উপযুক্ত ব্যৱস্থা হাতত লওঁক।" (ত্ৰয়োবিংশ সন্মিলন, যোৰহাট, ১৯৫৪-৫৫)।

অসম সাহিত্য সভা দিৱস

১৯৫৫ চনত গুৱাহাটীত হোৱা চতুৰ্বিংশ অধিৱেশনত লোৱা এক প্ৰস্তাৱত কোৱা হৈছিল যে প্ৰতিবছৰে এটা নিৰ্দিষ্ট দিনত অসমৰ ভিতৰে-বাহিৰে বিভিন্ন কাৰ্যসূচীৰে 'অসম সাহিত্য সভাৰ দিৱস' উদযাপন কৰিব লাগে। ইয়ে অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত বৰঙণি যোগাব বুলি আশা কৰা হৈছিল। এনে দিৱস পাতি সাহিত্য সভাৰ কিতাপ বিক্ৰয় আৰু পুঁজি সংগ্ৰহৰ কাম কৰিব পাৰি। অৱশ্যে 'অসম সাহিত্য সভা দিৱস' হিচাপে উদ্‌যাপন নকৰিলেও আজিকালি প্ৰতি বছৰে ২৭ ডিচেম্বৰৰ দিনটো অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস হিচাপে উদ্‌যাপিত হৈ আহিছে।

সাহিত্য সভাৰ দ্বাৰা গ্ৰন্থ নিষিদ্ধ

১৯৩৬ চনৰ কথা। অসম সাহিত্য সভাৰ দ্বাৰা পোনপ্ৰথমবাৰৰ বাবে প্ৰচাৰ বন্ধ কৰা হৈছিল দুখন গ্ৰন্থৰ। এখন শ্ৰীশ্ৰী দামোদৰদেৱ ৰচিত আৰু আনখন হ'ল শ্ৰীশ্ৰী বনমালী দেৱ ৰচিত। এই সংক্ৰান্তত সাহিত্য সভাৰ প্ৰস্তাৱত কোৱা হৈছিল এনেদৰেঃ "যিহেতু অসম সাহিত্য সভাৰ পৰা প্ৰকাশিত নৰদেৱ গ্ৰন্থাৱলীৰ অন্তৰ্ভুক্ত শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত আৰু শ্ৰীশ্ৰী বনমালী দেৱ চৰিতপুথি দুখনে অনেক অসমীয়া ৰাইজৰ

অন্তৰত বেদনা দিছে আৰু যেহেতু আমাৰ ভিতৰত মনোমালিন্য সৃষ্টি কৰা সাহিত্য সভাৰ উদ্দেশ্য নহয়— সেইকাৰণে আজিৰ সভাই উক্ত পুথি দুখনৰ প্ৰচাৰ বন্ধ কৰে।" (ষষ্ঠ প্ৰস্তাৱ, ষোড়শ সম্মিলন, তেজপুৰ, ১৯৩৬ চন)। অৱশ্যে উল্লিখিত সিদ্ধান্তটো আইন সংগত হোৱা নাই বুলি পিছত সভাই গ্ৰন্থ দুখনৰ প্ৰচাৰ বন্ধৰ সিদ্ধান্ত উঠাই লয়।

'ASSAM' নহয় 'ASAM' হওক

ভাৰতৰ সংবিধানত 'অসম' নামটো ইংৰাজীত 'ASSAM' হিচাপে ৰখাত অসম সাহিত্য সভাই উদ্বেগ প্ৰকাশ কৰিছিল সভাৰ দ্বাবিংশ শ্বিলং সম্মিলনত। সম্মিলনে ভাৰতৰ সংবিধানখনত অসম (ASAM) বুলি স্বীকৃতি দিবলৈ ভাৰত চৰকাৰক অনুৰোধ জনাইছিল।

'আসাম' পৰা 'অসম'

১৯৪৪ চনৰ আগলৈকে 'অসম সাহিত্য সভা'ৰ নাম আছিল 'আসাম সাহিত্য সভা'। কিন্তু ১৯৪৪ চনত অসমীয়া ভাষাৰ লগত ৰজিতা খুৱাই 'আসাম' শব্দটোৰ পৰিবৰ্তে 'অসম' কৰা হয় আৰু সেইদিন ধৰি 'অসম সাহিত্য সভা' (ASAM SAHITYA SABHA) ৰূপে খ্যাত হৈ পৰে।

'অসমীয়া ভাষা'ৰ লগতে 'থলুৱা ভাষা'

সংবিধান মতে অসম সাহিত্য সভাই কেৱল 'অসমীয়া ভাষা'ৰ বিকাশৰ বাবেহে কাম কৰে। কিন্তু ১৯৮২ চনত অসম সাহিত্য সভাৰ ডিফু অধিৱেশনত অসম সাহিত্য সভাৰ সংবিধান সংশোধন কৰি অসমীয়া ভাষাৰ লগতে 'থলুৱা ভাষা'ৰো বিকাশৰ হকে কাম কৰাৰ সিদ্ধান্ত কৰে। পোনপ্ৰথমবাৰৰ বাবে অসম সাহিত্য সভাৰ সংবিধানত 'থলুৱা ভাষাৰ বিকাশ' কথা এইদৰে সন্নিৱিষ্ট হয়।

জনজাতীয় ভাষাৰ সুকীয়া সাহিত্য সভা

অসম সাহিত্য সভা ১৯১৭ চনতেই গঠন হৈছিল যদিও এই সভাই জনজাতীয় ভাষাসমূহৰ বিকাশৰ বাবে অগ্ৰাধিকাৰ নিদিয়া বুলি অনুভৱ কৰি দেশ স্বাধীনতাৰ পিছত ভালেকেইটা জনগোষ্ঠীয়ে তেওঁলোকৰ নিজস্ব ভাষাৰ উন্নতিৰ বাবে সুকীয়া সাহিত্য সভা গঠন কৰে। তাৰ ভিতৰত ১৯৫২ চনত বড়ো সাহিত্য সভা, ১৯৬৫ চনত দেউৰী সাহিত্য সভা, ১৯৮১ চনত তিৱা সাহিত্য সভা গঠন হয়। পিছত মিছিং, ডিমাছা, টাই, ৰাভাসকলেও নিজস্ব সাহিত্য সভা গঠন কৰে।

আতজবাজীৰে আকাশত জিলিকিছিল অসম সাহিত্য সভাৰ নাম

১৯১৯ চনত বৰপেটাৰ মথুৰাপুৰী ক্ষেত্ৰত হৈছিল অসম সাহিত্য সভাৰ তৃতীয় অধিৱেশন। অধিৱেশনস্থলীত থলুৱাভাৱে নিৰ্মিত আতজবাজীৰে 'অসম সাহিত্য সভা' নামটো লিখি আকাশত পোহৰাই তোলা হৈছিল। এই অধিৱেশনৰ নিশা অম্বিকাগিৰী ৰায়চৌধুৰী নাট 'জয়দ্ৰথ বধ' মঞ্চস্থ কৰা হৈছিল।

যোৰহাট চৰকাৰী হাইস্কুল আছিল সভাৰ কাৰ্যালয়

অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় যোৰহাটত নিৰ্মাণৰ প্ৰস্তুতি চলাই থকা সময়ত অস্থায়ীভাৱে অসম সাহিত্য সভাৰ কাৰ্যালয় কিছুদিনৰ বাবে পতা হৈছিল যোৰহাট চৰকাৰী হাইস্কুলৰ এটা কোঠাত। ১৯২৩ চনৰ ১৯ ডিচেম্বৰত যোৰহাটত বহা সভাৰ কাৰ্যনিৰ্বাহক সভাই এই ক্ষেত্ৰত সেই সময়ৰ বিদ্যালয় পৰিদৰ্শকক ধন্যবাদ দি লোৱা প্ৰস্তাবটো আছিল এনেধৰণৰ ঃ "স্কুলসমূহৰ ইন্সপেক্টৰ চাহাব মহোদয়ে সভাৰ ঘৰ নহয় মানে যোৰহাট গভৰ্ণমেণ্ট হাইস্কুলৰ এটা কোঠাত সভাৰ অফিচ পাতিবলৈ দিয়াত চাহাব মহোদয়ক ধন্যবাদ দিয়া হয়।"

সংগীত বিষয়ক পুথিৰ বাবে পুৰস্কাৰ ঘোষণা

অসমীয়া ভাষাত অসমীয়া সুৰৰ সুন্দৰ আলোচনা থকা সংগীত বিষয়ক পুথি এখনৰ প্ৰয়োজন বোধ কৰি অসম সাহিত্য সভাই প্ৰথমবাৰৰ বাবে ১০০.০০ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। অসম সাহিত্য সভাৰ দশম সন্মিলনত (১৯২৭) গোৱালপাৰাত এই পুৰস্কাৰৰ কথা ঘোষণা কৰা হৈছিল।

মহাৰাজ অষ্টম এডৱাৰ্ডলৈ সভাৰ ৰাজভক্তি

১৯৪৪ চন। তেতিয়া ভাৰতৰ নতুন সম্ৰাট হৈছিল মহাৰাজ অষ্টম এডৱাৰ্ড। এই উপলক্ষে অসম সাহিত্য সভাৰ শিৱসাগৰ অধিৱেশনত (১৯৪৪) এটি প্ৰস্তাৱ লোৱা হৈছিল এনেদৰে ঃ "এই সন্মিলনে ভাৰতৰ নতুন সম্ৰাট মহাৰাজ অষ্টম এডৱাৰ্ডৰ প্ৰতি প্ৰগাঢ় ৰাজভক্তি জ্ঞাপন কৰে আৰু তেখেতৰ শান্তিপূৰ্ণ সুদীৰ্ঘ ৰাজত্ব কামনা কৰে।"

এজন ইংৰাজ চাহাবৰ অসমীয়া সাহিত্য-প্ৰীতি

কৰ্ণেল পি.আৰ.টি. গৰ্ডন নামৰ এজন চাহাবে অসমত ৰাজকৰ্মচাৰী হৈয়ো

অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকে অহোপুৰুষাৰ্থ কৰিছিল। গৰ্ডন চাহাবৰ প্ৰতি কৃতজ্ঞতা জনাই অসম সাহিত্য সভাৰ গোৱালপাৰা অধিৱেশনত এটি প্ৰস্তাৱ লোৱা হৈছিল এনেদৰে ঃ

"অনাৰেবল কৰ্ণেল পি আৰ টি গৰ্ডন চাহাব মহোদয়ে এই দেশত ৰাজকৰ্মচাৰী হৈ থাকোঁতে অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিকল্পে অহোপুৰুষাৰ্থ কৰি অসমীয়াৰ জাতীয় জীৱন টনকিয়াল কৰাত যি সহায় কৰিছিল, সেইবাবে এতিয়া তেখেতে ৰাজকীয় বিষয়বাবৰ পৰা অৱসৰ ল'বৰ সময়ত 'আসাম সাহিত্য সভা'ই তেখেতৰ প্ৰতি সৰল কৃতজ্ঞতা জনাইছে।"

সভা গঠনৰ প্ৰাৰম্ভিক আলোচনা বৰপুখুৰীৰ পাৰত

অসম সাহিত্য সভা গঠনৰ বাবে আনুষ্ঠানিক সভা শিৱসাগৰৰ ক্লাব ঘৰত হৈছিল যদিও জনশ্ৰুতিমতে ইয়াৰ কেইদিনামান আগতে এক অনানুষ্ঠানিক আলোচনা হৈছিল শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত থকা বৰ্তমানৰ জিলা আৰু ছেচন ন্যায়াধীশৰ বাসস্থান থকা বঙলাটোত। পাছত 'আসামত সাহিত্য সভা এখনি স্থাপন কৰিবৰ কাৰণে ১৯১৭ চনৰ ২৮ ছেপ্টেম্বৰ তাৰিখে শিৱসাগৰৰ ক্লাব ঘৰত শ্ৰীযুত তাৰাপ্ৰসাদ চলিহা বাৰিষ্টাৰ ডাঙৰীয়াক সভাপতি পাতি এখনি সভা পতা হয়। তাত ১৯১৭ চনৰ ডিচেম্বৰ মাহত অসমৰ শিক্ষিত আৰু সাহিত্যানুৰাগী পুৰুষসকলক নিমন্ত্ৰণ কৰি এখনি 'সদৌ অসম সাহিত্য সভা' গঠিত কৰিবৰ প্ৰস্তাৱ কৰা হয় আৰু সেই উদ্দেশ্যে হোৱা সম্মিলনীত শ্ৰদ্ধাস্পদ ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা ডাঙৰীয়াক সভাপতি বৰণ কৰা হয়।"

প্ৰথম অধিৱেশনত জয়মতী

অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশন শিৱসাগৰত ১৯১৭ চনত অনুষ্ঠিত হৈছিল। দুদিন ধৰি চলা এই অধিৱেশনত পদ্মনাথ গোহাঞিবৰুৱাৰ 'জয়মতী' নাটখন মঞ্চস্থ কৰা হৈছিল। অধিৱেশনত প্ৰায় ৮০০ মান লোক সমবেত হৈছিল। উল্লেখযোগ্য যে সেই সময়ত শিৱসাগৰ চহৰত জনসংখ্যা আছিল প্ৰায় ৫০০০ জন। সেই অনুপাতে দৰ্শকৰ সংখ্যা কম বুলিব নোৱাৰি। অধিৱেশনত বিষ্ণু দৌল, শিৱ দৌল হৈ এটি সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰা হৈছিল। এই শোভাযাত্ৰাৰ নেতৃত্ব দিছিল ফণীধৰ চলিহাই।

সম্পাদক য'ত, সভাৰ কাৰ্যালয় ত'ত

১৯২০ চনত তেজপুৰত অসম সাহিত্য সভাৰ চতুৰ্থ অধিৱেশনত বহে। এই অধিৱেশনতেই অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় যোৰহাটত পতাৰ সিদ্ধান্ত হয়। ইয়াৰ পূৰ্বে অসম সাহিত্য সভাৰ সম্পাদক য'তে থাকে ত'তেই সভাৰো কাৰ্যালয় চলিছিল। তেজপুৰ অধিৱেশনৰ পিছত প্ৰায় দুবছৰ সভাৰ অধিৱেশন হোৱা নাছিল।

প্ৰথম চৰকাৰী সাহায্য

অসম সাহিত্য সভালৈ অসম চৰকাৰে প্ৰথমতে ১০০০ টকা সাহায্য আগবঢ়াইছিল অসম সাহিত্য সভাৰ দশম গোৱালপাৰা অধিৱেশনত। ইয়াৰ পূৰ্বে সভাই চৰকাৰৰ পৰা নিয়মীয়া সাহায্য পোৱা নাছিল। বৰ্তমান (২০১০ বৰ্ষত) অসম সাহিত্য সভাই পৰিকল্পনাভুক্ত আৰু পৰিকল্পনা বহিৰ্ভূত অনুদান মিলি বছৰি প্ৰায় ২২ লাখ টকা অনুদান পাবলৈ সক্ষম হৈছে।

সভাৰ প্ৰথম মাহেকীয়া পত্ৰিকা

অসম সাহিত্য সভাৰ পত্ৰিকাখন মাহেকীয়া নহয়। কিন্তু ১৯৭৩ চনত গিৰিধৰ শৰ্মা অসম সাহিত্য সভাৰ সভাপতি হৈ থাকোঁতে ড° নগেন শইকীয়াৰ দিনত (প্ৰধান সম্পাদক) প্ৰথমবাৰৰ বাবে পত্ৰিকা মাহেকীয়াকৈ ওলাই যদিও পিছত এই পৰম্পৰা বন্ধ হয়।

জনগোষ্ঠীয় ভাষাৰ প্ৰথম আলোচনা চক্ৰ

১৯৭৩ চন। 'থলুৱা ভাষাৰ অৱস্থা আৰু সমস্যা' শীৰ্ষক এখন সাতদিনীয়া জনগোষ্ঠীয় ভাষা সম্পৰ্কীয় আলোচনা চক্ৰ হৈছিল। তেতিয়া ড° নগেন শইকীয়া আছিল অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। উল্লেখ্য যে এইখনেই আছিল অসম সাহিত্য সভাই আয়োজন কৰা অসমৰ জনগোষ্ঠীয় ভাষা-সম্পৰ্কীয় প্ৰথম আলোচনা চক্ৰ।

সভাৰ প্ৰথম নিউজ লেটাৰ

ড° বীৰেন্দ্ৰ নাথ দত্তদেৱে অসম সাহিত্য সভাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ছোৱাতেই অসম সাহিত্য সভাই এখন 'নিউজ লেটাৰ' প্ৰকাশ কৰিছিল। 'নিউজ লেটাৰ'খনৰ এটা সংখ্যাহে মাথোন প্ৰকাশ পাইছিল। তাৰ পিছত 'নিউজ লেটাৰ'খনৰ প্ৰকাশ বন্ধ হয়।

দেৱকান্ত বৰুৱা বনাম সাহিত্য সভা

১৯৫৪ চনৰ কথা। অসমৰ পৰা লোকসভাৰ সাংসদ হিচাপে নিৰ্বাচিত হোৱা দেৱকান্ত বৰুৱাই গোপালবাগত বহা পশ্চিমবংগ ৰাজনৈতিক সন্মিলনত কৈছিল যে পূৱ-ভাৰতৰ ৰাষ্ট্ৰভাষা বঙালী হোৱা উচিত। ('Infact Bengali had achieved the status of some kind of a Lingua franca in Eastern India'. Source : The Assam Tribune, May 16, 1954) দেৱকান্ত বৰুৱাৰ এই কথাৰ সজোৰে প্ৰতিবাদ কৰিছিল অসম সাহিত্য সভাই। সভাই কৈছিল যে 'সদৌ পূব ভাৰতত, বিশেষকৈ অসমত বঙালী ভাষা, কথা কোৱাৰ মাধ্যম বা Lingua franca ৰূপে ব্যৱহাৰ নহয়।' 'বৰুৱাৰ দৰে এজন দায়িত্বশীল লোকে এনে ভ্ৰান্তিমূলক ধাৰণা প্ৰচাৰ কৰাটো গৰ্হিত হৈছে' বুলি অসম সাহিত্য সভাই মন্তব্য কৰিছিল।

অসম সাহিত্য সভাৰ প্ৰতীক

অসম সাহিত্য সভাৰ ১৩ মাৰ্চ, ১৯২৪ তাৰিখৰ সভাত অসম সাহিত্য সভাৰ প্ৰতীক সম্পৰ্কীয় এটি কাৰ্যসূচী পোনপ্ৰথমবাৰৰ বাবে লোৱা হৈছিল। কিন্তু উক্ত সভাত এই বিষয়ে একো আলোচনা নহ'ল। পাছত সভাৰ ষষ্ঠ সন্মিলনত এক সিদ্ধান্ত গ্ৰহণ কৰে। সেইমৰ্মে সভাৰ ছাপ-মোহৰত কোনো চিত্ৰাদি থাকিব নালাগে। তাত 'সাহিত্য পৰম সম্পদ' বা 'সাহিত্য জাতিৰ প্ৰাণ' আদি অৰ্থবোধক কোনো সুৱলা কথা থাকিব পাৰে। পাছত ২৮/১০/১৯৬০ চনত শিল্পী যুগল দাসে আঁকি দিয়া প্ৰতীকটো অলপ সাল-সলনি কৰি গ্ৰহণ কৰে। প্ৰতীকটোৰ বেদীত 'অসম সাহিত্য সভা' বুলি লিখা আছে। সেই প্ৰতীকটোৱেই বৰ্তমানো প্ৰচলিত হৈ আছে।

অসম সাহিত্য সভাৰ পতাকা

সভাৰ পতাকা হ'ব— বগা পাটৰ কাপোৰৰ। ইয়াৰ জোখ হ'ব $1\frac{1}{2}$: ১ দীঘ-পুতলৰ। পতাকাৰ চাৰিওটা দাঁতিত সেউজীয়া ৰঙৰ সীমান্ত থাকিব। পতাকাৰ মাজত অংকিত হ'ব সভাৰ প্ৰতীক। ভিতৰত পটভূমি ক'লা ৰঙৰ; ঠগা আৰু মাটিৰ চাকি বগা আৰু ক'লা ৰঙৰে অংকিত হ'ব। ভূমিত লিখা 'অসম সাহিত্য সভা' আৰু চাকিৰ চাৰিওফালে বৃত্তাকাৰে লিখা 'চিৰ চেনেহী মোৰ ভাষা জননী'ৰ ৰং হ'ব হালধীয়া; পটভূমি উজ্জ্বল ৰঙা ৰঙৰ; শিখাৰ ৰঙো হ'ব ৰঙা। সভাৰ সকলো জিলা, শাখা আৰু স্বীকৃত সভাৰ বাৰ্ষিক অধিৱেশন, সাহিত্য সভা সপ্তাহত, কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা নিৰ্দিষ্ট কৰা দিনত পতাকা উত্তোলন কৰিব পাৰিব।

পতাকা উত্তোলনৰ বিধি

১। (ক) মূল সভা, শাখা সভা, জিলা সাহিত্য সভা আৰু স্বীকৃত সাহিত্য সভাৰ বছৰেকীয়া অধিৱেশন, এই সভাসমূহৰ তথা (মূল সভাই নির্দেশ বা পৰামর্শ দিয়া মতে) অন্য কোনো মনীষীৰ জয়ন্তী, শতবার্ষিকী, সাহিত্য সভা সপ্তাহ আদি দিৱসৰ উপলক্ষ্যতহে পতাকা উত্তোলনৰ সমাৰোহ হ'ব পাৰিব।

২। পতাকা উত্তোলনৰ ক্রম হ'ব ঃ

(ক) খোল আৰু তাল বাদ্যৰে গুৰুঘাতৰ গম্ভীৰ শব্দৰে কার্য আৰম্ভ কৰিব। কিন্তু বাজনা দুই মিনিটৰ অধিক হ'ব নালাগিব। নাইবা পতাকা উত্তোলনৰ আনুষ্ঠানিক ঘোষণাৰে কার্য আৰম্ভ কৰিব পাৰিব।

(খ) মূল সভাৰ অধিৱেশনত সভাপতি, সেয়ে নহ'লে উপ-সভাপতি, সেয়ে নহ'লে প্রাক্তন সভাপতি, সেয়ে নহ'লে আদৰণী সমিতিৰ সভাপতি বা সভাৰ দ্বাৰা মনোনীত বিশিষ্ট ব্যক্তিয়ে পতাকা উত্তোলন কৰিব। আন সময়ত মূল সভাৰ সভাপতি, উপ-সভাপতি, প্রাক্তন সভাপতি বা সভাৰ দ্বাৰা মনোনীত বিশিষ্ট ব্যক্তিয়ে পতাকা উত্তোলন কৰিব। জিলা বা শাখা সভাৰ অনুষ্ঠানত উপস্থিত থাকিলে সভাপতি, উপ-সভাপতি অথবা প্রাক্তন সভাপতি বা উপ-সভাপতিয়ে পতাকা উত্তোলন কৰিব। আন সময়ত জিলা, শাখা বা স্বীকৃত সভাৰ সভাপতি বা বিদায়ী সভাপতিয়ে বা সভাৰ দ্বাৰা মনোনীত বিশিষ্ট ব্যক্তিয়ে পতাকা উত্তোলন কৰিব।

(গ) পতাকা উত্তোলন কৰাৰ লগে লগে সকলোৱে দুই হাত যোৰ কৰি সভাক নমস্কাৰ জনাব আৰু লগে লগে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'অ' মোৰ আপোনাৰ দেশ' গীতটি সকলোৱে গাব বা বাদ্যযন্ত্রত বজাব।

(ঘ) গীত শেষ হোৱাৰ লগে লগে পতাকা উত্তোলয়িতাই চমু ভাষণ দিব। পতাকা উত্তোলনৰ কার্যসূচী সম্পন্ন নোহোৱা পর্যন্ত সকলোৱে থিয় হৈ থাকিব।

৩। (ক) পুৱা ৯.০০ বজাৰ আগতে 'পতাকা উত্তোলন' কৰিব লাগিব আৰু সূর্যাস্তৰৰ আগে আগে পতাকা নমাই ৰাখিব লাগিব।

(খ) সভাৰ বার্ষিক অধিৱেশন স্থলীত উত্তোলিত পতাকা শেষৰ দিনাহে সূর্যাস্তৰৰ লগে লগে নমাব লাগিব। কিন্তু শাখা আৰু জিলাৰ ক্ষেত্রত উল্লিখিত (ক) বিধিহে প্রযোজ্য হ'ব।

(গ) কার্যকালত সভাপতিৰ পৰলোক ঘটিলে ৫ (পাঁচ) দিন, উপ-সভাপতি আৰু প্রধান সম্পাদকৰ পৰলোকত ৩ (তিনি) দিন, প্রাক্তন সভাপতি, উপ-সভাপতি আৰু প্রাক্তন সম্পাদকৰ পৰলোকত ১ দিন পতাকা অর্ধনমিতভাৱে

উত্তোলন কৰি শোক প্ৰকাশ কৰিব। উক্ত ব্যক্তিসকলৰ দেহাৱসানৰ ক্ষেত্ৰত পতাকা দি শ' দেহত সন্মান প্ৰদৰ্শন কৰিব আৰু সেই পতাকা ঘূৰাই আনিব। প্ৰতিষ্ঠিত বৰেণ্য সাহিত্যিক-শিল্পী, সভাৰ অন্যান্য বিষয়ববীয়া, কাৰ্যনিৰ্বাহক সদস্য, জিলা সভা আৰু শাখা সভাৰ সভাপতি আৰু সম্পাদকৰ বিয়োগত সভাৰ ১ দিনৰ বাবে অৰ্ধনমিত হ'ব।

(ঘ) মূল সভা, জিলা সভা, শাখা, স্বীকৃত সভাৰ অধিৱেশন বা বিশেষ অনুষ্ঠানতহে পতাকা উত্তোলন কৰিব। স্মৃতিসভা আদিত পতাকা উত্তোলন কৰিব নোৱাৰিব। কিন্তু জন্ম-জয়ন্তী, স্মৃতি-অনুষ্ঠান, যিকোনো জয়ন্তী অনুষ্ঠান আদিত পতাকা উত্তোলন কৰিব পাৰিব।

(ঙ) সভাৰ অধিৱেশন, বিশেষ অনুষ্ঠানৰ কেইদিনৰ বাহিৰে আন অনুষ্ঠানত প্ৰতীকসহ পতাকা অনুমোদিত যান-বাহনত ব্যৱহাৰ কৰিব নোৱাৰিব।

(চ) সাধাৰণ অৱস্থাত সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ যানৰ বাহিৰে আনে পতাকা যানত ব্যৱহাৰ কৰিব নোৱাৰিব। সভাৰ 'বিশেষ কাৰ্যত তথা শুভেচ্ছামূলক ভ্ৰমণ' আদিত প্ৰধান সম্পাদকৰ অনুমোদনক্ৰমে পতাকা ব্যৱহাৰ কৰিব পাৰিব।

পতাকা উত্তোলনৰ গীত আৰু সাহিত্য সভাৰ

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ
এনেখন সুৱলা এনেখন সুফলা
এনেখন মৰমৰ দেশ।
অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদি মাত
পৃথিৱীৰ ক'তো বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।
অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ এবাৰ মুখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই।

গীতটোৰ গীতিকাৰ ঃ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু
স্বৰলিপি ঃ ইন্দ্ৰেশ্বৰ শৰ্মা, যোৰহাট

উৎস ঃ অসম সাহিত্য সভাৰ নিয়মাৱলী।

অসম সাহিত্য সভাৰ আৰম্ভণী গীত

চিৰ চেনেহী মোৰ ভাষা জননী
ধন্যে পুণ্যে হৃৎ পাৱনী
প্ৰকৃত পৰশ ৰসে অমল কমল
চঞ্চল হৃদি জলে ঢালে পৰিমল
কোমল চপাৰ কলি
টৌৰে টৌৰে টৌৰে তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিণী।
সংসাৰ গুৰুভাৰে অৱশ পৰাণ।
হিয়াত বিলীন হয় হিয়াভৰা গান।
কাৰ নিচুকণি সনা
শুনি বাণী ব্যথা পমা
চকুতে চকুৰ নীৰে লয় জিৰণি।।
জীৱনে মৰণে ৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিঁচা শতধাৰ
হে মোৰ মধুৰননা মাগিছোঁ মাধুৰী কণা
দিয়া দিয়া দিয়া আই মধু ভাষিণী।।

গীতিকাৰ ঃ মিত্ৰদেৱ মহন্ত অধিকাৰ

মিত্ৰদেৱ মহন্ত অধিকাৰদেৱৰ এই গীত সাহিত্য সভাৰ সকলো অনুষ্ঠানৰ আৰম্ভণিতে গাব। সভাৰ বাহিৰে অইন অনুষ্ঠানত এই গীত পৰিৱেশন কৰিব নোৱাৰিব। গীতটো সুৰ আৰু স্বৰলিপি ঃ ইন্দ্ৰেশ্বৰ শৰ্মা, যোৰহাট।

'চন্দ্ৰকান্ত অভিধান'ৰ জন্মকথা

"...অসম সাহিত্য সভাই এতিয়ালৈকে বহুতো গ্ৰন্থ যুগুত কৰি প্ৰকাশ কৰিছে। সেইবোৰৰ ভিতৰত সৰু-বৰ, বিখ্যাত-অখ্যাত নানা তৰহৰ পুথি আছে। 'চন্দ্ৰকান্ত অভিধান' অসম সাহিত্য সভাৰ জয়স্তম্ভ। এই অভিধানৰ লগত একাধিক কৰুণ মধুৰ স্মৃতি মিহলি হৈ আছে। গ্ৰন্থখনৰ প্ৰণয়নৰ কাম আৰম্ভ হৈছিল শৰৎ চন্দ্ৰ গোস্বামীৰ কাৰ্যকালত আৰু শেষ হৈছিল দেৱেশ্বৰ চলিহাৰ কাৰ্যকালত। দুয়োজন সম্পাদকৰ বক্তব্যৰে গ্ৰন্থখনিৰ পটভূমিৰ চিনাকি দিয়া হ'ল।

শৰৎ গোসাঁয়ে লিখিছে ঃ "চন্দ্ৰকান্ত সন্দিকৈ ভৱন হোৱাৰ লগে লগে চন্দ্ৰকান্ত অভিধান লিখোৱাৰ দিহা কৰা হ'ল। পোনতে ৰায়চাহাব দুৰ্গাধৰ বৰকটকীক এই কাম দিয়া হৈছিল। তেখেতে অলপ দিন চেষ্টা কৰি এই কাম এৰি দিলে আৰু নিজে প্ৰকাশৰ ব্যৱসায় কৰিব বুলি কলিকতালৈ গ'ল। তেতিয়া মানুহ বিচাৰি স্থিৰ হ'ল কৌঁহিৰাম দাস, বি এ দেৱক এই কামৰ কাৰণে আনিব লাগে। এওঁ বৰ মেধাৱী মানুহ। দৈৱ-দুৰ্বিপাকত তেওঁ কোনো ভাল চাকৰি নাপালে। তেতিয়া তেওঁ ঘৰতে বহি আছিল।...। গতিকে তেওঁক অনা হ'ল।

তেওঁক আনি এটা ডাঙৰ কাম কৰা হ'ল। অভিধান লেখাৰ যিমান কাম আৰু তাৰ মাজত যিমান বেমেজালি আৰু শব্দ এটাৰ অৰ্থ ব্যাখ্যা লেখিবলৈ যিমান ধৈৰ্য আৰু শ্ৰমৰ আৱশ্যক হ'ল, তাকে দেখি আৰু ভালদৰে জানি মোৰ দৃঢ়বিশ্বাস হ'ল যে কৌঁহিৰাম বাবু ব্যতিৰেকে তেতিয়া আন কোনো এজন অসমীয়া মানুহ নাছিল, যি এনে বৃহৎ কামটো ইমান ভাল কৰি কৰিব পাৰিলেহেঁতেন। মই মাজে মাজে ভাবোঁ যে কৌঁহিৰাম বাবুৰ দৰে তেতিয়াৰ দিনৰ কৃতবিদ্য মানুহ এজনে এটা গৱৰ্ণমেণ্ট চাকৰি নোপোৱাটোতেই যেন বিধিৰ বিধান লুকাই আছিল যে এদিন অসমীয়া ভাষাত চন্দ্ৰকান্ত অভিধান এখন ওলাব লাগিব। সি যি নহওঁক, যি চন্দ্ৰকান্ত অভিধান ছপা হৈ ওলাল, সি কৌঁহিৰাম বাবুৱে লিখা সম্পূৰ্ণ অভিধান নহয়। নানান প্ৰকাৰ উদাহৰণ আৰু প্ৰয়োগ দেখুৱাই শব্দাৰ্থ আদি লেখিছিল আৰু শব্দও আছিল অনেক। পিছৰ কালত অভিধান ছপাবৰ সময়ত বিশেষ বিবেচনা নকৰা কৰি কৌঁহিৰাম বাবুৱে লেখা বহুত প্ৰয়োগ ব্যাখ্যা শব্দ আদি কাটি দিয়া হ'ল।

দুখৰ বিষয় যে চন্দ্ৰকান্ত অভিধানৰ পাতনিত বা আন ক'তো মোৰ নামৰ কথাই নাই, আনকি কৌঁহিৰাম বাবুৰ নাম পৰ্যন্তও উল্লেখ নহ'ল। চন্দ্ৰকান্ত অভিধান তৈয়াৰ কৰাত এই কেইজন মানুহে খাটিছিল— কৌঁহিৰাম দাস (সৰ্থেবাৰী), চন্দ্ৰকান্ত গোস্বামী (নগাঁও), নকুলচন্দ্ৰ ভূঞা (যোৰহাট।"

আনজন প্ৰধান সম্পাদক দেৱেশ্বৰ চলিহাই তেখেতৰ বক্তব্যত লিখিছে ঃ "চন্দ্ৰকান্ত অভিধান হৰ্ষ-বিষাদৰ বস্তু। দেশৰ এগৰাকী সু-সন্তানৰ দানৰ গুণত মাতৃভাষাই নকৈ এখন অভিধান পালে, ই অৱশ্যে হৰ্ষৰ কথা। কিন্তু এই অভিধান আকুল হিয়াৰ ব্যাকুল বিননি। ই শোকাকুল পিতাই চকুলোৰ আঁজলিৰে কৰা পুত্ৰৰ তৰ্পণ— বাপেকে মৃত পুতেকৰ হৈ ৰখা সোঁৱৰণী চিন। কিন্তু এই চিনেই অসমত চিৰদিনলৈ পিতা-পুত্ৰৰ উভয়ৰে চিনাকি চিন হৈ জিলিকি থাকিব। ই চন্দ্ৰকান্ত, ৰাধাকান্ত দুয়োকে অসমীয়া সাহিত্যত অমৰ কৰিলে।

এই অভিধানৰ অৰ্থে সন্দিকৈ ডাঙৰীয়াৰ বিষম খাটনিলৈ চালে বাস্তৱিকতে বিস্ময় মানিব লাগে। তেখেতে ইয়াৰ বাবে য'তখিনি ডাঙৰ ডাঙৰ কিতাপ লুটিয়ালে,

জাপে জাপে য'তবোৰ কাগজ লিখিলে, লোকে লিখা য'তবোৰ বহী ঘূৰাই ঘূৰাই পঢ়িলে, ছপাখানাৰ আৰ্হি কাকত শুধৰালে— মুঠতে ১৯২৩ চনৰে পৰা আজি এই ন-দহ বছৰ জুৰি বয়সীয়াল অসুস্থ দেহাৰে যি অগাধ পৰিশ্ৰম কৰিলে, অৰ্থ দানৰ কথাকে নকওঁ, তেখেতৰ অকল এই পৰিশ্ৰমৰে ধাৰ পৰিশোধ কৰাটো টান কাম। তেখেতৰ নেৰানেপেৰা পৰিশ্ৰমৰ গুণতেই এই অভিধান ইমান দিনতে ওলাব পাৰিছে।"

মুঠতে নানা আলৈ-আহুকাল, ধুমুহা-ঢেৰেকণি অতিক্ৰম কৰি চন্দ্ৰকান্ত অভিধানে পোহৰৰ মুখ দেখা পালে। অসম সাহিত্য সভাৰ পক্ষে গৌৰৱৰ কথা যে হেমচন্দ্ৰ বৰুৱাৰ হেমকোষৰ নিচিনাকৈ অসম সাহিত্য সভাৰ এই চন্দ্ৰকান্ত অভিধানেও চৰকাৰ, বিশ্ববিদ্যালয় আৰু ৰাইজ সকলো পক্ষৰ স্বীকৃতি লাভ কৰিলে।

— *অসম সাহিত্য সভাৰ ৰূপৰেখা, অতুল চন্দ্ৰ হাজৰিকা,* ১৯৭৭, *অসম সাহিত্য সভা*

'চন্দ্ৰকান্ত অভিধান' জাননী, বিজ্ঞাপন

চন্দ্ৰকান্ত অভিধান আৰু ইন্দ্ৰকান্ত ব্যাকৰণ প্ৰণয়ন সম্পৰ্কে জাননী দিবলৈ ১৯-১২-২৩ তাৰিখৰ কাৰ্য-নিৰ্বাহক সমিতিৰ বৈঠকত সম্পাদকক দায়িত্ব দিয়া হয়।

জাননী

১। ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ দানৰ সহায়েৰে 'চন্দ্ৰকান্ত অভিধান' আৰু 'ইন্দ্ৰকান্ত ব্যাকৰণ' প্ৰণয়নৰ কাৰণে চেষ্টা কৰা হ'ব বুলি ইতিপূৰ্বে কাগজে-পত্ৰই জনোৱা হৈছে। কি প্ৰকাৰে এই কাজ ভালদৰে আৰু সোনকালে হ'ব পাৰে এই বিষয়ে আসাম সাহিত্য সভাই ৰাইজৰ মত বিচাৰিছে। আমি সানুনয়ে প্ৰাৰ্থনা কৰোঁ যেন এই বিষয়ে ভাবি-চিন্তি চাই জনা-বুজা লোকসকলে আমাক বিহিত পৰামৰ্শ দিয়ে।

২। অভিধান আৰু ব্যাকৰণ প্ৰণয়নৰ কাৰণে তিনি-চাৰি হাজাৰ টকা খৰচ কৰা হ'ব। ছপাৰ কাৰণে বেলেগে আৱশ্যকীয় টকাৰ দিহা হোৱাৰ আশা আছে। এই টকা পুৰস্কাৰ স্বৰূপে দিলে কোনো লোকে ব্যাকৰণ আৰু অভিধান সংকলনৰ কাম হাতত ল'ব খোজেনে তাকো সাহিত্য সভাই জানিব খোজে। এই বিষয়তো আমি সুধী সমাজৰ পৰা উত্তৰ আশা কৰিছোঁ। অহা যেত্ৰবাৰী মাহৰ ভিতৰতে যেন অনুগ্ৰহ কৰি জনায়।

বিশেষৰূপে কিবা জানিবলৈ হ'লে আমাক লিখিলে অতি সাদৰেৰে জনোৱা হ'ব। ইতি—

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী
আসাম সাহিত্য সভাৰ প্ৰধান সম্পাদক

১৯৩৩ চনৰ অসম সাহিত্য সভাৰ যোগেদি চন্দ্ৰকান্ত অভিধান ছপা হৈ ওলাল।

চন্দ্ৰকান্ত অভিধানৰ বিজ্ঞাপন

চন্দ্ৰকান্ত অভিধান

(আসাম সাহিত্য সভাৰ দ্বাৰাই প্ৰণয়ন কৰা প্ৰকাণ্ড অভিধান)

মূল্য (প্ৰকাশ হোৱাৰ পূৰ্বে ৫ টকা আৰু পাছত ৭ টকা)

১৯৩২ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত চন্দ্ৰকান্ত অভিধান ছপা হৈ ওলাব। ইয়াৰ মূল্য সৰ্বসাধাৰত ৭ টকা স্থিৰ কৰা হৈছে। কিন্তু যিলোকে উক্ত তাৰিখৰ পূৰ্বেই ২।।০ টকাৰে সৈতে নাম ৰেজিষ্টৰী কৰিবলৈ আমাৰ ওচৰত আবেদন কৰে তেওঁ ৫ টকা দামতে পাব। ছপা হৈ ওলালেই তেওঁলোকলৈ বাকী ২।।০ টকা ধৰি ভি পি ডাকত পঠিওৱা হ'ব। ডাঁক খৰচ আৰু পেকিং খৰচ কিনোতাই ভৰিব লাগিব।

শ্ৰীদেবেশ্বৰ চহিলা
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
যোৰহাট

অসম সাহিত্য সভাৰ পত্ৰিকাৰ ইতিবৃত্ত

'অসম সাহিত্য সভা পত্ৰিকা'খন (প্ৰথমতে 'আসাম সাহিত্য সভা পত্ৰিকা' আছিল) অসম সাহিত্য সভাৰ মুখপত্ৰ। এইখন হ'ল অসমীয়া ভাষাৰ একমাত্ৰ গৱেষণাধৰ্মী ৰচনাৰ পত্ৰিকা। ১৯২৫ চনত অসম সাহিত্য সভাৰ নগাঁও অধিৱেশনত এনে এখন গৱেষণাধৰ্মী পত্ৰিকা প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেইমৰ্মে ১৯২৬ চনত (আহিন ১৮৪৮- ভাদ ১৮৪৯) পোনপ্ৰথমবাৰৰ বাবে অসম সাহিত্য সভা পত্ৰিকা প্ৰকাশ হয়। বিশিষ্ট সাহিত্যিক চন্দ্ৰধৰ বৰুৱা আছিল পত্ৰিকাখনৰ প্ৰথম সম্পাদক। প্ৰথম সংখ্যাটো ছপা হৈছিল যোৰহাটৰ দৰ্পণ প্ৰেছত টুনিৰাম শৰ্মা বৰুৱাৰ দ্বাৰা।

অসম সাহিত্য সভাৰ নগাঁও অধিৱেশনৰ সভাপতি ৰজনীকান্ত বৰদলৈৰ পৌৰোহিত্যত বহা সভাতেই পত্ৰিকা প্ৰকাশৰ সিদ্ধান্ত গৃহীত হৈছিল। সিদ্ধান্তত কোৱা হৈছিল যে পত্ৰিকাখন তিনিমহীয়া হ'ব। অৰ্থাৎ বছৰত চাৰিটা সংখ্যা ওলাব।

পত্ৰিকাখনৰ প্ৰথম সংখ্যাৰ সম্পাদকীয়ত সম্পাদক চন্দ্ৰধৰ বৰুৱাই পত্ৰিকাখনৰ উদ্দেশ্য ব্যাখ্যা কৰি লিখিছিল :

"অসম সাহিত্য সভাৰ সিদ্ধান্তৰ ফলস্বৰূপে 'অসম সাহিত্য সভা পত্ৰিকা'ই আজি ভগবানৰ কৰুণা আৰু ৰাইজৰ আশীৰ্বাদ ভিক্ষা কৰি জন্ম গ্ৰহণ কৰিছে। এই পত্ৰিকাৰ সাহিত্য সেৱাই একমাত্ৰ উদ্দেশ্য আৰু সমগ্ৰ দেশৰ আধুনিক সাহিত্যৰ সৰ্ব্ববাদী সম্মত আদৰ্শ অনুসৰণ কৰাই প্ৰধান লক্ষ্য। দৰ্শন, বিজ্ঞান, ইতিহাস, অৰ্থনীতি প্ৰভৃতি

সাহিত্যৰ সকলো শাখাৰে নীৰৱভাৱে চৰ্চা কৰিবলৈ ই সদায় যত্ন কৰিব। এই পত্ৰিকা 'অসম সাহিত্য সভা'ত ৰতি থকা 'অসম সাহিত্য সভা'ৰ মঙ্গল কামনা কৰা সকলো মানুহৰে উমৈহতীয়া সম্পত্তি। ইয়াক মৰমৰ চকুৰে চাবলৈ, ইয়াক সজ বাট লগাই দিবলৈ, ইয়াক মহৎ উদ্দেশ্যৰ জোখাৰে গঢ় লগাই ল'বলৈ, তেখেতসকলৰ ওচৰত আমি অতি সৰলভাৱেৰে মিনতি কৰিছোঁ, আৰু আমাৰ এই চেষ্টাত তেখেতসকলৰ সম্পূৰ্ণ সহানুভূতি ভিক্ষা কৰিছোঁ।"

পত্ৰিকাৰ প্ৰথম সংখ্যাত প্ৰকাশিত কিছুমান বিষয় আছিল এনেধৰণৰ ঃ অসম সাহিত্য সভাৰ কাৰ্যবিৱৰণী, অসম সাহিত্য সভা সংবাদ, অসম সাহিত্য সভাৰ লাইব্ৰেৰীৰ কিতাপৰ তালিকা, দৰ্শন শাখাৰ অভিভাষণ, আমাৰ খেতি আৰু খেতিয়ক, ১৮শ শতিকাৰ শেষভাগত অসমৰ অৱস্থা, কলিতা ফুকনৰ বিদ্ৰোহ, গোৱালপাৰা জিলাৰ পুৰণি তথ্য, আৰৌ গোৱালপাৰা বিচ্ছেদৰ আন্দোলন ইত্যাদি।

'পত্ৰিকা' প্ৰকাশ আৰম্ভণিতে বৰ অনিয়মীয়া আছিল। কেইজনমান পত্ৰিকা সম্পাদকে বছৰত মাত্ৰ এটাহে সংখ্যা উলিয়াইছে। দুই-এজন সম্পাদকৰ কাৰ্য কালত এখনো পত্ৰিকা নোলোৱাৰো উদাহৰণ আছে। কিছুমান সম্পাদকে ব্যক্তিগত উদ্যোগত বছৰত চাৰিওটা সংখ্যাই উলিয়াবলৈ সমৰ্থ হৈছে।

১৯৭৩ চনত গিৰিধৰ শৰ্মাই অসম সাহিত্য সভাৰ সভাপতি হৈ থকা সময়ত অসম সাহিত্য সভাৰ পত্ৰিকাখন মাহেকীয়া কৰাৰ সিদ্ধান্ত লয়। সেই সময়ত পত্ৰিকা সম্পাদক আছিল ড° হেমন্ত কুমাৰ শৰ্মা। কিন্তু 'পত্ৰিকা'খন মাহেকীয়া কৰাৰ ফলত পত্ৰিকাখনে 'ৰিচাৰ্চ জাৰ্ণেল'ৰ মৰ্যাদা হেৰুৱায়। ড° হেমন্ত কুমাৰ শৰ্মাৰ পিছত ড° মহেন্দ্ৰ বৰা পত্ৰিকা সম্পাদক হয়। ড° মহেন্দ্ৰ বৰাৰ দিনত পুনৰ 'অসম সাহিত্য সভাৰ পত্ৰিকা'খন তিনিমহীয়া হয়। আনহাতে কোনো কোনো বছৰত পত্ৰিকাৰ দুজন সম্পাদক দেখা যায়। এজনে পত্ৰিকাৰ দায়িত্ব এৰি দিয়াৰ পিছত দ্বিতীয় এগৰাকী নিয়োগ কৰিব লগা হয়। গ্ৰন্থখনৰ শেষৰ ফালে আৰম্ভণিৰ পৰা বৰ্তমানলৈকে পত্ৰিকা সম্পাদকসকলৰ বিৱৰণ দাঙি ধৰা হৈছে।

পত্ৰিকা সম্পাদক বাছনি প্ৰক্ৰিয়া

অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি থকা, পত্ৰ-পত্ৰিকা সম্পাদনা কৰাৰ অভিজ্ঞতা থকা সভাৰ লগত জড়িত ব্যক্তি এগৰাকী পত্ৰিকা সম্পাদক হিচাপে মনোনীত হ'ব। তেওঁ কাৰ্যনিৰ্বাহক সমিতিৰ ওচৰত দায়বদ্ধ হ'ব।

(খ) তেওঁ পত্ৰিকা সম্পাদনা সমিতিৰ পদেন সম্পাদক হ'ব।

(গ) পত্ৰিকাৰ সম্পাদকৰ কামত পৰামৰ্শ আদি দি সহায় কৰিবৰ কাৰণে

পত্ৰিকা সম্পাদকৰ দৰেই অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি থকা ব্যক্তিৰে কাৰ্যনিৰ্বাহক সমিতিয়ে এখনি 'পত্ৰিকা সম্পাদনা সমিতি' গঠন কৰিব দিব। সভাপতি আৰু প্ৰদান সম্পাদক এই সমিতিৰ ক্ৰমে পদেন সভাপতি আৰু সদস্য হ'ব। সভাপতি, প্ৰধান সম্পাদক আৰু পত্ৰিকা সম্পাদককে ধৰি এই সমিতিৰ সভ্য ৭ জনতকৈ বেছি হ'ব নোৱাৰিব।

(ঘ) কাৰ্যনিৰ্বাহক সমিতিৰ বা সমিতিয়ে গঠন কৰি দিয়া পত্ৰিকা সম্পাদনা সমিতিৰ পৰামৰ্শ অনুযায়ী পত্ৰিকা সম্পাদকে সভাই নিৰ্ধাৰণ কৰি দিয়া ছপাশালত পত্ৰিকা ছপোৱাৰ ব্যৱস্থা কৰিব। সাহিত্য সভাৰ হৈ প্ৰধান সম্পাদকৰ নামত পত্ৰিকা প্ৰকাশিত হ'ব। পত্ৰিকা সম্পাদকে সময় মতে পত্ৰিকা প্ৰকাশ কৰিব নোৱাৰিলে কাৰ্যনিৰ্বাহক সমিতিয়ে বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

উৎস ঃ অসম সাহিত্য সভাৰ নিয়মাৱলী।

অসম সাহিত্য সভাৰ পুঁজি

কমলাদেৱী ট্ৰাষ্ট ফাণ্ড

বাদুলিপাৰাৰ ৰাধানাথ গোস্বামীয়ে তেখেতৰ মাতৃ কমলাদেৱীৰ স্মৃতি ৰক্ষাৰ কাৰণে দুহাজাৰ টকা দান কৰে (১৯২৩)। এই দান সম্পৰ্কত ৰাধানাথ গোস্বামীয়ে লিখা পত্ৰখন তলত উল্লেখ কৰা হ'ল ঃ

বাদুলিপাৰা পোঃ আঃ
১. ২. ২৪

সবিনয় নিৱেদন,

মহাশয়— আপোনাৰ ২৪. ১২. ২৩ তাৰিখৰ অনুগ্ৰহৰ চিঠি পাই সকলো জ্ঞাত হ'লোঁ। মোৰ মাতৃদেৱীৰ নামে মই আসাম সাহিত্য সভাত দান কৰা টকা তলত দিয়াৰ দৰে ব্যৱহাৰ কৰিব পাৰে। তলত লিখা সৰ্তত আপত্তি থাকিলে অনুগ্ৰহ কৰি জানিবলৈ দিয়ে যেন।

মই দান কৰা ২০০০ 'দুই হেজাৰ' টকা সভাই কোনো ঠাইত সুদৰ বন্দবস্তত জমা ৰাখিব। মোৰ বা মোৰ উত্তৰাধিকাৰীৰ অজ্ঞাতে মূল টকা খৰছ কৰিব নোৱাৰিব। সেই টকাৰ যি সুদ বাহিৰ হ'ব সেই সুদ সভাই প্ৰতি বছৰে আনি সভাৰ ইচ্ছামতে কোনো দেশ হিতকৰ, শিক্ষাৰ উন্নতিৰ অৰ্থে, মোৰ পূজনীয়া মাতৃ কমলাদেৱীৰ নামে দান কৰিব পাৰিব। সেই দান সম্বন্ধে মোক বা মোৰ উত্তৰাধিকাৰীক প্ৰতিবাৰে খবৰ দিব লাগিব।

কোনো সময়ত আসাম সাহিত্য সভা অচল হ'লে মই দান কৰা ২০০০ টকা খৰছ নকৰিব। অন্য কোনো দেশ হিতকৰ কামত ওপৰত লিখা নিয়মমতে ব্যৱহাৰ কৰিব পাৰিব। ইতি—

আপোনাৰ

ৰাধানাথ গোস্বামী

কমলা দেৱী ট্ৰাষ্টৰ ৪-১-৩১ তাৰিখে আদালত দলীল কৰা হয় আৰু ট্ৰাষ্ট বৰ্ডৰ প্ৰথম সদস্যৰূপে তলত দিয়াসকলে চহী কৰে— (১) দাতা (২) দেৱেশ্বৰ চলিহা (৩) পূৰ্ণানন্দ শৰ্মা (৪) দেৱেন্দ্ৰনাথ বেজবৰা (৫) ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ।

৪ ডিচেম্বৰ, ১৯২৪ তাৰিখে অসমীয়া কাকতত তলত দিয়া বাতৰিটি প্ৰকাশ পায় ঃ

কমলাদেৱী শিশু সাহিত্যৰ বাবে— বাদুলিপাৰৰ বালিজান ফাৰ্মৰ মালিক দানশীল ৰাধানাথ গোস্বামী ডাঙৰীয়াই দিয়া দানৰ উৎপন্নৰ পৰা যি সৰু ল'ৰা-ছোৱালীৰ উপযোগী সৰু মহাভাৰত এখনিৰ অৰ্থে ২৫০.০০ (দুশ পঞ্চাছ) টকাৰ এটি পুৰস্কাৰ দিয়া যাব বুলি আসাম সাহিত্য সভাৰ পৰা এখন জাননী দিয়া হৈছিল তাত তলত দিয়া কথাখিনি জনোৱা হৈছিল—

"অহা বছৰৰ (১৯২৫ ইং চনৰ) ফেব্ৰুৱাৰী-মাৰ্চ মাহত এই পুৰস্কাৰ দিয়াৰ স্থিৰ কৰা হ'ব। প্ৰতিযোগিতালৈ দিয়া কিতাপ ১৯২৪ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ হাতত পাবহি লাগিব।"

এতেকে যিসকলে কিতাপখনি লিখিছে তেওঁলোকে ওপৰত উদ্ধৃত কৰাখিনিলৈ মন কৰি এই মাহৰ ৩১ তাৰিখৰ ভিতৰতে প্ৰধান সম্পাদকৰ নামে পুথিখন পঠিয়াই দিয়ে যেন।

প্ৰথম বছৰ ১১খন পুথিৰ ভিতৰত ৰোযেশ্বৰ শৰ্মাৰ 'সৰল মহাভাৰত' শ্ৰেষ্ঠ বিবেচিত হৈ ২৫০ টকাৰ পুৰস্কাৰ লাভ কৰে। ৩০-৪-২৫ তাৰিখৰ কাৰ্যনিৰ্বাহকত এই সিদ্ধান্ত লোৱা হয়। বিচাৰক আছিল লক্ষ্মীনাথ বেজবৰুৱা।"

উৎস ঃ অভিলেখ।

দক্ষিণপাট অধিকাৰ গোস্বামী পুঁজি

দক্ষিণপাটীয়া গোস্বামীয়ে সাহিত্য সভাক ৮৫০০ টকা সভাৰ গৃহ নিৰ্মাণৰ কাৰণে দিবলৈ আগ্ৰহ কৰে। ২০-২-২৪ তাৰিখে তেওঁ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৈ লিখা চিঠি ঃ

শ্ৰীশ্ৰীযাদবো জয়তি

শ্ৰীশ্ৰীদক্ষিণপাটীয় গোস্বামী

মংগলাস্পদ

শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী 'আসাম সাহিত্য সভাৰ প্ৰধান সম্পাদক'ক প্ৰতি—

আপোনাৰ প্ৰেঃ পত্ৰ আৰু মেপ পোৱা হৈছে। আমি ৮,৫০০ (আঠ হেজাৰ পাঁচশ) টকাহে দিব পৰা যাব বুলি পূৰ্বে শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীক কোৱা আছিল, পুনৰো আপোনাক ৮,৫০০ টকা গৃহৰ কাৰণে দিয়া হ'ব বুলি জানিবলৈ দিয়া হ'ল; তাৰ দ্বাৰা যেন গৃহ্ তৈয়াৰ হয় তাকে কৰিব। অপৰ সেই ঘৰতনো আমি কি সৰ্ত ৰাখিম আমাৰ মনেৰে সেই গৃহত সাহিত্য চৰ্চাৰ বাহিৰেও বৈদিক সনাতন ধৰ্মাৱলম্বী হিন্দু লোকসকলে ধৰ্মালোচনা আৰু যাত্ৰা মহোৎসৱাদি কৰি থাকিলেই ভাল...

পূৰ্বে ৩০০০ হেজাৰ টকা পঠোৱা হৈছিল, পুনৰো (বৰ্তমান) ২০০০ (দুহেজাৰ টকা) পঠোৱা হ'ল। ইতি

২০-২-২৪ শক১৮৪৫/৮ ফাগুন

"ৰাধাকান্ত সন্দিকৈয়ে চন্দ্ৰকান্ত ইনষ্টিটিউতৰ কাৰণে দান আগবঢ়োৱাত গুৱাহাটীত অনুষ্ঠিত সপ্তম সন্মিলনৰ তৃতীয় প্ৰস্তাৱ অনুযায়ী নৱদেৱ মন্দিৰ নিৰ্মাণৰ পৰিৱৰ্তে আন "কোনো উদ্দেশ্য সাধনৰ অৰ্থে সেই টকাৰে এটি ট্ৰাষ্ট ফাণ্ড কৰিবলৈ অনুৰোধ জনায়।

সভাৰ অনুৰোধ অনুযায়ী 'সেই টথা ঘৰত নথটাই ট্ৰাষ্ট ফাণ্ড পাতি সুদৰ দ্বাৰাই সংস্কৃত অসমীয়া উভয় ভাষাৰ পুথি ছপা কৰিবৰ কাৰণে ..... সভাৰ অনুৰোধ ৰক্ষা কৰা হ'ল।" বুলি দক্ষিণপাটীয় গোস্বামীদেৱে সভাক জনালে আৰু ১৯২৬ চনৰ ১৮ আগষ্টত দলীল কৰা হ'ল। এই ট্ৰাষ্ট বৰ্ডৰ প্ৰথম সদস্য শৰৎচন্দ্ৰ গোস্বামী, কুলধৰ চলিহা, দেৱেশ্বৰ শৰ্মা, মৌলবী কেৰামৎ আলি, চন্দ্ৰধৰ বৰুৱা।

ট্ৰাষ্টৰ ধনেৰে ছপোৱা প্ৰথম গ্ৰন্থ ঃ নীলকণ্ঠ দাসৰ দেৱদামোদৰ চৰিত।

উৎস ঃ অভিলেখ।

চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ড

১৯২৩ চনত ৰাধাকান্ত সন্দিকৈয়ে তেখেতৰ পুত্ৰদ্বয় চন্দ্ৰকান্ত আৰু ইন্দ্ৰকান্তৰ স্মৃতি ৰক্ষাৰ কাৰণে অসম সাহিত্য সভাক ২৫,০০০ হেজাৰ টকা দিবলৈ সন্মতি জনায়।

অসম সাহিত্য সভালৈ লিখা চিঠিখন

শ্ৰীযুক্ত 'আসাম সাহিত্য সভাৰ' প্ৰথম সম্পাদক মহাশয় সমীপেষু।

মহাশয়,

মোৰ উঠি অহা দুজন পুত্ৰৰ অকাল মৃত্যুৰ কথা আপোনালোকে শুনিবলৈ

পায়। আশা কৰিছিলোঁ সিহঁত আমাৰো বুঢ়াকালৰ সাৰথি হ'ব আৰু শক্তি অনুযায়ী দেশৰ কল্যাণৰ কামতো খাটিব। কিন্তু বিধাতাৰ ইচ্ছা অনুৰূপ হ'ল। যি হক মোৰ গৃহিণী আৰু মোৰ এই মৰ্মান্তিক শোকত ৰাইজৰ সহানুভূতি পাই আমি পৰম দুখ-বেজাৰৰ মাজতো কিছু সান্ত্বনা পাইছোঁ।

আমাৰ দুই পুত্ৰৰ নামত সাধাৰণৰ উপকাৰৰ অৰ্থে আমি যৎসামান্য টকা খৰচ কৰিবলৈ মন কৰিছোঁ। সম্প্ৰতি মোৰ অৱস্থা চাই ২৫,০০০ (পঁচিছ হাজাৰ) টকা দিবৰ মন।

এই টকা কি দৰে খৰছ কৰিলে মোৰ ল'ৰা দুটিৰ নামো থাকে আৰু ৰাইজৰো উপকাৰ হয় সেই অৰ্থে মই যোৰহাটৰ গণ্য-মান্য লোকসকলৰ পৰামৰ্শ লৈছিলোঁ। তেখেতসকলৰ উপদেশ মতে মই সেই টকা তলত লিখা দৰে দিব খোজোঁ।

১। এই পোন্ধৰ হাজাৰ টকা মূল্যৰ শতকৰা ৬ টকা সুদৰ কোম্পানীৰ কাগজ কিনিবলৈ যো-জা কৰিছোঁ। এই টকাৰে এটি Trust fund কৰিবৰ মন কৰোঁ। ইয়াৰ নাম হ'ব 'চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ড'। ইয়াৰ পৰা বছৰি যি আয় হ'ব সেই আয়ৰ সমস্ত টকা আসাম সাহিত্য সভাৰ যোগে খৰচ কৰিবলৈ মোৰ মন। ইয়াৰে প্ৰথমতে 'ইন্দ্ৰকান্ত ব্যাকৰণ' নামেৰে অসমীয়া ভাষাৰ এখনি সম্পূৰ্ণ ব্যাকৰণ আৰু 'চন্দ্ৰকান্ত অভিধান' নামেৰে এখনি অসমীয়া ভাষাৰ সম্পূৰ্ণ অভিধান যুগুত হ'ব লাগে। তাৰ বাবত এই টকা কিদৰে ব্যয় হ'লে ভাল, তাৰ ভাল দিহা আপোনালোকৰ পৰা পাবলৈ আশা কৰোঁ।

২। বাকী দহ হাজাৰ টকাৰে বিদ্যা চৰ্চাৰ কেন্দ্ৰ এটি কৰিবৰ উদ্দেশ্যে এটা ঘৰ বান্ধি তাক আসাম সাহিত্য সভাৰ তত্ত্বাৱধানত দিবৰ মন কৰিছোঁ। এই কেন্দ্ৰৰ নাম হ'ব 'চন্দ্ৰকান্ত Institute'। ইয়াত অসমীয়া হাতে লিখা পুথি, ঐতিহাসিক ব্যয়বস্তু, প্ৰধান প্ৰধান ছপা কিতাপ আদি থাকিব লাগে। আৰু অনুসন্ধিৎসু লোকৰ পক্ষে বিদ্যা চৰ্চাৰ সুবিধাও থাকিব লাগে।

এই দুই বিষয়ে বিশেষ বিৱৰণী আৰু সৰ্ত আৰু অৱৰক্ষক (Board of Trustee) সভা ইত্যাদিৰ কথা মই পাছত বহলাই জনাম। ইতিমধ্যে সাহিত্য সভাই এই ভাৰ ল'লে মই কৃতাৰ্থ হ'ম। ঘৰটোও মই সোনকালে বন্ধাই দিব খোজোঁ। সেই কাৰণে সাহিত্য সভাৰ যি মাটি আছে বা হ'ব তাত অলপ ঠাই দি মোক ঘৰ বান্ধিবলৈ অনুমতি দিয়াৰ প্ৰাৰ্থনাও কৰিলোঁ।

যোৰহাট ৰাধাকান্ত সন্দিকৈ

২৫/১১/২৩ ইং

ৰাধাকান্ত সন্দিকৈৰ দান গ্ৰহণ কৰি ২৪ জানুৱাৰী ১৯২৫ তাৰিখে দলীল কৰা হয়। ট্ৰাষ্ট বৰ্ডৰ প্ৰথম সদস্য কুলধৰ চলিহা আৰু শৰৎচন্দ্ৰ গোস্বামী।

চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্টৰ দলীলখন

This indenture made this 28th day of January in the year one thousand nine hundred and twenty five between Rai Bahadur Radhakanta Handiqui son of Baparam Handiqui deceased, of Jorhat town hereinafter called the donor of the first part, the Board of Trustees consisting of the members (1) the Donor himself, (2) C.S. Gunning Esqr. President, (3) Srijut Hiteswar Borboruah, the nominee of the Donor (4) Srijut Sarat Chandra Goswami and Srijut Kuladhar Chaliha, the representatives of the Assam Sahitya Sabha, hereinafter called the Board, which term shall include their successors in office or nominee as the case may be hereinafter specified, of the second part and Srijut Sarat Chandra Goswami, the present General Secretary of the Assam Sahitya Sabha, Jorhat society registered under Act XXI of 1860, acting on behalf of the said Sabha of the third party.

Whereas the Donor is desirous of perpetuating the memory of his two beloved deceased sons named Chandrakanta Handiqui and Indrakanta Handiqui and for that purpose is willing to create a trust fund by making a donation of Rs. 30,000/- to be called "The Chandrakanta-Indrakanta Memorial Endowment Fund" and to be used for the advancement and development of the Assamese language in the manner hereinafter specified and whereas the Board and the Sabha have accepted the proposal of the Donor and are willing to act in this behalf and help and accommodate the Donor in carrying out the objects of his donation.

Now this Indenture witnesseth and it is hereby declared that the Board shall consist of :

1) The Deputy Commissioner of Sibsagar district for the time being hereinafter called the Deputy Commissioner, which term shall be deemed to include the Officer who is for the time being the Chief Executive Officer of Government of the District in which the town of Jorhat is situated whether permanent or temporary who shall be the Ex-officio President of the Board. C.S. Gunning Esqr., M.A., I.C.S. the present Deputy Commissioner of Sibsagar will be the first President.

2) The Donor himself during his life time and after his death a person nominated by him in this behalf from amongst his legal

heirs. The person so nominated and each successive nominee shall appoint one of his legal heirs to success him at his death.

In the event of the Donor or any of his successors appointed as above dying without having exercised the power of appointing his successor the Deputy Commissioner shall appoint a trustee from among the legal heirs of the Donor or his successor.

(3) The nominee of the Donor for a period of five years only commencing from the date of nomination. The Donor reserves the right to select his nominee under this clause at the end of each period of five years. The old nominee shall continue to act till another is nominated. The same person may be nominated over again. The nomination under this clause shall be from amongst the members of the public of the Sibsagar district other than the members of the Donor's family. It is declared that the right under this clause will vest in the Donor's nominee and the nominee of the latter under clause (2). In the event of the Donor or any of his successors appointed under clause (2) above dying without having exercised the power or nomination the Board shall co-operate a qualified person to fill any vacancy which may occur.

(4) The two representatives of the Sabha nominated by it from amongst its members for a period of five years commencing from the date of nomination. The Sabha hereby agrees to nominate two such members at the end of each period of five years.

(5) In the event of any vacancy occurring in the case of a member of the Board by reason of death, resignation, liability to attend to duty or incapability of serving before the expiration of the term of five years the Donor of his successor or the Sabha, as the case may be shall nominate a member in the said vacancy.

It is further declared that in case any nominee is not selected by any of the persons named in the above clauses or in case any member or any of the members or refuses to act as a trustee or trustees the remaining member or members shall constitute the Board.

(6) The General Secretary or any other office bearer of the said Sabha nominated by the Governing body of the Sabha will act on behalf of the said Sabha as the third party.

It is declared that the object of the trust shall be he cultiva

tion, encouragement and improvement of the Assamese Language and for that purpose the Donor hereby makes a donation of Rs. 30,000/- Rupees (thirty thousand) in cash to the Board out of which a sum of Rs. 15,000 shall be utilised in constructing a suitable house to be called the "Chandrakanta Institute" at the site in the town of Jorhat which the Sabha has obtained from the Government of Assam and which is more specially described in the schedule below and that the Sabha hereby agree to allow the said house to be constructed and located there permanently.

It is hereby agreed that the said house shall rest absolutely on trust in the Board on condition that the Sabha shall have the right to locate its office, library, museum, reading club and such other literary equipments and to hold its meetings therein provided that the study and development of Assamese literature and the research work connected therewith continue always to be the sole aim and object of the Sabha to the satisfaction of the Board. It is further agreed that the Board shall have the right to use the house for other purpose if they be not inconsistent with the right hereby given to the Sabha.

The Donor further declares that the balance of the donation that is Rs. 15,000/-, shall be invested in 6 per cent income tax free Bonds, 1931, in the name of the Donor. (Already so invested as detailed in the schedule below) who will have the power to reinvest the money in trust in Government securities of which the interest alone shall be drawn by the Board as it falls due through their President or any other member authorised by the President in writing, and such interest be used in the first instance for executing such repairs to the said house as may be considered by the Board urgent and necessary and them in compiling and publishing with in a period to be fix by the board an Assamese Dictionary to be names "Chandrakanta Abhidhan". After the completion of this dictionary the interest so drawn shall be used publishing within a period to be fixed by the Board a History of Assam or such other work which the Board may approve to perpetuate the memory of Indrakanta and then for promoting research and publishing literary works in the Assamese Language and also for such other purpose as the Board may approve.

If in the opinion of the Board the Sabha fails to fulfill conditions mentioned in the deed or if the Sabha is dissolved or cease to exist, it will be competent for the Board to admit into the benefit of the Trust such other literary or scientific institution or do such other things within the scope of the Trust as the Board may deem fit.

In case there shall arise any difference of opinion among the Trustees at a meeting in regard to any Trust affairs or any act, matter or thing proposed to be done in relating thereto the matter will be referred to a subsequent full meeting at which all the Trustees shall be present either in person or by proxy. If any Trustee fails to attend at this meeting the matter shall be deduced by the majority of votes of the Trustees present at the meeting. The presence of at least three members one of whom shall be Donor shall constitute a quorum. In the event of the Donor not being able to attend owing to ill-health or otherwise three members including the Deputy Commissioner shall form a quorum.

In witness whereof the parties to these presents have herente set and subscribed their respective hands the day, month and year first above mentioned Radhakanta Handiqui.

Signed and delivered at Jorhat by Rai Bahadur Radhakanta Handiqui in the presence of Iswar Prasad Baruah, E.A.C., Jorhat.

Signed by C.S. Gunning Esqr., in the presence of Nilanath Sarma R.S., D.C.'s office

Sd/ C.S. Gunning

Signed by Srijut Hiteswar Borboruah in the presence of Hariprosad Khaund, Jorhat.

Sd/- Hiteswar Borboruah

Signed by Srijut Sarat Chandra Goswami in the presence of Benudhar Sarma, Gaurisagar.

Sd/- Sarat Chandra Goswami

Signed by Srijut Kuladhar Chaliha in the presence of Deveswar Sarma, Pleader, Jorhat.

Sd/- Kuladhar Chaliha

1. Schedule of the land : Situate in Jorhat town under the jurisdiction of Jorhat Sub-Registry Office, covered by periodic Patta No. 35 Dag No. measuring B-1 K-4, -12, land bearing revenue of

Rs. 5/7-.

2. Schedule of bonds : No. 002459- Rs. 100/-, No. 003049- Rs. 400/ No. 002445- Rs. 500/-, No. 002753- Rs. 1000/- No. 002875- Rs. 1000/- No. G. 003187 - Rs. 1000/-, No. G. 003188- Rs. 1000/ , No. 003224- Rs. 1000/-, No. 003225- Rs. 1000/- No. 0032226 Rs. 1000/-, No. 003227- Rs. 1000/-, No. 0032228- Rs. 1000/-, No. 003229- Rs. 1000/-, No. 003230- Rs. 1000/-, No. 003231-Rs. 1000/ - No. 003232- Rs. 1000/-, No. 003233-Rs. 1000/-

Witness :- Sd/- Radhakanta Handiqui

অসম সাহিত্য সভাৰ প্ৰাক্‌ক্ষণৰ কিছুমান ন্যাস পুঁজি

১। চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ ঃ ১৫৫০.০০ টকা ঃ দাতা ৰাধাকান্ত সন্দিকৈ

২। হৰিহৰ চৌধুৰী বঁটা ঃ ১০০০.০০ টকা (অৰুণাচলৰ ছাত্ৰলৈ পুৰস্কাৰ) দাতা ঃ হৰিহৰ চৌধুৰী

৩। ডিগবৈ সাহিত্য সেৱা সমিতি ঃ ৫০০০.০০ টকা (প্ৰতি দুবছৰৰ শ্ৰেষ্ঠ নাটক বা গ্ৰন্থ লৈ পুৰস্কাৰ) দাতা ঃ ডিগবৈ সাহিত্য সেৱা সমিতি

৪। অৱৰক্ষণ পুঁজি ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন অৱৰক্ষণ পুঁজি।

স্মৃতি পুঁজি ঃ (১) ৰাধাকান্ত সন্দিকৈ ভৱন
(২) শৰৎ চন্দ্ৰ গোস্বামী

বিশেষ পুঁজি ঃ (১) বিষ্ণুৰাম মেধি ন্যাস পুঁজি
(২) গোপালচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি

আজীৱন সভ্য অক্ষয় পুঁজি

১৯৪৪ চনত এশজন আজীৱন সভ্যৰে দহ হাজাৰ টকাৰ অক্ষয় পুঁজি আৰম্ভ হয়।

চন্দ্ৰকান্ত সন্দিকৈ ইনষ্টিটিউটৰ উদ্বোধনী অনুষ্ঠানৰ বাতৰিটো

OPENING CEREMONY OF C.K. HANDIQUI INSTITUTE

H.E. Sir John Kerr and Lady Kerr were present in a number of public function at Jorhat, His Excellency opened the C.K. Handiqui Institute on the 2nd December at 3 p.m. and Lady Kerr unveiled the portrait of the late Chandrakanta Handiqui B.A., Representative

European and India Gentlemen to the number of more than 200 were present. The guests were treated with light refreshment by Rai Bahadur R.K. Handiqui after the ceremony was over.

HIS EXCELLENCY'S SPEECH

His Excellency declared the Institute open said :

Ladies and Gentlemen,

My wife and I are very pleased to come here this afternoon to open this Chandrakanta Institute in compliance with the request of friend Rai Bahadur Radhakanta Handiqui and the trustees of the Chandrakanta and Indrakanta Trust Fund. A little more than three years age the Assam Valley was shocked by the news of the death of the young men whose memory we are honouring to-day. I can recall no more pathetic story than that of these two exceptionally gifted brothers struck down by the same fell disease within a few weeks of one another and it adds to the tragedy that the elder lost his life in a noble, through vain, attempt to save his brother. The sad occurrence made deep impression all over Assam and the impression must I knew have been deepest here in Jorhat where the brothers were well known and much loved. My first duty is to express to the bereaved parents our deep sympathy with them in their irreparable loss. My second duty is to thank them for the munificent gift by which they have chosen to honour the memory of their beloved sons. This institute has been build and the Chandrakanta Indrakanta Trust Fund has been created for the cultivation, encouragement and improvement of the Assamese Language. I came to Assam too late in life to learn Assamese. But I have seen in the course of my tours many examples of the great treasures of Assamese culture and learning that exist in many unexpected places and I have been much impressed by the keen and wide interest which is taken in Assamese literature and archaeology. No more suitable method could therefore have been found by an Assamese father for honouring the memory of his Assamese sons and I have no doubt that willing and able workers will always be fourth-coming to assist in carrying out the benefactors wish that this institute should become a great centre of Assamese culture. I

am glad to learn that it is already highly appreciated by the people of Jorhat, and I have no doubt that its influence will spread over the province as time goes on. The first great task that it has undertaken is the compilation of a monumental etymological dictionary of Assamese. I am glad to learn that thanks to the devotion and zeal of Sjt. Kohi Ram Das B.A., good progress has already been made with the execution of that work. When it is completed the next duty which will fall upon the Board of Trustees under the terms of the Trust deed will be to arrange for the preparation of a History of Assam, and I hope, it will not be long before that task too is taken in hand. With the thoughtfulness which is characteristic of the whole benefaction the Rai Bahadur has directed that the dictionary shall be named 'Chandrakanta Abhidhan' in memory of his order son, and that the history shall bear the name of his younger son Indiakanta. The whole scheme is a great ideal, honourable to him who planned it and worthy of the best labours of those who will carry it out, when it is completed, it will secure the object of the generous benefactor in enshrining for over the names of his sons in the annuals of this institute.

The immediate responsibility for carrying out the intention of the Trust has been laid on the Assam Sahitya Sabha, and I wish that competent body all success in it task. But a munificant gift of this kind inposes duties not only on the immediate beneficiaries, but on every educated man and women in Assam. It is for them to help in the execution of the work by active sympathy and encouragement by giving advice and help in every way they can and perhaps by adding something from their little individual stock of knowledge to the great mass of learning which will be accumulated in this place. If my hopes are to any extent realised, this institute and its productions will be a national possession of Assam will have a right to be proud, as well as a worthy memorial of those whom it is designed to honour.

Ladies and gentlemen, I have new great pleasure in declaring the Chandrakanta Institute open and I wish it very success.

Times of Assam
11-12.1926

অসম সাহিত্য সভাৰ ন্যাস-পুঁজি আৰু বঁটা-পুঁজিসমূহ

১৯২৩ খ্ৰীষ্টাব্দত বাদুলিপাৰাৰ ৰাধানাথ গোস্বামীয়ে তেখেতৰ মাতৃ কমলা দেৱীৰ স্মৃতি ৰক্ষাৰ্থে দুহাজাৰ টকা দান দিয়ে আৰু দাতাৰ ইচ্ছানুযায়ী যোৰহাট কাছাৰীত ০৪/০১/৩১ তাৰিখে দলিল কৰি বিধিসম্মত ন্যাস সমিতি গঠন কৰা হয়। আকৌ ১৯২৪ খ্ৰীষ্টাব্দত শ্ৰীশ্ৰীদক্ষিণপাটীয় গোস্বামীয়ে সভাৰ গৃহ নিৰ্মাণ আৰু ধৰ্মগ্ৰন্থাদি প্ৰকাশৰ বাবে পাঁচ হাজাৰ টকাৰ এটি দান আগবঢ়ায়। দক্ষিণপাট সত্ৰৰ হৈ শ্ৰীশ্ৰীনৰদেৱ অধিকাৰ গোস্বামীয়ে এই দান আগবঢ়ায় আৰু ১৯২৬ খ্ৰীষ্টাব্দত যোৰহাট কাছাৰীত ন্যাস সমিতিৰ দলিল যুগুত কৰা হয়। এই দুটা ন্যাস-পুঁজিৰ পৰা বৰ্তমানলৈকে সভাৰ ভালেমান ন্যাস-পুঁজি গঠিত হৈছে। এই পুঁজিসমূহৰ ধনৰ দ্বাৰা সভাৰ বিভিন্ন বিষয়ক যি কাম কৰা হৈছে তাৰেই বিবৰণাত্মক পৰিচয় এই নিবন্ধত উল্লেখ কৰা হ'ল।

১। অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী বঁটা পুঁজি ঃ

পুঁজিৰ দাতা শুচিব্ৰতা ৰায়চৌধুৰী। বঁটাৰ উদ্দেশ্য জাতীয় চেতনাৰ বাণী কঢ়িয়াই অনা অথচ মানবীয় মূলবোধ সাহিত্য মূল্যসম্পন্ন সৃষ্টিশীল বা আলোচনামূলক গ্ৰন্থৰ গ্ৰন্থকাৰ বঁটা প্ৰদান। ১৯৮৫ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। বঁটা-পুঁজিৰ মূল পৰিমাণ ১০,০০০/- (দহ হাজাৰ) টকা। যুগল দাসে ১৯৮৫ খ্ৰীষ্টাব্দত তেওঁৰ 'মহেন্দ্ৰ ডেকা ফুকন গ্ৰন্থ'ৰ বাবে প্ৰথম এই বঁটা লাভ কৰে।

২। অসম সংঘ আমেৰিকা বঁটা পুঁজি ঃ

পুঁজিৰ দাতা আমেৰিকা প্ৰবাসী অসমীয়াসকল। বঁটাৰ উদ্দেশ্য কলেজ আৰু বিশ্ববিদ্যালয় পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰি শ্ৰেষ্ঠ বিবেচিত প্ৰতিযোগীক পুৰস্কৃত কৰা। ১৯৮৩ খ্ৰীষ্টাব্দৰ পৰা এই প্ৰতিযোগিতা আৰম্ভ হৈছে। মূল পুঁজিৰ পৰিমাণ ১০,০০০/- (দহ হাজাৰ) টকা। 'আধুনিক অসমীয়া সাহিত্যে পাশ্চাত্য প্ৰভাৱ' বিষয়ক ৰচনা লিখি বিনীতা বৰুৱাই প্ৰথম এই বঁটা লাভ কৰে।

৩। অসম ছাত্ৰ সন্থা মাদ্ৰাজ বঁটা পুঁজি ঃ

পুঁজিৰ দাতা মাদ্ৰাজত অধ্যয়নৰত অসমীয়া ছাত্ৰ সমাজ। পুঁজিৰ উদ্দেশ্য অসমৰ উচ্চতৰ মাধ্যমিক কলা আৰু বিজ্ঞান শাখাত প্ৰথম স্থান লাভ কৰা পৰীক্ষাৰ্থী

দুজনক ২,০০০/- (দুহাজাৰ) টকাকৈ, উচ্চ মাধ্যমিক পৰীক্ষাত প্ৰথম স্থান লাভ কৰা পৰীক্ষাৰ্থীক ১,০০০/- (এহাজাৰ) টকাকৈ পুৰস্কাৰ প্ৰদান কৰা আৰু উচ্চ মাধ্যমিক পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ পাওঁতা পৰীক্ষাৰ্থীক ১,০০০/- (এহাজাৰ) টকাকৈ পুৰস্কাৰ প্ৰদান কৰা। পুঁজি গঠিত হৈছিল ১৯৯৫ খ্ৰীষ্টাব্দত। মূল পুঁজিৰ পৰিমাণ ৭৫,০০০/- (পঁয়সত্তৰ হাজাৰ) টকা। ১৯৯৭ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। ১৯৯৭ চনত প্ৰথম বঁটা প্ৰাপকসকল : (১) নীলাক্ষী গোস্বামী, উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান; (২) শান্তনু বৰা, উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ; (৩) বেদান্ত চৌধুৰী, উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত প্ৰথম স্থান; (৪) লুইজী বৰকাকতি, উচ্চতৰ মাধ্যমিক কলা শাখাত প্ৰথম স্থান।

৪। ৰামদেউ শৰ্মা বঁটা :

পুঁজিৰ দাতা দীনদয়াল শৰ্মা। পুঁজিৰ উদ্দেশ্য উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ পাওঁতা পৰীক্ষাৰ্থীক পুৰস্কৃত কৰা। মূল পুঁজিৰ পৰিমাণ ১৫,০০০/- (পোন্ধৰ হাজাৰ) টকা। ১৯৮৮ চনত এই বঁটা প্ৰথমে লাভ কৰে অনুপম শৰ্মাই।

৫। উত্তম চন্দ্ৰ বৰুৱা সোঁৱৰণী বঁটা :

বঁটাৰ দাতা মৃণাল বৰুৱা। বঁটাৰ উদ্দেশ্য ৩৫ বছৰৰ তলৰ নাট্যকাৰৰ দ্বাৰা অসমীয়া ভাষাত ৰচিত পূৰ্ণাংগ শ্ৰেষ্ঠ নাটকৰ পাণ্ডুলিপিক পুৰস্কাৰ প্ৰদান কৰা। ১৯৮৫ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰাৰ কথা আছিল যদিও উপযুক্ত পাণ্ডুলিপিৰ অভাৱত ১৯৮৬ খ্ৰীষ্টাব্দৰ পৰাহে বঁটা প্ৰদান কৰিব পৰা হৈছে। এই বঁটা পুঁজিৰ মূল পৰিমাণ ৫,০০০/- (পাঁচ হাজাৰ) টকা। ১৯৮৬ চনত শশীন্দ্ৰ কুমাৰ অধিকাৰীয়ে 'শগুণ' নামৰ পাণ্ডুলিপিৰ বাবে এই বঁটা প্ৰথমবাৰৰ বাবে লাভ কৰে।

৬। উগ্ৰতৰা ন্যাস বঁটা পুঁজি :

উক্ত বঁটা পুঁজিৰ দাতা গুৱাহাটীৰ উগ্ৰতৰা সমবায় ষ্টোৰ। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ নামত প্ৰদাতব্য এই বঁটাৰ উদ্দেশ্য বছৰৰ শ্ৰেষ্ঠ মৌলিক কাব্যগ্ৰন্থক (প্ৰকাশিত) স্বীকৃতি প্ৰদান। ১৯৭৩ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰি অহা হৈছে। পুঁজিৰ মূল পৰিমাণ ২,৫০০/- (আঢ়ৈ হাজাৰ) টকা। 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে' গ্ৰন্থৰ বাবে নীলমণি ফুকনে এই বঁটা প্ৰথমতে লাভ কৰে।

৭। অনিল কুমাৰ শৰ্মা বঁটা পুঁজি ঃ

পুঁজিৰ দাতা দুলিয়াজানৰ ভাৰতী শৰ্মা। ন্যাস পুঁজিৰ মূল পৰিমাণ ৬০,০০০/- (ষাঠি হাজাৰ) টকা। বঁটাৰ উদ্দেশ্য ন্যাস পুঁজিত গচ্ছিত ধনৰ সুদেৰে প্ৰতি দুবছৰৰ মূৰে মূৰে অসমীয়া ভাষাত প্ৰকাশিত জনপ্ৰিয় বিজ্ঞান বিষয়ৰ গ্ৰন্থৰ শ্ৰেষ্ঠ গ্ৰন্থক পুৰস্কৃত কৰা। পুৰস্কাৰৰ মূল্য ১০,০০০/- (দহ হাজাৰ) টকা। এই বঁটা ১৯৯৮ খ্ৰীষ্টাব্দৰ পৰা দিয়া হৈছে। এই বঁটাৰ প্ৰথমজন প্ৰাপক হ'ল ড° ৰমেশ চন্দ্ৰ গোস্বামী। গ্ৰন্থৰ নাম 'প্ৰদূষণ'।

৮। কমলা দেৱী বঁটা পুঁজি ঃ

পুঁজিৰ দাতা বাদুলিপাৰাৰ স্বৰ্গীয় ৰাধানাথ গোস্বামী। পুঁজিৰ উদ্দেশ্য বছৰৰ শ্ৰেষ্ঠ শিশুপুথিক পুৰস্কৃত কৰা। পুঁজিৰ মূল পৰিমাণ আছিল ২,০০০/- (দুহাজাৰ) টকা। ১৯২৪ খ্ৰীষ্টাব্দতে আৰম্ভ হোৱা এই বঁটা ১৯৬০ খ্ৰীষ্টাব্দলৈকে দিয়া হৈছিল। পৰৱৰ্তী সময়ত ১৯৮২ খ্ৰীষ্টাব্দত এই পুঁজিৰ সঞ্চিত সুতেৰে 'আমাৰ লক্ষ্মীনাথ' নামৰ গ্ৰন্থ প্ৰকাশ কৰা হৈছিল। শেহতীয়াকৈ ১৯৮৬ খ্ৰীষ্টাব্দত গোস্বামীৰ পৰিয়ালবৰ্গই মূল পুঁজিৰ লগত ৮,০০০/- (আঠ হাজাৰ) টকা জমা দি পুঁজিৰ পৰিমাণ ১০,০০০/- (দহ হাজাৰ) টকা কৰিছে। ১৯৯০-৯১ খ্ৰীষ্টাব্দত দাতা পৰিয়ালে ২০,০০০/- (বিশ হাজাৰ) টকা দিয়াত বৰ্তমান এই পুঁজিৰ পৰিমাণ ৩০,০০০/- (ত্ৰিশ হাজাৰ) টকা। এতিয়া এই পুঁজিৰ ধন শিশুগ্ৰন্থ প্ৰকাশত ব্যয় কৰা হয়। ১৯২৪ খ্ৰীষ্টাব্দত ৰোযেশ্বৰ শৰ্মাই 'কথা-মহাভাৰত' গ্ৰন্থৰ বাবে এই বঁটা প্ৰথমতে লাভ কৰে।

৯। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা ঃ

অসম সাহিত্য সভাই অসমীয়া ভাষাত প্ৰকাশিত শ্ৰেষ্ঠ মৌলিক গ্ৰন্থৰ গ্ৰন্থকাৰক প্ৰতি বছৰে অসম সাহিত্য সভাৰ 'বিষ্ণু প্ৰসাদ ৰাভা বঁটা' প্ৰদান কৰিবলৈ ১৯৮১ খ্ৰীষ্টাব্দত সিদ্ধান্ত কৰে। এই বঁটাৰ অৰ্থমূল্য ৫,০০০/- (পাঁচ হাজাৰ) টকা। বঁটা ঘোষণা কৰা বছৰটো বাদ দি তাৰ পূৰ্বৰ পাঁচ বছৰৰ অসমীয়া ভাষাত প্ৰকাশিত শ্ৰেষ্ঠ গ্ৰন্থ বঁটাৰ বাবে বিবেচিত হয়। গ্ৰন্থৰ নিৰ্বাচনত অসমৰ জাতীয় জীৱনৰ সমন্বয় সাধনৰ উচ্চ আদৰ্শ প্ৰতিফলন কৰা গ্ৰন্থক গুৰুত্ব দিয়া হয়। ৰংবং তেৰাঙে ১৯৮২ খ্ৰীষ্টাব্দত 'ৰংমিলিৰ হাঁহি'ৰ বাবে প্ৰথমতে এই বঁটা লাভ কৰে।

১০। কুমাৰ কিশোৰ সৌৰৱণী বঁটা পুঁজি ঃ

উক্ত বঁটা পুঁজিৰ দাতৃ লক্ষ্মীপ্ৰভা দেৱী। বঁটাৰ উদ্দেশ্য অসমীয়া ভাষাত ৰচিত শ্ৰেষ্ঠ মৌলিক উপন্যাস সাহিত্য-কৃতিক প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে বঁটা প্ৰদান কৰা।

মূল পুঁজিৰ পৰিমাণ ১৫,৩০০/- (পোন্ধৰ হাজাৰ তিনিশ) টকা। পুৰস্কাৰৰ অৰ্থমূল্য ১০,০০০/- (দহ হাজাৰ) টকা। বঁটা প্ৰদান কৰা হৈছে ১৯৯৯ খ্ৰীষ্টাব্দৰ পৰা। ১৯৯৯ খ্ৰীষ্টাব্দতে হোমেন বৰগোহাঞিয়ে 'মৎস্যগন্ধা' গ্ৰন্থৰ বাবে প্ৰথমতে এই বঁটা লাভ কৰে।

১১। গিৰিধৰ শৰ্মা বঁটা পুঁজি ঃ

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি স্বৰ্গীয় গিৰিধৰ শৰ্মাৰ স্মৃতিত তেখেতৰ পুত্ৰ শ্ৰীপ্ৰশান্ত শৰ্মাই এই বঁটা পুঁজি দান কৰিছে। বঁটা উদ্দেশ্য ন-লেখকৰ মাজত উপন্যাসৰ পাণ্ডুলিপি প্ৰতিযোগিতাৰ আয়োজন কৰি শ্ৰেষ্ঠ বিবেচিত লেখকক পুৰস্কৃত কৰা। ১৯৭৮ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। পুঁজিৰ মূল পৰিমাণ ৩,৫০০/- (তিনি হাজাৰ) টকা। ১৯৮০ খ্ৰীষ্টাব্দত দাতাপক্ষই এই পুঁজি ১০,০০০/- (দহ হাজাৰ) টকালৈ বৃদ্ধি কৰে। এই বঁটাৰ প্ৰথমজন প্ৰাপক হ'ল প্ৰণৱপ্ৰাণ ভট্টাচাৰ্য। গ্ৰন্থৰ নাম 'নক্ষত্ৰৰ দৰে জাগ্ৰত'।

১২। গোপাল চন্দ্ৰ গোস্বামী বঁটা পুঁজি ঃ

এই সাময়িক বঁটাৰ দাতা হিৰন্ময়ী দেৱী আৰু অৰুণ গোস্বামী। বঁটাৰ উদ্দেশ্য শিশু উপযোগী শ্ৰেষ্ঠ গ্ৰন্থক পুৰস্কাৰ প্ৰদান। ১৯৬৮ খ্ৰীষ্টাব্দৰ পৰা ১৯৭৫ খ্ৰীষ্টাব্দলৈকে এই পুৰস্কাৰ দিয়া হয়। এই বঁটাৰ প্ৰথম প্ৰাপক দীনেশ চন্দ্ৰ গোস্বামী। গ্ৰন্থৰ নাম 'বৈজ্ঞানিক আৱিষ্কাৰৰ কাহিনী'।

১৩। গোপাল চন্দ্ৰ বৰুৱা বঁটা পুঁজি ঃ

বঁটাৰ দাতা গুৱাহাটীৰ বৰুৱা এজেন্সীৰ স্বত্বাধিকাৰী স্বৰ্গীয় বদন চন্দ্ৰ বৰুৱা। বঁটাৰ উদ্দেশ্য বছৰটোৰ বিজ্ঞানৰ জনপ্ৰিয় পুথিৰ শ্ৰেষ্ঠখনক পুৰস্কৃত কৰা। ১৯৭৯ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। মূল পুঁজিৰ পৰিমাণ ৩,৫০০/- (তিনি হাজাৰ পাঁচশ) টকা। ১৯৯০ চনৰ পৰা এই বঁটা বন্ধ হৈ আছে। বঁটাৰ প্ৰথম পাপক ডিম্বেশ্বৰ চলিহা। গ্ৰন্থৰ নাম 'প্ৰাণী জগতৰ বিস্ময়'।

১৪। ছগনলাল জৈন বঁটা পুঁজি ঃ

পুঁজিৰ দাতা ছগনলাল জৈন আৰু তেখেতৰ পৰিয়ালবৰ্গ। এই পুঁজি গঠিত হৈছে ১৯৮৬ খ্ৰীষ্টাব্দত। মূল পুঁজিৰ পৰিমাণ ৭৫,০০০/- (পঁয়সত্তৰ হাজাৰ) টকা। এই টকাৰ সুতেৰে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে প্ৰত্যেক দহ বছৰৰ ভিতৰত অসমীয়া ভাষাত ৰচিত মৌলিক সাহিত্য গ্ৰন্থৰ শ্ৰেষ্ঠ বিবেচিত গ্ৰন্থৰ গ্ৰন্থকাৰক এখন মানপত্ৰসহ এখন ৰূপৰ ফলি আৰু ৫০,০০০/- (পঞ্চাশ হাজাৰ) টকাৰ এটি সাহিত্য বঁটা প্ৰদান কৰা হয়।

প্ৰথমটো বঁটা প্ৰদান কৰা হয় ১৯৯১ খ্ৰীষ্টাব্দত। বঁটা প্ৰথম প্ৰাপক নীলমণি ফুকন। গ্ৰন্থৰ নাম 'নৃত্যৰতা পৃথিৱী'।

১৫। জয়সিং হান্সে সোঁৱৰণী বঁটা পুঁজি ঃ

পুঁজিৰ দাতা ছামসিং হান্সে। মূল পুঁজি ৭৫,০০০/- (পঁয়সত্তৰ হাজাৰ) টকা আৰু পুৰস্কাৰৰ অৰ্থমূল্য ১০,০০০/- (দহ হাজাৰ) টকা। পুঁজিৰ উদ্দেশ্য কাৰ্বি আংলঙৰ জীৱন আৰু সংস্কৃতিক প্ৰতিফলিত কৰা শ্ৰেষ্ঠ শিল্পকৰ্মক প্ৰতি দুবছৰৰ মূৰে মূৰে পুৰস্কাৰ প্ৰদান কৰা। এই পুঁজি গঠিত হৈছে ১৯৯৭ খ্ৰীষ্টাব্দত। প্ৰথমটো পুৰস্কাৰ ২000 খ্ৰীষ্টাব্দত প্ৰদান কৰা হয়। ২০০২ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা দিয়া হোৱা নাই। বঁটাৰ প্ৰথম প্ৰাপক বীৰেন সিংহ।

১৬। ডিগবৈ সাহিত্য সেৱা সমিতি বঁটা পুঁজি ঃ

বঁটাৰ দাতা ডিগবৈ সাহিত্য সেৱা সমিতি। বঁটাৰ উদ্দেশ্য মৌলিক অসমীয়া নাটকক পুৰস্কাৰ প্ৰদান। ১৯৬৫ খ্ৰীষ্টাব্দৰ পৰা প্ৰতি দুবছৰৰ মূৰে মূৰে অসমীয়া মৌলিক পূৰ্ণাংগ নাটকক এই পুৰস্কাৰ প্ৰদান কৰা হৈছে। মূল পুঁজিৰ পৰিমাণ ৫,০০০/- (পাঁচ হাজাৰ) টকা। বঁটাৰ প্ৰথম প্ৰাপক নকুল চন্দ্ৰ ভূঞা। নাটকৰ নাম 'নুমলী কুঁৱৰী'।

১৭। দুৰ্গাধৰ বৰকটকী সোঁৱৰণী বঁটা পুঁজি ঃ

বঁটাৰ দাতা মুনীন বৰকটকী। বঁটাৰ উদ্দেশ্য পুৰণি পুথি সম্পাদনাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ বিবেচিত সম্পাদনা কাৰ্যৰ সম্পাদকক নাইবা পুৰণি সাহিত্য সম্পৰ্কে ৰচিত শ্ৰেষ্ঠ বিবেচিত কোনো গৱেষণামূলক বা সমালোচনামূলক গ্ৰন্থৰ গ্ৰন্থকাৰক নাইবা পুৰণি অসমীয়া সাহিত্য সম্পৰ্কে তত্ত্বমূলক ৰচনা আহ্বান কৰি শ্ৰেষ্ঠ বিবেচিত ৰচনাৰ লেখকক দুবছৰৰ মূৰে মূৰে পুৰস্কৃত কৰা। ১৯৮৫ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। মূল পুঁজিৰ পৰিমাণ ১০,০০০/- (দহ হাজাৰ) টকা। বঁটাৰ প্ৰথম প্ৰাপক ড° সত্যেন্দ্ৰনাথ শৰ্মা। গ্ৰন্থৰ নাম 'ৰামায়ণৰ ইতিবৃত্ত'।

১৮। নকুল চন্দ্ৰ সভাপণ্ডিত সোঁৱৰণী বঁটা পুঁজি ঃ

বঁটাৰ দাতা তৰুণ চন্দ্ৰ সভাপণ্ডিত আৰু পৰিয়ালবৰ্গ। বঁটাৰ উদ্দেশ্য ৬-৯ বছৰ বয়স সীমাৰ শিশু উপযোগী সাহিত্য পাণ্ডুলিপি আহ্বান কৰি শ্ৰেষ্ঠ পাণ্ডুলিপিক প্ৰতি দুবছৰৰ মূৰে মূৰে পুৰস্কৃত কৰা। মূল পুঁজিৰ পৰিমাণ ৫,০০০/- (পাঁচ হাজাৰ) টকা। ১৯৮৬ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। ১৯৯০ খ্ৰীষ্টাব্দৰ পিছত এই বঁটা দিয়া হোৱা নাই। বঁটাৰ প্ৰথম প্ৰাপক প্ৰভাত গোস্বামী। গ্ৰন্থৰ নাম 'সপোনৰ দেশত কণমানি'।

১৯। প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা পুঁজি ঃ

বঁটাৰ দাতা কমলেশ্বৰ দত্ত। বঁটাৰ উদ্দেশ্য বছৰৰ শ্ৰেষ্ঠ শিশুপুথিক (প্ৰকাশিত) পুৰস্কাৰ প্ৰদান কৰা। মূল পুঁজিৰ পৰিমাণ ২,০০০/- (দুহাজাৰ) টকা। ১৯৭০ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। বঁটাৰ প্ৰথম প্ৰাপক প্ৰফুল্ল চন্দ্ৰ বৰুৱা। গ্ৰন্থৰ নাম 'মেও মহাৰাজ'।

২০। বনমালী শইকীয়া বঁটা পুঁজি ঃ

বঁটাৰ দাতা বনমালী শইকীয়া। এই বঁটাৰ উদ্দেশ্য চাহ মজদুৰ সমাজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰি শ্ৰেষ্ঠজনক পুৰস্কৃত কৰা। এই পুঁজিৰ মূল পৰিমাণ ১,০০০/- (এহাজাৰ) টকা। ১৯৭০ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰি অহা হৈছে। বঁটাৰ প্ৰথম প্ৰাপক হ'ল ৰেখা তাছা।

২১। বাসন্তী বৰদলৈ বঁটা পুঁজি ঃ

পুঁজিৰ উদ্দেশ্য অসমীয়া ভাষাত লিখা মহিলা লেখিকাৰ গল্প, কবিতা, নাটক, উপন্যাস আদি মৌলিক সাহিত্য আৰু লগতে গৱেষণামূলক গ্ৰন্থৰ বাবে প্ৰতি বছৰে শ্ৰেষ্ঠ মহিলা সাহিত্যিক নিৰ্বাচিত কৰি পুৰস্কাৰ প্ৰদান কৰা। মূল পুঁজিৰ পৰিমাণ ২৫,০০০/- (পঁচিশ হাজাৰ) টকা। পুৰস্কাৰৰ অৰ্থমূল্য কমপক্ষেও ৩,০০০/- (তিনি হাজাৰ) টকা। পুঁজিৰ দাতা সৰ্বেশ্বৰ বৰদলৈ। ২০০২ খ্ৰীষ্টাব্দত দাতাপক্ষই পুনৰ ২৫,০০০/- (পঁচিশ হাজাৰ) টকা জমা দিয়াত মূল পুঁজিৰ পৰিমাণ ৫০,০০০/- (পঞ্চাশ হাজাৰ) টকা হয়। ১৯৮৭ চনত এই বঁটা প্ৰথম লাভ কৰে স্নেহ দেৱীয়ে। গ্ৰন্থৰ নাম 'স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প'। উল্লেখ্য যে ড° তিলোত্তমা মিশ্ৰ আৰু অৰূপা পটঙ্গীয়া কলিতাই পুৰস্কাৰ গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰাত তেখেতসকলক বঁটা প্ৰদান কৰা হোৱা নাই।

২২। মহানন্দ বৰুৱা শশীপ্ৰভা বৰুৱা বঁটা পুঁজি ঃ

বঁটাৰ দাতা দীপালী বৰুৱা। বঁটাৰ উদ্দেশ্য ২৫ বছৰৰ তলৰ গল্প লেখকসকলৰ মাজত প্ৰতিযোগিতা আৰম্ভ কৰি শ্ৰেষ্ঠ কেইজনক পুৰস্কৃত কৰা। ১৯৮০ খ্ৰীষ্টাব্দৰ পৰা এই প্ৰতিযোগিতা আৰম্ভ কৰা হৈছে। মূল পুঁজিৰ পৰিমাণ ৫,০০০/- (পাঁচ হাজাৰ) টকা। ১৯৯১ খ্ৰীষ্টাব্দত মূল পুঁজিৰ পৰিমাণ ১০,০০০/- (দহ হাজাৰ) টকালৈ বৃদ্ধি কৰা হয়। ১৯৮০ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হয়। প্ৰথম বঁটা প্ৰাপকসকল ঃ অনিৰ্বান মহন্ত, গল্প 'নৰমেধ' (প্ৰথম স্থান); দীপক কুমাৰ শৰ্মা, গল্প 'এৰাবাৰী' (দ্বিতীয় স্থান)।

২৩। মোহন চন্দ্ৰ শৰ্মা বঁটা পুঁজি ঃ

বঁটাৰ দাতা মোহন চন্দ্ৰ শৰ্মা। বঁটাৰ উদ্দেশ্য অসমীয়া ভাষাত প্ৰকাশিত বছৰৰ শ্ৰেষ্ঠ তত্ত্বগধুৰ মৌলিক গদ্যগ্ৰন্থক স্বীকৃতি প্ৰদান। ১৯৭৪ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰি অহা হৈছে। মূল পুঁজিৰ পৰিমাণ ২,৫০০০/- (আঢ়ৈ হাজাৰ) টকা। প্ৰথম বঁটা প্ৰাপক হ'ল ড° সত্যেন্দ্ৰ নাথ শৰ্মা। গ্ৰন্থৰ নাম 'অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ'।

২৪। ডাঃ ৰজনীকান্ত গগৈ সোঁৱৰণী বঁটা পুঁজি ঃ

পুঁজিৰ দাতা শিৱসাগৰৰ অন্নদা গগৈ। পুঁজিৰ উদ্দেশ্য অসমীয়া ভাষাত লিখা বিজ্ঞান সাহিত্যৰ শ্ৰেষ্ঠ পাণ্ডুলিপিক প্ৰতি দুবছৰৰ মূৰে মূৰে পুৰস্কাৰ প্ৰদান কৰা। মূল পুঁজিৰ পৰিমাণ ৫০,০০০/- (পঞ্চাশ হাজাৰ) টকা। পুঁজি গঠিত হৈছে ১৯৯৮ খ্ৰীষ্টাব্দত। ২০০২ খ্ৰীষ্টাব্দত এই বঁটা প্ৰথমতে লাভ কৰে ডাঃ জয়দেৱ শৰ্মাই। গ্ৰন্থৰ নাম 'হিউমেন এনাটমি এণ্ড ফিজিঅ'ল'জি'।

২৫। ড° লীলা গগৈ সোঁৱৰণী বঁটা ঃ

অসম সাহিত্য সভাৰ ১৯৯৪-৯৫ খ্ৰীষ্টাব্দৰ সভাপতি ড° লীলা গগৈৰ আকস্মিক মৃত্যুত সভাই প্ৰয়াত সভাপতিজনৰ সোঁৱৰণত এটা বঁটা প্ৰদানৰ সিদ্ধান্ত কৰে। এই বঁটা অসমীয়া ভাষাত ৰচিত লোক-সংস্কৃতি আৰু লোক-সাহিত্যৰ গৱেষণামূলক মৌলিক গ্ৰন্থৰ বাবে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে প্ৰদানৰ সিদ্ধান্ত হয়। ১৯৯৪ খ্ৰীষ্টাব্দৰ পৰাই এই বঁটা আৰম্ভ হৈছে। বঁটাৰ মূল্য ৫,০০০/- (পাঁচ হাজাৰ) টকা। প্ৰথম বঁটা প্ৰাপক হ'ল ড° প্ৰফুল্ল দত্ত গোস্বামী (মৰণোত্তৰভাৱে)।

২৬। শৰৎ চন্দ্ৰ গোস্বামী বঁটা ঃ

অসম সাহিত্য সভাৰ প্ৰথম প্ৰধান সম্পাদক স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামীৰ স্মৃতিত অসম সাহিত্য সভাৰ পক্ষৰ পৰা এই বঁটা প্ৰদান কৰা হয়। বঁটাৰ উদ্দেশ্য অনা অসমীয়া স্কুলীয়া ছাত্ৰ ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা আহ্বান কৰি শ্ৰেষ্ঠ বিবেচিত ৰচনাক পুৰস্কাৰ প্ৰদান কৰা। ১৯৭৬ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰি অহা হৈছে। প্ৰথম বঁটা প্ৰাপক বি ৰাজেন্দ্ৰ কুমাৰ।

২৭। সীতানাথ ব্ৰহ্মচৌধুৰী স্মাৰক বঁটা পুঁজি ঃ

উক্ত বঁটাৰ দাতা সত্যেন্দ্ৰনাথ ব্ৰহ্মচৌধুৰী আৰু পৰিয়ালবৰ্গ। বঁটাৰ উদ্দেশ্য অসমীয়া জাতি-উপজাতিৰ সমন্বয় আৰু সংহতিৰ বক্তব্য দাঙি ধৰা শ্ৰেষ্ঠ আলোচনা বা গ্ৰন্থক

পুৰস্কৃত কৰা। মূল পুঁজিৰ পৰিমাণ ১০,০০০/- (দহ হাজাৰ) টকা। ১৯৮৪ খ্ৰীষ্টাব্দৰ পৰা এই পুৰস্কাৰ প্ৰদান কৰা হৈছে। প্ৰথম বঁটা প্ৰাপক ড° লীলা গগৈ। গ্ৰন্থৰ নাম 'অসমৰ সংস্কৃতি'।

২৮। হৰিপ্ৰসাদ নেওগ সোঁৱৰণী মুদ্ৰণ আৰু অলংকৰণ বঁটা ঃ

অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক স্বৰ্গীয় হৰিপ্ৰসাদ নেওগৰ স্মৃতিত অসম সাহিত্য সভাৰ পক্ষৰ পৰা এই বঁটা প্ৰদান কৰা হয়। অসমীয়া ভাষাত প্ৰকাশিত মুদ্ৰণ আৰু অলংকৰণত বছৰৰ শ্ৰেষ্ঠ গ্ৰন্থখনিক এই বঁটাৰে পুৰস্কৃত কৰা হয়। প্ৰকাশকক বঁটা আৰু মুদ্ৰকক্ মানপত্ৰ প্ৰদান কৰা হয়। ১৯৭৪ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। প্ৰথম বঁটা প্ৰাপকৰ নাম হ'ল অসম প্ৰকাশন পৰিষদ 'প্ৰাচ্য শাসনাৱলী', মুদ্ৰক ঃ নৱজীৱন প্ৰেছ, কলিকতা।

২৯। হৰিহৰ চৌধুৰী বঁটা পুঁজি ঃ

পুঁজিৰ দাতা হৰিহৰ চৌধুৰী। বঁটাৰ উদ্দেশ্য অৰুণাচলৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত অসমীয়া ভাষাত ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰি শ্ৰেষ্ঠ বিবেচিত প্ৰতিযোগীক পুৰস্কৃত কৰা। ১৯৬১ খ্ৰীষ্টাব্দৰ পৰা এই প্ৰতিযোগিতাৰ আয়োজন কৰি পুৰস্কাৰ প্ৰদান কৰি অহা হৈছে। মূল পুঁজিৰ পৰিমাণ ১,০০০/- (এহাজাৰ) টকা। প্ৰথম বঁটা প্ৰাপক টামি কায়েই।

৩০। হেম বৰুৱা সোঁৱৰণী সাহিত্য বঁটা ঃ

অসমীয়া ভাষাত ৰাজনৈতিক পটভূমিত ৰচিত শ্ৰেষ্ঠ মৌলিক উপন্যাস অথবা শ্ৰেষ্ঠ মৌলিক ভ্ৰমণ সাহিত্য-কীৰ্তিৰ বাবে প্ৰতি তিনি বছৰৰ মূৰে মূৰে বঁটা প্ৰদান কৰাই এই পুঁজিৰ উদ্দেশ্য। পুঁজিৰ দাতৃ অণু বৰুৱা আৰু পৰিয়ালবৰ্গ। ১৯৯০ খ্ৰীষ্টাব্দত গঠিত হোৱা এই পুঁজিৰ মূল পৰিমাণ ২৫,০০০/- (পঁচিশ হাজাৰ) টকা আৰু পুৰস্কাৰৰ অৰ্থমূল্য ৫,০০০/- (পাঁচ হাজাৰ) টকা। ১৯৯০ চনত এই বঁটা প্ৰথমতে লাভ কৰে বীৰেন বৰকটকীয়ে। গ্ৰন্থৰ নাম 'মৃত্যু গছকি আনা জয় জিনি'।

৩১। লক্ষ্মীনাথ ফুকন সোঁৱৰণী বঁটা ঃ

অসমৰ সংবাদ জগতৰ অন্যতম পুৰোধা লক্ষ্মীনাথ ফুকনৰ জন্ম শতবাৰ্ষিকী বছৰত (১৯৯৭) অসম সাহিত্য সভাই এই বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অসমৰ সংবাদ জগতৰ বছৰটোৰ শ্ৰেষ্ঠ সাংবাদিকজনক এই বঁটা প্ৰতি বছৰে প্ৰদান কৰা হয়। ১৯৯৭ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। প্ৰথম বঁটা প্ৰাপক কীৰ্তিনাথ হাজৰিকা।

৩২। তিলক চন্দ্ৰ শৰ্মা সোঁৱৰণী বঁটা পুঁজি ঃ

অসমীয়া ভাষাত ৩০ বছৰৰ তলৰ নাট্যকাৰৰ দ্বাৰা ৰচিত, জাতীয় চেতনা জাগ্ৰত কৰিব পৰা সামাজিক অন্যায়-অবিচাৰৰ প্ৰত্যাহ্বান স্বৰূপে মৌলিক নাটকৰ পাণ্ডুলিপিক প্ৰতি দুবছৰৰ মূৰে মূৰে বঁটা প্ৰদান কৰা এই পুঁজিৰ উদ্দেশ্য। পুঁজিৰ দাতৃ হিৰণ্ময়ী দেৱী আৰু পৰিয়ালবৰ্গ। পুঁজিৰ মূল পৰিমাণ ৩০,০০০/- (ত্ৰিশ হাজাৰ) টকা আৰু পুৰস্কাৰৰ মূল্য ৪,০০০/- (চাৰি হাজাৰ) টকা। এই পুঁজি গঠিত হৈছে ১৯৮৯ খ্ৰীষ্টাব্দত।

২০০১ খ্ৰীষ্টাব্দৰ পৰা এই পুঁজিৰে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে জাতীয় চেতনা জাগ্ৰত কৰিব পৰা বা সামাজিক অন্যায় অবিচাৰৰ প্ৰতি প্ৰত্যাহ্বানস্বৰূপ বিষয়ক মৌলিক নাটক বা নাট্য বিষয়ক একোখনি গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। গ্ৰন্থৰ নামপত্ৰত 'তিলক চন্দ্ৰ শৰ্মা সোঁৱৰণী গ্ৰন্থমালা' বুলি উল্লেখ থাকিব। প্ৰথম বঁটা প্ৰাপক ৰমেশ চন্দ্ৰ বৰা। গ্ৰন্থৰ নাম 'স্বপ্নভংগ'।

৩৩। কৃষ্ণকান্ত সন্দিকৈ সাহিত্য বঁটা ন্যাস ঃ

বঁটাৰ দাতা গুৱাহাটীৰ অহল্যা গগৈ। এই পুঁজি সম্পাদিত হৈছে ২০০০ খ্ৰীষ্টাব্দত। অসমীয়া সাহিত্যৰ মৌলিক অথবা গৱেষণা ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা লাভ কৰা ব্যক্তিক প্ৰতি দুবছৰৰ মূৰে মূৰে এই বঁটা প্ৰদান কৰা হৈছে। বঁটাৰ অৰ্থমূল্য ন্যূনতম ২৫,০০০/- (পঁচিশ হাজাৰ) টকা। প্ৰথম বঁটা প্ৰাপক ড° মুকুন্দ মাধৱ শৰ্মা।

৩৪। ভৰত চন্দ্ৰ বৰুৱা স্মাৰক ন্যাস বিধি ঃ

পুঁজিৰ দাতা দুলিয়াজানৰ কমলা বৰুৱা। গান্ধীবাদ, গান্ধীবাদী দৰ্শন, শান্তি-সংহতি, অহিংসা, সমাজ-সংগঠন, অসমৰ বৈষ্ণৱ গুৰুসকলৰ জীৱন আদৰ্শ, সমাজ কল্যাণৰ লগত জড়িত সামাজিক-সাংস্কৃতিক বিষয়ক গ্ৰন্থ লেখকসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতি দুবছৰৰ মূৰে মূৰে উল্লিখিত যিকোনো এক বিষয়ৰ গ্ৰন্থ নীতিগতভাৱে নিৰ্বাচন কৰি অথবা তেনে বিষয়ৰ পাণ্ডুলিপি আহ্বান কৰি শ্ৰেষ্ঠ বিবেচিত গ্ৰন্থক আৰু গ্ৰন্থকাৰক 'ভৰত চন্দ্ৰ বৰুৱা স্মাৰক বঁটা' প্ৰদান কৰা হয়। মূল পুঁজিৰ পৰিমাণ ১,০০,০০০/- (এক লাখ) টকা। ২০০২ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। প্ৰথম বঁটা প্ৰাপক গুণমণি নাথ। গ্ৰন্থৰ নাম 'তযু গুণ নাম'।

৩৫। অৰ্চনা চক্ৰৱৰ্তী স্মাৰক ন্যাস ঃ

পুঁজিৰ দাতা মৃণালকান্তি চক্ৰৱৰ্তী, গুৱাহাটী। বঁটাৰ উদ্দেশ্য (ক) ন্যাস পুঁজিত জমা ৰখা মূলধনৰ ওপৰত আহৰণ হোৱা সুতৰ পৰা ১০,০০০/- (দহ হাজাৰ) টকা ৯৪ নং হাকামা নিম্ন বুনিয়াদী বিদ্যালয়ৰ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ সৰ্বোচ্চ

নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক প্ৰতি বছৰে বঁটা প্ৰদান কৰা হয়।

(খ) প্ৰতি বছৰে মূলধনৰ পৰা আৰ্জিত সুতৰ ২,৫০০/- (আঢ়ৈ হাজাৰ) টকা ৯৪নং হাকামা নিম্ন বুনিয়াদী বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি থকা আৰ্থিকভাৱে দুৰ্বল অন্ততঃ দহগৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক শিক্ষা গ্ৰহণৰ কাৰণে আৱশ্যকীয় সামগ্ৰী ক্ৰয় কৰিবলৈ প্ৰদান কৰা।

(গ) অসম সাহিত্য সভাৰ প্ৰতি দ্বি-বাৰ্ষিক মুকলি অধিৱেশনত অসমৰ একোখন জিলাৰ পৰা তিনিগৰাকী নিষ্ঠাৱান শিক্ষয়িত্ৰীক বঁটা প্ৰদান কৰা। এই পুঁজি গঠিত হৈছে ২০০১ খ্ৰীষ্টাব্দত। মূল পুঁজিৰ পৰিমাণ ৩,০০,০০০/- (তিনি লাখ) টকা।

৩৬। বীৰেনৰাম ফুকন সোঁৱৰণী ন্যাস নিধি ঃ

ন্যাসৰ দাতা নীলিমা ফুকন। হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা আৰু অসমীয়াত সৰ্বোচ্চ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীক দুবছৰৰ বাবে মাহেকীয়া ভিত্তিত 'বীৰেনৰাম ফুকন সোঁৱৰণী ন্যাস নিধি'ৰ পৰা বৃত্তি প্ৰদান কৰা হয়। মূল পুঁজিৰ পৰিমাণ ১,০০,০০০/- (এক লাখ) টকা। এই বৃত্তি ২০০১ খ্ৰীষ্টাব্দৰ পৰা প্ৰদান কৰা হৈছে। প্ৰথম বঁটা প্ৰাপক দীপাংকৰ কলিতা।

৩৭। সমাজসেৱী বাসুদেৱ জালান সোঁৱৰণী ন্যাস পুঁজি ঃ

বঁটাৰ দাতা বাসুদেৱ জালানৰ পৰিয়ালবৰ্গৰ হৈ গোপাল জালান, পাঠশালা নগৰ, বজালী, বৰপেটা। মূল পুঁজিৰ পৰিমাণ ১,০০,০০০/- (এক লাখ) টকা। এই পুঁজি গঠিত হৈছে ২০০৮ খ্ৰীষ্টাব্দত। এই পুঁজিৰ সুতেৰে প্ৰতি দুবছৰৰ মূৰত ১৫ ফেব্ৰুৱাৰীৰ দিনা অসমীয়া ভাষা-সাহিত্যলৈ তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ সাহিত্য সেৱাত সুদীৰ্ঘকাল ব্ৰতী হৈ থকা এগৰাকী কৃতি সাহিত্যিকক তেওঁৰ উল্লেখনীয় অৱদানৰ বাবে 'বাসুদেৱ জালান সোঁৱৰণী বঁটা' প্ৰদান কৰা হয়। ২০০৮ খ্ৰীষ্টাব্দত প্ৰথমবাৰৰ বাবে এই বঁটা প্ৰদান কৰা হয়। বঁটাত আছে নগদ ১২,০০০/- (বাৰ হাজাৰ) টকা আৰু এখন মানপত্ৰ। প্ৰথম বঁটা প্ৰাপক ৰংবং তেৰাং।

৩৮। বৈষ্ণৱ পণ্ডিত শশীচন্দ্ৰ বৰবৰুৱা ন্যাস পুঁজি ঃ

পুঁজিৰ দাতা পৰাণ বৰবৰুৱা, গুৱাহাটী। এই পুঁজি গঠিত হৈছে ২০০৮ খ্ৰীষ্টাব্দত। মূল পুঁজিৰ পৰিমাণ ১,২৫,০০০/- (এক লাখ পঁচিশ হাজাৰ) টকা। বঁটাৰ উদ্দেশ্য প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে উৎকৃষ্ট অসমীয়া গ্ৰন্থৰ প্ৰকাশক হিচাপে অসমীয়া সাহিত্যৰ উন্নতি আৰু কল্যাণৰ ক্ষেত্ৰত কৰ্ম সম্পাদন কৰা ব্যক্তিক বা অনুষ্ঠানক উৎসাহিত কৰিব পৰাকৈ তথা অসমীয়া গ্ৰন্থ প্ৰকাশনৰ কামত সুদীৰ্ঘ কাল ব্ৰতী হৈ থকা এগৰাকী

প্ৰকাশকক অথবা একোটি প্ৰকাশন প্ৰতিষ্ঠান বা অনুষ্ঠানক অথবা সভাই বিবেচনা কৰিলে অসমীয়া ভাষা-সাহিত্যৰ এগৰাকী বৰেণ্য সাহিত্যিককো এই বঁটা প্ৰদান কৰিব পাৰিব। এই বঁটাৰ নাম শশীচন্দ্ৰ বৰবৰুৱাৰ সোঁৱৰণত 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা বঁটা'ৰূপে স্বীকৃত হ'ব। এই বঁটা পাঁচ বছৰৰ মূৰে মূৰে লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱসৰ দিনা অথবা অসম সাহিত্য সভাৰ পূৰ্ণাংগ অধিৱেশনৰ মুকলি সভাত প্ৰদান কৰা হয়। এই বঁটাত আছে নগদ ৫১,০০০/- (একাৱন্ন হাজাৰ) টকা, অসম সাহিত্য সভাৰ প্ৰতীকযুক্ত এখন ফলক আৰু এখন মানপত্ৰ। ২০০৮ খ্ৰীষ্টাব্দত এই বঁটা প্ৰদান কৰা হয়। প্ৰথম বঁটা প্ৰাপক সূৰ্য হাজৰিকা।

৩৯। শ্ৰেষ্ঠ জিলা সাহিত্য সভা বঁটা ঃ

১৯৯৮ খ্ৰীষ্টাব্দৰ পৰা অসম সাহিত্য সভাই প্ৰদান কৰি আছে। এই বঁটা প্ৰথম প্ৰাপক হ'ল 'তিনিচুকীয়া জিলা সাহিত্য সভা'।

৪০। শ্ৰেষ্ঠ শাখা সাহিত্য সভা বঁটা ঃ

১৯৯৮ খ্ৰীষ্টাব্দৰ পৰা অসম সাহিত্য সভাই এই বঁটা প্ৰদান কৰি আহিছে। প্ৰথম বঁটা প্ৰাপক হ'ল 'ছিপাঝাৰ সাহিত্য সভা'।

৪১। শ্ৰেষ্ঠ সংগঠক বঁটা ঃ

প্ৰথম বঁটা প্ৰাপক প্ৰদীপ কুমাৰ বৰা, নগাঁও ২০০০ খ্ৰীষ্টাব্দ।

৪২। শ্ৰমিকপ্ৰাণ সৰ্বেশ্বৰ বৰদলৈ সাহিত্য সভা ঃ

বঁটাৰ দাতা শ্ৰমিকপ্ৰাণ সৰ্বেশ্বৰ বৰদলৈ স্মৃতিৰক্ষা সমিতি। বঁটাৰ উদ্দেশ্য যোৱা পাঁচ বছৰত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ সামগ্ৰিকভাৱে বিশিষ্ট বৰঙণি আগবঢ়োৱা লব্ধপ্ৰতিষ্ঠ সাহিত্যিক, ভাষাবিদ, গৱেষকক প্ৰতি দুবছৰৰ মূৰে মূৰে 'শ্ৰমিকপ্ৰাণ সৰ্বেশ্বৰ বৰদলৈ সাহিত্য সভা বঁটা' প্ৰদান কৰা। এই বঁটাত আছে নগদ ৫০,০০০/- (পঁঞ্চাশ হাজাৰ) টকা, এখন প্ৰশংসা পত্ৰ আৰু এখন ফলক। ২০০২ চনত এই বঁটা প্ৰথম লাভ কৰে ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞাই।

৪৩। নিজৰা কবি শৈলধৰ ৰাজখোৱা সোঁৱৰণী বঁটা ঃ

বঁটাৰ দাতা গুৱাহাটী পাণবজাৰৰ ড° মঞ্জুমালা দাস আৰু ড° ভুবন মোহন দাস। বঁটাৰ উদ্দেশ্য প্ৰতি দুবছৰৰ মূৰে মূৰে অসমীয়া কবিতা বা নাটক ৰচনাত সুদীৰ্ঘকাল ব্ৰতী হৈ থকা এগৰাকী কবি বা নাট্যকাৰক বঁটা প্ৰদান কৰা। এই পুঁজি গঠিত হৈছে

২০০৭ খ্ৰীষ্টাব্দত। মূল পুঁজিৰ পৰিমাণ ১,০০,০০০/- (এক লাখ) টকা। প্ৰথম বঁটা প্ৰাপক হ'ল অজিৎ বৰুৱা (২০০৭)।

অন্যান্য ন্যাসসমূহ

১। চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজি ঃ

পুঁজিৰ দাতা স্বৰ্গীয় ৰাধাকান্ত সন্দিকৈ। মূল পুঁজিৰ পৰিমাণ ১৭,৪০০/- (সোতৰ হাজাৰ চাৰিশ) টকা। এই পুঁজিৰ গচ্ছিত টকাৰ সুত প্ৰতি বছৰে চন্দ্ৰকান্ত সন্দিকৈ ভৱন অৱৰক্ষণ আৰু মেৰামতিত ব্যয় কৰা হয়।

২। চন্দ্ৰকান্ত সন্দিকৈ ভৱন অগ্নি বীমা পুঁজি ঃ

পুঁজিৰ দাতা কৃষ্ণকান্ত সন্দিকৈ। মূল পুঁজিৰ পৰিমাণ ৫,০০০/- (পাঁচ হাজাৰ) টকা। পুঁজিৰ উদ্দেশ্য চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ বীমাকৰণ। ১৯৬২ খ্ৰীষ্টাব্দৰ পৰা এই বীমা কাৰ্যকৰী হৈছে। বৰ্তমান বীমাকৃত ধনৰ পৰিমাণ ১,০০,০০০/- (এক লাখ) টকা।

৩। চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি ঃ

পুঁজিৰ দাতা স্বৰ্গীয় ৰাধাকান্ত সন্দিকৈ। মূল পুঁজিৰ পৰিমাণ ১,৫০০/- (পোন্ধৰশ) টকা। পুঁজিৰ উদ্দেশ্য প্ৰতি বছৰৰ ৯ ছেপ্টেম্বৰৰ দিনটোত চন্দ্ৰকান্ত সন্দিকৈ ভৱনত এখনি শিশু সমাৰোহৰ আয়োজন কৰা। ১৯২৯ খ্ৰীষ্টাব্দৰ পৰা এই পুঁজি আৰম্ভ হৈছে।

৪। জাতীয় ন্যাস পুঁজি ঃ

অসম সাহিত্য সভাৰ ঊনপঞ্চাশতম ডিফু অভিবেশনৰ বিষয়-বাছনি সভাৰ মুকলি অধিবেশনৰ প্ৰস্তাৱ অনুসৰি আৰু সভাৰ ১৯৮২-৮৩ খ্ৰীষ্টাব্দৰ কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত অনুসৰি ১৯৮৩ খ্ৰীষ্টাব্দৰ এপ্ৰিল মাহৰ ২৩ তাৰিখে অসম সাহিত্য সভাৰ 'জাতীয় ন্যাস পুঁজি' গঠিত হয়। এক কোটি টকাৰ এটি পুঁজি গঠনৰ বাবে দহ হাজাৰ টকাৰ আৰম্ভণি পুঁজিৰে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নয়নকল্পে এই পুঁজি গঠিত হয়। জাতীয় ন্যাস পুঁজিৰ মূল পুঁজিত হাত নিদি পুঁজিৰ সুতেৰে সভাই স্বনিৰ্ভৰভাৱে ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নয়নমূলক কাম-কাজ পৰিচালনা কৰা পুঁজি গঠনৰ অন্যতম লক্ষ্য।

৫। ৰাধাকান্ত সন্দিকৈ সামাজিক সমাৰোহ পুঁজি ঃ

পুঁজিৰ দাতা কৃষ্ণকান্ত সন্দিকৈ। মূল পুঁজিৰ পৰিমাণ ২,৫০০/- (দুহাজাৰ পাঁচশ)

টকা। পুঁজিৰ উদ্দেশ্য প্ৰতি বছৰে ২৬ জানুৱাৰীৰ দিনা স্বৰ্গীয় ৰাধাকান্ত সন্দিকৈৰ স্মৃতিত চন্দ্ৰকান্ত সন্দিকৈ ভৱনত এখনি সামাজিক সমাৰোহৰ আয়োজন কৰা। ১৯৭৪ খ্ৰীষ্টাব্দৰ পৰা এই পুঁজিৰ কাম আৰম্ভ হৈছে।

৬। দক্ষিণপাট অধিকাৰ গোস্বামী ন্যাস পুঁজি ঃ

পুঁজিৰ দাতা দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীনৰদেৱ গোস্বামী। মূল পুঁজিৰ পৰিমাণ ৫,০০০/- (পাঁচ হাজাৰ) টকা। পুঁজিৰ উদ্দেশ্য প্ৰাচীন অসমীয়া আৰু সংস্কৃত পুথিৰ সংগ্ৰহ, সংৰক্ষণ আৰু প্ৰকাশ। ১৯২৬ খ্ৰীষ্টাব্দত আৰম্ভ হোৱা এই পুঁজিৰ সুতেৰে বিভিন্ন গ্ৰন্থ প্ৰকাশিত হৈছে।

৭। বিষ্ণুৰাম মেধি ন্যাস পুঁজি ঃ

পুঁজিৰ দাতা বিষ্ণুৰাম মেধি। মূল পুঁজিৰ পৰিমাণ ৫,০০০/- (পাঁচ হাজাৰ) টকা। ১৯৭২ খ্ৰীষ্টাব্দত আৰম্ভ হোৱা এই পুঁজিৰ উদ্দেশ্য শিশু উপযোগী পুথি প্ৰকাশৰ ব্যৱস্থা কৰা।

৮। শ্বিলং কলা পৰিষদ ন্যাস পুঁজি ঃ

পুঁজিৰ দাতা শ্বিলং কলা পৰিষদ। ১৯৮২ খ্ৰীষ্টাব্দত আৰম্ভ হোৱা ন্যাস পুঁজিৰ উদ্দেশ্য গচ্ছিত টকাৰ সুতেৰে শংকৰী শিল্প-সাহিত্য-সংস্কৃতি বিষয়ক বক্তৃতা, আলোচনা চক্ৰ, প্ৰতিযোগিতা, পুথি প্ৰকাশ আদিৰ ব্যৱস্থা কৰা। মূল পুঁজিৰ পৰিমাণ ১১,০০০/- (এঘাৰ হাজাৰ) টকা। এই ন্যাসৰ দ্বাৰা আয়োজিত প্ৰথম বক্তৃতাটো হৈছে ঃ ৪ আৰু ৫ ডিচেম্বৰ, ১৯৮২ খ্ৰীষ্টাব্দত। বিষয় ঃ 'অংকীয়া নাট', বক্তা ঃ তীৰ্থনাথ শৰ্মা।

৯। তীৰ্থৰাম বৰদলৈ স্মাৰক বক্তৃতা পুঁজি ঃ

ন্যাস পুঁজিৰ দাতা ডাঃ নবীন চন্দ্ৰ বৰদলৈ। ন্যাস পুঁজিৰ উদ্দেশ্য জাতীয় সংস্কৃতি সুদৃঢ় আৰু সুৰক্ষা কৰাৰ উদ্দেশ্যে আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি প্ৰতি দুবছৰৰ মূৰে মূৰে ভাৰতীয় লোক-সাহিত্য আৰু লোক-সংস্কৃতিৰ বিষয়ে সৰ্বভাৰতীয় খ্যাতিসম্পন্ন বক্তাৰ দ্বাৰা বক্তৃতানুষ্ঠানৰ আয়োজন কৰা। মূল পুঁজিৰ পৰিমাণ ৫০,০০০/- (পঞ্চাশ হাজাৰ) টকা। এই পুঁজি গঠিত হৈছে ১৯৮৭ খ্ৰীষ্টাব্দত। প্ৰথম বক্তৃতানুষ্ঠানটো হ'ল ঃ ১৩ ছেপ্টেম্বৰ, ১৯৮৭ খ্ৰীষ্টাব্দ। বক্তা ঃ ই নীলকান্ত সিংহ, গৱেষক-পণ্ডিত, প্ৰাক্তন সঞ্চালক, মণিপুৰ সাংস্কৃতিক সঞ্চালকালয়। বিষয় ঃ 'উত্তৰ-পূব ভাৰতৰ কলা আৰু সংস্কৃতি ঃ নৃত্য আৰু নাটৰ বিশেষ উল্লিখনসহ' (Art and

Culture of North Eastern India with special Emphasis on Dance and Drama)।

১০। চন্দ্ৰকান্ত বৰপূজাৰী স্মাৰক বক্তৃতা পুঁজি ঃ

পুঁজিৰ দাতা ড° হেৰম্বকান্ত বৰপূজাৰী। পুঁজিৰ উদ্দেশ্যে উত্তৰ-পূব ভাৰতৰ প্ৰাচীন, মধ্যযুগীয়া বা আধুনিক যুগৰ বুৰঞ্জী বা বুৰঞ্জী সাহিত্যৰ বিষয়ত একোজন বিশিষ্ট পণ্ডিত-গৱেষকৰ দ্বাৰা প্ৰতি দুবছৰৰ মূৰে মূৰে একোটা বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা। প্ৰতিটো বক্তৃতা পিছত গ্ৰন্থৰ আকাৰত প্ৰকাশিত হয়। মূল পুঁজিৰ পৰিমাণ ৪০,০০০/- (চল্লিশ হাজাৰ) টকা। প্ৰথম বক্তৃতা ২৬ ছেপ্টেম্বৰ, ১৯৮৭ খ্ৰীষ্টাব্দ। বক্তা ঃ ড° মহেশ্বৰ নেওগ। বিষয় — 'অসমৰ ধৰ্মৰ বুৰঞ্জী ঃ আন্ধাৰ আৰু পোহৰ'।

১১। ভোগেশ্বৰ-কনকা সোঁৱৰণী ন্যাস পুঁজি ঃ

পুঁজিৰ দাতা লম্বোদৰ গোহাঁই। পুঁজিৰ উদ্দেশ্য প্ৰতি তিনি বছৰৰ মূৰে মূৰে ধৰ্ম-দৰ্শন বা সংস্কৃতি বিষয়ক একোটি বক্তৃতাৰ আয়োজন কৰা আৰু এই বক্তৃতা গ্ৰন্থাকাৰে প্ৰকাশ কৰা। ১৯৮৮ খ্ৰীষ্টাব্দত এই পুঁজি আৰম্ভ হৈছে। এই ন্যাসৰ মূল পুঁজিৰ পৰিমাণ ৫০,১৪১.৫০ (পঞ্চাশ হাজাৰ একশ একচল্লিশ টকা পঞ্চাশ পইচা) টকা। প্ৰথম বক্তৃতা ৫ ফেব্ৰুৱাৰী, ১৯৮৯ খ্ৰীষ্টাব্দ। বক্তা ঃ ড° সীতানাথ গোস্বামী। বিষয় ঃ কৰ্মশাস্ত্ৰৰূপে ভগৱদ গীতা। ১৯৮৯ খ্ৰীষ্টাব্দৰ পিছত বক্তৃতানুষ্ঠানৰ আয়োজন নকৰি সোঁৱৰণী পুঁজিৰ জৰিয়তে একোখন গ্ৰন্থ প্ৰকাশ কৰা হৈছে।

১২। তাৰাপ্ৰসাদ চক্ৰৱৰ্তী সোঁৱৰণী ন্যাস পুঁজি ঃ

পুঁজিৰ দাতা ডিব্ৰুগড়ৰ নিজৰা দেৱী চক্ৰৱৰ্তী। পুঁজিৰ উদ্দেশ্য 'তাৰাপ্ৰসাদ চক্ৰৱৰ্তী সোঁৱৰণী শিশু গ্ৰন্থমালা' নামে এলানি শিশুগ্ৰন্থ (প্ৰতি বছৰে কমপক্ষেও এখন) প্ৰকাশ কৰা। মূল পুঁজিৰ পৰিমাণ ১,০০,১৩৮.৫০ (এক লাখ এশ আঠত্ৰিশ টকা পঞ্চাশ পইচা) টকা। পুঁজি গঠিত হয় ১৯৮৭ খ্ৰীষ্টাব্দত। এই পুঁজিৰ সুতেৰে তলৰ গ্ৰন্থসমূহ প্ৰকাশিত হৈছে। ১৯৮৯ খ্ৰীষ্টাব্দত এই বঁটা প্ৰথম লাভ কৰে 'কিশোৰ উপনিষদ' নামৰ গ্ৰন্থখনে। লেখক— নৱকান্ত বৰুৱা।

১৩। বিষ্ণুপ্ৰিয়া বৰুৱা স্মাৰক বক্তৃতা পুঁজি ঃ

পুঁজিৰ দাতা শিৱসাগৰৰ নৰেন্দ্ৰনাথ বৰুৱা। এই ন্যাস পুঁজিৰ উদ্দেশ্য প্ৰতি তিনি বছৰৰ মূৰে মূৰে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিষয়ক একোটি বক্তৃতা প্ৰদান কৰা

আৰু উক্ত বক্তৃতা গ্ৰন্থকাৰে প্ৰকাশ কৰা। ১৯৯৭ খ্ৰীষ্টাব্দৰ পৰা এই পুঁজি আৰম্ভ হৈছে। মূল পুঁজিৰ পৰিমাণ ১,০০,০০০/- (এক লাখ) টকা। প্ৰথম বক্তৃতা ১৮ জানুৱাৰী, ১৯৯৭ খ্ৰীষ্টাব্দ। বক্তা ঃ ড° মোহিনী কুমাৰ শইকীয়া। বিষয় ঃ 'অসমীয়া সংস্কৃতিত ইছলামীয় প্ৰভাৱ'।

১৪। তিলক চন্দ্ৰ শৰ্মা সোঁৱৰণী ন্যাস ঃ

পুঁজিৰ দাতা গুৱাহাটীৰ হিৰণ্ময়ী দেৱী আৰু পৰিয়ালবৰ্গ। পুঁজিৰ উদ্দেশ্য অসমীয়া ভাষাত ত্ৰিশ বছৰৰ তলৰ নাট্যকাৰৰ দ্বাৰা ৰচিত জাতীয় চেতনা জাগ্ৰত কৰিব পৰা সামাজিক অন্যায়-অবিচাৰৰ প্ৰত্যাহ্বানস্বৰূপ মৌলিক নাটকৰ পাণ্ডুলিপিক প্ৰতি দুবছৰৰ মূৰে মূৰে পুৰস্কৃত কৰা। মূল পুঁজিৰ পৰিমাণ ৩০,০০০/- (ত্ৰিশ হাজাৰ) টকা আৰু পুৰস্কাৰৰ মূল্য ৪,০০০/- (চাৰি হাজাৰ) টকা। এই পুঁজি গঠিত হৈছে ১৯৮৯ খ্ৰীষ্টাব্দত। ১৯৯০ খ্ৰীষ্টাব্দত ৰমেশ চন্দ্ৰ বৰাই 'স্বপ্নভংগ' গ্ৰন্থৰ বাবে এই পুৰস্কাৰ প্ৰথমতে লাভ কৰে।

১৯৯৯ খ্ৰীষ্টাব্দত নতুনকৈ সম্পাদিত চুক্তি অনুসৰি এই ন্যাসৰ ধনেৰে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে জাতীয় চেতনা জাগ্ৰত কৰিব পৰা বা সামাজিক অন্যায়-অবিচাৰৰ প্ৰতি প্ৰত্যাহ্বানস্বৰূপ মৌলিক নাটক বা নাট্যবিষয়ক একোখনি গ্ৰন্থ প্ৰকাশ কৰা হ'ব। গ্ৰন্থৰ নামপত্ৰত 'তিলক চন্দ্ৰ শৰ্মা সোঁৱৰণী গ্ৰন্থমালা' বুলি উল্লেখ থাকিব। প্ৰথম পুৰস্কৃত নাটক 'মানুহ খোৱা গাভৰু', লেখক ঃ প্ৰশান্ত মেনা, ২০০৬ খ্ৰীষ্টাব্দ।

১৫। ৰঘুনাথ দেৱচৌধুৰী স্মাৰক বক্তৃতা ন্যাস ঃ

পুঁজিৰ দাতা গুৱাহাটীৰ ড° ৰবীনদেৱ চৌধুৰী। পুঁজিৰ উদ্দেশ্য প্ৰতি বছৰে একোজন বিদ্বান ব্যক্তিৰ দ্বাৰা ৰঘুনাথ দেৱচৌধুৰী স্মাৰক বক্তৃতাৰ আয়োজনা কৰা। (সময়-সীমা ঃ ৰঘুনাথ দেৱচৌধুৰীৰ জন্ম শতবাৰ্ষিকীৰ দিনলৈকে)। এই পুঁজি গঠিত হৈছে ২০০5 খ্ৰীষ্টাব্দত।

প্ৰথম বক্তৃতা ৪ মাৰ্চ, ২০০৮ খ্ৰীষ্টাব্দ। বক্তা ঃ ড° গোবিন্দ প্ৰসাদ শৰ্মা। বিষয় ঃ 'উত্তৰ আধুনিকতাবাদ আৰু অসমীয়া জাতিৰ সাম্প্ৰতিক সংকট'

সাময়িক বঁটাসমূহ

অসম সাহিত্য সভাৰ ন্যাস-পুঁজিৰ বঁটাসমূহৰ উপৰি সভা[illegible] বিভিন্ন সাময়িক প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এই প্ৰতিযো[illegible]লত উল্লেখ কৰা হ'ল—

১। আন্দোলনৰ পটভূমিত ৰচিত উপন্যাস প্ৰতিযোগিতা, ১৯৮০ খ্ৰীষ্টাব্দ ঃ

অসমৰ ১৯৭৯ চনৰ গণ আন্দোলনৰ পটভূমিত অসম সাহিত্য সভাই ন-লেখকসকলৰ মাজত এখনি উপন্যাস প্ৰতিযোগিতাৰ (পাণ্ডুলিপি) আয়োজন কৰিছিল। ১৯৮০ খ্ৰীষ্টাব্দত এই প্ৰতিযোগিতাত তলৰ গ্ৰন্থকেইখনে পুৰস্কাৰ লাভ কৰে। প্ৰথম ঃ 'অবিৰত যাত্ৰা' — ৰীতা চৌধুৰী, মাৰ্ঘেৰিটা; দ্বিতীয় ঃ 'সহোদৰ' — গুণসাগৰ দিহিঙীয়া, মৰাণহাট; তৃতীয় ঃ 'হে স্বৰ্গ বিদায়' — প্ৰভাত গোস্বামী, যোৰহাট।

২। পদ্মধৰ চলিহা সোঁৱৰণী সাময়িক বঁটা ঃ

বঁটাৰ দাতা পৰাগধৰ চলিহা। এই সাময়িক বঁটাৰ উদ্দেশ্য নাট্য কৰ্মশালাৰ প্ৰতিযোগীসকলৰ মাজত আয়োজিত শ্ৰেষ্ঠ নাটকৰ পাণ্ডুলিপিক পুৰস্কৃত কৰা। ডিব্ৰুগড়ত ১৯৮৩ খ্ৰীষ্টাব্দত অনুষ্ঠিত অসম সাহিত্য সভাৰ প্ৰথমখন নাট্য কৰ্মশালাত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলৰ মাজত এই নাট প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। এই বঁটাৰ মূল্য আছিল ১,০০০/- (এক হাজাৰ) টকা। প্ৰথম বঁটা প্ৰাপক ঃ প্ৰথম ঃ প্ৰভাত গোস্বামী, নাটকৰ নাম 'যন্ত্ৰ মানৱ'; দ্বিতীয় ঃ প্ৰশান্ত বৰপূজাৰী, নাটকৰ নাম 'দীক্ষা মূল্য' আৰু তৃতীয় ঃ বাদল চৌধুৰী, নাটকৰ নাম 'বন্দী মাছৰ গদ্য'; দিব্যজ্যোতি গোহাঁই গগৈ, নাটকৰ নাম 'সংগ্ৰাম লগ্নত'।

৩। আলোচনী প্ৰতিযোগিতা, ১৯৬৮ ঃ

অসম সাহিত্য সভাই বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে ১৯৬৮ খ্ৰীষ্টাব্দত অসমৰ কলেজ আৰু স্কুল পৰ্যায়ৰ আলোচনীসমূহৰ এখনি প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। প্ৰতিযোগিতাত পুৰস্কৃত আলোচনীসমূহ তলত উল্লেখ কৰা হ'ল ঃ

কলেজ পৰ্যায় ঃ

প্ৰথম ঃ বি বৰুৱা কলেজ আলোচনী, গুৱাহাটী।

দ্বিতীয় ঃ প্ৰাগজ্যোতিষ কলেজ আলোচনী, গুৱাহাটী।

তৃতীয় ঃ আৰ্য বিদ্যাপীঠ কলেজ আলোচনী, গুৱাহাটী।

স্কুল পৰ্যায় ঃ

প্ৰথম ঃ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডিগবৈ।

দ্বিতীয় ঃ কটন কলেজিয়েট স্কুল আলোচনী, গুৱাহাটী।

তৃতীয় ঃ দেৱীচৰণ বৰুৱা ছাত্ৰী উচ্চ ইংৰাজী বিদ্যালয় আলোচনী, যোৰহাট।

৪। বেজবৰুৱা জন্ম শতবাৰ্ষিকী উপলক্ষ্যে সাহিত্য প্ৰতিযোগিতা ঃ

অসম সাহিত্য সভাই লক্ষ্মীনাথ বেজবৰুৱা জন্ম শতবাৰ্ষিকী উপলক্ষ্যে ১৯৬৮

খ্ৰীষ্টাব্দত এখনি সাহিত্য প্ৰতিযোগিতা আয়োজন কৰিছিল। তলৰ লেখকসকলে উক্ত প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰিছিল ঃ

(ক) শিশু উপযোগী গল্প ঃ বাণী পাঠক, যোৰহাট।

(খ) কবিতা ঃ ভবানন্দ ডেকা

(গ) ৰচনা প্ৰতিযোগিতা ঃ

উচ্চ পৰ্যায় ঃ কুমাৰী চিত্ৰলেখা দত্ত

নিম্ন পৰ্যায় ঃ কুমাৰী জয়া দেৱী আৰু ত্ৰিলোচন কৌৰ।

৫। অম্বিকাগিৰী ৰায়চৌধুৰী জন্ম-শতবাৰ্ষিকী উপলক্ষ্যে ৰচনা প্ৰতিযোগিতা, ১৯৮৫ঃ

অম্বিকাগিৰী ৰায়চৌধুৰী জন্ম-শতবাৰ্ষিকী উপলক্ষ্যে ১৯৮৫ খ্ৰীষ্টাব্দত অসম সাহিত্য সভাই 'অসমৰ নৱ জাগৰণ আৰু শ্ৰীমন্ত শংকৰদেৱ' শীৰ্ষক এখনি ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰিছিল স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত। উক্ত ৰচনা প্ৰতিযোগিতাত প্ৰথম বাৰ তলৰ ছাত্ৰ-ছাত্ৰীসকলে পুৰস্কাৰ লাভ কৰিছিল।

প্ৰথম ঃ বিচিত্ৰ কুমাৰ শৰ্মা

দ্বিতীয় ঃ কুমাৰী মধুস্মিতা চাংকাকতি

তৃতীয় ঃ ৰবীন গোস্বামী।

৬। আন্তৰ্জাতিক মহিলা বৰ্ষ উপলক্ষ্যে আয়োজিত গল্প প্ৰতিযোগিতা ঃ

অসম সাহিত্য সভাই আন্তৰ্জাতিক মহিলা বৰ্ষ উপলক্ষ্যে ১৯৯০ খ্ৰীষ্টাব্দত অসমৰ মহিলাসকলৰ মাজত এখনি গল্প প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। উক্ত প্ৰতিযোগিতাৰ ফলাফল এনেধৰণৰ—

শ্ৰেষ্ঠ প্ৰতিযোগী ঃ ইলা বৰগোহাঁই, গল্পৰ নাম ঃ 'পেৰালাইছিচ'।

৭। চাহ মজদুৰ ছাত্ৰ-ছাত্ৰীলৈ উদগনি বঁটা ঃ

অসমৰ চাহ মজদুৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত অসমীয়া বিষয়ত উচ্চ নম্বৰ পাওঁতা ছাত্ৰ-ছাত্ৰীক উদগনি দিবৰ বাবে সভাই এই বঁটা আৰম্ভ কৰিছে। ১৯৯৪ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা দিয়া হৈছে। প্ৰথম বঁটা প্ৰাপক অনুপ সিং বৰা।

৮। দেউৰাম তাছা সোঁৱৰণী ৰচনা প্ৰতিযোগিতা ঃ

অকালতে মৃত্যুবৰণ কৰা অসম সাহিত্য সভাৰ এজন নিষ্ঠাবান কৰ্মী, চাহ মজদুৰ সম্প্ৰদায়ৰ এজন জনপ্ৰিয় লেখক, বিশিষ্ট গৱেষক দেউৰাম তাছাৰ সোঁৱৰণীত চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এই ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

৯। শ্ৰেষ্ঠ গ্ৰন্থ স্বীকৃতি ঃ

অসম সাহিত্য সভাই ১৯৬১ খ্ৰীষ্টাব্দৰ পৰা ১৯৬৬ খ্ৰীষ্টাব্দৰ ভিতৰত ৰচিত শ্ৰেষ্ঠ অসমীয়া মৌলিক গ্ৰন্থৰ বাবে ত্ৰৈলোক্যনাথ গোস্বামীৰ 'আধুনিক অসমীয়া গল্প সাহিত্য' গ্ৰন্থখনিক পুৰস্কৃত কৰে।

১০। টংকেশ্বৰ শৰ্মা সোঁৱৰণী বৃত্তি ঃ

এই বৃত্তিৰ দাতা যোৰহাটৰ দেবেশ্বৰ শৰ্মা আৰু কনক চন্দ্ৰ শৰ্মা। বৃত্তিৰ উদ্দেশ্য সাংবাদিকতা শিক্ষা গ্ৰহণৰ বাবে আগ্ৰাহান্বিত আৰু উপযুক্ত অৰ্হতাসম্পন্ন দুজন ছাত্ৰ বা ছাত্ৰীক প্ৰতি বছৰৰ মূৰে মূৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এবছৰীয়া পাঠ্যক্ৰমৰ বাবে আৰু দিল্লীত দুবছৰীয়া পাঠ্যক্ৰমত শিক্ষা গ্ৰহণৰ বাবে বৃত্তি প্ৰদান। ১৯৮৪-৮৫ খ্ৰীষ্টাব্দৰ শিক্ষা বছৰৰ পৰা এই বৃত্তি কাৰ্যকৰী কৰাৰ কথা আছিল যদিও উপযুক্ত প্ৰাৰ্থীৰ অভাৱত কাৰ্যকৰী কৰিব পৰা নাই।

অসম সাহিত্য সভা
সাহিত্য বঁটা প্ৰদানৰ নিয়মাৱলী

অসম সাহিত্য সভাই তলৰ নিয়মসমূহ পালন কৰি প্ৰকাশিত গ্ৰন্থ/পাণ্ডুলিপিক পুৰস্কাৰ প্ৰদান কৰিব ঃ

১। প্ৰতিটো বঁটাৰ বাবে বঁটা-উপসমিতিয়ে (ন্যাস সমিতি) নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰকাশিত দহখন বা ততোধিক মৌলিক গ্ৰন্থৰ নাম, লেখক, প্ৰকাশ আৰু প্ৰকাশ কালৰ উল্লেখ কৰি এখন তালিকা প্ৰস্তুত কৰিব। এই তালিকা সমিতিৰ দ্বাৰা নিৰ্ধাৰিত এঘাৰজন বিচাৰকলৈ পঠাব আৰু বিচাৰকে সেই তালিকাভুক্ত গ্ৰন্থসমূহৰ গ্ৰন্থৰ নাম অনুসৰি ক্ৰমিকভাৱে সজাই দিব। বিচাৰকে কোনো গ্ৰন্থ তালিকাভুক্ত হ'ব লাগে বুলি অনুভৱ কৰিলে সেই গ্ৰন্থৰ নাম তালিকাভুক্ত কৰিব পাৰিব।

২। বঁটা উপসমিতিয়ে বিচাৰকসকলৰ উপৰি এঘাৰজন পঢ়ুৱৈৰ পৰা সংশ্লিষ্ট বিষয়ৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰকাশিত দহখন বা ততোধিক মৌলিক গ্ৰন্থৰ লেখক, প্ৰকাশক আৰু প্ৰকাশ কালৰ উল্লেখসহ গ্ৰন্থৰ এখনি তালিকা বিচাৰিব। পঢ়ুৱৈ-বিচাৰকে গ্ৰন্থৰ নাম অনুসৰি তালিকাৰ গ্ৰন্থসমূহ ক্ৰম অনুসৰি সজাই দিব।

৩। বিচাৰকসকলৰ পৰা অহা এই দুয়োখন তালিকা গ্ৰন্থসমূহৰ ক্ৰম শীৰ্ষত থকা তিনিখন গ্ৰন্থ উপসমিতিৰ দ্বাৰা মনোনীত সংশ্লিষ্ট বিষয়ৰ তিনিজন বিশেষজ্ঞলৈ পঠাব।

৪। উপসমিতিৰ দ্বাৰা মনোনীত বিশেষজ্ঞ তিনিজনে গ্ৰন্থৰ ভাষা, বিষয়, প্ৰকাশভংগী আৰু উপযোগিতা পৰীক্ষা কৰি মতামত জনাব। দুজন বিশেষজ্ঞই অনুমোদন জনোৱা

গ্ৰন্থখনিয়ে পুৰস্কাৰৰ বাবে বিবেচিত হ'ব।

৫। গ্ৰন্থৰ নিৰ্বাচন সম্পৰ্কে কিবা মতদ্বৈধতা থাকিলে উপসমিতিয়ে সেই মতদ্বৈধতা আঁতৰ কৰিব। উপসমিতিয়ে পুৰস্কাৰ প্ৰদান কৰিব লগা গ্ৰন্থৰ নাম কাৰ্যনিৰ্বাহক সমিতিক জনাব আৰু কাৰ্যনিৰ্বাহক সমিতিয়ে পুৰস্কাৰ ঘোষণা কৰিব। পুৰস্কাৰ প্ৰদানৰ ক্ষেত্ৰত কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্তই চূড়ান্ত বিবেচিত হ'ব।

৬। পাণ্ডুলিপি পুৰস্কাৰ প্ৰতিযোগিতাৰ ক্ষেত্ৰত প্ৰধান সম্পাদকে সংশ্লিষ্ট বিষয়ৰ বাবে নিৰ্দিষ্ট সময়ৰ ভিতৰত বাতৰি কাকতত জাননী আৰু বিজ্ঞপ্তিযোগে প্ৰতিযোগীৰ পৰা পাণ্ডুলিপি আহ্বান কৰিব।

৭। প্ৰতিযোগীসকলে সংশ্লিষ্ট প্ৰতিযোগিতালৈ তিনিটাকৈ পাণ্ডুলিপিৰ প্ৰতিলিপি পঠাব লাগিব। বঁটা উপসমিতিৰ দ্বাৰা মনোনীত তিনিজন সংশ্লিষ্ট বিষয়ৰ বিশেষজ্ঞলৈ প্ৰধান সম্পাদকে পাণ্ডুলিপি প্ৰেৰণ কৰিব। ওপৰত উল্লেখ কৰা '৪' আৰু '৫' বিধি পাণ্ডুলিপি প্ৰতিযোগিতাৰ ক্ষেত্ৰতো অনুসৃত হ'ব।

৮। বঁটা উপসমিতিৰ কোনো গ্ৰন্থ/পাণ্ডুলিপি গ্ৰহণ কৰিবলগীয়া হ'লে হয় সদস্যজনে পদত্যাগ কৰিব লাগিব, নহয় নিজৰ নাম বাছনিৰ পৰা উঠাই ল'ব লাগিব।

৯। অনূদিত গ্ৰন্থ আৰু গ্ৰন্থৰ প্ৰথম সংস্কৰণৰ বাহিৰে অন্য সংস্কৰণ অসম সাহিত্য সভাৰ কোনো বঁটাৰ বাবে বিবেচিত নহ'ব।

১০। কোনো বিষয়ত কোনো ব্যক্তি বা অনুষ্ঠানে অসম সাহিত্য সভাৰ পুৰস্কাৰ লাভ কৰিলে সেই ব্যক্তি বা অনুষ্ঠানৰ নাম দ্বিতীয়বাৰ সেই পুৰস্কাৰৰ বাবে বিবেচিত নহ'ব।

১১। বিষ্ণুপ্ৰসাদ ৰাভা বঁটা আৰু ছগনলাল জৈন বঁটাৰ বাহিৰে আনবোৰ বঁটাৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ সভাপতিসকলৰ নাম প্ৰতিযোগী হিচাপে তালিকাত অন্তৰ্ভুক্ত নহ'ব।

১২। পুৰস্কাৰ প্ৰদান সম্পৰ্কীয় সকলো কথা উপসমিতিৰ কোনো সদস্যই প্ৰকাশ কৰিব নোৱাৰিব। এই সন্দৰ্ভত সকলো কাকত-পত্ৰ 'গোপনীয়' বিবেচিত হ'ব।

১৩। শ্ৰেষ্ঠ জিলা আৰু শাখা সভাক বাছনি কৰি প্ৰতি দুবছৰৰ মূৰে মূৰে (যিহেতুকে সভাৰ কাৰ্যকাল বৰ্তমান দুবছৰীয়া) সভাই বঁটা প্ৰদান কৰিব পাৰিব। ইয়াৰ বাবে বঁটা উপ-সমিতিয়ে নিয়ম আদি প্ৰস্তুত কৰি ল'ব। কিন্তু এবাৰ পুৰস্কাৰ লাভ কৰা জিলা বা শাখাৰ নাম পৰৱৰ্তী দহ বছৰৰ বাবে উক্ত বঁটাৰ বাবে বিবেচিত নহ'ব।

বিঃ দ্ৰঃ এই অধ্যায়ৰ তথ্যখিনি সতীশ চন্দ্ৰ চৌধুৰীৰ দ্বাৰা সংকলিত 'অসম সাহিত্য সভাৰ ন্যাস- পুঁজি আৰু বঁটা- পুঁজিসমূহ' নামৰ পুস্তিকাখনৰ পৰা সংগৃহীত।

অসম সাহিত্য সভাই প্ৰদান কৰা উপাধি

বিশেষ সন্মান

"১৯২০ চনৰ কাৰ্যনিৰ্বাহক সমিতিৰ তৃতীয় অধিৱেশন ১৮/৩/১৯২০ তাৰিখে সত্যনাথ বৰা ডাঙৰীয়াৰ ঘৰত বহিছিল। এই বৈঠকতে 'অসমীয়া ভাষাৰ বিভিন্ন দিশত পাৰদৰ্শিসকলক দিবলৈ ৰত্ন বা ভট্ট উপাধি সৃষ্টি কৰা হ'ল। যেনে— "সাহিত্যৰত্ন, গণিতৰত্ন বা সাহিত্যভট্ট, গণিতভট্ট ইত্যাদি।" অৱশ্যে এই সিদ্ধান্ত পৰৱৰ্তী কাৰ্যনিৰ্বাহক সমিতিয়ে (১০-৪-২৩) কাৰ্যকৰী নহয় বুলি কৰি বাদ দিয়ে।"

১। ৰসৰাজ ঃ

অসমীয়া ভাষা-সাহিত্যত নতুন যুগ প্ৰৱৰ্তন কৰোঁতা, আজীৱন ভাষা-সাহিত্য চৰ্চা কৰি অসমীয়া ভাষা-সাহিত্যক এক সুদৃঢ় ভিত্তিত প্ৰতিষ্ঠা কৰোঁতা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাক অসম সাহিত্য সভাই ১৯৩১ খ্ৰীষ্টাব্দৰ ২৯ ডিচেম্বৰ তাৰিখে 'ৰসৰাজ' উপাধি প্ৰদান কৰে। শিৱসাগৰত অনুষ্ঠিত উপাধি প্ৰদান অনুষ্ঠানত সভাপতিত্ব কৰি অসম সাহিত্য সভাৰ সভাপতি নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে আনুষ্ঠানিকভাৱে বেজবৰুৱাক এই উপাধি প্ৰদান কৰে।

২। কাব্য-ভাৰতী ঃ

অসমীয়া কাব্য-সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে অসম সাহিত্য সভাই ধৰ্মেশ্বৰী দেৱী বৰুৱানীক ১৯৫২ খ্ৰীষ্টাব্দত 'কাব্য ভাৰতী' উপাধি প্ৰদান কৰে। অসম সাহিত্য সভাৰ হৈ কবিগৰাকীক এই উপাধি প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকুমাৰ ভূঞাদেৱে।

৩। ইতিহাস-আচাৰ্য ঃ

অসমৰ প্ৰসিদ্ধ ইতিহাসবিদ, গৱেষক-পণ্ডিত ড° হেৰম্বকান্ত বৰপূজাৰীদেৱক ২৫ অক্টোবৰ, ১৯৯৭ খ্ৰীষ্টাব্দত গুৱাহাটীৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত উপাধি প্ৰদান অনুষ্ঠানত 'ইতিহাস-আচাৰ্য' উপাধি প্ৰদান কৰা হয়।

৪। সদস্য মহীয়ান ঃ

'সদস্য মহীয়ান' বাছনি প্ৰক্ৰিয়া

১। প্ৰাচ্যতত্ত্বৰ চৰ্চা আৰু গৱেষণাত মৌলিক আৰু একক বৰঙণি আগবঢ়োৱা

শীৰ্ষস্থানীয় প্ৰতিভাসম্পন্ন ব্যক্তিক সভাই অসম সাহিত্য সভাৰ সৰ্বোত্তম উপাধি 'সদস্য মহীয়ান'ৰূপে বৰণ কৰিব পাৰিব।

২। ন্যূনতম ৩ (তিনি) বছৰৰ ভিতৰত এবাৰত একোগৰাকী ব্যক্তিক 'সদস্য মহীয়ান'স্বৰূপে বৰণ কৰিব পাৰিব। 'সদস্য মহীয়ান' মনোনীত কৰিবলৈ ৫ (পাঁচ) গৰাকী ব্যক্তিৰ এখন 'বিশেষজ্ঞ সমিতি' থাকিব। তলত নাম দিয়াসকল এই সমিতিৰ সদস্য হ'ব—

(ক) গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক।

(খ) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক।

(গ) অসম সাহিত্য সভাৰ সংশ্লিষ্ট বৰ্ষৰ উপ-সভাপতি অথবা সভাৰ কেন্দ্ৰীয় অসম তত্ত্ব-গৱেষণা সংস্থানৰ সঞ্চালক (সংস্থান কাৰ্যক্ষম হৈ থাকিলে)

(ঘ) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি এগৰাকী।

(ঙ) অসম সাহিত্য সভাৰ সংশ্লিষ্ট বছৰৰ সভাপতি সেই সমিতিৰ সভাপতি আৰু সংশ্লিষ্ট বছৰৰ প্ৰধান সম্পাদক সমিতিৰ 'আহ্বায়ক' হ'ব।

৩। (ক) সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে 'সদস্য মহীয়ান'ৰূপে বৰণ কৰিব খোজা যোগ্য ব্যক্তি এজনৰ বা অত্যধিক ৩ (তিনি) জনৰ নাম গোপনীয়ভাৱে প্ৰস্তুত কৰি বিশেষজ্ঞ সমিতিৰ সদস্যসকললৈ মতামতৰ বাবে পঠাব।

(খ) বিশেষজ্ঞ সমিতিৰ সদস্যসকল কাৰ্যনিৰ্বাহকৰ দ্বাৰা প্ৰস্তাৱিত নামত অনুমোদন জনোৱাত এক মত হ'ব নোৱাৰিলে, সভাপতিয়ে দুটা নিৰ্ণায়ক ভোটদান কৰি সিদ্ধান্তলৈ আহিব পাৰিব বা সেইবাৰলৈ বিষয়টো স্থগিত ৰাখি কাৰ্যনিৰ্বাহকক জনাব অথবা বিশেষজ্ঞ সমিতিয়ে সৰ্বসম্মতিক্ৰমে যোগ্য বুলি ভবা কোনো এগৰাকী ব্যক্তিৰ নাম বাছনি কৰি পঠাব পাৰিব।

(গ) বিশেষজ্ঞ সমিতিয়ে কোনো যোগ্য ব্যক্তিৰ নামত অনুমোদন জনোৱাৰ পিছত কাৰ্যনিৰ্বাহকে সেই ব্যক্তিক 'সদস্য মহীয়ান'স্বৰূপে বৰণ কৰিবৰ বাবে অনুমোদন জনালে, সংশ্লিষ্ট ব্যক্তিগৰাকীৰ সম্মতি লৈ প্ৰধান সম্পাদকে বিষয়টো ঘোষণা কৰিব পাৰিব।

উৎস ঃ অসম সাহিত্য সভাৰ নিয়মাৱলী।

(ক) ড° কৃষ্ণকান্ত সন্দিকৈ

ভাৰতীয় ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চা আৰু গৱেষণাৰ ক্ষেত্ৰলৈ মৌলিক বৰঙণি আগবঢ়োৱাৰ বাবে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশ্ববিশ্ৰুত প্ৰাচ্যতত্ত্ববিদ অধ্যাপক কৃষ্ণকান্ত সন্দিকৈক অসম সাহিত্য সভাই ১৯৭৮ খ্ৰীষ্টাব্দৰ ১৯ মাৰ্চ তাৰিখে

'সদস্য মহীয়ান' উপাধি প্ৰদান কৰে। আনুষ্ঠানিকভাৱে সন্দিকৈদেৱৰ বাসগৃহত উপাধি প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি চৈয়দ আব্দুল মালিকদেৱে।

(খ) ড° মহেশ্বৰ নেওগ

প্ৰাচ্যতত্ত্বৰ চৰ্চা আৰু গৱেষণাত মৌলিক বৰঙণি আগবঢ়োৱাৰ বাবে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ একনিষ্ঠ সাধক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° মহেশ্বৰ নেওগক অসম সাহিত্য সভাই ১৯৮৮ খ্ৰীষ্টাব্দৰ ১ অক্টোবৰত 'সদস্য মহীয়ান' উপাধি প্ৰদান কৰে। গুৱাহাটীৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত এই অনুষ্ঠানত সভাপতিত্ব কৰি অসম সাহিত্য সভাৰ সভাপতি কীৰ্তিনাথ হাজৰিকাই ড° নেওগক উপাধি প্ৰদান কৰে।

(গ) ড° সত্যেন্দ্ৰনাথ শৰ্মা

অসমীয়া সাহিত্যলৈ মৌলিক বৰঙণি আগবঢ়োৱাৰ বাবে অসমীয়া সাহিত্য-সংস্কৃতিৰ বিশিষ্ট গৱেষক-পণ্ডিত, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° সত্যেন্দ্ৰনাথ শৰ্মাক অসম সাহিত্য সভাই ১৯৯৪ খ্ৰীষ্টাব্দৰ ১ ফেব্ৰুৱাৰীত 'সদস্য মহীয়ান' উপাধি প্ৰদান কৰে। গুৱাহাটীৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত উপাধি প্ৰদান অনুষ্ঠানত সভাপতিত্ব কৰি অসম সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি বিশ্ব বৰুৱাই ড° শৰ্মাক এই উপাধি প্ৰদান কৰে।

(ঘ) ড° মুকুন্দ মাধৱ শৰ্মা

প্ৰাচ্যতত্ত্বৰ চৰ্চা আৰু গৱেষণাত মৌলিক তথা একক বৰঙণি আগবঢ়োৱা আন্তৰ্জাতিক খ্যাতিসম্পন্ন সংস্কৃত পণ্ডিত, প্ৰাচ্যতত্ত্ববিদ, গৱেষক, বিশিষ্ট সাহিত্য সমালোচক, কৃতী শিক্ষক, শিক্ষা প্ৰশাসক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, ড° মুকুন্দ মাধৱ শৰ্মাক অসম সাহিত্য সভাই ২০০৭ খ্ৰীষ্টাব্দৰ ২৩ ডিচেম্বৰত 'সদস্য মহীয়ান' উপাধি প্ৰদান কৰে। গুৱাহাটীৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত সভাত সভাৰ সভাপতি কনকসেন ডেকাই তেখেতক 'সদস্য মহীয়ান' উপাধি প্ৰদান কৰে।

৫। সাহিত্যাচাৰ্য ঃ

সাহিত্যাচাৰ্য বাছনি প্ৰক্ৰিয়া

১। অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰলৈ মৌলিক বৰঙণি আগবঢ়োৱা শীৰ্ষস্থানীয় প্ৰতিভাসম্পন্ন ব্যক্তিক অসম সাহিত্য সভাই 'সাহিত্যাচাৰ্য'ৰূপে বৰণ কৰিব পাৰিব।

২। ন্যূনতম ২ (দুই) বছৰৰ ভিতৰত এবাৰত একাধিক ব্যক্তিক 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰিব পাৰিব। 'সাহিত্যাচাৰ্য' মনোনীত কৰিবলৈ ৫ (পাঁচ) গৰাকী ব্যক্তিৰ

এখন 'বিশেষজ্ঞ সমিতি' থাকিব। তলত নাম দিয়াসকল এই সমিতিৰ সদস্য হ'ব—

(ক) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দুগৰাকী

(খ) অসম সাহিত্য সভাৰ সংশ্লিষ্ট বৰ্ষৰ উপ-সভাপতি

(গ) অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক এগৰাকী

(ঘ) অসম সাহিত্য সভাৰ সংশ্লিষ্ট বছৰৰ সভাপতি সেই সমিতিৰ সভাপতি আৰু সংশ্লিষ্ট বছৰৰ প্ৰধান সম্পাদক সমিতিৰ 'আহ্বায়ক' হ'ব।

৩। (ক) বিশেষজ্ঞ সমিতিৰ সদস্যসকল কাৰ্যনিৰ্বাহকৰ দ্বাৰা প্ৰস্তাৱিত নামত অনুমোদন জনোৱাত এক মত হ'ব নোৱাৰিলে, সভাপতিয়ে দুটা নিৰ্ণায়ক ভোটদান কৰি সিদ্ধান্তলৈ আহিব পাৰিব বা সেইবাৰলৈ বিষয়টো স্থগিত ৰাখি কাৰ্যনিৰ্বাহকক জনাব অথবা বিশেষজ্ঞ সমিতিয়ে সৰ্বসন্মতিক্ৰমে যোগ্য বুলি ভবা কোনো এগৰাকী ব্যক্তিৰ নাম বাছনি কৰি পঠাব পাৰিব।

(খ) সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে 'সাহিত্যাচাৰ্য'ৰূপে বৰণ কৰিব খোজা যোগ্য একাধিক ব্যক্তিৰ নাম গোপনীয়ভাৱে প্ৰস্তুত কৰি বিশেষজ্ঞ সমিতিৰ সদস্যসকললৈ মতামতৰ বাবে পঠাব।

(গ) বিশেষজ্ঞ সমিতিয়ে কোনো যোগ্য ব্যক্তিৰ নামত অনুমোদন জনোৱাৰ পিছত কাৰ্যনিৰ্বাহকে সেই ব্যক্তিক 'সাহিত্যাচাৰ্য' স্বৰূপে বৰণ কৰিবৰ বাবে অনুমোদন জনালে সংশ্লিষ্ট ব্যক্তিগৰাকীৰ সন্মতি লৈ প্ৰধান সম্পাদকে বিষয়টো ঘোষণা কৰিব পাৰিব।

উৎস ঃ অসম সাহিত্য সভাৰ নিয়মাৱলী।

(ক) শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত সত্ৰাধিকাৰ

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰবীণ সাহিত্যিক শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰদেৱক তেখেতৰ আজীৱন সাহিত্য সাধনাৰ প্ৰতি সন্মান জনাই অসম সাহিত্য সভাই ১৯৮২ খ্ৰীষ্টাব্দৰ ১২ জুন তাৰিখে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে। যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত আনুষ্ঠানিকভাৱে উপাধি প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি সীতানাথ ব্ৰহ্মচৌধুৰীদেৱে।

(খ) অতুল চন্দ্ৰ হাজৰিকা

অসমৰ প্ৰবীণ সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অতুল চন্দ্ৰ হাজৰিকাদেৱক তেখেতৰ আজীৱন সাহিত্য-সাধনাৰ প্ৰতি সন্মান জনাই অসম সাহিত্য সভাই ১৯৮২ খ্ৰীষ্টাব্দৰ ১৯ জুন তাৰিখে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে। গুৱাহাটীৰ

জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আনুষ্ঠানিকভাৱে উপাধি প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি সীতানাথ ব্ৰহ্মচৌধুৰীদেৱে।

(গ) বিনন্দ চন্দ্ৰ বৰুৱা

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ধ্বনিকবি বিনন্দ চন্দ্ৰ বৰুৱাক তেখেতৰ আজীৱন সাহিত্য-সাধনাৰ প্ৰতি সন্মান জনাই অসম সাহিত্য সভাই ১৯৮৯ খ্ৰীষ্টাব্দৰ ৪ ফেব্ৰুৱাৰী তাৰিখে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে। নগাঁৱৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আনুষ্ঠানিকভাৱে উপাধি প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি কীৰ্তিনাথ হাজৰিকাদেৱে।

(ঘ) যজ্ঞেশ্বৰ শৰ্মা

অসম সাহিত্য সভাৰ ত্ৰিচত্বাৰিংশ টিহু অধিৱেশনৰ সভাপতি যজ্ঞেশ্বৰ শৰ্মাদেৱক অসমীয়া সাহিত্যলৈ তেখেতে আগবঢ়োৱা বিশিষ্ট বৰঙণিৰ বাবে অসম সাহিত্য সভাই ১৯৮৯ খ্ৰীষ্টাব্দৰ ৪ ফেব্ৰুৱাৰী তাৰিখে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে। নগাঁৱৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আনুষ্ঠানিকভাৱে উপাধি প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি কীৰ্তিনাথ হাজৰিকাদেৱে।

(ঙ) ড° সত্যেন্দ্ৰনাথ শৰ্মা

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট গৱেষক আৰু সমালোচক ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱক অসমীয়া সাহিত্যলৈ তেখেতে আগবঢ়োৱা বিশিষ্ট বৰঙণিৰ বাবে অসম সাহিত্য সভাই ১৯৮৯ খ্ৰীষ্টাব্দৰ ৪ ফেব্ৰুৱাৰী তাৰিখে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে। নগাঁৱৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আনুষ্ঠানিকভাৱে উপাধি প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি কীৰ্তিনাথ হাজৰিকাদেৱে।

(চ) চৈয়দ আব্দুল মালিক

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট কথাশিল্পী, আধুনিক অসমীয়া কথা-সাহিত্যিক, নিজৰ প্ৰতিভাৰে নতুন মাত্ৰা দিওঁতা, চৈয়দ আব্দুল মালিক ডাঙৰীয়াক তেখেতৰ আজীৱন সাহিত্য সাধানাৰ প্ৰতি সন্মান জনাই অসম সাহিত্য সভাই ১৯৯৭ খ্ৰীষ্টাব্দৰ ১৯ জুলাই তাৰিখে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত আনুষ্ঠানিকভাৱে উপাধি প্ৰদান কৰে সাহিত্য সভাৰ সভাপতি ড° নগেন শইকীয়া।

(ছ) যতীন্দ্ৰ নাথ গোস্বামী

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্য সমালোচক, গ্ৰন্থ সংকলক-সম্পাদক, অসম সাহিত্য সভাৰ সাংগঠনিক আৰু বিদ্যায়তনিক সকলো কাৰ্যৰ লগত ওতপ্ৰোতভাৱে জড়িত যতীন্দ্ৰনাথ গোস্বামী ডাঙৰীয়াক তেখেতৰ আজীৱন সাহিত্য

সাধনাৰ প্ৰতি সন্মান জনাই, অসম সাহিত্য সভাই ১৯৯৭ খ্ৰীষ্টাব্দৰ ১৯ জুলাই তাৰিখে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত আনুষ্ঠানিকভাৱে উপাধি প্ৰদান কৰে সাহিত্য সভাৰ সভাপতি ড° নগেন শইকীয়াই।

(জ) ড° গোলোক চন্দ্ৰ গোস্বামী

আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিশিষ্ট ভাষা বিজ্ঞানী, অসমীয়া ভাষাৰ ৰূপতত্ত্ব, ধ্বনিতত্ত্ব আৰু বাক্যতত্ত্বৰ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰি ভাষাবিজ্ঞান চৰ্চাক ঐশ্বৰ্যশালী কৰি তোলা ড° গোলোক চন্দ্ৰ গোস্বামী ডাঙৰীয়াক তেখেতৰ ভাষা-বিজ্ঞান চৰ্চা আৰু সাহিত্য কৃতিৰ বাবে অসম সাহিত্য সভাই ২০০২ খ্ৰীষ্টাব্দৰ ১০ ছেপ্টেম্বৰ তাৰিখে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে। সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত সভাত আনুষ্ঠানিকভাৱে উপাধি প্ৰদান কৰে সভাৰ সভাপতি হোমেন বৰগোহাঞিদেৱে।

(ঝ) মহিম বৰা

প্ৰথিতযশা সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহিম বৰাদেৱক ২০০৮ খ্ৰীষ্টাব্দৰ ৮ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটীৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত আয়োজিত অনুষ্ঠানত 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে সভাৰ সভাপতি কনকসেন ডেকাই।

(ঞ) ড° ভূপেন হাজৰিকা

বিশ্ববিশ্ৰুত সংগীত শিল্পী তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ভূপেন হাজৰিকাদেৱক ২০০৮ খ্ৰীষ্টাব্দৰ ৮ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত সভাত সভাৰ সভাপতি কনকসেন ডেকাদেৱে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে।

(ট) ড° হৰিনাথ শৰ্মাদলৈ

প্ৰাচীন সাহিত্যৰ পণ্ডিত তথা গৱেষক ড° হৰিনাথ শৰ্মাদলৈক ২০০৮ খ্ৰীষ্টাব্দৰ ৮ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটীৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত সভাত সভাৰ সভাপতি কনকসেন ডেকাদেৱে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰে।

অসম সাহিত্য সভাৰ ভৱনসমূহ

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

১৯২৪ চনত যোৰহাটত অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয়ৰ নিৰ্মাণ আৰম্ভ হয়। এই কাৰ্যালয়টো 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন' ৰূপে খ্যাত। ১৯২৬ চনৰ ২ ডিচেম্বৰৰ

দিনা এই ভৱনটো উদ্বোধন কৰিছিল তদানীন্তন অসমৰ ইংৰাজ গৱৰ্ণৰ ছাৰ জনহেনৰিকাৰ চাহাবে। নকুল চন্দ্ৰ ভূঞাই 'ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া' (পৃ. ৪২ প্ৰথম প্ৰকাশ ১৯৬১ চন) নামৰ গ্ৰন্থত এই বিষয়ে লিখিছে "শৰৎচন্দ্ৰ গোস্বামীদেৱে বিশেষকৈ যোৰহাটৰ শিক্ষিত আৰু সাহিত্যিকসকলৰ সহযোগত অসম সাহিত্য সভাখন ভালকৈয়ে টনকিয়াল কৰি তুলিলে। তেতিয়ালৈকে যোৰহাট, তেজপুৰ, গুৱাহাটী আদি ঠাইত সম্পাদকসকলৰ নিজৰ নিজৰ চ'ৰাতহে অসম সাহিত্য সভাৰ কাৰ্যালয় চলিছিল। সভাৰ নিজৰ ঘৰ-মাটি নাছিল। পণ্ডিত হেমচন্দ্ৰ গোস্বামী, পূৰ্ণানন্দ শৰ্মা পাঠকৰ চেষ্টাত বাদুলিপাৰাৰ মাহৰা সত্ৰৰ চাহ খেতিয়ক ৰাধানাথ গোস্বামীদেৱৰ পৰা তেখেতৰ মাতৃৰ স্মৃতিত দুহাজাৰ টকা অসম সাহিত্য সভাৰ স্থায়ী ঘৰ সাজিবলৈ এটি বিশেষ দান পোৱা হয়। স্থায়ী কাৰ্যালয় সাজিবলৈ মাহৰা সত্ৰৰ টকা পাওঁতে অসম সাহিত্য সভাৰ মাটি নাছিল। গতিকে সম্পাদক গোস্বামীদেৱে যোৰহাটত থকা আন আন কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যৰ লগত আলোচনা কৰি আগতে যোৰহাট হাইস্কুলৰ ছাত্ৰাবাস থকা তেতিয়া খালী হৈ থকা মাটিডোখৰৰ বাবে চেষ্টা কৰিলে। তেতিয়াৰ যোৰহাট হাইস্কুলৰ হেডমাষ্টৰ ৰামেশ্বৰ বৰুৱা, খান বাহাদুৰ, কেৰামৎ আলি, ৰায়বাহাদুৰ প্ৰসাদ কিশোৰ ৰায়, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, শৰৎ চন্দ্ৰ গোস্বামীয়ে পি ডব্লিউ ডিৰ ডিছেনি চাহাবক দেখা কৰি তেওঁৰ সহানুভূতিৰে চৰকাৰৰ পৰা অসম সাহিত্য সভাৰ কাৰণে সেই মাটিক ১৯২৪ চনত নিয়মিতভাৱে পোৱাৰ ব্যৱস্থা কৰে।" উল্লেখযোগ্য যে ১৯২৩ চনত যোৰহাটৰ বিশিষ্ট নাগৰিকসকলৰ উপস্থিতিত হোৱা সভাৰ সিদ্ধান্তমৰ্মে দানবীৰ ৰাধানাথ সন্দিকৈয়ে দুই পুত্ৰৰ স্মৃতিৰক্ষাৰ বাবে ত্ৰিশ হাজাৰ টকা দিছিল। ইয়াৰে ১৫ হাজাৰ টকাৰে 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন' সাজিবলৈ দিয়ে। 'চন্দ্ৰকান্ত ভৱন' সন্দৰ্ভত শৰৎ চন্দ্ৰ গোস্বামীয়ে এঠাইত লিখিছিল ঃ "চন্দ্ৰকান্ত সন্দিকৈ হল" মোৰ নিজৰ হাতেৰে সজা। ...ইয়াৰ খৰচ-পত্ৰ, লো, ইটা, চিমেণ্ট ইত্যাদি সকলো মোৰ নিজৰ হাতেৰে অনা-নিয়া হৈছিল। ঘৰটো ১৯৪৩ চনৰ আগষ্টৰ ভূঁইকঁপেও একো ক্ষতি কৰিব নোৱৰাত সন্তোষ প্ৰকাশ কৰি তেওঁ লিখিছিল ঃ "...ঘৰটোৰ প্লেন মোৰ। মূধৰ খিৰিকীৰ ওপৰত কেমিকেল গ্লাছবোৰ গিৰ্জা ঘৰৰ দৰে আৰু তাৰ ৰং সন্দিকৈ ডাঙৰীয়াৰ ইচ্ছা মতেই দিয়া।"

ভগৱতী প্ৰসাদ বৰুৱা ভৱন

গুৱাহাটীত ভগৱতী প্ৰসাদ বৰুৱা ভৱন নিৰ্মাণৰ কাৰণে ১৯৬২ চনত অসম সাহিত্য সভাই মাটি লাভ কৰে। গীতিকাৰ পাৰ্বতি প্ৰসাদ বৰুৱা আৰু কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহায্যৰে ১৯৬৩ চনৰ ৭ এপ্ৰিলত ভৱনটোৰ লাইখুঁটা পোতা হয়। ভগৱতী প্ৰসাদ

বৰুৱা ভৱনৰ লাইখুঁটা পুতে অসমৰ সেই সময়ৰ ৰাজ্যপাল বিষ্ণু সহায়ে। ভৱনটো সম্পূৰ্ণ হৈ উঠাত ১৯৬৫ চনৰ ২ জানুৱাৰীত ভৱনৰ দ্বাৰা মুকলি কৰে সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলনৰ সভাপতি অধ্যাপক ড° বাসুদেৱ শৰণ অগ্ৰৱালে।

ভগৱতীপ্ৰসাদ বৰুৱা ভৱন প্ৰতিষ্ঠাৰ নান্দী

সৰ্বজ্ঞং তদহং বন্দে পৰং জ্যোতিস্তমোপহম্।
প্ৰবৃত্তা যন্মুখাদ্ দেৱী সৰ্বভাষাসৰস্বতী।।
আৰ্যৰাণীদুহিতেয়ং ভাষা প্ৰাগজ্যোতিষোদ্ভৱা।
মাতা নঃ কামৰূপিনী সদা স্যাৎ শ্ৰেয়সে নৃণাম।।

সভৈষাসমসাহিত্যসংস্কৃতিসংবিবৰ্ধনী।
নৱানং সদনমস্যা ৰক্ষতু তাং সদা মুদা।।

শ্ৰীসুনীতি কুমাৰ চট্টোপাধ্যায়

প্ৰথম শ্লোক দ্বাদশ শতিকাৰ কৰ্ণাটকৰ বৈয়াকৰণ নাগবৰ্মাকৃত, দ্বিতীয় আৰু তৃতীয় শ্লোক বিশ্ববিশ্ৰুত ভাষাতাত্ত্বিক ড° সুনীতি কুমাৰ চট্টোপাধ্যায় বিৰচিত।

টোকা ঃ গীতিকাৰ পাৰ্বতি প্ৰসাদ বৰুৱাৰ গাড়ীখন ১৯৩৩ চনৰ ১৪ অক্টোবৰত নিশা দুৰ্ঘটনাত পতিত হয়। গাড়ীখন পাৰ্বতি প্ৰসাদে নিজে চলাইছিল। দুৰ্ঘটনাত তেখেত ৰক্ষা পৰিল। কিন্তু শিৱসাগৰৰ দিছাং নৈত পানীৰ তললৈ গাড়ীখন গৈ ভগৱতী প্ৰসাদ বৰুৱাৰ পৰিয়ালে মৃত্যুক সাবটি লয়। ভগৱতী প্ৰসাদ বৰুৱাই মনৰ শোক পাতলাবলৈ গুৱাহাটীত সাহিত্য সভাৰ এটি কাৰ্যালয় ভৱন নিৰ্মাণৰ কাৰণে শকত পৰিমাণৰ দান দিয়ে। এই ভৱনৰ কাষতে সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ পৰিয়ালে দিয়া দানেৰে নিৰ্মাণ কৰা হৈছে 'লক্ষ্মীৰাম বৰুৱা সদন'।

ৰাংছিনা ভৱন

অসম সাহিত্য সভাৰ ডিফু কাৰ্যালয়টোৱেই হ'ল 'ৰাংছিনা ভৱন'। ১৯৮২ চনত ডিফুত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ঊনপঞ্চাশৎ অধিৱেশনৰ ৰাহি পুঁজি, ৰাজহুৱা ধন, সাংসদ পুঁজিৰে এই ভৱনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয়। ৰাংছিনা চাৰপো নামৰ কাৰ্বি আংলঙৰ জনৈক প্ৰবাদপুৰুষৰ স্মৃতিত অসম সাহিত্য সভাৰ এই ডিফু কাৰ্যালয়টোৰ নাম 'ৰাংছিনা ভৱন' ৰখা হয়।

ফণী তালুকদাৰ ভৱন

অসম সাহিত্য সভাই দানসূত্রে স্বৰ্গীয় সু-সাহিত্যিক, সাংবাদিক ফণী তালুকদাৰৰ গুৱাহাটীৰ শিলপুখুৰীত থকা বাসভৱনটি লাভ কৰে। ভৱনটিৰ নামকৰণ কৰা হৈছে 'ফণী তালুকদাৰ ভৱন'। এই ভৱনতে প্রয়াত ফণী তালুকদাৰ আৰু পত্নী সুলেখিকা স্বৰ্গীয়া ডলী তালুকদাৰৰ স্মৃতিত এটি পুথিভঁৰালো এই ভৱনতেই স্থাপন কৰা হৈছে। পুথিভঁৰালৰ নাম ৰখা হৈছে 'ফণী তালুকদাৰ-ডলী তালুকদাৰ পুথিভঁৰাল'।

সাহিত্য সভাৰ কেইটামান বিশেষ সিদ্ধান্ত

প্ৰথম দ্বিবাৰ্ষিক অধিৱেশন ডিব্ৰুগড়ত

পূৰ্বে অসম সাহিত্য সভাৰ অধিৱেশনসমূহ বাৰ্ষিক আছিল। কিন্তু ১৯৮৮ চনত অনুষ্ঠিত হোৱা চতুঃষিষ্ঠিতম হাওৰাঘাট অধিৱেশনত সভাৰ অধিৱেশন বছৰেকীয়াৰ পৰিবৰ্তে দ্বিবাৰ্ষিক কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰে। সেই মৰ্মে ১৯৯৯ চনত মন্দিৰ নগৰী হাজোত হোৱা অসম সাহিত্য সভাৰ অধিৱেশনৰ সিদ্ধান্ত অনুসৰি একবিংশ শতিকাৰ প্ৰথমখন দ্বিবাৰ্ষিক অধিৱেশন ডিব্ৰুগড়ত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লয়। ২০০১ চনত ডিব্ৰুগড়ত অনুষ্ঠিত অধিৱেশনখনেই হ'ল অসম সাহিত্য সভাৰ ইতিহাসত প্ৰথমখন দ্বিবাৰ্ষিক অধিৱেশন।

অসম সাহিত্য সভাক 'ব্লেক-লিষ্টেড'!

২০০৭ চনত সংসদত ভাৰত চৰকাৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ মন্ত্ৰীগৰাকীয়ে দেশৰ আন আন কেইখনমান প্ৰতিষ্ঠানৰ লগতে অসম সাহিত্য সভাক 'ব্লেক-লিষ্টেড' কৰা বুলি ঘোষণা কৰে। কিন্তু কি কাৰণত ব্লেক লিষ্টেড কৰা হ'ল, তাৰ কোনো তথ্য প্ৰকাশ কৰা নাছিল। ফলত সভাৰ কাৰ্যকৰ্তাসকলৰ বিৰুদ্ধে চৌদিশ প্ৰতিবাদমুখৰ হৈ পৰিল। সংবাদ-পত্ৰসমূহে সভাৰ বিৰুদ্ধে আক্ৰমণাত্মক ভূমিকা গ্ৰহণ কৰি সভাৰ বিষয়ববীয়াসকলৰ বিৰুদ্ধে বিষোদগাৰ আৰম্ভ কৰিলে।

সভাই এই বিষয়টোক এক প্ৰত্যাহ্বান স্বৰূপে গ্ৰহণ কৰি অতি তৎপৰতাৰে মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ লগত যোগাযোগ কৰি কি অপৰাধৰ ভিত্তিত সভাক একপক্ষীয়ভাৱে এনেদৰে 'ব্লেক-লিষ্টেড' কৰি ভাবমূৰ্তি জনমানসত লাঘৱ কৰা হৈছে এই কথা জানিব বিচাৰিলে। কেন্দ্ৰীয় চৰকাৰে অতি নমনীয়ভাৱে তথ্যখিনি দাখিল কৰাৰ পিছত পৰীক্ষা আৰু পৰ্যালোচনা কৰি পোৱা গ'ল যে সেই অনুদান আছিল সত্তৰ

আৰু আশীৰ দশকৰ অৰ্থাৎ ১৯৭৮-৭৯ বৰ্ষৰ ৭৫০০.০০, ১৯৮৭-৮৮ বৰ্ষৰ ৮৫০০.০০, ১৯৯১-৯২-২৬৪৬৪.০০ প্ৰকৃতপক্ষে এই অনুদানৰ ধন যথাযথভাৱে ব্যয় হৈছিল আৰু তাত কোনো অপব্যয় বা অপব্যৱহাৰ হোৱা নাছিল। কেন্দ্ৰীয় চৰকাৰক এই বিষয়ে অৱগত কৰাৰ পিছত অতি তৎপৰতাৰে উক্ত 'ব্লেক-লিষ্টেড'ৰ আদেশ বাতিল কৰি ত্ৰুটি স্বীকাৰ কৰে।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মস্থান ঘোষণা

১৯৭৪ খ্ৰীষ্টাব্দৰ পৰা চলি থকা বিতৰ্কৰ অৱসান ঘটাই অসম সাহিত্য সভাই এক ব্যাপক তদন্তৰ অন্তত সংগৃহীত তথ্যৰ ভিত্তিত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মস্থান ৰহাৰ পশ্চিমে কপিলীৰ সোঁপাৰৰ আঁহতগুৰিৰ ঘাট বুলি সিদ্ধান্ত কৰে। যোৱা ১৪ অক্টোবৰ, ২০০৭ তাৰিখে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা জন্ম-শতবাৰ্ষিকী অনুষ্ঠানত ৰহাৰ ওচৰৰ আঁহতগুৰিত অনুষ্ঠিত এখন বৰ্ণাঢ্য অনুষ্ঠানত এই সিদ্ধান্তৰ কথা ঘোষণা কৰা হয় আৰু উপস্থিত ৰাইজে 'বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল' ধ্বনিৰে ডবা, তাল, খোল, শঙ্খ আদি পৰম্পৰাগত বাদ্যযন্ত্ৰ আৰু সমবেত ৰাইজৰ সমস্বৰৰ গীত আৰু ধ্বনিৰে চৌদিশ মুখৰিত কৰি এই ঘোষণাক আদৰণি জনায়। এই উপলক্ষে এক বৰ্ণাঢ্য শোভাযাত্ৰাও উলিওৱা হয় আৰু প্ৰায় এক কিলোমিটাৰ নিলগত কপিলীৰ সোঁপাৰৰ আঁহতগুৰিঘাটত সাহিত্যৰথীগৰাকীৰ জন্মস্থানত সজোৱা মঞ্চত সাহিত্য সভাৰ বিষয়ববীয়া আৰু সদস্য প্ৰমুখ্যে পুষ্পাৰ্ঘ নিবেদন কৰে।

উক্ত সভাত কৰা ঘোষণা মৰ্মে গুৱাহাটীৰ বিশিষ্ট নাগৰিক, দানবীৰ, সমাজকৰ্মী ৰাধা বৰাই লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ চাৰি লাখ টকাৰ দহ ফুট ওখ এটি প্ৰতিমূৰ্তি নিৰ্মাণ কৰে। পৰৱৰ্তী জন্মদিনৰ লগত সংগতি ৰক্ষা কৰি ২০০৮ চনৰ ৩১ অক্টোবৰ তাৰিখে আঁহতগুৰিত উক্ত প্ৰতিমূৰ্তি উন্মোচন কৰা হয়।

অসম তত্ত্ব গৱেষণা কেন্দ্ৰ

যোৰহাটত স্থাপন কৰা অসম সাহিত্য সভাৰ 'অসম তত্ত্ব গৱেষণা কেন্দ্ৰ'ৰ শুভাৰম্ভ কৰা হৈছিল ১৯৯৮ চনৰ ৫ ছেপ্টেম্বৰত। অসম তত্ত্ব গৱেষণা কেন্দ্ৰৰ জৰিয়তে পি এইচ ডি উপাধি প্ৰাপ্তিত সভাই গৱেষকক জলপানি দিয়াৰ বাবে 'সোমনাথ দত্ত স্মাৰক ন্যাস' যোৰহাটত খুলিছে। অসম তত্ত্ব গৱেষণা কেন্দ্ৰটো ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়নভুক্ত। অসম তত্ত্ব গৱেষণা সংস্থানৰ অধীনত আন তিনিটা গৱেষণা কেন্দ্ৰৰ কাম পৰিচালনা কৰিব বিচৰা হৈছে। সেই কেইটা হ'ল— চাহ জনগোষ্ঠী গৱেষণা কেন্দ্ৰ (ডিব্ৰুগড়), জনজাতীয় গৱেষণা কেন্দ্ৰ (ডিফু) আৰু পশ্চিম অসমৰ ভাষা-সংস্কৃতি গৱেষণা কেন্দ্ৰ (ধুবুৰী)।

অসম সাংস্কৃতিক বিশ্ববিদ্যালয়

অসম সাহিত্য সভাই গুৱাহাটীৰ চন্দ্ৰলত স্থাপন কৰিব অসম সাংস্কৃতিক বিশ্ববিদ্যালয়। ৯/২/২০০৯ তাৰিখে উক্ত সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে ড° ভূপেন হাজৰিকাৰ হৈ ড° মামণি ৰয়ছম গোস্বামীয়ে। উক্ত বিশ্ববিদ্যালয়ৰ বাবে ইতিমধ্যে অসম সাহিত্য সভাই প্ৰকল্প আঁচনি প্ৰস্তুত কৰিছে। উল্লেখযোগ্য যে চৰকাৰে চন্দ্ৰলত অসম সাহিত্য সভাক ১৯৯৪ চনতেই ৫০ বিঘা মাটি আবণ্টন দিছিল। চীনত থকা পৃথিৱীৰ প্ৰথমখন সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ আৰ্হিত এই বিশ্ববিদ্যালয়খন স্থাপন কৰিব বিচৰা হৈছে।

ভ্ৰাম্যমাণ পুথিভঁৰাল

অসম সাহিত্য সভাৰ প্ৰকাশনসমূহক ৰাইজৰ মাজত প্ৰচাৰ আৰু বিক্ৰীৰ সুবিধাৰ্থে ২০০৯ চনৰ ১৩ অক্টোবৰত অসম সাহিত্য সভাই এটি ভ্ৰাম্যমাণ পুথিভঁৰাল মুকলি কৰে। এখন গাড়ীত এই পুথিভঁৰালটো স্থাপন কৰা হৈছে। ৰাজ্যসভাৰ সাংসদ কুমাৰ দীপক দাসৰ সাংসদ পুঁজিৰ ধনেৰে এই পুথিভঁৰালটোৰ বাহনখন ক্ৰয় কৰা হৈছে।

অসম সাহিত্য সভাৰ নিয়মাৱলীৰ কৃয়দাংশ

অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ সৰ্বাংগীন উন্নতি বিধানৰ অৰ্থে সকলো প্ৰকাৰৰ দলগত ৰাজনৈতিক আৰু সাম্প্ৰদায়িক চিন্তা আৰু স্বাৰ্থৰ উৰ্ধ্বত থাকি অসমত বসবাস কৰা সকলো শ্ৰেণীৰ লোকৰ উমৈহতীয়া মঞ্চত কাম কৰিবলৈ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰি অনুৰাগী লোকক সভ্যস্বৰূপে লৈ অসমত এখন 'সাহিত্য সভা' গঠন কৰা হ'ল।

প্ৰথম ছেদ ঃ

অসম সাহিত্য সভাৰপথ

১। এই সভাৰ নাম 'অসম সাহিত্য সভা' (Asam Sahitya Sabha)।

দ্বিতীয় ছেদ ঃ

অসম সাহিত্য সভাৰ উদ্দেশ্য

২। অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীন উন্নতি কৰাই এই সভাৰ ঘাই উদ্দেশ্য, লগতে অসমৰ থলুৱা ভাষা-সংস্কৃতিৰ উন্নয়নৰ বাবে কাম কৰা। তলত সেইসমূহ উল্লেখ কৰা হ'ল ঃ

(ক) অভিধান, ব্যাকৰণ আৰু অন্যান্য গ্ৰন্থৰ সংকলন আৰু প্ৰকাশ কৰা;
(খ) প্ৰাচীন সাহিত্য আৰু লোক-সাহিত্যৰ অনুসন্ধান, সংগ্ৰহ, গৱেষণা আৰু প্ৰকাশ কৰা;
(গ) অসমীয়া সাহিত্যত যি যি বিষয়ৰ পুথিৰ অভাৱ, সেই অভাৱ দূৰ কৰা;
(ঘ) প্ৰকাশিত গ্ৰন্থৰ ভিতৰত উপযুক্ত বিবেচিত গ্ৰন্থৰ গ্ৰন্থকাৰক বঁটা আৰু সামৰ্থ্যহীন সাহিত্যিকক সাহায্য দান কৰা;
(ঙ) সংগীত, চিত্ৰবিদ্যা আৰু ভাস্কৰ্যবিদ্যাৰ উন্নতিসূচক কাৰ্য কৰা;
(চ) সভাৰ এখন মুখপত্ৰ আৰু প্ৰচাৰপত্ৰ প্ৰকাশ কৰা;
(ছ) ভাষা আৰু সাহিত্যৰ প্ৰচাৰ-পত্ৰাদি প্ৰকাশ কৰা;
(জ) ভাষা-সাহিত্য-সংস্কৃতিৰ গৱেষণা কেন্দ্ৰ স্থাপন কৰা;
(ঝ) সাহিত্য আৰু সংস্কৃতি সম্পৰ্কীয় বিনিময় আঁচনি কাৰ্যকৰী কৰা;
(ঞ) অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত থকা অন্তৰায় দূৰ কৰা;
(ট) অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে আন আন কাৰ্য কৰা;

তৃতীয় ছেদ ঃ
অসম সাহিত্য সভাৰ কৰ্মক্ষেত্ৰ

৩। ঘাইকৈ অসম ৰাজ্যই সভাৰ কাৰ্যক্ষেত্ৰ হ'ব। লগতে সভাৰ কাৰ্য দেশৰ বিভিন্ন স্থানলৈ আৰু দেশৰ বাহিৰলৈও সম্প্ৰসাৰিত হ'ব পাৰিব। কোনো দলগত, ৰাজনৈতিক আৰু সাম্প্ৰদায়িক বিষয়ৰ লগত সভা সংশ্লিষ্ট নাথাকিব।

চতুৰ্থ ছেদ ঃ
অসম সাহিত্য সভাৰ কাৰ্যালয় গঠন

৫। মূল সভাৰ কাৰ্য পৰিচালনাৰ অৰ্থে পাঁচটা কাৰ্যালয় থাকিব ঃ
(১) যোৰহাট ঃ কেন্দ্ৰীয় কাৰ্যালয়, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট- ৭৮৫০০১
(২) গুৱাহাটী ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১
(৩) ডিফু ঃ ৰাংছিনা ভৱন, ডিফু- ৭৮২৪৬০
(৪) ধুবুৰী ঃ ধুবুৰী আঞ্চলিক কাৰ্যালয় ভৱন, ধুবুৰী- ৭৮৩৩০১
(৫) ডিব্ৰুগড় ঃ ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়- ৭৮৬০০৩

অসম সাহিত্য সভাৰ গঠন

৬। (ক) মূল সভা (খ) জিলা সভা (গ) শাখা সভা আৰু (ঘ) স্বীকৃত সভা

(ক) পঞ্চম ছেদৰ ৭-১২ সংখ্যক বিধিমতে হোৱা সভ্যৰে মূল সভা গঠিত হ'ব।

(খ) মূল সভাৰ অন্ততঃ ৫০ জন সভ্যৰে শাখা সভা গঠিত হ'ব। পাঁচ হাজাৰতকৈ অধিক জনসংখ্যা থকা অঞ্চলত এলেকা নিৰ্ধাৰণ সাপেক্ষে কাৰ্যনিৰ্বাহক সমিতিৰ আগতীয়া অনুমতিৰে 'শাখা সভা' গঠিত হ'ব পাৰিব। অৱস্থা বুজি কাৰ্যনিৰ্বাহক সমিতিয়ে অন্যূন ৩০ জন সভ্যৰেও অসমৰ ভিতৰত বা বাহিৰত 'শাখা সভা' গঠনৰ অনুমতি দিব পাৰিব। শাখাসমূহ অসম সাহিত্য সভাৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ বাবে সভাই গঠন কৰা প্ৰাথমিক স্তৰৰ সংগঠন আৰু এই সংগঠনসমূহৰ সকলো প্ৰকাৰে মূল সভাৰ কৰ্তৃত্বাধীন হৈ থাকিব।

(গ) অসমৰ প্ৰতি প্ৰশাসনীয় জিলাত গঠিত শাখা সভাসমূহক লৈ একোখন 'জিলা সাহিত্য সভা' গঠন কৰা হ'ব। কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাসমূহত কমেও ১৫ (পোন্ধৰ) খন সক্ৰিয় শাখা থাকিব লাগিব আৰু বৰাক উপত্যকাত ১০ (দহ) খন সক্ৰিয় শাখা থাকিব লাগিব।

(ঘ) 'শাখা সাহিত্য সভা' আৰু 'জিলা সাহিত্য সভা' অসম সাহিত্য সভাৰ (১৮৬০ খ্ৰীষ্টাব্দৰ ২১ নম্বৰ আইন অনুসৰি ১৯২৪ চনৰ ৫ মে' তাৰিখে পঞ্জীভুক্ত হোৱা) পঞ্জীয়ন নম্বৰৰ অন্তৰ্গত হ'ব।

পঞ্চম ছেদ ঃ

সভ্য

সভাৰ পাঁচ শ্ৰেণীৰ সভ্য থাকিব—

(ক) সাধাৰণ সভ্য (খ) আজীৱন সভ্য (গ) সন্মানিত সভ্য (প্ৰাক্তন সভাপতিসকল) (ঘ) বিশেষ সভ্য (প্ৰাক্তন উপ-সভাপতি আৰু প্ৰাক্তন প্ৰধান সম্পাদকসকল) আৰু (ঙ) সন্মানীয় হিতৈষী সভ্য আৰু হিতৈষী সভ্য।

অসমীয়া ভাষা আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ অনুৰাগী অন্যূন ১৮ বছৰৰ লোক ইয়াৰ 'সাধাৰণ সভ্য' হ'ব পাৰিব।

৮। ওপৰৰ নিয়ম সাপেক্ষে যিকোনো লোকে ভৰ্তি মাচুল ২.০০ টকা, বছৰেকীয়া বৰঙণি ৮.০০ টকা, জাতীয় ন্যাস পুঁজিৰ বৰঙণি ৩.০০ টকা আৰু কৰ্মচাৰী সাহায্য পুঁজিৰ বৰঙণি ২.০০ টকা দি নিৰ্দিষ্ট প্ৰ-পত্ৰত শাখা সভাৰ যোগেদি আবেদন কৰিলে কাৰ্যনিৰ্বাহক সমিতিৰ অনুমোদনক্ৰমে মূল সভাৰ 'সাধাৰণ সভ্য' হ'ব পাৰিব। কিন্তু যি ঠাইত কোনো শাখা সভা নাই তেনে ঠাইৰ লোকে পোনপটীয়াকৈ মূল সভালৈ নিৰ্দিষ্ট প্ৰ-পত্ৰত আবেদন কৰি 'সাধাৰণ সভ্য' ভুক্ত হ'ব পাৰিব। কোনো সাধাৰণ সভ্যই একে বছৰতে একাধিক শাখা সভাৰ জৰিয়তে সভ্য হিচাপে নাম ভুক্ত কৰিব নোৱাৰিব।

৯। একেৰাহে দুবছৰ বৰঙণি নিদিয়া সভ্যৰ নাম দ্বিতীয় বছৰৰ শেষত সাধাৰণ সভ্য তালিকাৰ পৰা বাদ পৰিব। তেনে লোকে পুনৰ সভ্য হ'ব খুজিলে ৮ সংখ্যক বিধি অনুসাৰে আবেদন কৰিব লাগিব (ইয়াৰ 'বছৰ' শব্দৰে 'বিত্তীয় বছৰ' বুজোৱা হৈছে)

১০। (ক) ভৰ্তি মাচুল ১০০.০০ (এশ) টকা আৰু অন্যূন ১,০০০.০০ (এহাজাৰ) টকা দিলে 'আজীৱন সভ্য' হ'ব পাৰিব। ভৰ্তি মাচুল সংশ্লিষ্ট শাখা বা জিলা সভাই পাব। মূল সভাৰ যোগে পোনপটীয়াকৈ আজীৱন সভ্য হ'লে মাচুল মূল সভাই পাব।

(খ) আজীৱন সভ্যসকল নিজৰ স্থানৰ শাখা সাহিত্য সভা আৰু জিলা সাহিত্য সভাৰো সভ্য হিচাপে গণ্য হ'ব।

(গ) তেওঁলোকে নিজৰ স্থানৰ বাহিৰে আন শাখা সভাৰ লগত জড়িত হ'ব নোৱাৰিব। অৱশ্যে কৰ্মস্থান/বাসস্থান সলনি হ'লে সংশ্লিষ্ট কৰ্মস্থান/বাসস্থানৰ অন্তৰ্গত শাখা সভা, জিলা সভা আৰু মূল সভাক জাননী দি সংশ্লিষ্ট জিলা বা শাখা সভাৰ সভ্য হিচাপে গণ্য হ'ব পাৰিব।

(ঘ) শাখা সভা থকা ঠাইত 'আজীৱন সভ্য' শাখা সভাৰ যোগেদি হ'ব, শাখা সভা নথকা ঠাইত হ'লে পোনপটীয়াকৈ হ'ব পাৰিব। মূল সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ মাধ্যমেৰে আজীৱন সভ্য হ'লে জিলা বা শাখা সভাৰ অনুমোদনৰ প্ৰয়োজন নহ'ব। তেনে ক্ষেত্ৰত ভৰ্তি মাচুল মূল সভাৰ সাধাৰণ পুঁজিত জমা হ'ব।

১১। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিসকল সন্মানিত সদস্যৰূপে আৰু প্ৰাক্তন উপ-সভাপতি আৰু প্ৰধান সম্পাদকসকল বিশেষ সভ্যৰূপে পৰিগণিত হ'ব।

১২। ভৰ্তি মাচুল ১০০.০০ টকা আৰু অন্যূন ৫০০০.০০ টকা বৰঙণি দিলে 'হিতৈষী সভ্য' হ'ব পাৰিব। ভৰ্তি মাচুল সংশ্লিষ্ট শাখা বা জিলা সভাই পাব। এনে সভ্যই প্ৰতিনিধি সভাত প্ৰতিনিধিত্ব কৰিব পাৰিব। ভৰ্তি মাচুল ৫০০.০০ (পাঁচশ) টকা আৰু অন্যূন ১,০০,০০০.০০ (এক লাখ) টকা বা ততোধিক টকা দিয়া সকল 'সন্মানীয় হিতৈষী সভ্য' হ'ব আৰু এনে সভ্যই প্ৰতিনিধি সভাত প্ৰতিনিধিত্ব কৰিব পাৰিব। মূল সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ মাধ্যমেৰে হিতৈষী সভ্য/সন্মানীয় হিতৈষী সভ্য হ'লে ভৰ্তি মাচুল মূল সভাৰ সাধাৰণ পুঁজিত জমা হ'ব।

১৩। সভাৰ যিকোনো প্ৰকাৰৰ সভ্যই মূল সভা, মূল সভাৰ বিষয়ববীয়া আৰু সদস্যৰ বিৰুদ্ধে কোনো প্ৰচাৰ কাৰ্য বা প্ৰচাৰ মাধ্যমযোগে বিবৃতি, বাতৰি, সমালোচনা আদি প্ৰকাশ কৰিব নোৱাৰিব। তদুপৰি মূল সভাৰ বিবেচ্য বিষয়ত কোনো

বিবৃতি দিব নোৱাৰিব। এনে কৰিলে অনুশাসন ভংগ কৰা বুলি গণ্য কৰা হ'ব আৰু মূল সভাই তেওঁলোকৰ বিৰুদ্ধে যিকোনো অনুশাসনমূলক ব্যৱস্থা ল'ব পাৰিব। সভাৰ আভ্যন্তৰীণ বিষয়ত মতানৈক্য থাকিলে কাৰ্যনিৰ্বাহক সমিতিক জনাব পাৰিব বা অনুমতি সাপেক্ষে প্ৰতিনিধি সভাত উত্থাপন কৰিব পাৰিব। কিন্তু কাৰ্যনিৰ্বাহক সমিতি বা প্ৰতিনিধি সভাৰ বিচাৰৰ বাবে আবেদন নকৰাকৈ কোনো বিষয়ৰ বিচাৰৰ বাবে পোনপটীয়াকৈ ন্যায়ালয়ৰ ওচৰ চাপিব নোৱাৰিব। তেনে কৰিলে মূল সভাই যিকোনো প্ৰকাৰৰ শাস্তিমূলক ব্যৱস্থা ল'ব পাৰিব। (শাখা আৰু জিলা সভাৰ ক্ষেত্ৰতো এই বিধি প্ৰযোজ্য হ'ব।)

১৪। সকলো শ্ৰেণীৰ সভ্যই সভাৰ 'মুখপত্ৰ'— 'অসম সাহিত্য সভা পত্ৰিকা' আৰু আন প্ৰকাশন কাৰ্যনিৰ্বাহক সমিতিয়ে বান্ধি দিয়া ৰেহাই মূল্যত পাব।

ষষ্ঠ ছেদ ঃ
কাৰ্যনিৰ্বাহক সমিতি

১৫। সভাৰ যাৱতীয় কাৰ্য সম্পাদন কৰিবৰ বাবে অসম ৰাজ্যক্ষেত্ৰৰ সদস্যৰে এখন 'কাৰ্যনিৰ্বাহক সমিতি' থাকিব।

১৬। (ক) সভাৰ পঞ্জীয়ন হোৱা সংগঠনি দলিলৰ (Memorandum of Association) চতুৰ্থ ধাৰা অনুসৰি এই সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয় যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত থাকিব।

(খ) কেন্দ্ৰীয় কাৰ্যালয়ত সভাৰ সংগঠনি দলিলকে ধৰি সকলো প্ৰকাৰৰ দলিল, কাৰ্যবিৱৰণী বহী, কেছ্ বুক, অস্থাৱৰ সম্পত্তি আদি সংৰক্ষিত হ'ব আৰু কোনো কাৰণতে স্থানান্তৰিত হ'ব নোৱাৰিব। প্ৰয়োজন হ'লে মূল নথিৰ প্ৰতিলিপিহে কেৱল স্থানান্তৰিত হ'ব।

১৭। তলত দিয়া সদস্যৰে কাৰ্যনিৰ্বাহক সমিতি গঠিত হ'ব।

(ক)

১। সভাপতি

২। উপ-সভাপতি

৩। প্ৰধান সম্পাদক

৪। সহকাৰী সম্পাদক, কেন্দ্ৰীয় কাৰ্যালয়

৫। সহকাৰী সম্পাদক, গুৱাহাটী কাৰ্যালয়

৬। সহকাৰী সম্পাদক, ডিফু আঞ্চলিক কাৰ্যালয়

৭। সহকাৰী সম্পাদক, ধুবুৰী আঞ্চলিক কাৰ্যালয়

৮। সহকাৰী সম্পাদক, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়

(সহকাৰী সম্পাদকসকল সভাৰ কাৰ্যালয়স্থ স্থানৰ পৰাহে হ'ব।)

৯। ধনভঁৰালী, যোৰহাট/গুৱাহাটী

১০। ভাষা-জ্ঞান পৰীক্ষা সংসদৰ সচিব, যোৰহাট

১১। পত্ৰিকা সম্পাদক

১২। জাতীয় ন্যাস পুঁজিৰ আহ্বায়ক

১৩। চাহ বাগিচা উপ-সমিতিৰ আহ্বায়ক

১৪। চৰ-চাপৰি উপ-সমিতিৰ আহ্বায়ক

১৫। আহ্বায়ক, অসম সাহিত্য সভা প্ৰকল্প

(অসম সাহিত্য সভা প্ৰকল্প নিৰ্মাণৰ বাবে এখন নিৰ্মাণ সমিতি থাকিব। সভাৰ সভাপতি এই সমিতিৰ সভাপতি আৰু প্ৰধান সম্পাদক সমিতিৰ পদেন সদস্য হ'ব।)

১৬। প্ৰাৰম্ভণিক বৈঠকে মনোনয়ন দিয়া ১০ (দহ) গৰাকী সদস্য— (ক) হিতৈষী সভ্যৰ এগৰাকী, (খ) আজীৱন সভ্যৰ দুগৰাকী (গ) বিশিষ্ট লেখক-লেখিকা দুগৰাকী (ঘ) জনগোষ্ঠীয় লেখক বা লেখিকা এগৰাকী (ঙ) অধিবক্তা দুগৰাকী (তেওঁলোক সভাৰ আইন উপদেষ্টা হ'ব) (চ) ৩৫ বছৰৰ তলৰ লেখক-লেখিকা এগৰাকী, (ছ) প্ৰকাশন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা এগৰাকী (গ) আৰু (ছ)ৰ ব্যক্তিসকল অসম সাহিত্য সভাৰ যিকোনো প্ৰকাৰৰ সভ্য বা সদস্য হ'ব লাগিব। প্ৰয়োজন সাপেক্ষে বিশেষভাৱে আমন্ত্ৰিত সদস্য ১০ (দহ) গৰাকী; কিন্তু তেওঁলোকৰ ভোটাধিকাৰ নাথাকিব। তেওঁলোক সভাৰ যিকোনো প্ৰকাৰৰ সভ্য বা সদস্য হ'ব লাগিব। (জ) প্ৰত্যেক জিলা সভাৰ সভাপতি অথবা জিলা সভাৰ প্ৰতিনিধি সভাই নিৰ্বাচন কৰি দিয়া এগৰাকীকৈ প্ৰতিনিধি, (ঝ) বিদায়ী প্ৰধান সম্পাদক পদেন সদস্য হ'ব; কিন্তু তেওঁৰ ভোটাধিকাৰ নাথাকিব।

১৭। (খ)

সভাপতি ৩৯ বিধি অনুসৰি নিৰ্বাচিত হ'ব।

(গ)

উপ-সভাপতি ৪২ (২) আৰু প্ৰধান সম্পাদক ৪২ (৩) বিধিমতে নিৰ্বাচিত হ'ব।

(ঘ)

বিদায়ী প্ৰধান সম্পাদককে উল্লিখিত বিষয়ববীয়া, সদস্যসকল আৰু বিদায়ী সভাপতিক আমন্ত্ৰণ কৰি কাৰ্যনিৰ্বাহৰ 'প্ৰাৰম্ভিক বৈঠক' অধিৱেশনথলীতে আহ্বান কৰিব আৰু এই বৈঠকতে ১৭(ক) (৪)ৰ পৰা (১৬) লৈকে বিষয়ববীয়া

আৰু সদস্যসকল মনোনীত হ'ব।

(ঙ)

সভাৰ বেতনভোগী কোনো কৰ্মচাৰী কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য বা বিষয়ববীয়া হ'ব নোৱাৰিব।

(চ)

সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ দ্বাৰা দোষী সাব্যস্ত হোৱা বা কাৰ্যনিৰ্বাহকে ব্যৱস্থা লোৱা লোক কাৰ্যনিৰ্বাহকৰ দ্বাৰা দোষমুক্ত বুলি স্বীকৃত নোহোৱালৈকে কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য বা বিষয়ববীয়া হ'ব নোৱাৰিব।

১৮। ধনভঁৰালী ৪২ (৪) (ক) বিধি অনুসৰি যোৰহাট/গুৱাহাটীৰ পৰা মনোনীত হ'ব।

১৯। অন্যূন এক তৃতীয়াংশ সভ্যৰে এই সমিতিৰ থুল (quorum) হ'ব।

২০। কাৰ্যনিৰ্বাহক সমিতিয়ে আৱশ্যকমতে সচিব, প্ৰকাশন সচিব, ন্যাস পৰিচালনাৰ বাবে সচিব নিযুক্তি কৰিব পাৰিব। কিন্তু কাৰ্যনিৰ্বাহকে দায়িত্ব আদি নিৰ্ধাৰণ কৰি দিব লাগিব। গ্ৰন্থাগাৰিক আৰু সভাৰ কাৰ্য পৰিচালনাৰ বাবে অন্যান্য কৰ্মচাৰী বা বিষয়ববীয়া নিযুক্ত কৰিব পাৰিব। কাৰ্যনিৰ্বাহক সমিতিয়ে বিধি অনুযায়ী কৰ্মচাৰীসকলৰ বাবে উপ-বিধি ৰচনা কৰিব পাৰিব আৰু কৰ্মচাৰীৰ ক্ষেত্ৰত কাৰ্যনিৰ্বাহক সমিতি, কৰ্ণধাৰ সমিতিৰ সিদ্ধান্তই চূড়ান্ত বিবেচিত হ'ব। কৰ্মচাৰীসকলৰ ভিতৰত সাধাৰণ প্ৰশাসন, যোগাযোগ, তথ্যপাতি সংৰক্ষণ আৰু যোগান, দলিল আদিৰ সংৰক্ষণ আৰু দৈনন্দিন কামৰ বাবে সচিব আৰু হিচাপৰ মুখ্য গাণনিকে প্ৰধান সম্পাদকৰ হৈ দায়িত্ব পালন কৰিব আৰু তেওঁলোক বিধিগতভাৱে দায়বদ্ধ থাকিব।

২১। লিখিতভাৱে গ্ৰহণযোগ্য কাৰণ নেদেখুৱাকৈ একেলেথাৰিয়ে তিনিখন কাৰ্যনিৰ্বাহকৰ সভাত অনুপস্থিত থকা বিষয়ববীয়া তথা সদস্যৰ নাম কাৰ্যনিৰ্বাহক সমিতিয়ে সমিতিৰ পৰা বাদ দিব পাৰিব।

২২। কোনো বিষয়ববীয়াৰ বা সদস্য পদ খালী হ'লে এই সমিতিয়ে আন কোনো বিষয়ববীয়াক বা সদস্য মনোনয়ন দি সেই ঠাই পূৰাই ল'ব পাৰিব। জিলাৰ সদস্যৰ ক্ষেত্ৰত সেই জিলাই মনোনয়ন দি পঠাব।

২৩। এই সমিতিয়ে শাখা সাহিত্য সভা, জিলা সাহিত্য সভা আৰু স্বীকৃত সাহিত্য সভাক অসম সাহিত্য সভাৰ আৱশ্যকীয় স্বীকৃতি প্ৰদান কৰিব।

২৪। সভাৰ বিৰুদ্ধে অপপ্ৰচাৰ, সভাৰ নীতি আৰু উদ্দেশ্য বিৰোধী বা মৰ্যাদা হানিকৰ কাৰ্যত সভাৰ যিকোনো সভ্য/সদস্য, শাখা সভা, জিলা সভা, স্বীকৃত সভা লিপ্ত থকা বুলি প্ৰাথমিকভাৱে প্ৰমাণিত হ'ল বা সভাৰ নিয়মাৱলী ভংগ কৰিলে

কাৰ্যনিৰ্বাহক সমিতিয়ে অনুশাসনমূলক ব্যৱস্থা লোৱালৈকে সভাপতিয়ে তেনে সদস্যৰ সদস্য পদ নিষ্ক্ৰিয় কৰি ৰাখিব পাৰিব আৰু জিলা কাৰ্যনিৰ্বাহক সমিতিৰ অনুমোদন সাপেক্ষে সভাপতিয়ে অনুশাসন ভংগ কৰা শাখা বা জিলা সভাৰ কাৰ্যনিৰ্বাহক সমিতি ভংগ কৰি 'তদৰ্থ সমিতি' গঠন কৰি দিব পাৰিব। উল্লেখ থাকে যে অসম সাহিত্য সভাৰ কোনো সদস্য, শাখা বা জিলা সভাৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লোৱাৰ অধিকাৰ মূল সভাৰ তথা সভাৰ সভাপতিৰহে থাকিব, কোনো শাখা বা জিলা সভাৰ সভাপতিৰ নাথাকিব।

২৫। কাৰ্যনিৰ্বাহক সমিতিৰ জাননী অন্ততঃ ১৫ (পোন্ধৰ) দিন আগতে প্ৰধান সম্পাদকে দিব লাগিব। কাৰ্যনিৰ্বাহক সমিতিৰ অধিৱেশন বছৰত কমেও ৪ (চাৰি) বাৰ বহুৱাব লাগিব।

২৬। বিশেষ অৱস্থাৰ উদ্ভৱ হ'লে কম সময়ৰ ভিতৰতো সভাপতিয়ে প্ৰধান সম্পাদকক সভা আহ্বান কৰিবলৈ অনুমতি দিব পাৰিব। কিন্তু প্ৰধান সম্পাদকে সভা আহ্বান নকৰিলে সভাপতিয়ে নিজে সভা আহ্বান কৰিব পাৰিব। এই সভা বিশেষ জৰুৰী সভা হিচাপে পৰিগণিত হ'ব।

২৭। কাৰ্যনিৰ্বাহক সমিতিৰ সভ্যৰ দুই-তৃতীয়াংশই ১৫ (পোন্ধৰ) দিনৰ সময় দি নিৰ্দিষ্ট কাৰ্য তালিকাৰে সৈতে সমিতিৰ বৈঠকৰ বাবে প্ৰয়োজন-পত্ৰ দিলে প্ৰধান সম্পাদকে সেই মতে কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠক বহুৱাব লাগিব। নবহুৱালে প্ৰয়োজন-পত্ৰ দিয়াসকলে অন্ততঃ দহ দিনৰ আগতে সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক আৰু সদস্যসকললৈ লিখিত জাননী দি সভা বহুৱাব পাৰিব।

২৮। বিভিন্ন কাম কৰিবলৈ কাৰ্যনিৰ্বাহক সমিতিয়ে উপ-সমিতি গঠন কৰি দিব আৰু তাৰ বাবে আৱশ্যকীয় 'উপবিধি' ৰচনা কৰি দিব। এনে উপ-সমিতিৰ কাৰ্যকাল কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকালৰ লগে লগে অন্ত পৰিব। কিন্তু কাম চলি থকা উপ-সমিতিসমূহৰ কামলৈ লক্ষ্য ৰাখি কাৰ্যনিৰ্বাহকে তেনে উপ-সমিতিৰ কাৰ্যকাল নবীকৰণ কৰিব পাৰিব। তেনে উপ-সমিতিয়ে বছৰত অন্ততঃ তিনিখন বৈঠক বহুৱাব লাগিব আৰু কাৰ্যনিৰ্বাহকলৈ নিয়মিত প্ৰতিবেদন পঠাব লাগিব। কাৰ্যনিৰ্বাহক সমিতি সন্তুষ্ট নহ'লে বছৰৰ যিকোনো সময়তে তেনে উপ-সমিতি ভংগ কৰি দি নতুনকৈ উপ-সমিতি গঠন কৰি ল'ব পাৰিব। এই নিয়ম জিলা আৰু শাখা সভাৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। কাৰ্যনিৰ্বাহক সমিতিয়ে সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক, কেন্দ্ৰীয় কাৰ্যালয় আৰু গুৱাহাটী কাৰ্যালয়ৰ সহকাৰী সম্পাদক, ধনভঁৰালী আৰু কাৰ্যনিৰ্বাহকৰ তিনিজন সদস্যৰে কৰ্ণধাৰ সমিতি গঠন কৰিব। প্ৰয়োজন সাপেক্ষে কাৰ্যনিৰ্বাহকৰ আন সদস্যকো কৰ্ণধাৰ

সমিতিৰ বৈঠকলৈ বিশেষভাৱে আমন্ত্ৰণ জনাব পাৰিব। সভাৰ সকলোবোৰ উপ-সমিতিৰ বৈঠকত সভাৰ সভাপতিয়ে সভাপতিত্ব কৰিব, তেওঁৰ অনুপস্থিতিত উপ-সভাপতিয়ে বৈঠকত সভাপতিত্ব কৰিব। (পঞ্জীকৃত ন্যাস দলিল অনুসৰি সমিতিসমূহৰ বাহিৰে)

২৯। কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকাল দুবছৰীয়া হ'ব। কোনো সভ্যই মূল সভা, জিলা সভা, শাখা সভাৰ বিষয়ববীয়া বা কাৰ্যনিৰ্বাহক সদস্যস্বৰূপে সাধাৰণতে একেৰাহে দুবাৰৰ অধিক কাল একেটা পদতে কাৰ্যনিৰ্বাহ কৰিব নোৱাৰিব। সভাৰ বৰ্ষ (কাৰ্যকাল) ১ জানুৱাৰীত আৰম্ভ হ'ব আৰু ৩১ ডিচেম্বৰত শেষ হ'ব। কিন্তু অধিৱেশন পিছুৱালে কাৰ্যনিৰ্বাহক সমিতিয়ে কাৰ্যকাল বৃদ্ধি কৰিব পাৰিব।

সপ্তম ছেদ ঃ শাখা সাহিত্য সভা

৩০। (ক) চতুৰ্থ ছেদৰ ষষ্ঠ (ক, খ আৰু গ) নিয়ম অনুসৰি 'শাখা সভা' গঠিত হ'ব। এই শাখা সভা নিয়মাৱলীৰ ৬ (ঘ) মতে ১৮৬০ খ্ৰীষ্টাব্দৰ ২১ নম্বৰ আইন অনুসৰি ১৯২৪ খ্ৰীষ্টাব্দৰ ৫ মে' তাৰিখে পঞ্জীভুক্ত হোৱা অসম সাহিত্য সভাৰ পঞ্জীয়নৰ অন্তৰ্ভুক্ত হ'ব। কোনো শাখা বা জিলা সভাই সুকীয়াকৈ পঞ্জীয়ন কৰিব নোৱাৰিব।

(খ) শাখা সভা ভুক্ত হ'বলৈ দুখনকৈ নিৰ্দিষ্ট প্ৰ-পত্ৰত (ওপৰঞ্চি 'চ' চাওঁক) আবেদন কৰিব লাগিব আৰু মূল সভালৈ দেয় ধনসহ পঠাব লাগিব। প্ৰত্যেক শাখা সভাই মূল সভালৈ আৰু জিলা সাহিত্য সভালৈ প্ৰতিটো ইংৰাজী বৰ্ষৰ ৩১ ডিচেম্বৰৰ ভিতৰত তেওঁলোকৰ কাৰ্যবিৱৰণী তথা পৰীক্ষিত আৰু সাধাৰণ সভাত গৃহীত আয়-ব্যয়ৰ বছৰেকীয়া প্ৰতিবেদন পঠিয়াব লাগিব।

(গ) প্ৰতি শাখাই সভাৰ দ্বাৰা প্ৰকাশিত পত্ৰিকাৰ প্ৰতি সংখ্যাৰ কমেও ৫ খনকৈ পত্ৰিকা ল'ব লাগিব। তাৰে এখন পত্ৰিকা আধা মূল্যত আৰু বাকী ৪ খন পত্ৰিকা তিনি চতুৰ্থাংশ মূল্যত দিয়া হ'ব। শাখা সভাই পাঁচখনতকৈ অধিক সংখ্যক পত্ৰিকা আৰু সভাৰ অন্যান্য প্ৰকাশন কাৰ্যনিৰ্বাহক সমিতিয়ে বান্ধি দিয়া ৰেহাই মূল্যত পাব।

(ঘ) বছৰেকীয়া বৰঙণি, পত্ৰিকাৰ বৰঙণি আৰু অন্যান্য দেয় ধন আদায় নিদিয়া আৰু সভ্য ভৰ্তিৰ ৰচিদ বহীসহ সভ্য তালিকা দাখিল দাখিল নকৰা শাখা সভাই বিশেষ সভা বা প্ৰতিনিধি সভা আৰু কোনো প্ৰতিনিধিত্বমূলক সভাত প্ৰতিনিধিত্ব কৰিব নোৱাৰিব। বছৰেকীয়া বৰঙণি আৰু অন্যান্য দেয় ধন আদায়ৰ লগতে আবেদন পত্ৰৰ বহীসহ (ব্যৱহৃত আৰু অব্যৱহৃত) সভ্য তালিকা অনিবাৰ্যভাৱে

প্ৰতিটো খ্ৰীষ্টীয় বৰ্ষৰ ৩১ ডিচেম্বৰৰ ভিতৰত জমা দিব লাগিব। সকলো শাখা সভাই ১৩ সংখ্যক বিধি মানি চলিব লাগিব। একেৰাহে দুবছৰৰ বৰঙণি আদায় নিদিয়া আৰু হিচাপ দাখিল নকৰা শাখা সভাসমূহক নিষ্ক্ৰিয় বুলি গণ্য কৰা হ'ব। কাৰ্যনিৰ্বাহকে সক্ৰিয় বুলি ঘোষণা নকৰা পৰ্যন্ত তেনে শাখা সভা মূল সভাৰ সকলো ধৰণৰ যোগাযোগৰ পৰা বঞ্চিত হ'ব। নিষ্ক্ৰিয় শাখা সভা সক্ৰিয় কৰাৰ বাবে মূল সভাই সংশ্লিষ্ট জিলা সভাৰ সহযোগত ব্যৱস্থা ল'ব।

(ঙ) প্ৰত্যেক শাখা সভাৰ কমেও ১৫জন সভ্যৰে গঠিত এখন কাৰ্যকৰী সমিতি থাকিব আৰু তাত নিৰ্বাচিত একোজন সভাপতি, উপ-সভাপতি, সম্পাদক, সহকাৰী সম্পাদক আৰু ধনভঁৰালী থাকিব। লগতে এজন পত্ৰিকা সম্পাদক বা প্ৰকাশন সচিব থাকিব।

(চ) শাখা সভাৰ ক্ষেত্ৰত সভাৰ নিয়মাৱলীৰ ৬ (ক, খ, গ), ১৩, ১৪, ২১, ২২, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯, ৩৩ (ঘ), ৪৯, ৫০, ৭০, ৭১, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮, ৭৯, ৮০ (ক, খ) বিধি প্ৰযোজ্য হ'ব। উল্লেখ থাকে মূল সভাৰ সম্পাদকহে 'প্ৰধান সম্পাদক' স্বৰূপে চিহ্নিত হ'ব। শাখা বা জিলাৰ সম্পাদক কেৱল 'সম্পাদক' হিচাপে চিহ্নিত হ'ব।

(ছ) শাখা সভাৰ কাৰ্যকাল দুবছৰীয়া হ'ব। শাখা সভাভুক্ত হোৱাৰ পিছত সময়ে সময়ে নকৈ ভৰ্তি হোৱা সভ্যৰ ভৰ্তি মাচুল, বছৰেকীয় বৰঙণি, জাতীয় ন্যাস পুঁজি বৰঙণি, কৰ্মচাৰীৰ সাহায্য বৰঙণি মূল সভালৈ হিচাপৰ সৈতে প্ৰতিটো খ্ৰীষ্টিয় বৰ্ষৰ ৩১ ডিচেম্বৰৰ আগত পঠিয়াব লাগিব।

(জ) প্ৰতিগৰাকী সভ্যৰ বছৰেকীয়া বৰঙণিৰ ৩.০০ (তিনি টকা) শাখা সভাই পাব। অসমৰ বাহিৰৰ শাখা সাহিত্য সভাসমূহ যিহেতু কোনো জিলাৰ অন্তৰ্ভুক্ত নহয় সেয়ে জিলাৰ বৰঙণি ২.০০ (দুটকা) উক্ত শাখাসমূহে পাব।

(ঝ) শাখা সভাই নিজৰ কাম-কাজ ৰূপায়ণৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰিব পাৰিব আৰু স্থাৱৰ-অস্থাৱৰ সম্পত্তি অৰ্জন কৰিব পাৰিব। কিন্তু শাখাৰ নামত কোনো হিতৈষী সভ্য বা আজীৱন সভ্য ভৰ্তি কৰিব নোৱাৰিব। শাখা সভাই দান-বৰঙণিৰ বাবে নিজাববীয়াকৈ ৰচিদ বহী ছপা কৰি ল'ব পাৰিব।

(ঞ) 'শাখা সভা' গঠন কৰিবলৈ ভৰ্তি মাচুল আৰু বৰঙণি তোলোতে সম্পাদকে সভ্যৰ তালিকা পঞ্জীয়ন বহীত নাম লিখি (ওপৰঞ্চি 'খ') বৰঙণি আদায় কৰিব। মূল সভালৈ টকা পঠোৱাৰ পিছত মূল সভাই জিলা সভাৰ যোগে শাখালৈ সেই সভ্যসকলৰ বৰঙণি আদিৰ সুকীয়া ৰচিদ পঠিয়াব। দেয় ধন সভাৰ কেন্দ্ৰীয়, গুৱাহাটী অথবা আঞ্চলিক কাৰ্যালয়ত জমা দিব পাৰিব।

(ট) প্ৰতি শাখা সভাই একোখন আয়-ব্যয়ৰ বহী, ৰচিদ আৰু দেয়কৰ নথি,

এখন হিচাপ পৰীক্ষাৰ বহী আৰু এখন সভ্যৰ তালিকা পঞ্জীয়ন বহীৰ নিয়মমতে ৰাখিব লাগিব।

(ঠ) সকলো শাখা সভাই জিলা সাহিত্য সভাৰযোগে সভ্য ভৰ্তিৰ বহী সংগ্ৰহ কৰিব পাৰিব আৰু দেয় ধন জিলা সভা অথবা সভাৰ যিকোনো কাৰ্যালয়ত জমা দিব লাগিব।

(ড) শাখা সভাই অৰ্জন কৰা সকলো সম্পত্তিৰ অৱৰক্ষণ মূল সভাৰ নিৰ্দেশ অনুসৰি হ'ব আৰু শাখা সভা নিষ্ক্ৰিয় হ'লে বা অবলুপ্তি ঘটিলে সেই শাখাৰ সকলো স্থাবৰ-অস্থাবৰ সম্পত্তি মূল সভাৰ পোনপটীয়া অধিকাৰলৈ আহিব।

(ঢ) এপ্ৰিল মাহৰ ভিতৰতে প্ৰতি শাখা সভাই আয়-ব্যয়ৰ আনুমানিক বিৱৰণ (বাজেট) প্ৰস্তুত কৰি নিজ কাৰ্যনিৰ্বাহক সমিতিত গৃহীত কৰাই মূল সভালৈ পঠিয়াব আৰু মূল সভাৰ অনুমোদন অনুসাৰে খৰচ কৰিব।

(ণ) শাখা সভাৰ সকলো টকা-কড়ি ওচৰৰ কোনো ডাকঘৰ বা বেংকত শাখা সভাৰ নামত সভাৰ সম্পাদক আৰু ধনভঁৰালীৰ যুটীয়া স্বাক্ষৰত লেনদেন কৰিব পৰাকৈ ৰাখিব লাগিব। শাখাৰ সম্পাদকৰ হাতত ২০০.০০ (দুশ) টকাতকৈ সৰহ ধন ৰাখিব নোৱাৰিব।

(ত) শাখা সভাৰ বিষয়ববীয়াৰ পদ খালী হ'লে নিয়মাৱলীৰ ২২ বিধি প্ৰযোজ্য হ'ব। শাখা সভাৰ বাৰ্ষিক অধিৱেশনত গৃহীত হোৱা জমা-খৰচৰ হিচাপ, পৰৱৰ্তী বছৰৰ বাবে গঠিত হোৱা কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলৰ নাম-ঠিকনা অধিৱেশনৰ সামৰণিৰ ১৫ দিনৰ ভিতৰত সভাৰ কেন্দ্ৰীয় কাৰ্যালয়লৈ পঠাব লাগিব। ইয়াৰ পৰিপন্থী কাম কৰিলে বিষয়ববীয়াৰ বিৰুদ্ধে প্ৰচলিত আইন অনুসৰি ব্যৱস্থা লোৱা হ'ব।

অষ্টম ছেদ ঃ জিলা সাহিত্য সভা

৩১। (ক) অসম সাহিত্য সভাৰ সাংগঠনিক কাম-কাজৰ সুবিধাৰ বাবে সভাৰ নিয়মাৱলীৰ চতুৰ্থ ছেদৰ ৬ (গ) বিধি অনুসৰি অসমৰ প্ৰত্যেক প্ৰশাসনীয় জিলাৰ শাখাসমূহলৈ সভাই একোখন 'জিলা সাহিত্য সভা' গঠন কৰিব। এই জিলা সভা নিয়মাৱলীৰ (ঘ) মতে, ১৮৬০ খ্ৰীষ্টাব্দৰ ২১ নং আইন অনুসৰি ১৯২৪ খ্ৰীষ্টাব্দৰ ৫ মে' তাৰিখে পঞ্জীভুক্ত হোৱা অসম সাহিত্য সভা পঞ্জীয়নৰ অন্তৰ্গত হ'ব। কোনো জিলা সভা সুকীয়াকৈ পঞ্জীয়ন কৰাব নোৱাৰিব। (ওপৰৰ্থিত (চ) আৰু (চ) অতিৰিক্ত প্ৰ-পত্ৰ জিলা সভাই পূৰ্ণ কৰি পঠিয়াব)। প্ৰত্যেক জিলা সভাই বাৰ্ষিক বৰঙণি ৫০.০০ (পঞ্চাশ) টকা, জাতীয় ন্যাস পুঁজিলৈ বৰঙণি ১০০.০০ (এশ) টকা আৰু প্ৰতি সংখ্যাৰ ২৫খন পত্ৰিকাৰ বৰঙণি দিলেহে সক্ৰিয় বুলি ধৰা হ'ব।

(খ) জিলা সভাই মূল সভাৰ কৰ্তৃত্বৰ অধীনত থাকি সভাৰ উদ্দেশ্য আৰু লক্ষ্য পূৰণৰ বাবে এটা 'সাংগঠনিক স্তৰ' হিচাপে কাম কৰিব।

(গ) জিলা সভাই নিজৰ জিলাত সভাৰ নিয়মাৱলীৰ চতুৰ্থ ছেদৰ ৬ (খ) বিধি অনুসৰি শাখা সভা গঠন কৰিব, দুবছৰ বা ততোধিক সময়ৰ বছৰেকীয়া সভ্য ভৰ্তিৰ বৰঙণি আদায় নকৰা আৰু মূল সভাৰ নিৰ্দেশ অনুসৰি নিয়মীয়া কমসূচী ৰূপায়ণ নকৰা নিষ্ক্ৰিয় শাখা সভা সক্ৰিয় কৰি তোলাৰ ব্যৱস্থা কৰিব, কোনো শাখা সভাই সভাৰ নিয়মাৱলী ভংগ কৰা দেখিলে মূল সভাক জনাব আৰু সভাৰ প্ৰধান সম্পাদকৰ অনুমোদনক্ৰমে ব্যৱস্থা গ্ৰহণ কৰিব।

(ঘ) জিলাত গঠিত সকলো 'শাখা সভা' জিলা সভাৰ অন্তৰ্গত হ'ব। মূল সভাই পোনে পোনে নাইবা চাহ বাগিচা উপ-সমিতি আৰু চৰ-চাপৰি উপ-সমিতিৰ যোগে গঠন কৰা শাখা সভাসমূহৰ ক্ষেত্ৰত জিলা সভাক সেই সম্পৰ্কে আৱশ্যকীয় তথ্যপাতি দি প্ৰধান সম্পাদকে তেনে শাখাক অন্তৰ্ভুক্ত কৰি ল'বৰ বাবে জিলা সভাক জাননী দিব।

(ঙ) শাখা সভাসমূহৰ যোগে কৰা সভ্যসকলৰ প্ৰতিগৰাকী সভ্যৰ কেৱল বছৰেকীয়া বৰঙণিৰ ২.০০ (দুটকা) সংশ্লিষ্ট জিলা সাহিত্য সভাই পাব।

(চ) প্ৰতি জিলা সভাই নিজৰ কাম-কাজ চলাবৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰিব পাৰিব আৰু স্থাৱৰ-অৱস্থাৱৰ সম্পত্তি অৰ্জন কৰিব পাৰিব। কিন্তু জিলা সভাৰ নামত কোনো হিতৈষী সভ্য বা আজীৱন সভ্য ভৰ্তি কৰিব নোৱাৰিব।

(ছ) জিলা সভাই অৰ্জন কৰা সকলো সম্পত্তিৰ অৱৰক্ষণ অসম সাহিত্য সভাৰ বিধি আৰু নিৰ্দেশ অনুসৰি হ'ব আৰু কোনো জিলা সভা নিষ্ক্ৰিয় হ'লে সেই জিলা সভাৰ সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তি মূল সভাৰ পোনপটীয়া অধিকাৰলৈ আহিব।

(জ) জিলা সভাৰ এগৰাকী সভাপতি, এগৰাকী উপ-সভাপতি, এগৰাকী সম্পাদক, এগৰাকী সহকাৰী সম্পাদক, এগৰাকী ধনভঁৰালী, এগৰাকী পত্ৰিকা সম্পাদক বা প্ৰকাশন সচিব আৰু অন্যূন ৯ জন সদস্যৰে এখন ১৫ জনীয়া 'কাৰ্যনিৰ্বাহক সমিতি' থাকিব। কোনো ক্ষেত্ৰতে কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়াসহ সদস্য সংখ্যা ২১ জনৰ বেছি হ'ব নোৱাৰিব। সদস্য নিৰ্বাচন কৰোঁতে যাতে স্থানীয় লেখক-লেখিকা, মূল সভাৰ আজীৱন সভ্য, হিতৈষী সভ্য, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অনুৰাগী আদি অন্তৰ্ভুক্ত হয় তাৰ প্ৰতি চকু ৰাখিব। বছৰত কমেও ৪ বাৰ কাৰ্যনিৰ্বাহক সমিতি বহুৱাব লাগিব।

(ঝ) সমিতিৰ কাৰ্যকাল দুবছৰীয়া হ'ব আৰু কোনো কাৰণতে একেলেথাৰিয়ে চাৰি বছৰতকৈ অধিক কাল একেটা পদতে কোনো ব্যক্তি সমিতিৰ বিষয়ববীয়া

বা সদস্য হৈ থাকিব নোৱাৰিব। শাখা সভাৰ কাৰ্যকাল দুবছৰ হ'ব আৰু ৩নং বিধি প্ৰযোজ্য হ'ব।

(ঞ) জিলা সভাৰ সম্পাদক কাৰ্যনিৰ্বাহক সমিতি, প্ৰতিনিধি সভা, অধিৱেশন আৰু উপ-সমিতিৰ আহ্বায়ক হ'ব।

(ট) জিলা সাহিত্য সভাৰ ক্ষেত্ৰতো নিয়মাৱলীৰ ৬ (ক, খ, গ), ১৩, ১৪, ২১, ২২, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯, ৩৩ (ঘ), ৪৯, ৫০, ৭০, ৭১, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮, ৭৯, ৮০ (ক, খ) বিধি প্ৰযোজ্য হ'ব। উল্লেখযোগ্য যে মূল সভাৰ সম্পাদকহে 'প্ৰধান সম্পাদক' স্বৰূপে চিহ্নিত হ'ব। শাখা বা জিলাৰ সম্পাদক কেৱল 'সম্পাদক' হিচাপে চিহ্নিত হ'ব।

(ঠ) প্ৰতি জিলা সভাই মূল সভাৰ দ্বাৰা প্ৰকাশিত পত্ৰিকাৰ কমেও প্ৰত্যেক সংখ্যাৰ ৪০ খনকৈ ল'ব লাগিব। জিলা সভাই সভাৰ পত্ৰিকা আৰু প্ৰকাশন কাৰ্যনিৰ্বাহক সমিতিয়ে বান্ধি দিয়া মতে ৰেহাই মূল্যত পাব।

(ড) প্ৰতি জিলা সভাই মূল সভালৈ পঠিয়াবলগীয়া বছৰেকীয়া বৰঙণি, পত্ৰিকাৰ বৰঙণি আৰু শাখাৰ তালিকাসহ বছৰেকীয়া কামৰ বিৱৰণ, পৰীক্ষিত সাধাৰণ সভাৰ গৃহীত আয়-ব্যয়ৰ প্ৰতিবেদন প্ৰতি খ্ৰীষ্টিয় বৰ্ষৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখৰ ভিতৰত পঠিয়াব লাগিব। প্ৰধান সম্পাদকৰ নামত কেন্দ্ৰীয় কাৰ্যালয়লৈ কোনো জিলা সভাই বছৰেকীয়া বৰঙণি, পত্ৰিকাৰ বৰঙণি আৰু অন্যান্য দেয় ধন আদায়ৰ লগতে শাখা সভাৰ পৰা সংগ্ৰহ কৰা সভ্য ভৰ্তিৰ বহীসহ মাচুল, বৰঙণি আৰু জাতীয় ন্যাস পুঁজিৰ বৰঙণি আদায় নকৰিলে তেনে জিলা সভাই অসম সাহিত্য সভাৰ বছৰেকীয়া বিশেষ সভা, প্ৰতিনিধি সভা বা কোনো প্ৰতিনিধিত্বমূলক সভাত প্ৰতিনিধিত্ব কৰিব নোৱাৰিব আৰু তেনে জিলা সভা নিয়মাৱলীৰ ষষ্ঠ ছেদৰ ২৪ বিধি অনুসৰি অনুশাসনমূলক ব্যৱস্থাৰ সন্মুখীন হ'ব লাগিব।

(ঢ) প্ৰত্যেক জিলা সভাই জিলাৰ অন্তৰ্গত শাখাসমূহৰ যোগে অসম সাহিত্য সভাৰ সভ্য ভৰ্তিৰ বাবে আৱশ্যকীয় সংখ্যক সভা ভৰ্তিৰ বহী সময়মতে সংগ্ৰহ কৰিব, বিতৰণ কৰিব আৰু ৩১ ডিচেম্বৰৰ ভিতৰত কাৰ্যালয়ত জমা দিব লাগিব।

(ণ) জিলা সভাই একোখন আয়-ব্যয়ৰ বহী, ৰচিদ আৰু দেয়কৰ নথি, হিচাপ পৰীক্ষাৰ বহী আৰু শাখাৰ শুদ্ধ ঠিকনা তালিকাসহ আৱশ্যকীয় বহী আৰু নথি নিয়মমতে ৰাখি ব্যৱহাৰ কৰিব। জিলাৰ সম্পাদকে এই সকলো দায়িত্ব বহন কৰিব। শাখা সভাৰ সম্পাদক সলনি হ'লে জিলা সভাই মূল সভাক জনাব

যাতে যোগাযোগৰ ক্ষেত্ৰত সম্ভাব্য ত্ৰুটি-বিচ্যুতি দূৰ কৰিব পাৰিব।

(ত) জিলা সভাই স্থানীয় ডাকঘৰ বা যিকোনো বেংকত জিলা সভাৰ নামত এটা হিচাপ খুলিব আৰু এই হিচাপ সম্পাদক আৰু ধনভঁৰালীৰ যুটীয়া স্বাক্ষৰত পৰিচালনা কৰিব। জিলা সভাৰ সম্পাদকৰ হাতত ৫০০.০০ (পাঁচশ) টকাতকৈ অধিক ধন ৰাখিব নোৱাৰিব।

(থ) প্ৰত্যেক জিলা সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে এই সভাৰ অন্তৰ্গত শাখা সভাসমূহৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত জিলা সভাৰ পৰৱৰ্তী বছৰৰ সভাপতি পদৰ বাবে অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি থকা, বিদ্যায়তনিক আৰু সভাৰ সাংগঠনিক ক্ষেত্ৰত অভিজ্ঞ ৫০ (পঞ্চাশ) বছৰৰ ওপৰ বয়সৰ ব্যক্তিৰ নাম প্ৰস্তাৱ কৰি আনিব লাগিব। উপ-সভাপতিৰ ক্ষেত্ৰত ব্যক্তিগৰাকীৰ বয়স ৪৫ বছৰৰ ওপৰ আৰু সম্পাদকৰ ক্ষেত্ৰত ৩৫ বছৰৰ ওপৰত হ'ব লাগিব। তেওঁলোকৰ দুয়োৰে শাখা সভা পৰ্যায়ত সাংগঠনিক ক্ষেত্ৰত কমেও ৬ বছৰ কাম কৰাৰ অভিজ্ঞতা, অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি থাকিব লাগিব। জিলা সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদকৰ নিৰ্বাচনী পদ্ধতি মূল সভাৰ নিৰ্বাচনী পদ্ধতিৰে অনুষ্ঠিত হ'ব। এই কাৰ্যৰ বাবে মূল সভাৰ নিৰ্বাচনী বিধি সম্পূৰ্ণ প্ৰযোজ্য হ'ব। কোনো ওজৰ-আপত্তি থাকিলে মূল সভাক অৱগত কৰিব পাৰিব আৰু মূল সভাৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

(দ) জিলা সভাৰ সভাপতিৰ ক্ষেত্ৰত নিয়মাৱলীৰ ৪২ (১) (গ, ঘ) বিধি প্ৰযোজ্য হ'ব।

(ধ) জিলা সভাৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদকৰ বাহিৰে অন্যান্য বিষয়ববীয়াসকল মূল সভাৰ দৰে প্ৰাৰম্ভিক বৈঠকত মনোনীত হ'ব।

(ন) মূল সভাৰ নিয়মাৱলী জিলা সভাৰ বাবেও আৰ্হি হ'ব আৰু উল্লিখিত বিধিৰ অন্তৰ্গত নোহোৱা কোনো বিষয়ৰ ক্ষেত্ৰত মূল সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত আৰু নিৰ্দেশ পালনীয় হ'ব।

(প) জিলা সাহিত্য সভাৰ অন্যান্য বিষয়ববীয়া কাৰ্যনিৰ্বাহক সদস্যসকলে নিজ নিজ জিলাত, জিলা সভাৰ অন্তৰ্গত শাখা সভাসমূহৰ যোগে মূল সভাৰ নতুন সভ্য ভৰ্তিকৰণ, নবীকৰণ, সন্মানীয় হিতৈষী সভ্য, হিতৈষী সভ্য আৰু আজীৱন সভ্য ভৰ্তি, নিষ্ক্ৰিয় শাখা সক্ৰিয়কৰণ, নতুন শাখা গঠন, শাখা সভাৰ কাৰ্যসূচী ৰূপায়ণ আৰু বাৰ্ষিক প্ৰতিবেদন গ্ৰহণৰ ক্ষেত্ৰত মূল সভাৰ হৈ পদক্ষেপ গ্ৰহণৰ বাবে দায়িত্ব পালন কৰিব। এই দায়িত্ব পালন কৰোঁতে হোৱা ভ্ৰমণ ব্যয় মূল সভাৰ পৰা দিয়া নহ'ব।

নৱম ছেদ ঃ স্বীকৃত সাহিত্য সভা

৩২। (ক) যিকোনো শিক্ষা, সংস্কৃতিমূলক সাহিত্যানুষ্ঠান বা সভাই অসম সাহিত্য সভাৰ উদ্দেশ্য আৰু নিয়মাৱলী মানি চলাৰ প্ৰতিশ্ৰুতি দি ভৰ্তি মাচুল ২০০.০০ (দুশ) টকা, বাৰ্ষিক বৰঙণি ১৫০.০০ (ডেৰশ) টকা, জাতীয় ন্যাস পুঁজিলৈ ১০০.০০ (এশ) টকা দিলে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে 'স্বীকৃত সভা' হিচাপে অনুমোদন জনাব পাৰিব। এনে সভাৰ একোজন প্ৰতিনিধিয়ে অধিৱেশনত যোগদান কৰিব পাৰিব। কিন্তু ভোটাধিকাৰ নাথাকিব।

(খ) স্বীকৃত সভাই প্ৰতি বছৰে সভাৰ বাৰ্ষিক অধিৱেশনৰ অন্ততঃ ৩ মাহৰ আগতে বাৰ্ষিক বৰঙণি ১৫০.০০ (ডেৰশ) টকা, জাতীয় ন্যাস পুঁজিলৈ বৰঙণি ১০০.০০ (এশ) টকা জমা দি নবীকৰণ কৰিব লাগিব।

দশম ছেদ ঃ অধিৱেশন

৩৩। (ক) সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন দুবছৰৰ মূৰত বহিব।

(খ) মাজৰ বছৰটোত বিশেষ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনত কাৰ্যনিৰ্বাহক সভা, প্ৰতিনিধি সভা, মুকলি সভা আদিৰে তিনিদিনতকৈ বেছি হ'ব নালাগিব। অধিৱেশন শাখা আৰু জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকসকলক লৈ অনুষ্ঠিত হ'ব। তেওঁলোক অপাৰগ হ'লে মনোনীত প্ৰতিনিধি পঠাব পাৰিব।

(গ) বিশেষ বাৰ্ষিক অধিৱেশন কোনো শাখা বা জিলা সভাই নিমন্ত্ৰণ জনাব পাৰিব, অন্যথা সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত হ'ব।

(ঘ) যি ঠাইত অধিৱেশন আমন্ত্ৰণ কৰে, সেই ঠাইৰ শাখা সভাই লিখিতভাৱে আমন্ত্ৰণ জনাব পাৰিব। কিন্তু সংশ্লিষ্ট জিলাৰ অনুমোদন ল'ব তথা সভাৰ নিয়মাৱলীৰ উপ-বিধিৰ 'খ' ছেদ যথাযথভাৱে পালন কৰাৰ প্ৰতিশ্ৰুতি দান কৰিব লাগিব।

(ঙ) বিশেষ আৰু দ্বি-বাৰ্ষিক অধিৱেশনৰ 'স্থান নিৰ্বাচন উপ-সমিতি' নিম্নলিখিত সদস্যৰে গঠিত হ'ব।

১। সভাৰ বৰ্তমান বছৰৰ সভাপতি

২। সভাৰ বৰ্তমান বছৰৰ উপ-সভাপতি

৩। সভাৰ বৰ্তমান বছৰৰ প্ৰধান সম্পাদক

৪। কাৰ্যনিৰ্বাহকৰ দ্বাৰা মনোনীত দুগৰাকী সদস্য

৩৪। উপবিধি 'খ' ছেদৰ আধাৰত অধিৱেশন আমন্ত্ৰণ কৰা শাখা সভা, আদৰণী

সমিতিয়ে সভাৰ লগত এখনি চুক্তিত (দলিলত) স্বাক্ষৰ কৰিব লাগিব।

৩৫। অধিবেশনৰ কাৰণে প্ৰত্যেক শাখা সভাই প্ৰতি ৫০ (পঞ্চাশ) জন সভ্যৰ পৰা এজনকৈ আৰু ওপৰঞ্চি ২৫ (পঁচিশ) জনত এজনকৈ প্ৰতিনিধি পঠাব পাৰিব। (ব্যাখ্যা ঃ ১-৫০-৭৪ লৈ এজন, ৭৫-১২৪ লৈ দুজন, ১২৫-১৭৪ লৈ তিনিজন, ১৭৫-২২৪ লৈ চাৰিজন, ২২৫-২৭৪ লৈ পাঁচজন, ২৭৫-৩২৪ লৈ ছজন। এই অনুক্ৰমে প্ৰতিনিধিত্ব পাব)।

৩৬। শাখা সভাৰ প্ৰতিনিধি, কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য, প্ৰাক্তন সভাপতি, প্ৰাক্তন উপ-সভাপতি, প্ৰাক্তন প্ৰধান সম্পাদক, সন্মানীয় হিতৈষী সভ্য, হিতৈষী সভ্য, জিলা সভাৰ সভাপতি আৰু সম্পাদকে দ্বি-বাৰ্ষিক অধিবেশনৰ কাৰ্যসূচীত যোগদান কৰিব।

৩৭। (ক) অধিবেশনৰ আদৰণী সমিতিয়ে অধিবেশনলৈ সমিতিৰ ৩ জন সভ্য প্ৰতিনিধি হিচাপে পঠিয়াব পাৰিব।

(খ) কাৰ্যনিৰ্বাহক সমিতিয়ে আজীৱন সভ্যৰ ৫০ জনৰ মাজৰ পৰা ১ জন কৈ প্ৰতিনিধি নিৰ্বাচন কৰাৰ ব্যৱস্থা কৰিব।

৩৮। সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰত্যেক শাখা সভা, জিলা সাহিত্য সভা, আদৰণী সমিতিৰ প্ৰস্তাৱ আগবঢ়োৱাৰ অধিকাৰ থাকিব। নিষ্ক্ৰিয় জিলা আৰু শাখা সভাসমূহৰ প্ৰস্তাৱ আগবঢ়োৱাৰ অধিকাৰ নাথাকিব।

৩৯। (ক) 'অসমীয়া ভাষা-সাহিত্যলৈ মৌলিক বৰঙণি আগবঢ়োৱা অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠিত লেখকৰূপে স্বীকৃত, পঞ্চাশোৰ্ধ বয়সৰ লব্ধপ্ৰতিষ্ঠ একোগৰাকী লেখক-লেখিকাৰ নাম অসম সাহিত্য সভাৰ প্ৰতিখন জিলা সভা, শাখা সভা আৰু আদৰণী সমিতিৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত পোৱাকৈ নিৰ্বাচনী বিষয়াই প্ৰস্তাৱ আহ্বান কৰিব। সভাই পঠিওৱা প্ৰস্তাৱ প্ৰ-পত্ৰখনত জিলা আৰু শাখা সভাৰ সভাপতি আৰু সম্পাদকৰ স্বাক্ষৰসহ ছীল-মোহৰ মাৰি নিৰ্ধাৰিত কৰা 'পোষ্ট বক্স' নম্বৰত জমা হ'ব। নিৰ্বাচনী বিষয়াই এনেদৰে অহা প্ৰস্তাৱসমূহ কাৰ্যনিৰ্বাহকৰ আগেয়ে কৰ্ণধাৰ সমিতিৰ সভাত গণনা কৰি ক্ৰমানুসৰি সৰ্বাধিক মনোনয়ন লাভ কৰা ব্যক্তিৰ তালিকা প্ৰস্তুত কৰি ছীল-মোহৰ মাৰি সভাৰ সভাপতিৰ হাতত দাখিল কৰিব। সভাপতিয়ে উপ-সভাপতিৰ লগত আলোচনা কৰি উক্ত তালিকাৰ ভিত্তিত প্ৰধান সম্পাদকৰ যোগে সেই তালিকা ক্ৰম অনুসৰি প্ৰথমৰ পৰা ব্যক্তিগৰাকীৰ সন্মতি লৈ নিৰ্বাচনী বিষয়াক দাখিল কৰিব। নিৰ্বাচনী বিষয়াই পৰৱৰ্তী কাৰ্যনিৰ্বাহকত সভাপতিগৰাকীৰ নাম ঘোষণা কৰিব। এই কাৰ্য ৩১ ডিচেম্বৰৰ ভিতৰত সম্পন্ন কৰিব লাগিব। যিহেতুকে সভাৰ সভাপতিগৰাকী সভাৰ সৰ্বোচ্চ সন্মানৰ অধিকাৰী, সেয়ে দুটা

কাৰ্যকালতকৈ অধিক কালৰ বাবে এগৰাকী ব্যক্তি আৰু ইতিমধ্যে সভাৰ সভাপতি পদ অলংকৃত কৰাসকলৰ নাম দুনাই সভাপতি পদৰ বাবে বিবেচিত নহ'ব।

৪০। কাৰ্যভাৰ লোৱাৰ আগতে সেই পদ খালী হ'লে কাৰ্যনিৰ্বাহক সমিতিয়ে তালিকাৰ ক্ৰম অনুসৰি পিছৰ জনৰ সন্মতি লৈ 'সভাপতি' হিচাপে ঘোষণা কৰিব।

৪১। (ক) আকস্মিক কাৰণত 'সভাপতি' সেই অধিৱেশনত উপস্থিত হ'ব নোৱাৰিলে নিৰ্বাচিত উপ-সভাপতিয়ে অধিৱেশনৰ কাৰ্যসূচী পৰিচালনা কৰিব।

(খ) প্ৰথম বছৰৰ শেষত চলিত বছৰৰ কাৰ্যনিৰ্বাহকৰ সকলো সদস্য জিলাসমূহৰ সভাপতি আৰু সম্পাদক, শাখা সভাসমূহৰ সভাপতি, সম্পাদক আৰু সন্মানিত আৰু বিশেষ সভ্যসকলক আমন্ত্ৰণ কৰি 'বিশেষ বাৰ্ষিক অধিৱেশন' অনুষ্ঠিত হ'ব। উক্ত সভাত বছৰটোত সমাপন হোৱা সকলো কাম-কাজ আৰু আয়-ব্যয়ৰ খতিয়ান দাঙি ধৰিব লাগিব।

একাদশ ছেদ ঃ বিষয়ববীয়াসকল

সভাপতি

৪২। (১) (ক) নিয়মাৱলীৰ ৩৯ বিধি অনুসৰি সভাপতি নিৰ্বাচিত হ'ব।

(খ) সভাপতি সভাৰ মুখ্য কাৰ্যকৰ্তা হ'ব আৰু তেওঁৰ ওপৰতে সাধাৰণভাৱে সভাৰ সকলো দায়িত্ব ন্যস্ত থাকিব।

(গ) তেওঁ মূল অধিৱেশনত, কাৰ্যনিৰ্বাহক সমিতিৰ সকলো অধিৱেশনত, সভাৰ সকলো অনুষ্ঠানত আৰু পৰৱৰ্তী বছৰৰ অধিৱেশনৰ প্ৰতিনিধি সভাত সভাপতিত্ব কৰিব।

(ঘ) কাৰ্যনিৰ্বাহক সমিতি বা প্ৰতিনিধি সভাই গঠন কৰি দিয়া যিকোনো উপ-সমিতিৰ বৈঠকত উপস্থিত থকাৰ অধিকাৰ তেওঁৰ থাকিব আৰু উপস্থিত থাকিলে তেৱেঁই সেই বৈঠকৰ সভাপতি হ'ব।

(ঙ) নিয়মাৱলীৰ কোনো নিয়মৰ ব্যতিক্ৰম বা অপব্যৱহাৰ হোৱা দেখিলে নিয়মতান্ত্ৰিকতা ৰক্ষাৰ হকে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব।

(চ) সভাপতিৰ অনুপস্থিতিত সভাৰ সকলো অনুষ্ঠানত উপ-সভাপতিয়ে সভাপতিত্ব কৰিব। কোনো বিশেষ অনুষ্ঠানত সভাপতিত্ব কৰিবৰ বাবে সভাৰ প্ৰাক্তন সভাপতি এগৰাকীক কাৰ্যনিৰ্বাহক সমিতিয়ে নিমন্ত্ৰণ জনাব পাৰিব।

(ছ) মনোনীত কোনো বিষয়ববীয়াৰ কামত সন্তুষ্ট হ'ব নোৱাৰিলে উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ লগত আলোচনা কৰি উক্ত মনোনীত বিষয়ববীয়া বা সদস্যক বাদ দি আনৰ ওপৰত দায়িত্ব ন্যস্ত কৰিব পাৰিব।

উপ-সভাপতি

৪২। (২) (ক) 'অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি আগবঢ়োৱা অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠিত লেখকৰূপে স্বীকৃত, সভাৰ লগত ঘনিষ্ঠভাৱে জড়িত ৪৫ৰ ওপৰত বয়সৰ একোগৰাকী লেখক-লেখিকাৰ নাম অসম সাহিত্য সভাৰ প্ৰতিখন জিলা আৰু শাখা সভাসমূহৰ লগতে আদৰণী সমিতিৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত পোৱাকৈ নিৰ্বাচনী বিষয়াই প্ৰস্তাৱ আহ্বান কৰিব। সভাই পঠিওৱা প্ৰস্তাৱ প্ৰ-পত্ৰখনত জিলা আৰু শাখা সভাৰ সভাপতি আৰু সম্পাদকৰ স্বাক্ষৰসহ ছীল-মোহৰ মাৰি নিৰ্ধাৰিত কৰা 'পোষ্ট বক্স' নম্বৰত জমা হ'ব। নিৰ্বাচনী বিষয়াই এনেদৰে অহা প্ৰস্তাৱসমূহ কাৰ্যনিৰ্বাহকৰ আগেয়ে কৰ্ণধাৰ সমিতিৰ সভাত গণনা কৰি ক্ৰমানুসৰি সৰ্বাধিক মনোনয়ন লাভ কৰা ব্যক্তিৰ তালিকা প্ৰস্তুত কৰি ছীল-মোহৰ মাৰি সভাৰ সভাপতিৰ হাতত দাখিল কৰিব। সভাপতিয়ে উপ-সভাপতিৰ লগত আলোচনা কৰি উক্ত তালিকাৰ ভিত্তিত প্ৰধান সম্পাদকৰ যোগে সেই তালিকাৰ ক্ৰম অনুসৰি প্ৰথমৰ পৰা ব্যক্তিগৰাকীৰ সন্মতি লৈ নিৰ্বাচনী বিষয়াক দাখিল কৰিব। নিৰ্বাচনী বিষয়াই পৰৱৰ্তী কাৰ্যনিৰ্বাহকত উপ-সভাপতিগৰাকীৰ নাম ঘোষণা কৰিব। এই কাৰ্য ৩১ ডিচেম্বৰৰ ভিতৰত সম্পন্ন কৰিব লাগিব।

(খ) সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে সকলো কাম চলাব। কাৰ্যকালৰ মাজতে সভাপতিৰ পদ খালী হ'লে উপ-সভাপতিয়ে ভাৰপ্ৰাপ্ত সভাপতিস্বৰূপে কাৰ্যনিৰ্বাহ কৰিব। সভাৰ বিত্তীয় লেনদেন উপ-সভাপতিয়ে পৰ্যবেক্ষণ আৰু চোৱা-চিতা কৰিব আৰু প্ৰয়োজন সাপেক্ষে সভাপতিক অৱগত কৰি পৰামৰ্শ লৈ প্ৰধান সম্পাদকক জনাব।

(গ) যিকোনো কাৰণত উপ-সভাপতিৰ পদ খালী হ'লে কাৰ্যনিৰ্বাহক সমিতিয়ে কাৰ্যনিৰ্বাহকৰ মাজৰ পৰা উপযুক্ত বুলি বিবেচিত এগৰাকীক উপ-সভাপতি হিচাপে মনোনীত কৰিব।

(ঘ) সভাৰ এহাজাৰ বা তাতকৈ অধিক লেনদেনৰ ক্ষেত্ৰত প্ৰধান সম্পাদকে উপ-সভাপতিৰ অনুমোদন ল'ব লাগিব। সভাপতিৰ অনুপস্থিতিত সভাৰ ন্যাস সমিতি আৰু উপ-সমিতিসমূহৰ সভাত উপ-সভাপতিয়ে সভাপতিত্ব কৰিব আৰু সভাপতিক অৱগত কৰাব।

(ঙ) সাংগঠনিক কামত মনোযোগ দিয়াৰ উপৰি তেওঁ সভাৰ কাৰ্যসূচী ৰূপায়ণতো মনোনিৱেশ কৰিব।

(চ) শাখা সভাসমূহৰ বাৰ্ষিক অধিৱেশনৰ আমন্ত্ৰণ ৰক্ষা কৰিব আৰু সভাপতিৰ পৰামৰ্শ মৰ্মে জিলাৰ অধিৱেশনতো যোগদান কৰিব।

প্ৰধান সম্পাদক

৪২। (৩) (ক) অসমীয়া ভাষা-সাহিত্যৰ লেখকৰূপে স্বীকৃত, সভাৰ লগত ঘনিষ্ঠভাৱে জড়িত ৩৫ৰ ওপৰ বয়সৰ একোগৰাকী লেখক-লেখিকাৰ নাম অসম সাহিত্য সভাৰ প্ৰতিখন জিলা আৰু শাখা সভা আৰু আদৰণী সমিতিৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত পোৰাকৈ নিৰ্বাচনী বিষয়াই প্ৰস্তাৱ আহ্বান কৰিব। সভাই পঠিওৱা প্ৰস্তাৱ প্ৰ-পত্ৰখনত জিলা আৰু শাখা সভাৰ সভাপতি আৰু সম্পাদকৰ স্বাক্ষৰসহ ছীল-মোহৰ মাৰি নিৰ্ধাৰিত কৰা 'পোষ্ট বক্স' নম্বৰত জমা হ'ব। নিৰ্বাচনী বিষয়াই এনেদৰে অহা প্ৰস্তাৱসমূহ কাৰ্যনিৰ্বাহকৰ আগেয়ে কৰ্ণধাৰ সমিতিৰ সভাত গণনা কৰি ক্ৰমানুসৰি সৰ্বাধিক মনোনয়ন লাভ কৰা ব্যক্তিৰ তালিকা প্ৰস্তুত কৰি ছীল-মোহৰ মাৰি সভাৰ সভাপতিৰ হাতত দাখিল কৰিব। সভাপতিয়ে উপ-সভাপতিৰ লগত আলোচনা কৰি উক্ত তালিকাৰ ভিত্তিত প্ৰধান সম্পাদকৰ যোগে সেই তালিকাৰ ক্ৰম অনুসৰি প্ৰথমৰ পৰা ব্যক্তিগৰাকীৰ সম্মতি লৈ নিৰ্বাচনী বিষয়াক দাখিল কৰিব। নিৰ্বাচনী বিষয়াই পৰৱৰ্তী কাৰ্যনিৰ্বাহকত প্ৰধান সম্পাদকগৰাকীৰ নাম ঘোষণা কৰিব। এই কাৰ্য ৩১ ডিচেম্বৰৰ ভিতৰত সম্পন্ন কৰিব লাগিব।

(খ) প্ৰধান সম্পাদক কাৰ্যনিৰ্বাহক সমিতিৰ সম্পাদক হ'ব আৰু সমিতিৰ কাৰ্যবিৱৰণী লিখি ৰাখিব।

(গ) সমিতিৰ সিদ্ধান্তসমূহ কাৰ্যত পৰিণত কৰাৰ ব্যৱস্থা কৰিব, কেন্দ্ৰীয় আৰু আনুষংগিক কাৰ্যালয় পৰিচালনা কৰাৰ ঘাই দায়িত্ব তেওঁৰ ওপৰত ন্যস্ত থাকিব।

(ঘ) সভাৰ সকলো উপ-সমিতিৰ পদেন সদস্য হ'ব।

(ঙ) প্ৰতিনিধি সভাৰ সম্পাদক হ'ব আৰু নিজে উপস্থিত থাকি সেই কাৰ্য পৰিচালনাত সভাপতিক সহায় কৰিব।

(চ) অধিৱেশন আৰু কাৰ্যনিৰ্বাহক সমিতিৰ আৰু নিৰ্দিষ্ট কৰা নাথাকিলে সকলো উপ-সমিতিৰ আহ্বায়ক হ'ব।

(ছ) সভাৰ হৈ চুক্তি-পত্ৰ আদিত স্বাক্ষৰ কৰিব, সভাৰ মোকৰ্দমা আদি পৰিচালনা কৰিব। সভাৰ ওপৰত মোকৰ্দমা হ'লে তেওঁৰ নামত হ'ব।

(জ) কাৰ্যনিৰ্বাহক সমিতিৰ পৰামৰ্শ অনুযায়ী আন যাৱতীয় কাৰ্য চলাব।

(ঝ) প্ৰধান সম্পাদক গুৱাহাটীৰ নহ'লে গুৱাহাটীৰ সহকাৰী সম্পাদক তিনিওটি ভৱনৰ অৱৰক্ষণ সমিতিৰ আহ্বায়ক হ'ব। ডিফু, ধুবুৰী আৰু ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ প্ৰদান সম্পাদক সেই সেই ঠাইৰ নহ'লে আঞ্চলিক কাৰ্যালয়ৰ সহকাৰী সম্পাদক সেই ভৱন অৱৰক্ষণ সমিতিসমূহৰ আহ্বায়ক হ'ব। কিন্তু সহকাৰী

সম্পাদকে অৱৰক্ষণৰ কাম সুচাৰুৰূপে চলাব পৰা নাই বুলি প্ৰত্যয় গ'লে কাৰ্যনিৰ্বাহক সমিতিত বিষয়টো উত্থাপন কৰি প্ৰয়োজন সাপেক্ষে প্ৰধান সম্পাদক অৱৰক্ষণ সমিতিসমূহৰ আহ্বায়কৰ দায়িত্ব ল'ব। (চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজিৰ বাহিৰে) প্ৰধান সম্পাদক আৰু সভাৰ ধনভঁৰালীৰ যুটীয়া স্বাক্ষৰত অৱৰক্ষণ পুঁজিসমূহ পৰিচালিত হ'ব।

(ঞ) বিত্তীয় লেনদেনৰ ক্ষেত্ৰত তেওঁ সম্পূৰ্ণ দায়বদ্ধ হ'ব।

(ট) কাৰ্যকালৰ মাজতে প্ৰধান সম্পাদকৰ পদ খালী হ'লে অভিজ্ঞতাৰ ভিত্তিত যিকোনো এজন সহকাৰী সম্পাদকক কাৰ্যনিৰ্বাহক সমিতিয়ে অস্থায়ীভাৱে ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদকৰ দায়িত্ব নিৰ্বাহ কৰিবলৈ দিব পাৰিব। ৬ (ছয়) মাহতকৈ অধিকালৰ বাবে উক্ত পদ খালী হৈ থাকিলে অস্থায়ীভাৱে প্ৰধান সম্পাদকৰ দায়িত্ব নিৰ্বাহ কৰা গৰাকীয়ে প্ৰধান সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

ধনভঁৰালী

৪২। (৪) (ক) প্ৰশাসনীয় সুবিধাৰ্থে কেন্দ্ৰীয় কাৰ্যালয়/গুৱাহাটী কাৰ্যালয় থকা স্থানৰ পৰা মনোনীত কৰিব। তেওঁৰ হিচাপ ৰখাৰ অভিজ্ঞতা থাকিব লাগিব আৰু বিত্তীয় লেনদেনৰ ক্ষেত্ৰত দায়বদ্ধ হ'ব।

(খ) প্ৰধান সম্পাদকে ৰখা সভাৰ হিচাপ-পত্ৰ চাব, সভাৰ বিভিন্ন ন্যাস-পুঁজি আৰু অৱৰক্ষণ পুঁজিসমূহ চাব আৰু কাৰ্যনিৰ্বাহক সমিতিৰ একোটি সমীক্ষামূলক প্ৰতিবেদন দাখিল কৰিব।

(গ) সভাৰ আঁচনি প্ৰণয়ন কৰা, বাজেট প্ৰস্তুত কৰা আৰু সভাৰ হিচাপ-পত্ৰাদি ৰখাত প্ৰধান সম্পাদকক সহায় কৰিব আৰু সভাৰ বছৰেকীয়া হিচাপ পৰীক্ষা কৰোৱাৰ ব্যৱস্থা কৰিব।

সহকাৰী সম্পাদক

৪২। (৫) (ক) প্ৰধান সম্পাদকে ন্যস্ত কৰা সকলো কাৰ্য পৰিচালনা কৰিব। নিজ নিজ কাৰ্যালয়ৰ নথি-পত্ৰাদি সংৰক্ষণ কৰিব।

(ক) প্ৰধান সম্পাদকৰ অনুপস্থিতিত সভাপতি আৰু উপ-সভাপতিৰ পৰামৰ্শ লৈ সভাৰ কাম পৰিচালনা কৰিব। যিকোনো কাৰণত প্ৰধান সম্পাদকৰ পদ খালী হ'লে সভাপতি, উপ-সভাপতিৰ লগত আলোচনা কৰি সহকাৰী সম্পাদক পাঁচগৰাকীৰ মাজৰ পৰা অভিজ্ঞতাৰ ভিত্তিত এগৰাকীক কাৰ্যনিৰ্বাহকৰ অনুমোদন

সাপেক্ষে প্ৰধান সম্পাদকৰ কাৰ্যভাৰ অস্থায়ীভাৱে অৰ্পণ কৰিব। কাৰ্যালয়ৰ দায়িত্বত থকা পুথিভঁৰালৰ দায়িত্বত থাকি সভাৰ দ্বাৰা প্ৰকাশ কৰা গ্ৰন্থসমূহৰ বিক্ৰীৰ ব্যৱস্থা কৰিব। যিকোনো বিত্তীয় লেনদেনৰ ক্ষেত্ৰত সংশ্লিষ্ট কাৰ্যালয়ৰ সহকাৰী সম্পাদকৰ মাধ্যমেৰে প্ৰধান সম্পাদকলৈ অগ্ৰসৰিত হ'ব আৰু প্ৰাপ্তি ৰচিদ আদিত সহকাৰী সম্পাদকেও স্বাক্ষৰ কৰিব।

ভাষা-জ্ঞান পৰীক্ষা সংসদ

৪২। (১) (ক) অসমীয়া ভাষা-জ্ঞান পৰীক্ষা সংসদ স্থায়ী সমিতিৰূপে গঠিত হ'ব।

(খ) ইয়াৰ সদস্য সংখ্যা হ'ব ৭ জন আৰু প্ৰতি বছৰে জ্যেষ্ঠতাৰ ভিত্তিত তিনিভাগৰ এভাগ সদস্যক সংসদৰ পৰা অৱসৰ দি নতুন সদস্যক কাৰ্য্যনিৰ্বাহক সমিতিয়ে মনোনয়ন দিব। ভাষা-জ্ঞান সংসদৰ সচিবগৰাকী এই সমিতিৰ আহ্বায়ক হ'ব।

(গ) অসম সাহিত্য সভাৰ সভাপতি আৰু প্ৰধান সম্পাদক সংসদৰ পদেন সদস্য হ'ব।

(ঘ) সংসদৰ কাৰ্য পৰিচালনা কৰিবৰ নিমিত্তে সদস্যসকলৰ পৰা এজন কাৰ্যনিৰ্বাহক সমিতিয়ে সভাপতি হিচাপে মনোনয়ন দিব।

(ঙ) কোনো সদস্যৰ পদ খালী হ'লে কাৰ্যনিৰ্বাহক সমিতিয়ে সেই পদৰ বাবে নতুন সদস্যক মনোনয়ন দিব।

(চ) সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত (চন্দ্ৰকান্ত সন্দিকৈ ভৱন) সংসদৰ কাম-কাজ সংযুক্ত হৈ থাকিব।

(ছ) ৰাজ্যৰ বাহিৰত বা ভিতৰত ভাষাজ্ঞান পৰীক্ষা কেন্দ্ৰ বা ভাষা-শিক্ষা শ্ৰেণী স্থাপন কৰিলে সংসদে কাৰ্যনিৰ্বাহক সমিতিৰ অনুমোদন লৈ অস্থায়ীভাৱে এখন উপ-সমিতি গঠন কৰি তেনে কেন্দ্ৰ পৰিচালনা কৰিব।

দ্বাদশ ছেদ ঃ আদৰণী সমিতি।

৪৩। অধিৱেশন বহিব লগা ঠাইত অধিৱেশনৰ কাম চলাবলৈ এখনি আদৰণী সমিতি গঠন কৰা হ'ব।

৪৪। প্ৰতি বছৰৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত বা বিশেষ আৱশ্যক বুজি আন সময়তো অধিৱেশন বহিব পাৰিব। আদৰণী সমিতিৰ লগত আলোচনা কৰি কাৰ্যনিৰ্বাহক সমিতিয়ে অধিৱেশনৰ দিন স্থিৰ কৰিব।

৪৫। (ক) অধিৱেশন বহুওৱা বিষয়ৰ সকলো কাম-কাজৰ খৰচৰ ভাৰ আৰু সেই

অধিৱেশনৰ সভাপতি, উদ্বোধক, মুখ্য অতিথি, বিশিষ্ট অতিথি, বিশেষভাৱে আমন্ত্ৰিত অতিথি, বিশিষ্ট বক্তা, বিষয়ববীয়াসহ কাৰ্যনিৰ্বাহকৰ সদস্য আৰু অধিৱেশনৰ কামত কেন্দ্ৰীয় সমিতিয়ে নিয়োগ কৰা সহায়ক আৰু কৰ্মচাৰী, সভাৰ বঁটা প্ৰাপকসকলৰ ব্যয় আদৰণী সমিতিয়ে বহন কৰিব লাগিব। লগতে অতিথিসকলৰ ভাষণ ছপোৱা, ভ্ৰমণ আৰু অৱস্থান ব্যয়ো আদৰণী সমিতিয়ে বহন কৰিব লাগিব।

(খ) আদৰণী সমিতিত সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ ২ গৰাকী মনোনীত প্ৰতিনিধি থাকিব। তেওঁলোকৰ ভ্ৰমণ ব্যয় আদৰণী সমিতিয়ে বহন কৰিব লাগিব।

৪৬। (ক) বাৰ্ষিক অধিৱেশনৰ লগতে আদৰণী সমিতিয়ে সাহিত্য সম্বন্ধীয় আলোচনা চক্ৰ পাতিব লাগিব। আলোচনা চক্ৰৰ বিষয় কাৰ্যনিৰ্বাহক সমিতিয়ে অধিৱেশনৰ আগতে নিৰ্ধাৰণ কৰি দিব।

(খ) ইয়াৰ বাহিৰেও আদৰণী সমিতিয়ে কাৰ্যনিৰ্বাহক সমিতিৰ পৰামৰ্শ অনুযায়ী সংস্কৃতি, বুৰঞ্জী, বিজ্ঞান, দৰ্শন, কবিতা, ভাষা আদি বিষয়ৰ শাখা সন্মিলন আৰু পুথি প্ৰদৰ্শনী আদি পাতিব লাগিব।

৪৭। (ক) অধিৱেশনৰ সকলো কাৰ্য-ক্ৰমণিকা আদৰণী সমিতিৰ লগত আলোচনা কৰি কাৰ্যনিৰ্বাহক সমিতিয়ে নিৰ্ধাৰণ কৰিব। প্ৰয়োজন হ'লে কাৰ্য-ক্ৰমণিকা সালসলনি কৰাৰ অধিকাৰ কাৰ্যনিৰ্বাহক সমিতিৰ থাকিব।

(খ) কাৰ্যনিৰ্বাহক সমিতিয়ে অধিৱেশনৰ উদ্বোধন, মুখ্য অতিথি আৰু শাখা সন্মিলনসমূহৰ সভাপতি আৰু নিৰ্দিষ্ট বক্তা আদি স্থিৰ কৰিব। বিশিষ্ট সাহিত্যিককহে মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰিব। এইক্ষেত্ৰত কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তই চূড়ান্ত বুলি বিবেচিত হ'ব।

(গ) যি শাখাই অধিৱেশন আহ্বান কৰে সেই শাখাই সংশ্লিষ্ট জিলা সভাৰ অনুমোদন লৈ অধিৱেশন আহ্বান কৰিব লাগিব।

(ঘ) অধিৱেশনৰ বাবে সংগৃহীত মুঠ ধনৰ অন্যূন শতকৰা ৩ (তিনি) ভাগ আদৰণী সমিতিয়ে সভাৰ জাতীয় ন্যাস পুঁজিৰ হিচাপত জমা দিব লাগিব।

(ঙ) অধিৱেশন যি শাখা সভাই নিমন্ত্ৰণ কৰে সেই শাখাই নিমন্ত্ৰণ জনোৱাৰ সময়তে স্থান সম্পৰ্কেও আৱশ্যকীয় তথ্য প্ৰদান কৰিব লাগিব আৰু সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰতিনিধিয়ে সকলো দিশ বিবেচনা কৰি দিয়া পৰামৰ্শৰ ভিত্তি স্থান নিৰ্ণয় হ'ব। এই পৰামৰ্শ অৱশ্যে পালনীয় হ'ব। অন্যথা সংশ্লিষ্ট শাখা সভাৰ নিমন্ত্ৰণ কাৰ্যনিৰ্বাহক সমিতিয়ে নাকচ কৰাৰ অধিকাৰ সংৰক্ষিত হৈ থাকিব।

ত্ৰয়োদশ ছেদ ঃ প্ৰতিনিধি সভা

৪৮। (ক) ওপৰৰ ৪২, ৪২(১) আৰু এই ৪৮ বিধি অনুসাৰে প্ৰতিনিধি সভা গঠিত হ'ব। অধিবেশনৰ অন্ততঃ এদিনৰ আগতে কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়া আৰু সদস্য, জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকসকল, প্ৰত্যেক শাখা সভাৰ প্ৰতিনিধি, আদৰণী সমিতিৰ কাৰ্যকৰী সমিতিৰ তিনিগৰাকী প্ৰতিনিধি, মূল সভাৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন উপ-সভাপতি, প্ৰাক্তন প্ৰধান সম্পাদক, আজীৱন সভ্যৰ নিৰ্বাচিত প্ৰতিনিধি, সন্মানীয় হিতৈষী সদস্য আৰু হিতৈষী সদস্যৰ প্ৰতিনিধিক লৈ প্ৰতিনিধি সভা বহিব। এই সভাত সভাপতিয়ে সভাপতিত্ব কৰিব কিন্তু বিশেষ কাৰণত সভাপতি উপস্থিত থাকিব নোৱাৰিলে উপ-সভাপতি আৰু উপ-সভাপতিৰ অনুপস্থিতিত বা অপাৰগতাত সভাৰ প্ৰাক্তন সভাপতি/উপ-সভাপতি অথবা প্ৰাক্তন প্ৰধান সম্পাদকৰ পৰা যিকোনো এজন সভাপতি নিৰ্বাচিত হ'ব। প্ৰতিনিধি সভাই গ্ৰহণ কৰিবলগীয়া যিকোনো সিদ্ধান্তৰ ক্ষেত্ৰত সভাপতিৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(খ) প্ৰতিনিধি সভা আৰু এই সভা পৰিচালনাৰ বাবে গৃহীত 'উপবিধি' অনুসৰি পৰিচালিত হ'ব। (দ্ৰষ্টব্য ঃ উপবিধি)

৪৯। এই প্ৰতিনিধি সভাত সভাৰ প্ৰতিনিধিৰ বাহিৰে আনে যোগ দিব নোৱাৰিব। বিশেষ পৰিস্থিতিৰ উদ্ভৱ হ'লে অধিৱেশনত যোগদান কৰিবলৈ অহা প্ৰতিনিধিসকলক প্ৰধান সম্পাদকৰ স্বাক্ষৰ থকা একোখন 'পৰিচয় পত্ৰ' দিব। প্ৰতিনিধি সভাত প্ৰবেশ কৰোঁতে এই 'পৰিচয় পত্ৰ' প্ৰৱেশদ্বাৰত প্ৰতিনিধিসকলে দেখুৱাব লাগিব।

৫০। সভাৰ সভ্য, শাখা সভা, জিলা সভা আৰু আদৰণী সমিতিয়ে অধিৱেশনত উত্থাপনৰ বাবে প্ৰস্তাৱ পঠাব পাৰিব। এনে প্ৰস্তাৱ অধিৱেশনৰ অন্ততঃ এমাহ আগতে প্ৰধান সম্পাদকৰ হাতত পৰিব লাগিব।

৫১। প্ৰধান সম্পাদকে অধিৱেশনলৈ পঠোৱা প্ৰস্তাৱ বিষয় অনুসাৰে জুকিয়াই এখনি সূচীৰে সৈতে কাৰ্যনিৰ্বাহক সমিতিৰ যোগেদি প্ৰতিনিধি সভাত উপস্থাপন কৰিব পৰাকৈ এখনি ৩ (তিনি) জনীয়া সমিতি গঠন কৰি দিব।

৫২। কাৰ্যনিৰ্বাহক সভাযোগে নহা কোনো প্ৰস্তাৱ আৰু প্ৰতিনিধি সভাত গৃহীত নোহোৱা কোনো প্ৰস্তাৱ মুকলি অধিৱেশনত উত্থাপিত হ'ব নোৱাৰিব; কিন্তু বিষয়ৰ গুৰুত্ব বুজি সভাপতিয়ে এই নিয়মৰ ব্যতিক্ৰম কৰিব পাৰিব।

৫৩। (ক) সভাৰ নিয়মাৱলী এবাৰ সংশোধন কৰাৰ পিছত একেৰাহে ৪ (চাৰি) বছৰলৈ সংশোধিত নহ'ব।

(খ) এবাৰ সংশোধিত হোৱাৰ পৰা প্ৰতি চতুৰ্থ বছৰ নিয়মাৱলী সংশোধনৰ

বাবে সভাৰ সকলো স্তৰৰ সভ্য/সদস্য, শাখা সভা আৰু জিলা সাহিত্য সভাই সেই বছৰৰ ৩১ জুলাইৰ ভিতৰত প্ৰধান সম্পাদকলৈ নিজৰ নিজৰ প্ৰস্তাৱ পঠাব পাৰিব।

(গ) কাৰ্যনিৰ্বাহক সমিতিয়ে সংশ্লিষ্ট বছৰত নিয়মাৱলী সংশোধনৰ বাবে এখন ৫ জনীয়া উপ-সমিতি গঠন কৰিব দিব। প্ৰধান সম্পাদকে ৩০ ছেপ্টেম্বৰৰ ভিতৰত সকলো স্তৰৰ সভ্য/সদস্য, জিলা আৰু শাখা সভাসমূহৰ পৰা অহা সংশোধনী আদি উপ-সমিতিত উত্থাপন কৰিব। উপ-সমিতিয়েও সংশোধনী প্ৰস্তাৱ আনিব পাৰিব। এই সমিতিয়ে সকলো সংশোধনী প্ৰস্তাৱ জুকিয়াই প্ৰস্তুত কৰি দিব আৰু প্ৰধান সম্পাদকে এই প্ৰস্তাৱসমূহ পৰৱৰ্তী কাৰ্যনিৰ্বাহক উত্থাপন কৰিব। কাৰ্যনিৰ্বাহকৰ অনুমোদনৰ পিছত উক্ত প্ৰস্তাৱসমূহ প্ৰধান সম্পাদকে প্ৰতিনিধি সভাত উত্থাপন কৰিব। প্ৰতিনিধি সভাত দুই তৃতীয়াংশ সভ্যৰ সমৰ্থন পালে উক্ত সংশোধনসমূহ গৃহীত হ'ব আৰু সেই দিনাৰ পৰাই ই কাৰ্যকৰী হ'ব। কাৰ্যনিৰ্বাহক সভাই বিশেষ অৱস্থাত প্ৰস্তাৱযোগে কোনো সিদ্ধান্ত ল'লে সেই প্ৰস্তাৱ সভাৰ সেই কাৰ্যকালৰ বাবেহে কাৰ্যকৰী হ'ব।

৫৪। ভাষাৰ বৰ্ণমালা, ব্যাকৰণ বা অভিধান প্ৰৱৰ্তন সম্বন্ধে কোনো প্ৰস্তাৱ কাৰ্যনিৰ্বাহক সমিতিয়ে ল'লে, 'বিশেষজ্ঞ সমিতি'ৰ দ্বাৰা পৰীক্ষা কৰাই চূড়ান্ত ৰূপ প্ৰতিনিধি সভাত উত্থাপন কৰিব পাৰিব।

চতুৰ্দশ ছেদ : বিত্তীয় বিধি

৫৫। (ক) সভাই দান আৰু বৰঙণি গ্ৰহণ কৰিব আৰু সম্পত্তি আৰ্জিব পাৰিব।

(খ) আজীৱন সভ্যৰ বৰঙণিৰে এটি সাঁচতীয়া পুঁজি গঠিত হ'ব আৰু তাৰ সুতহে সভাৰ সাধাৰণ পুঁজিৰ যোগে ব্যয় কৰিব পাৰিব।

(গ) সভাই গ্ৰহণ কৰা যিকোনো ন্যাস পুঁজিৰ মূলধন অন্যূন ১,০০,০০০.০০ (একলাখ) টকা হ'ব লাগিব।

(ঘ) কাৰ্যনিৰ্বাহক সমিতিৰ অধীনত প্ৰধান সম্পাদকেই সভাৰ সকলো সম্পত্তি আৰু ন্যস্ত অৰ্থৰ অৱৰক্ষক হ'ব। তেওঁৰ সভাৰ সকলো হিচাপ-পত্ৰ ৰাখিব আৰু ধনভঁৰালীৰ লগত আলোচনাক্ৰমে বছৰেকীয়া আয়-ব্যয়ৰ হিচাপ প্ৰস্তুত কৰি কাৰ্যনিৰ্বাহক সমিতি, প্ৰতিনিধি সভাত দাখিল কৰাৰ ব্যৱস্থা কৰিব লাগিব।

(ঙ) প্ৰধান সম্পাদকে অধিৱেশনৰ আগতে বছৰেকীয়া প্ৰতিবেদন আৰু পূৰ্বৰ বছৰৰ আয়-ব্যয়ৰ হিচাপে কাৰ্যনিৰ্বাহক সমিতিৰ যোগেদি প্ৰতিনিধি সভাত গৃহীত কৰাই ল'ব।

৫৬। সভাই পোৱা সকলো টকা আৰু সম্পত্তিৰ বাবে সভাৰ ছপা প্ৰ-পত্ৰত ৰচিদ দিব আৰু সকলো সম্পত্তিৰ লিখিত বিৱৰণসহ তালিকা ৰাখিব লাগিব।

৫৭। প্ৰধান সম্পাদকে সভাৰ আয়-ব্যয়ৰ হিচাপ নিৰ্দিষ্ট প্ৰ-পত্ৰত ৰাখিব লাগিব আৰু কাৰ্যনিৰ্বাহক সমিতিৰ নিৰ্দেশমতে ৰাষ্ট্ৰকৃতকে ধৰি যিকোনো বেংক, ডাকঘৰ বা তেনে ধৰণৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠানত টকা জমা থ'ব। বেংকৰ টকা উলিয়াবলৈ ধনভঁৰালী আৰু প্ৰধান সম্পাদকে যুটীয়াভাৱে চহী কৰিব লাগিব।

৫৮। প্ৰধান সম্পাদকে ৰচিদ দি টকা গ্ৰহণ কৰিব আৰু প্ৰথম সুযোগতে সেই টকা বেংক আদিলৈ পঠাব।

৫৯। সভাৰ সকলো খৰচ প্ৰধান সম্পাদকৰ হাতেদি হ'ব আৰু সাধাৰণ খৰচৰ কাৰণে প্ৰধান সম্পাদৰ হাতত ১,০০০.০০ (এহাজাৰ) টকালৈকে ৰাখিব পাৰিব। পুনৰ টকাৰ আৱশ্যক হ'লে প্ৰধান সম্পাদকে আগৰ খৰচৰ হিচাপ কাৰ্যালয়ক দি সভাৰ ছপা প্ৰ-পত্ৰত বিল কৰি টকা ল'ব পাৰিব।

৬০। টকাৰ আৱশ্যক হ'লে চেক বহী কৰাবলৈ ধনভঁৰালীলৈ পঠাওঁতে লগত প্ৰধান সম্পাদকে বেংকৰ তহবিল, চেক নম্বৰ আদি দি পঠাব লাগিব। ধনভঁৰালীয়ে বহীত আৰু চেকত চহী কৰিব।

৬১। প্ৰতি চৰকাৰী বিত্তীয় বছৰৰ আৰম্ভণিৰ আগতে প্ৰধান সম্পাদকে ধনভঁৰালীৰ লগত পৰামৰ্শ কৰি আগন্তুক বছৰটোৰ আয়-ব্যয়ৰ বাজেট কাৰ্যনিৰ্বাহক সমিতিত মঞ্জুৰ কৰাই লৈ সেই অনুসাৰে খৰচ কৰিব। কাৰ্যনিৰ্বাহক সমিতিয়ে ইয়াৰ উপৰি আৱশ্যকীয় খৰচ মঞ্জুৰ কৰিব পাৰিব।

৬২। বাৰ্ষিক অধিৱেশনৰ সময়ত আগৰ বছৰৰ আয়-ব্যয়ৰ হিচাপ কাৰ্যনিৰ্বাহক সমিতিত প্ৰধান সম্পাদকৰ লগতে ধনভঁৰালীও দায়বদ্ধ হ'ব।

৬৩। সাধাৰণতে বাজেটৰ কোনো শিতানত গৃহীত সীমা অতিক্ৰম কৰি ব্যয় কৰিব নোৱাৰিব; কিন্তু অনিবাৰ্য কাৰণত তেনে কৰিব লগা হ'লে সভাপতি অথবা উপসভাপতিৰ অনুমতিক্ৰমেহে পাৰিব। এনেক্ষেত্ৰত পৰৱৰ্তী কাৰ্যনিৰ্বাহকৰ বৈঠকত বাজেটৰ শিতান সলনিৰ (Re-appropriation) অনুমোদন কৰাব।

৬৪। প্ৰধান সম্পাদকে তলত নাম দিয়া বহীবিলাক ৰাখিব— (১) সাধাৰণ ৰোকৰ বহী, (২) দৰমহা আদি দিয়া বহী (Accquitance Roll), (৩) ৰচিদ নথি, (৪) দেয়কৰ নথি, (৫) হিচাপ পৰিদৰ্শনৰ টোকাৰ নথি (Audit Notes), (৬) ন্যাস পুঁজিৰ হিচাপ, (৭) খতিয়ান (Ledger) সভাৰ সকলো কাকত-পত্ৰ হিচাপৰ বহী, চৰকাৰী অনুদান বা লেনদেনৰ কাকত-পত্ৰ, আঁচনি, বাজেট আদি কেন্দ্ৰীয় কাৰ্যালয়ত ৰক্ষিত হ'ব আৰু প্ৰত্যেকৰে প্ৰতিলিপি গুৱাহাটী কাৰ্যালয়তো ৰাখিব পাৰিব।

৬৫। প্ৰধান সম্পাদকে খুচুৰা খৰচৰ বহী ৰাখিব লাগিব।

৬৬। কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলে আৰু কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাৰা বিশেষ কামত নিযুক্ত লোকে সভাৰ কামত ভ্ৰমণ কৰিলে তলত দিয়া নিৰিখত ভ্ৰমণ বানচ পাব—

(ক) ৰে'লৰ দ্বিতীয় শ্ৰেণীৰ ভাড়াৰ ডেৰগুণ,

(খ) পৰিবহণৰ ব্যৱস্থা থকা পথত ডেৰগুণ ভাড়া,

(গ) ৰে'ল বা পৰিবহণৰ ব্যৱস্থা নথকা পথত কিলোমিটাৰত ২.০০ (দুই) টকাকৈ,

(ঘ) কামত থকা কালত দৈনিক ভাট্টা ১০০.০০ (এশ) টকা হাৰে পাব।

(ঙ) সভাৰ কৰ্মচাৰীসকলে ভ্ৰমণৰ প্ৰকৃত ব্যয় আৰু দৈনিক ভাট্টা ৭০.০০ (সত্তৰ) টকা হাৰে পাব।

৬৭। সভাৰ নামত ভ্ৰমণ কৰিবলৈ হ'লে কাৰ্যনিৰ্বাহক স মিতিৰ অনুমোদন সাপেক্ষে প্ৰধান সম্পাদকৰ আমন্ত্ৰণ নাইবা আগতীয়া অনুমতি পাব লাগিব। জাতীয় ন্যাস পুঁজিৰ সংগ্ৰহৰ ক্ষেত্ৰত প্ৰধান সম্পাদকৰ অনুমতিত ভ্ৰমণ কৰিব পাৰিব।

৬৮। (ক) মূল সভাই অৰ্জা কোনো সম্পত্তিৰ ওপৰত শাখাৰ বা জিলা সাহিত্য সভাৰ কোনো স্বত্ব নাথাকিব। শাখা সভা আৰু জিলা সাহিত্য সভাই অৰ্জা সম্পত্তিৰ ওপৰত নিয়মাৱলীৰ ৫, ৬ (খ) ৩০ (ড) ৩১ (গ) অনুসৰি মূল সভাৰ স্বত্ব থাকিব। কোনো শাখা বা জিলা সাহিত্য সভাৰ যদি অৱলুপ্তি ঘটে বা নিষ্ক্ৰিয় হয় বা কোনো বিবাদ হয় সেই শাখা বা জিলা সভাৰ নামত থকা সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তি উল্লিখিত বিধিৰ অধিকাৰ অনুসৰি মূল সভাৰ অধিকাৰলৈ আহিব।

(গ) শাখা সভা বা জিলা সাহিত্য সভাই নিজৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ অৱৰক্ষণৰ বাবে মূল সভাৰ নিৰ্দেশ অনুসৰি ব্যৱস্থা ল'ব লাগিব। এনে অৱৰক্ষণৰ বাবে গঠিত সমিতিত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক অথবা কাৰ্যনিৰ্বাহকে মনোনীত কৰা এজন সদস্য পদেন সদস্য হিচাপে থাকিব।

৬৯। (ক) টকা-পইচা, হিচাপ-পত্ৰ বছৰেকত এবাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে এগৰাকী চনদপ্ৰাপ্ত হিচাপ পৰীক্ষকৰ উপৰি প্ৰতি ৩ (তিনি) মাহৰ মূৰে মূৰে ২ (দুই) গৰাকী অভিজ্ঞ আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ হতুৱাই পৰীক্ষা (Audit) কৰাই ল'ব। প্ৰত্যেক বছৰে চনদপ্ৰাপ্ত হিচাপ পৰীক্ষকৰ যোগেদি 'আয়কৰ প্ৰতিবেদন' দিব লাগিব। লগতে আয়কৰ আইনমতে আয়কৰ ৰেহাইৰ ব্যৱস্থা চনদপ্ৰাপ্ত হিচাপ পৰীক্ষাকৰ যোগেদি কৰাই ল'ব। আভ্যন্তৰীণ হিচাপ-পৰীক্ষকৰ হিচাপৰ

প্ৰতিলিপি কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকৰ আগতে সমিতিৰ সদস্যসকললৈ পঠিয়াব লাগিব।

(খ) জাতীয় ন্যাসৰ যিকোনো পুঁজিৰ পৰা ঋণ দিয়াৰ অধিকাৰ কাৰ্যনিৰ্বাহক সমিতি বা ন্যাসৰক্ষী সমিতিৰ নাথাকিব।

(গ) সভাৰ নিৰ্দিষ্ট শিতানত নিৰ্ধাৰিত কৰি লোৱা ধন আন শিতানত ব্যয় কৰিব নোৱাৰিব।

পঞ্চদশ ছেদ ঃ নিৰ্বাচন বিধি

৭০। (ক) সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচনৰ বাবে কাৰ্যনিৰ্বাহক সমিতিৰ দ্বিতীয় বছৰৰ প্ৰথম বৈঠকে এগৰাকী 'নিৰ্বাচনী বিষয়া' মনোনীত কৰিব। তেওঁ সভাৰ কাৰ্যনিৰ্বাহক সভাৰ সদস্যসকলৰ মাজৰ পৰা হ'ব আৰু তেওঁৰ আইনৰ জ্ঞান থকা বাঞ্ছনীয়। নিৰ্বাচনী বিষয়াই প্ৰধান সম্পাদকৰ মাধ্যমেৰে সক্ৰিয় জিলা আৰু শাখা সাহিত্য সভাসমূহৰ তালিকা সভাৰ কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰি নিজস্বভাৱে পূৰ্ণাংগ তালিকা প্ৰস্তুত কৰিব। তেওঁ প্ৰস্তাৱৰ প্ৰ-পত্ৰ আদি প্ৰস্তুত কৰি প্ৰতিখনতে স্বাক্ষৰ কৰি পঞ্জীয়নৰ মাধ্যমেৰেহে নিৰ্বাচন পৰিচালনা কৰিব। এই ক্ষেত্ৰত তেওঁ প্ৰয়োজন সাপেক্ষে সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ পৰামৰ্শ গ্ৰহণ কৰিব। নিৰ্বাচন কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে নিৰ্বাচনী বিষয়াই প্ৰয়োজন অনুসৰি সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ লগত পৰামৰ্শ কৰি প্ৰয়োজন সাপেক্ষে কোনো ব্যক্তিক সহযোগী হিচাপে ল'ব পাৰিব। সেইসকল কাৰ্যনিৰ্বাহকৰ সদস্য বা বিশেষভাৱে আমন্ত্ৰিত সদস্য হ'ব লাগিব। কিন্তু এই সংখ্যা চাৰিগৰাকীৰ অধিক হ'ব নোৱাৰিব।

(খ) নিৰ্বাচনৰ সকলো কাৰ্য সম্পূৰ্ণ গোপনীয় আৰু ই নিৰ্বাচনী বিষয়াৰ এক্তিয়াৰৰ ভিতৰত হ'ব।

(গ) সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচনৰ ক্ষেত্ৰত ক্ৰমে দশম আৰু একাদশ ছেদৰ ৩৮, ৩৯, ৪২(১), ৪২(২) সংখ্যক বিধি আৰু ৪২(৩) সংখ্যক বিধি প্ৰযোজ্য হৈছে নে নাই সেইটো নিৰ্বাচনী বিষয়াই পৰীক্ষা কৰিব। তদুপৰি নিয়মাৱলীৰ ১৩ ছেদ আৰু ২৪ ছেদ অনুসৰি তেওঁলোকৰ বিষয়ে সকলো দিশ পৰীক্ষা কৰিব ল'ব।

(ঘ) নিৰ্বাচনী বিষয়া আৰু সহযোগীসকল মনোনীত হোৱাৰ পিছত তেওঁলোকৰ নাম প্ৰস্তাৱিত হ'ব নোৱাৰিব।

(ঙ) নিৰ্বাচন সংক্ৰান্তীয় সকলো বিষয়ৰ বাবে নিৰ্বাচনী বিষয়া দায়বদ্ধ হ'ব আৰু তেওঁৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি বিবেচিত হ'ব।

(চ) সমান সংখ্যক প্ৰস্তাৱৰ ক্ষেত্ৰত নিৰ্বাচনী বিষয়াই লটাৰীৰ যোগেদি সিদ্ধান্ত গ্ৰহণ কৰিব।

৭১। সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচনৰ ক্ষেত্ৰত জিলা সভা, শাখা সভাৰ লগতে আদৰণী সমিতিয়ে পঠোৱা প্ৰস্তাৱসমূহ গোপনীয়ভাৱে ডাকযোগে পঠাবলগীয়া লেফাফাবোৰ ডাকঘৰৰ এটা বাকচ (Post Box)ত জমা হ'ব। এই লেফাফাবোৰৰ ওপৰত কেৱল বাকচ (Post Box)ৰ নম্বৰ আৰু ডাকঘৰৰ পিন নম্বৰহে থাকিব। লেফাফাবোৰৰ ওপৰত 'গোপনীয়' বুলিও লিখা নাথাকিব। নিৰ্ধাৰিত তাৰিখৰ ভিতৰত বাকচ (Post Box)টো তলা মাৰি, ছীল কৰি সেই তলাৰ চাবি একেমাত্ৰ নিৰ্বাচনী বিষয়াৰ হাতত‌হে থাকিব। নিৰ্বাচনী বিষয়াই বাকচ (Post Box)ৰ বাবে সময়মতে কেন্দ্ৰীয় কাৰ্যালয় অথবা গুৱাহাটী কাৰ্যালয়ৰ এলেকাধীন মূল ডাকঘৰত ব্যৱস্থা কৰি ল'ব।

৪২। নিৰ্বাচনী বিষয়াই তেওঁৰ সহযোগীসকলৰ সহযোগত সপ্তম কাৰ্যনিৰ্বাহকৰ আগেয়ে অনুষ্ঠিত কৰ্ণধাৰ সমিতিৰ সভাত সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ পদৰ বাবে অহা প্ৰস্তাৱসমূহ বাকচ (Post Box) খুলিব। ইয়াৰ বাবে এটি কোঠা বাছি ল'ব। নিৰ্বাচনী বিষয়াই সহযোগীসকলৰ সৈতে শাখা, জিলা আৰু আদৰণী সমিতিৰ পৰা পোৱা প্ৰস্তাৱসমূহ গণনা কৰি ক্ৰম অনুসৰি সৰ্বাধিক সমৰ্থন লাভ কৰা পাঁচগৰাকী ব্যক্তিৰ একোখনকৈ তালিকা প্ৰস্তুত কৰি গোপনীয়ভাৱে সভাপতিৰ হাতত দাখিল কৰিব। সভাপতিয়ে উপ-সভাপতি, প্ৰধান সম্পাদক আৰু নিৰ্বাচনী বিষয়াৰ উপস্থিতিত উক্ত তালিকা খুলি প্ৰধান সম্পাদকৰ মাধ্যমেৰে ক্ৰম অনুসৰি প্ৰস্তাৱিত ব্যক্তিসকলৰ সন্মতি লৈ নিৰ্বাচনী বিষয়াক দাখিল কৰিব। সপ্তম কাৰ্যনিৰ্বাহক সভাত নিৰ্বাচিত সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নাম নিৰ্বাচনী বিষয়াই ঘোষণা কৰিব।

৭৩। সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকে কোনো কাৰণতে পদত্যাগ কৰিব নোৱাৰিব।

আইন অনুশাসন

৭৪। অসম সাহিত্য সভাৰ হকে বা বিৰুদ্ধে যিকোনো গোচৰ বা মোকৰ্দমাৰ কাৰণ উদ্ভৱ হ'লে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ এলেকাধীন স্থান যোৰহাট মোকৰ্দমাৰ অধিক্ষেত্ৰ হ'ব।

৭৫। শাখা সভা আৰু জিলা সভাৰ হকে বা বিৰুদ্ধে গোচৰ বা মোকৰ্দমাৰ কাৰণ উদ্ভৱ হ'লে সেই এলেকাৰ জিলা বা মহকুমা মোকৰ্দমাৰ অধিক্ষেত্ৰ হ'ব।

৭৬। সকলো ধৰণৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি, প্ৰকাশন, বিত্তীয় খেলিমেলি, বিশ্বাসঘাতকতা, প্ৰৱঞ্চনাৰ অভিযোগ, অপৰাধ আদি ভাৰতীয় দণ্ড সংহিতাৰ আওঁতাত পৰিব। প্ৰধান সম্পাদকে মূল সভাৰ হৈ সভা অথবা জিলা আৰু শাখা সভাৰ হৈ সম্পাদকে গোচৰ তৰা বা প্ৰতিৰক্ষাৰ দায়িত্বত থাকিব। প্ৰধান সম্পাদকৰ বিৰুদ্ধে মোকৰ্দমা বা গোচৰ হ'লে কাৰ্যনিৰ্বাহক সমিতি দায়িত্বত থাকিব।

৭৭। অভিযুক্ত সভ্যৰ বিৰুদ্ধে উত্থাপিত অভিযোগ প্ৰমাণিত হ'লে অনুশাসনকে ধৰি নিলম্বন, বহিষ্কৰণ আদিৰ সকলো ব্যৱস্থা কাৰ্যনিৰ্বাহক সমিতিয়ে ল'ব পাৰিব।

বিবিধ

৭৮। সভাৰ কোনো বিষয়ববীয়াই পদত্যাগ কৰিব খুজিলে সভাপতিলৈ পদত্যাগ পত্ৰ পঠাব লাগিব। পদত্যাগ গ্ৰহণ কৰাৰ ক্ষমতা কাৰ্যনিৰ্বাহক সমিতিৰ থাকিব। কিন্তু বিশেষ পৰিস্থিতি আৰু অনিবাৰ্য কাৰণত আৱশ্যকবোধ কৰিলে সভাপতিয়েও সেই পদত্যাগ পত্ৰ গ্ৰহণ কৰিব পাৰিব, কিন্তু কাৰ্যনিৰ্বাহক সমিতিৰ পৰৱৰ্তী বৈঠকত অনুমোদন কৰি ল'ব লাগিব।

৭৯। সভাপতি আৰু প্ৰধান সম্পাদকৰ বাহিৰে আন কোনো স্তৰৰ সভ্য/সদস্য বা বিষয়ববীয়াই সভাৰ নামত কোনো লিখিত বা মৌখিক বিবৃতি দিব নোৱাৰিব। কিন্তু সভাপতিৰ পৰামৰ্শমৰ্মে উপসভাপতিয়ে লিখিত বা মৌখিক বিবৃতি আদি দিব পাৰিব। সভাই আহ্বান কৰা সংবাদমেলত সভাৰ হকে সভাপতি, উপসভাপতি আৰু প্ৰধান সম্পাদকেহে কেৱল বিষয় আদি উত্থাপন আৰু ব্যাখ্যা দাঙি ধৰিব পাৰিব।

৮০। (ক) মূল সভা, জিলা বা শাখা সভাৰ কোনো বিষয়ববীয়াই ৰাজনৈতিক বিষয়বাবৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিব। এনে কৰিবলগীয়া হ'লে আগতীয়াকৈ বিষয়বাব ত্যাগ কৰিব লাগিব। অন্যথা মূল সভাই অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

(খ) মূল সভা, জিলা বা শাখা সভাৰ কোনো বিষয়ববীয়াই ৰাজনৈতিক দলৰ হকে প্ৰচাৰ কাৰ্যত প্ৰত্যক্ষ বা পৰোক্ষভাৱে অংশ গ্ৰহণ কৰিব নোৱাৰিব। অন্যথা মূল সভাই অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

উপবিধি

(ক) প্ৰতিনিধি সভা পৰিচালনাৰ বিধি

১। সভাৰ বিধিসম্মত প্ৰতিনিধিসকলৰহে এই সভা। দৰ্শক প্ৰতিনিধি বা দৰ্শক উপস্থিত থকাৰ, আলোচনাত অংশ লোৱাৰ, মতামত দিয়াৰ কোনো অধিকাৰ নাথাকিব।

২। কোনো প্ৰতিনিধিয়ে প্ৰশ্ন কৰিব খুজিলে লিখিতভাৱে দিব লাগিব।

৩। পৰিপূৰক প্ৰশ্ন মুখেৰে কৰিব পাৰিব।

৪। এজন সদস্যসক দুটাতকৈ অধিক পৰিপূৰক প্ৰশ্ন কৰিবলৈ দিয়া নহ'ব।

৫। প্ৰতিনিধিয়ে দুই মিনিটৰ পৰা পাঁচ মিনিটৰ ভিতৰত প্ৰশ্ন কৰা বা মন্তব্য কৰা কাম শেষ কৰিব লাগিব।

৬। ওপৰা-উপৰিকৈ কৰা প্ৰশ্নৰ উত্তৰ দিয়া নহ'ব।

৭। এবাৰ উত্তৰ দিয়া কোনো প্ৰশ্নৰ দ্বিতীয়বাৰ উত্তৰ দিয়া নহ'ব।

৮। এবাৰ সিদ্ধান্ত হোৱা কোনো বিষয় কোনো প্ৰতিনিধিক পুনৰ উত্থাপন কৰিবলৈ দিয়া নহ'ব।

৯। গৰিষ্ঠসংখ্যকৰ মতেই গৃহীত মত হ'ব; লঘিষ্ঠ সংখ্যকে সেই সিদ্ধান্ত মানিব লাগিব।

১০। আলোচনা আদিৰ অন্তত সভাপতিয়ে দিয়া ৰায় চূড়ান্ত বিবেচিত হ'ব।

১১। সভাপতি, উপ-সভাপতি বা প্ৰধান সম্পাদকে দিয়া উত্তৰেই সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ উত্তৰ হ'ব, ইয়াৰ বিকল্প উত্তৰ নাথাকিব।

১২। সভাপতিৰ অনুমতি আৰু প্ৰধান সম্পাদকৰ সন্মতি নহ'লে আন কোনেও উত্তৰ দিব নোৱাৰিব।

১৩। কোনো সদস্যই যুক্তি প্ৰদৰ্শন কৰিবলৈ গৈ কাকো ব্যক্তিগতভাৱে আক্ৰমণ কৰি কথা ক'ব নোৱাৰিব।

১৪। কোনো সদস্যই অশালীন শব্দ প্ৰয়োগ বা অশিষ্ট আচৰণ কৰিব নোৱাৰিব। তেনে দেখিলে সভাপতিয়ে তেনে সদস্যক বিতৰ্কত অংশ লোৱাৰ পৰা বিৰত ৰাখিব পাৰিব।

১৫। প্ৰতিনিধি সভা প্ৰথম আৰম্ভ হোৱাৰ সময়ত উপস্থিত থকা সদস্যসকলক পৰৱৰ্তী সময়ছোৱাত উপস্থিত থকা বুলি ধৰি লোৱা হ'ব আৰু প্ৰতিনিধি সভাৰ কাৰ্যসূচীৰ ধাৰাবাহিকতা ৰক্ষা কৰি পৰিচালনা কৰা হ'ব। কোনো সদস্যৰ অনুপস্থিতিত গৃহীত কোনো সিদ্ধান্তৰ বিৰুদ্ধে অনুপস্থিতি সদস্যৰ কোনো যুক্তি গ্ৰহণীয় নহ'ব।

১৬। বিশেষ অৱস্থাত সভাপতিয়ে প্ৰতিনিধি সভা স্থগিত ৰাখিব পাৰিব বা কাৰ্যসূচীৰ আগ-পিছ বা সময়ৰ সাল-সলনি কৰিব পাৰিব।

১৭। প্ৰতিনিধি সভাত গৃহীত সিদ্ধান্তসমূহৰ বাহিৰে সভাই দিয়া পৰামৰ্শসমূহ কাৰ্যনিৰ্বাহক সমিতিৰ বাবে কাৰ্যকৰী কৰাত বাধ্য-বাধকতা নাথাকিব।

(খ) আদৰণী সমিতি

১। (ক) অধিবেশন নিমন্ত্ৰণৰ ক্ৰমে ৪ মাহ আৰু ৬ মাহৰ ভিতৰত নিমন্ত্ৰণ কৰা শাখা সভাই নিয়মিতৰূপে জাননী দি এখন 'প্ৰতিনিধিত্বমূলক ৰাজহুৱা সভা' পাতি ক্ৰমে বিশেষ বাৰ্ষিক অধিৱেশন তথা দ্বি-বাৰ্ষিক অধিৱেশনৰ 'আদৰণী সমিতি' গঠন কৰিব। আদৰণী সমিতিত এগৰাকী সভাপতি, এগৰাকী কাৰ্যকৰী সভাপতি, প্ৰয়োজন সাপেক্ষে উপ-সভাপতি, এগৰাকী সাধাৰণ সম্পাদক, সৰ্বাধিক তিনিগৰাকী যুটীয়া সম্পাদক, এগৰাকী কোষাধ্যক্ষ, দুগৰাকী হিচাপ পৰীক্ষক আৰু প্ৰয়োজন সাপেক্ষে সহকাৰী সম্পাদক আদি নিৰ্বাচিত কৰিব পাৰিব। কিন্তু তেওঁলোক অসম সাহিত্য সভাৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হ'ব লাগিব। আদৰণী সমিতি গঠনৰ বিশেষ সভাত এখন কৰ্ণধাৰ সমিতি গঠন কৰি পৰৱৰ্তী পৰ্যায়ত এই কৰ্ণধাৰ সমিতিয়ে আদৰণী সমিতিৰ উপ-সমিতি আদি গঠন কৰিব। এই কৰ্ণধাৰ সমিতিত আদৰণী সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি, এগৰাকী উপ-সভাপতি, সাধাৰণ সম্পাদক, এগৰাকী যুটীয়া সম্পাদক, কোষাধ্যক্ষ, অধিৱেশন আমন্ত্ৰণ কৰা শাখা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক তথা সেই জিলাৰ জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকৰ লগতে আদৰণী সমিতিৰ সদস্যক লৈ গঠিত হ'ব। এই সমিতিত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতি অথবা কৰ্ণধাৰ সমিতিয়ে মনোনীত কৰা দুগৰাকী সদস্য থাকিব। তেওঁলোক আদৰণী সমিতিৰ মূল সভাৰ মনোনীত প্ৰতিনিধিও হ'ব আৰু তেওঁলোকৰ ভ্ৰমণ ব্যয় আদি আদৰণী সমিতিয়ে বহন কৰিব লাগিব। কিন্তু কৰ্ণধাৰ সমিতিৰ সংখ্যা ২১ (একৈশ) গৰাকীতকৈ অধিক হ'ব নোৱাৰিব। কৰ্ণধাৰ সমিতিৰ বৈঠকত আদৰণী সমিতিৰ সভাপতিয়ে তেওঁৰ অনুপস্থিতিত কাৰ্যকৰী সভাপতিয়ে সভাপতিত্ব কৰিব। সাধাৰণ সম্পাদকে কৰ্ণধাৰ সমিতিৰ বৈঠক আহ্বান কৰিব। এই বিধি সভাই আয়োজন কৰা যিকোনো অনুষ্ঠান অথবা উদ্‌যাপন সমিতি আদিৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব।

(খ) আদৰণী সমিতি গঠিত হোৱাৰ লগে লগে আদৰণী সমিতিয়ে সভাৰ নিয়মাৱলীৰ ত্ৰয়োদশ ছেদৰ ৪৫, ৪৬(ক) (খ), ৪৭ (ক) (খ) (গ) (ঘ) (ঙ) বিধি আৰু উপবিধি (খ)ৰ ১, ২, ৩ বিধি অনুসৰি কাম কৰাৰ লিখিত প্ৰতিশ্ৰুতি দিব লাগিব আৰু উক্ত দফাসমূহ সামৰি সভাৰ লগত চুক্তি কৰিব লাগিব। এই

চুক্তি আদৰণী সমিতিৰ সাধাৰণ সম্পাদক আৰু সভাৰ প্ৰধান সম্পাদকৰ মাজত হ'ব। চুক্তি মূল সভাৰ সভাপতি, উপ-সভাপতি আদিৰ লগতে আদৰণী সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি, অধিৱেশন আমন্ত্ৰণ কৰা শাখা সাহিত্য সভা আৰু উক্ত শাখাৰ অন্তৰ্গত জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকৰ উপস্থিতি আৰু সাক্ষীত হ'ব।

২। আদৰণী সমিতিয়ে অধিৱেশন সম্পৰ্কীয় সকলো কাম, বাজেট আৰু নিমন্ত্ৰণ আদি মূল সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ পৰা আগতীয়াকৈ অনুমোদন কৰাই ল'ব লাগিব আৰু আদৰণী সমিতিত অনুমোদিত হ'ব লাগিব।

৩। (ক) অধিৱেশনৰ যাৱতীয় খৰচৰ হিচাপ-পত্ৰ অধিৱেশন হৈ যোৱাৰ অন্তত ৭ দিনৰ ভিতৰত আদৰণী সমিতিত গৃহীত হ'ব লাগিব। পৰীক্ষিত আৰু অনুমোদিত হিচাপ আদৰণী সমিতিৰ সাধাৰণ সম্পাদকে মূল সভাৰ প্ৰধান সম্পাদকলৈ পঠাব লাগিব। নিৰ্দিষ্ট সময়ৰ ভিতৰত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে পৰীক্ষিত হিচাপ নাপালে আইনসংগত ব্যৱস্থা ল'ব পাৰিব। আদৰণী সমিতি গঠন হোৱাৰ পৰা যাৱতীয় খৰচ অন্তৱৰ্তীকালীন হিচাপ-পত্ৰ প্ৰতিনিধি সভাৰ আগলৈকে হোৱা সমগ্ৰ খৰচৰ হিচাপ-পত্ৰ প্ৰতিনিধি সভাত দাখিল কৰিব লাগিব। হিচাপ আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ উপৰি আৱশ্যকবোধে চনদপ্ৰাপ্ত হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰি মূল সভালৈ অনিবাৰ্যভাৱে পঠাব লাগিব।

(খ) অধিৱেশনৰ ভাষণ আৰু বিৱৰণী সংযুক্ত 'বাৰ্ষিকী' প্ৰকাশ কৰিবৰ বাবে আদৰণী সমিতিয়ে আৱশ্যকীয় ধন অসম সাহিত্য সভাক অনিবাৰ্যভাৱে দিব লাগিব।

(গ) মূল সভাৰ হৈ কোনো শাখা সভা বা জিলা সভা অথবা শাখা বা জিলা সভাৰ দ্বাৰা গঠিত সমিতিয়ে কোনো অনুষ্ঠানৰ আয়োজন কৰিলে অনুষ্ঠান হৈ যোৱাৰ সাত দিনৰ ভিতৰত আয়-ব্যয়ৰ সকলো হিচাপে অসম সাহিত্য সভাক দিব লাগিব। অন্যথাই সেই শাখা বা জিলা সভাৰ ওপৰত কাৰ্যনিৰ্বাহক সমিতিয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

(ঘ) আদৰণী সমিতিয়ে অধিৱেশনৰ অন্তত ৰাহি হোৱা ধন মূল সভাৰ অনুমোদনক্ৰমেহে খৰচ কৰিব পাৰিব।

(ঙ) মূল সভাই নিৰ্দেশ দিলেহে আদৰণী সমিতিয়ে 'আদৰণী সমিতি' ভংগ কৰিব পাৰিব। মূল সভাৰ নিৰ্দেশ নোহোৱাকৈ আদৰণী সমিতি ভংগ কৰিলে আইনসংগভাৱে থকা সকলো দায়-দায়িত্ব আদৰণী সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকৰ লগতে আমন্ত্ৰণ কৰা শাখা আৰু জিলা সাহিত্য সভাৰ ওপৰত ন্যস্ত হ'ব।

(চ) আদৰণী সমিতি ভংগ হোৱাৰ পিছত আদৰণী সমিতিয়ে প্ৰকাশ কৰা অবিক্ৰীত গ্ৰন্থৰ লগতে সা-সম্পত্তি আদিৰ অধিকাৰী হ'ব স্থানীয় শাখা সভা; এনে শাখা সভা নাথাকিলে মূল সভা।

(ছ) সভাৰ জাতীয় ন্যাস পুঁজিলৈ আদৰণী সমিতিয়ে সংগৃহীত ধনৰ ৩ (তিনি) শতাংশ দিব লাগিব।

(জ) আদৰণী সমিতিৰ সকলো ধৰণৰ প্ৰকাশনৰ প্ৰত্যেকৰে ১০০ (এশ) খনকৈ অসম সাহিত্য সভাক বিনামূলীয়াকৈ দিব লাগিব।

(ঝ) নিৰ্ধাৰিত সময়ত অধিৱেশনৰ হিচাপ দাখিল নকৰা আৰু মূল সভাত সেই হিচাপে গৃহীত নোহোৱা আদৰণী সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদক, আমন্ত্ৰিত শাখাৰ সেই সময়ৰ সভাপতি আৰু সম্পাদক আৰু সংশ্লিষ্ট জিলাৰ সেই সময়ৰ সভাপতি আৰু সম্পাদকে শাখা সভা, জিলা সভা অথবা মূল সভাৰ কোনো বিষয়বাব ল'ব নোৱাৰিব। অধিৱেশনৰ হিচাপ-পত্ৰ দাখিল নকৰা কোনো শাখা সভা বা জিলা সাহিত্য সভাই পৰৱৰ্তী কালত অধিৱেশন আমন্ত্ৰণ কৰা প্ৰস্তাৱ মূল সভাৰ দ্বাৰা বিবেচিত নহ'ব।

৪। উপবিধি (খ)ৰ ১, ২, ৩ বিধি সভাৰ হৈ অনুষ্ঠিত কৰা বিভিন্ন কেন্দ্ৰীয় অনুষ্ঠানৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। মাথোন উপবিধি (খ) ১ (ক) ৰ আদৰণী সমিতি গঠন প্ৰক্ৰিয়াৰ সময়ৰ বাধ্যবাধকতা নাথাকিব।

(গ) ঃ গৱেষণা কেন্দ্ৰ

অসম সাহিত্য সভাই ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক 'গৱেষণা কেন্দ্ৰ' প্ৰতিষ্ঠা কৰিলে কাৰ্যনিৰ্বাহকে তেনে কেন্দ্ৰ পৰিচালনা কৰিবৰ কাৰণে এখন পৰিচালনা সমিতি আৰু কাৰ্যসূচী ৰূপায়ণৰ বাবে বিশ্ববিদ্যালয়সমূহৰ নীতি-নিয়মৰ লগত সংগতি ৰাখি 'উপবিধি' প্ৰণয়ন কৰিব।

(ঘ) প্ৰকাশন সমিতি

(ক) প্ৰকাশনৰ মান, প্ৰয়োজনীয়তা আৰু সভাৰ নীতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকাশন আঁচনি ৰূপায়ণ কৰিবলৈ আৰু পূৰ্বৰ আঁচনিৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ কাৰ্যনিৰ্বাহক সমিতিয়ে এখন 'স্থায়ী সমিতি' গঠন কৰি দিব।

(খ) সমিতিৰ মুঠ সদস্য সংখ্যা ৯ জন হ'ব আৰু প্ৰতি দুবছৰৰ মূৰত জ্যেষ্ঠতাৰ ভিত্তিত তিনিভাগৰ এভাগ সদস্যক এই সমিতিৰ পৰা অৱসৰ দি তাৰ ঠাইত কাৰ্যনিৰ্বাহক সমিতিয়ে নতুন সদস্যক মনোনয়ন দিব।

(গ) সভাৰ সভাপতি আৰু প্ৰধান সম্পাদক এই সমিতিৰো ক্ৰমে সভাপতি আৰু সম্পাদক হ'ব।

(ঘ) সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে কাৰ্য পৰিচালনা কৰিব।

(ঙ) কোনো সদস্যৰ পদ মাজতে খালী হ'লে কাৰ্যনিৰ্বাহক সমিতিয়ে সেই পদ লৈ বাকী থকা সময়ৰ বাবে নতুন সদস্যক মনোনয়ন দিব।

(ঙ) ঃ সভাৰ বঁটা আদি

(ক) সভাই সভাৰ বঁটা প্ৰদান উপ-বিধি অনুসৰি বঁটা বা আন সন্মান আদি প্ৰদান কৰিব পাৰিব।

"সভাৰ নিজা প্ৰতীকৰ ঠগাত থকা সাঁচিপতীয়া পুথিৰ ওপৰত মাটিৰ চাকি, তাৰ চাৰিওফালে 'চিৰ চেনেহী মোৰ ভাষা জননী' লিখা থাকিব আৰু তাৰ তলত এটি তৰা থাকিব। ঠগাৰ তলত ভূমিত 'অসম সাহিত্য সভা' লিখা থাকিব। আৰ্হি তলত দিয়া হ'ল। প্ৰতীকৰ বেদীত 'অসম সাহিত্য সভা' নামটো থাকি সভাক ধৰি ৰাখিছে। বেদীৰ ওপৰত থকা শৰাইখনি জাতীয় সাংস্কৃতিক সৌধৰ নিদৰ্শন। সৌধস্বৰূপ শৰাইত প্ৰতিষ্ঠিত হৈছে এখনি পুথি। এই পুথি আমাৰ সমগ্ৰ মানৱীয় জ্ঞান, বিদ্যা, শিল্প, সাহিত্য আৰু বাঞ্ছিত প্ৰমূল্যসমূহৰ আধাৰ। ধ্ৰুৱ তৰাটি এই সাধনাৰ লক্ষ্য। এই সকলোখিনি সাধনাৰ প্ৰকাশ মাধ্যম 'চিৰ চেনেহী মোৰ ভাষা জননী'। এই ব্যাক্যাংশটি লোৱা হৈছে সভাৰ আৰম্ভণী গীতস্বৰূপে ব্যৱহৃত মিত্ৰদেৱ মহন্ত ৰচিত গীতটিৰ প্ৰথমৰ পৰা। ভাষা জননীৰ অক্ষয় বন্তিগছিয়েই আমাৰ সকলো সাধনাক অনন্ত কাললৈ পোহৰাই ৰাখিব। এই বাণী, তৰা আৰু বন্তিগছিৰ পটভূমিত আছে এটি আঁহত পাতৰ আভাস। আঁহত পাতটি ভাৰতীয় সাংস্কৃতিক সাধনাৰ লগত গভীৰভাৱে সম্পৃক্ত বোধিবৃক্ষৰ এটি প্ৰতীকি আভাস সভাৰ প্ৰতীক সভাৰ সকলো জিলা সভা আৰু শাখা সভাই আৰু প্ৰয়োজন অনুযায়ী স্বীকৃত সভাই ব্যৱহাৰ কৰিব পাৰিব।"

স্মৃতি তৰ্পণ

(ক) প্ৰয়াত লেখক-লেখিকা, শিল্পী আদিৰ স্মৃতিত যদি তৰ্পণৰ ব্যৱস্থা থাকে, পতাকা উত্তোলনৰ পিছতে এই অনুষ্ঠান সম্পাদিত হ'ব।

(খ) বগা কাপোৰেৰে তৰ্পণ বেদী বা তৰ্পণ স্তম্ভ সজাব আৰু তাত কেৱল 'স্মৃতি-তৰ্পণ' বুলিহে লিখা থাকিব।

(গ) স্মৃতি-তৰ্পণৰ কাৰ্যসূচী সম্পাদনাৰ বাবে নিমন্ত্ৰিত ব্যক্তিক আহ্বান জনোৱাৰ পিছত তেওঁ সকলোৰে হৈ বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি দিয়াৰ সময়ত মংগল ধ্বনি (উৰুলি, শংখ, ঘণ্টা) কৰিব।

(ঘ) স্মৃতি-তৰ্পণৰ বাবে বিশেষভাৱে নিমন্ত্ৰিত ব্যক্তি নাথাকিলে বা অনুপস্থিত থাকিলে সভাপতিয়ে সকলোৰে হৈ স্মৃতি-তৰ্পণ কৰিব।

(ঙ) শাখা বা জিলা সভাৰ অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি উপস্থিত থাকিলে সভাৰ সভাপতিয়ে সভাৰ হৈ স্মৃতি-তৰ্পণ কৰিব।

(চ) স্মৃতি-তৰ্পকে ইচ্ছা কৰিলে এটি চমু ভাষণ দিব।

(ছ) স্মৃতি সভা বা জন্ম-শতবাৰ্ষিকী আদি অনুষ্ঠানত প্ৰতিকৃতি বা ফলকত স্মৃতি-তৰ্পণ কৰিব। আন অনুষ্ঠানত স্মৃতি-তৰ্পণৰ ওপৰঞ্চি সংশ্লিষ্ট ব্যক্তিগৰাকীৰ পৰিয়ালৰ এজনে স্মৃতি-তৰ্পণ কৰিব পাৰিব। আন কোনো ক্ষেত্ৰতে স্মৃতি-তৰ্পণৰ বাবে একাধিক ব্যক্তিক আহ্বান নজনাব। কোনো ব্যক্তিয়ে স্মৃতি-স্তম্ভ, প্ৰতিকৃতি বা স্মৃতি-ফলকত পুষ্পাঞ্জলি দিব খুজিলে অনুষ্ঠান হৈ যোৱাৰ পিছত অনানুষ্ঠানিকভাৱে আৰু ব্যক্তিগতভাৱে দিয়াত বাধা নাথাকিব।

সভা-সমিতি পৰিচালনাৰ নীতি-নিৰ্দেশনা

১। আৰম্ভণী গীত ঃ

(ক) সভাৰ অধিৱেশন আৰু সভাৰ কোনো বিশেষ কাৰ্যসূচীৰ মুকলি সভা 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে আৰম্ভ কৰিব আৰু 'অ' মোৰ আপোনাৰ দেশ' গীতেৰে শেষ কৰিব। মুকলি সভাৰ পিছত যদি অনুষ্ঠানৰ অংগৰূপে সাংস্কৃতিক কাৰ্যসূচী থাকে, সেই কাৰ্যসূচীৰ অন্তত 'অ' মোৰ আপোনাৰ দেশ' পৰিৱেশন কৰোঁতে সকলোকে থিয় হ'বলৈ নিৰ্দেশ দিব।

(খ) অনুষ্ঠানৰ সাংস্কৃতিক কাৰ্যসূচী কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাৰা অনুমোদিত হ'ব লাগিব।

২। নিমন্ত্ৰিত পত্ৰ ঃ

(ক) মূল সভাৰ নিমন্ত্ৰণী পত্ৰ বা 'বিজ্ঞপ্তি' আদিত কেৱল প্ৰধান সম্পাদকৰ স্বাক্ষৰ থাকিব। ইচ্ছা কৰিলে সভাপতিয়ে 'বিশেষ সুকীয়া' বিজ্ঞপ্তি প্ৰকাশ কৰিব পাৰিব।

(খ) মূল সভাই যদি জিলা সভা, শাখা সভা বা উদ্‌যাপন সমিতিৰ সহযোগত কোনো অনুষ্ঠানৰ আয়োজন কৰে, তেতিয়াহ'লে নিমন্ত্ৰণী পত্ৰৰ সোঁফালে মূল সভাৰ প্ৰধান সম্পাদকৰ আৰু বাওঁফালে সংশ্লিষ্ট অনুষ্ঠানৰ (উদ্‌যাপন সমিতিৰ) কেৱল সম্পাদকৰহে স্বাক্ষৰ থাকিব। মূল সভাৰ প্ৰধান সম্পাদক আৰু বাওঁফালে

আদৰণী সমিতিৰ সাধাৰণ সম্পাদকৰ স্বাক্ষৰ থাকিব।

(গ) জিলা সাহিত্য সভাৰ অধিৱেশন বা অন্যান্য অনুষ্ঠানতো সেই অনুক্ৰমে সোঁফালে কেৱল সম্পাদকৰ আৰু বাওঁফালে কেৱল আদৰণী সমিতিৰ সাধাৰণ সম্পাদকৰহে স্বাক্ষৰ থাকিব।

(ঘ) শাখা সভা বা স্বীকৃত সভাৰ ক্ষেত্ৰত নিমন্ত্ৰণী পত্ৰৰ সোঁফালে সম্পাদক আৰু বাওঁফালে আয়োজক সমিতিৰ সম্পাদকৰ স্বাক্ষৰ থাকিব।

(ঙ) সম্বৰ্ধনা-পত্ৰ, মান-পত্ৰ আদিত সোঁফালে সভাপতিৰ আৰু বাওঁফালে প্ৰধান সম্পাদকৰ স্বাক্ষৰ থাকিব। জিলা আৰু শাখা সভাৰ ক্ষেত্ৰতো এই বিধি প্ৰযোজ্য হ'ব।

৩। বিশিষ্ট অতিথিৰ আসন নিৰ্ধাৰণ, মঞ্চ নিৰ্দেশিকা আদি ঃ

(ক) আমন্ত্ৰিত অতিথিৰ পৰিচয়

(খ) আসন নিৰ্ধাৰণ ক্ৰম (মুকলি সভা)

(গ) আলোচনা চক্ৰ, শাখা সন্মিলন আদি

(ঘ) প্ৰতিনিধি সভা

(ঙ) সভাৰ সকলো অনুষ্ঠানলৈ প্ৰাক্তন সভাপতিসকল সন্মানীত অতিথিৰূপে নিমন্ত্ৰিত হ'ব।

(চ) সভাৰ চলিত বা পূৰ্বৰ অধিৱেশনৰ বিভিন্ন শাখা সন্মিলনৰ সভাপতি, উদ্বোধক, মুখ্য অতিথিসকল, বিশিষ্ট অতিথিৰূপে গণ্য হ'ব।

(ছ) অন্যান্য ভাষা-সাহিত্যৰ ৰাজ্যিক স্তৰৰ অনুষ্ঠানৰ সভাপতি আৰু সম্পাদকসকল বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰিত হ'ব।

(জ) সভাৰ প্ৰাক্তন উপ-সভাপতি আৰু প্ৰাক্তন প্ৰধান সম্পাদকসকল বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰিত হ'ব।

(ঝ) লব্ধপ্ৰতিষ্ঠ বিশিষ্ট সাহিত্যকসকল বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰিত হ'ব।

(ঞ) কেৱল বিশিষ্ট সাহিত্যিককহে উদ্বোধক বা মুখ্য অতিথিৰূপে আমন্ত্ৰণ জনাব পাৰিব। সভাৰ প্ৰাক্তন সভাপতিসকলকো এনে দায়িত্ব দি আমন্ত্ৰণ জনাব পাৰিব।

(ট) শাখা সভা বা জিলা সভাৰ অধিৱেশনত যদি মূল সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদক উপস্থিত থাকে, তেওঁলোকক সেই অনুষ্ঠানৰ সভাপতিৰ লগতে একেলগে মঞ্চলৈ নিমন্ত্ৰণ জনাব আৰু সেই সভাৰ ক্ৰমে উদ্বোধক, মুখ্য অতিথি আৰু বিশিষ্ট অতিথি হ'ব। মূল সভাৰ সভাপতিৰ পিছতহে সেই অনুষ্ঠানৰ মুখ্য অতিথি, বিশিষ্ট অতিথি, বক্তাসকলক নিমন্ত্ৰণ জনাব বা আদৰণি জনাব পাৰিব।

(ঠ) মূল সভাৰ প্ৰাক্তন সভাপতিসকল জিলা বা শাখা সভাৰ অনুষ্ঠানত সন্মানিত অতিথিৰূপে আৰু উপ-সভাপতি (প্ৰাক্তন আৰু বৰ্তমানৰ) আৰু প্ৰধান সম্পাদকসকল (প্ৰাক্তন আৰু বৰ্তমানৰ) বিশিষ্ট অতিথিৰূপে গণ্য হ'ব।

(ড) জিলা বা শাখা সভাৰ অনুষ্ঠানলৈ সেই জিলাত থকা মূল সভাৰ সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক, প্ৰাক্তন সভাপতি, প্ৰাক্তন উপ-সভাপতি, প্ৰাক্তন প্ৰধান সম্পাদক আৰু অন্যান্য বিষয়ববীয়াসকল ক্ৰম অনুসৰি নিমন্ত্ৰিত হ'ব।

(ঢ) ভাষা-সাহিত্য-সংস্কৃতিলৈ বৰঙণি নথকা কোনো ব্যক্তিক উদ্বোধক বা মুখ্য অতিথিৰূপে নিমন্ত্ৰণ নজনাব।

(ণ) ৰাজ্য বা ৰাষ্ট্ৰৰ মুৰব্বীক (ৰাষ্ট্ৰপতি, ৰাজ্যপাল, প্ৰধান মন্ত্ৰী, মুখ্যমন্ত্ৰী আদিক) নিমন্ত্ৰণ জনালে বিশেষ কাৰ্যসূচীৰ পৰিকল্পনা কৰি নিমন্ত্ৰণ-জনাব যাতে অন্যান্য নিয়মিত কাৰ্যসূচী বিঘ্নিত নহয় আৰু সভাৰ অন্যান্য নিমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকল কোনো প্ৰকাৰে অস্বস্তিকৰ অৱস্থাৰ সন্মুখীন নহয়।

(ত) জিলা সভা, শাখা সভাৰ এলেকাত থকা মূল সভাৰ সভাপতি, প্ৰাক্তন সভাপতি, উপ-সভাপতি, প্ৰাক্তন উপ-সভাপতি, প্ৰধান সম্পাদকসকলক আৰু সভাৰ পাঁচোটি কাৰ্যালয়ৰ চলিত বছৰৰ সহকাৰী সম্পাদকসকলক শাখা-জিলাৰ কাৰ্যনিৰ্বাহক সমিতি আৰু প্ৰতিনিধি সভালৈ বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰিত হ'ব আৰু জিলা সভাৰ কাৰ্যনিৰ্বাহক আৰু প্ৰতিনিধি সভাত যোগদান কৰাৰ অধিকাৰ থাকিব।

(থ) মূল সভালৈ পঠোৱা জিলা সভাৰ প্ৰতিনিধিজন জিলা সভাৰ 'কাৰ্যনিৰ্বাহক সদস্য' স্বৰূপে গণ্য হ'ব।

৪। নিমন্ত্ৰিতসকলৰ পৰিচয় আৰু বৰণ ক্ৰম ঃ

(ক) সভাপতি, উপ-সভাপতি, উদ্বোধক, মুখ্য অতিথি, আদৰণী সমিতিৰ সভাপতি

(খ) সন্মানিত অতিথি, সভাৰ প্ৰাক্তন সভাপতিসকল

(গ) বিভিন্ন ভাষা-সাহিত্যৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানৰ সভাপতিসকল

(১) বিভিন্ন ভাষা-সাহিত্যৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানৰ সভাপতি আৰু সম্পাদকসকল।

(২) সভাৰ চলিত বছৰৰ অধিবেশনৰ বিভিন্ন শাখা সন্মিলনৰ সভাপতি, উদ্বোধক, মুখ্য অতিথি, আলোচক আৰু বিশেষ কাৰ্যসূচী সম্পাদন কৰা বিশিষ্ট অতিথিসকল

(৩) সভাৰ প্ৰাক্তন উপ-সভাপতি আৰু প্ৰাক্তন প্ৰধান সম্পাদকসকল

বিঃদ্ৰঃ (১) (আদৰণী সমিতিৰ সভাপতি, সাধাৰণ সম্পাদকক পৰিচয় কৰাই দিব; বৰণ কৰিব নালাগে।)

(৪) প্ৰধান সম্পাদকে বিশিষ্ট অতিথি তথা নিমন্ত্ৰিতসকলক পৰিচয় কৰাই দিব। আদৰণী সমিতিয়ে প্ৰধান সম্পাদকক পৰিচয় কৰাই দি বৰণ কৰিব।

(৫) সহকাৰী সম্পাদকে সভাৰ কাৰ্যনিৰ্বাহকৰ অন্যান্য বিষয়ববীয়া আৰু সদস্যসকলক পৰিচয় কৰাই দিব। প্ৰধান সম্পাদক/সহকাৰী সম্পাদকে পৰিচয় কৰাই দিয়াৰ লগে লগে আদৰণী সমিতিয়ে যদি উপহাৰ প্ৰদান কৰিব খোজে বা আদৰণী জনাব খোজে, লগে লগে জনাব।

৫। মঞ্চত স্থান নিৰ্দেশনা ঃ

(১) মাজত সভাপতি, প্ৰেক্ষাগৃহৰ দৰ্শকৰ ফালৰ পৰা সভাপতিৰ সোঁহাতে বিদায়ী সভাপতি, বিদায়ী সভাপতিৰ সোঁহাতে মুখ্য অতিথি সেইদৰে ক্ৰমানুসাৰে উদ্বোধক, উপ-সভাপতি নৱনিৰ্বাচিত, বিদায়ী উপ-সভাপতি আৰু প্ৰাক্তন সভাপতিসকল তথা সন্মানিত অতিথিসকল বহিব। সভাপতিৰ বাওঁহাতে প্ৰধান সম্পাদক, প্ৰধান সম্পাদকৰ সোঁহাতে ক্ৰমানুসৰি নৱনিৰ্বাচিত প্ৰধান সম্পাদক, আদৰণী সমিতিৰ সভাপতি, আদৰণী সমিতিৰ সাধাৰণ সম্পাদক, প্ৰাক্তন প্ৰধান সম্পাদকসকল তথা বিশিষ্ট অতিথিসকল বহিব। মুখ্যমন্ত্ৰী বা ৰাষ্ট্ৰৰ কোনো মুৰব্বী উপস্থিত থাকিলে সভাপতি আৰু প্ৰধান সম্পাদকৰ মাজত আসন গ্ৰহণ কৰিব।

(২) প্ৰথম শাৰীত নুজুৰিলে দ্বিতীয় শাৰীত সন্মানিত অতিথিসকল আৰু বিশিষ্ট অতিথিসকল বহিব।

(৩) পিছৰ শাৰীত বিশিষ্ট অতিথিসকল আৰু বিশিষ্ট প্ৰতিনিধিসকল বহিব। সহকাৰী সম্পাদককে ধৰি বিষয়ববীয়াসকল আৰু বিশেষ কামৰ বাবে নিয়োজিতসকল প্ৰধান সম্পাদকৰ পিছত বহিব।

(৪) মঞ্চত কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলৰ বাবে ঠাইৰ নাটনি হ'লে প্ৰেক্ষাগৃহৰ আগফালে বিশেষ স্থান ৰাখিব।

(৫) বক্তৃতা অনুষ্ঠান, আলোচনা চক্ৰ, কবি সন্মিলন, লেখকৰ লগত অন্তৰংগ সাক্ষাৎ আদি অনুষ্ঠান সভাৰ সভাপতি, উপ-সভাপতি, উদ্বোধক, প্ৰধান সম্পাদক, মুখ্য বক্তা, অংশগ্ৰহণকাৰীসকল, অন্তৰংগ সাক্ষাতৰ বাবে নিমন্ত্ৰিত লেখক কেৱল মঞ্চত বহিব অৰ্থাৎ কেৱল দায়িত্ব থকাসকলহে বহিব। সভাৰ সকলো অনুষ্ঠানৰ সন্মানিত অতিথিৰূপে নিমন্ত্ৰিত প্ৰাক্তন সভাপতিসকলৰ বাবে যদি মঞ্চত ঠাইৰ অকুলন হয়, সভাৰ আগশাৰীত আসন সংৰক্ষণ কৰিব।

৬। (ক) সভাৰ সকলো অনুষ্ঠান প্ৰধান সম্পাদক বা প্ৰধান সম্পাদকৰ আদেশপ্ৰাপ্ত ব্যক্তিয়ে পৰিচালনা কৰিব।

(খ) সভাৰ কাৰ্যসূচী ঘোষণাৰ বাবে প্ৰশিক্ষিত ঘোষক-ঘোষিকা নিয়োগ কৰাৰ ব্যৱস্থা মুকলি হৈ থাকিব।

(গ) সভাৰ কাৰ্যসূচী মূল সভা আৰু আদৰণী সমিতিৰ বিষয়ববীয়াসকলৰ হাতত মজুত থাকিব।

(ঘ) প্ৰয়োজন হ'লে দৰ্শক-শ্ৰোতাৰ জ্ঞাতাৰ্থে আগতীয়াকৈ বিতৰণ কৰি দিবও পাৰিব।

৬। সভাঘৰত নিমন্ত্ৰিতসকলৰ স্থান ঃ

(ক) কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য

(খ) সন্মানীয় হিতৈষী সভ্য আৰু হিতৈষী সভ্যসকল

(গ) আজীৱন সভ্যৰ প্ৰতিনিধিসকল

(ঘ) প্ৰতিনিধিসকল

(ঙ) দৰ্শক প্ৰতিনিধিবৃন্দ

(চ) দৰ্শক

টোকা ঃ ২০০৭ চনৰ অসম সাহিত্য সভাৰ চাপৰ অধিৱেশনত সংশোধিত আৰু গৃহীত 'অসম সাহিত্য সভাৰ নিয়মাৱলী'ৰ পৰা লোৱা হৈছে।

অসম সাহিত্য সভাৰ প্ৰকাশন

"অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাতা প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীয়ে আৰম্ভণিতেই সভাৰ সাংগঠনিক কামৰ লগতে গ্ৰন্থ প্ৰকাশনৰ দিশতো চিন্তা-চৰ্চা কৰাৰ আভাস পোৱা যায়। তেওঁৰ প্ৰযত্নতে অসম সাহিত্য সভাৰ একাধিক ন্যাস পুঁজিৰ লগতে দক্ষিণপাট সত্ৰৰ 'শ্ৰীশ্ৰীনৰদেৱ ট্ৰাষ্ট ফাণ্ড' প্ৰতিষ্ঠা হয়। গোস্বামীৰ 'সাহিত্য সভাৰ কথা' শীৰ্ষক এক সুদীৰ্ঘ প্ৰবন্ধত সভাৰ প্ৰথম পৰ্যায়ৰ প্ৰকাশন সম্পৰ্কে কিছু বিৱৰণ উল্লেখ আছে। দক্ষিণপাট সত্ৰাধিকাৰ 'নৰদেৱ গোস্বামী ট্ৰাষ্ট ফাণ্ড' সভাৰ তৃতীয়টি ন্যাস পুঁজি। এই পুঁজি গঠনৰ ক্ষেত্ৰত পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়েও সহায় কৰিছিল। শৰৎ চন্দ্ৰ গোস্বামীয়ে উক্ত প্ৰবন্ধত কৈ গৈছে, "কথাই কথাই গোসাঁয়ে সাহিত্য সভাৰ কাৰণে এই পাঁচ হাজাৰ টকা দিবলৈ গাত ল'লে। কি কি কামৰ কাৰণে কেনেকৈ টকা দিব তাৰ বিষয়েহে গোসাঁই আৰু মোৰ লগত পৰামৰ্শ কৰিছিল; আৰু মোৰ বিশ্বাস দক্ষিণপাটৰ প্ৰধান শিষ্য ৰজনী ৰবদলৈৰ লগতো পৰামৰ্শ কৰিছিল।"

সেয়ে সভাৰ প্ৰথম গ্ৰন্থখন হ'ল 'নৰদেৱ গ্ৰন্থাৱলী'ৰ শ্ৰীশ্ৰীদামোদৰদেৱ চৰিত্ৰ (প্ৰথম প্ৰকাশ ১৯৭২ চন)। নীলকণ্ঠ দাস ৰচিত এই চৰিতখনিৰ সম্পাদনা সভাৰ

প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীৰ। সম্প্ৰতি সভাৰ 'শৰৎ চন্দ্ৰ গোস্বামী পুথিভঁৰাল'ত সংৰক্ষিত এই গ্ৰন্থখনিৰ মূল বিষয়ৰ পৃষ্ঠা সংখ্যা ২০১, সুদীৰ্ঘ পাতনি ৪৯ পৃষ্ঠা। মূল্য সাধাৰণৰ পক্ষে চৈধ্য অনা আৰু সভ্যৰ পক্ষে দহ অনা। ছপা হৈছিল কলিকতাৰ ২ নং বেথুন ৰোডৰ 'ভাৰত মিহিৰ যন্ত্ৰ'ত। নৱদেৱ গ্ৰন্থাৱলীৰ দ্বিতীয়খন গ্ৰন্থ হ'ল ৰমাকান্ত দ্বিজ ৰচিত শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ (সম্পাদনা শৰৎ চন্দ্ৰ গোস্বামী), তৃতীয়খন শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত পুৰাণ (ৰচক বলোৰাম দ্বিজ), সম্পাদনা দেৱেশ্বৰ চলিহা। শেষোক্তখনৰ প্ৰকাশ হৈছিল ১৯৩৩ চনত।"

"অসম সাহিত্য সভাৰ ইতিহাসৰ সবাতোকৈ গুৰুত্বপূৰ্ণ সংযোগটো হ'ল সভাৰ লগত দানবীৰ ৰাধাকান্ত সন্দিকৈ জড়িত হোৱাটো। দুটা পুত্ৰৰ অকাল মৃত্যুত শোকসন্তপ্ত সন্দিকৈ পৰিয়ালে সভাৰ কাৰ্যালয় গৃহ আৰু প্ৰকাশনৰ বাবে মুক্ত হস্তে কৰা দানৰ বাবেই এহাতে সভাৰ যাউতিযুগীয়া কেন্দ্ৰীয় কাৰ্যালয় 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন' নিৰ্মাণ হ'ল আৰু হেমকোষৰ পিছতে প্ৰথম এক পূৰ্ণাংগ পৰ্যায়ৰ অভিধান চন্দ্ৰকান্ত অভিধান প্ৰকাশ হ'ল ১৯৩৩ চনত। অৱশ্যে শৰৎ চন্দ্ৰ গোস্বামীৰ উক্ত প্ৰবন্ধত উল্লেখ থকা অনুসৰি সন্দিকৈৰ দানেৰে প্ৰথমতে 'চন্দ্ৰকান্ত সন্দিকৈৰ নামত অভিধান' আৰু ইন্দ্ৰকান্ত সন্দিকৈৰ নামত 'ইন্দ্ৰকান্ত ব্যাকৰণ' প্ৰকাশ কৰাৰহে সিদ্ধান্ত লোৱা হৈছিল। সভাৰ প্ৰথম পৰ্যায়ৰ প্ৰকাশনৰ ভিতৰত নিঃসন্দেহে চন্দ্ৰকান্ত অভিধান সবাতোকৈ গুৰুত্বপূৰ্ণ গ্ৰন্থ। উল্লেখযোগ্য যে শৰৎ চন্দ্ৰ গোস্বামীৰ উদ্যোগতে 'কমলাদেৱী শিশু সাহিত্য ন্যাস' প্ৰতিষ্ঠা কৰি শিশু সাহিত্যৰ এটা 'ছিৰিজ' উলিয়াবলৈ ব্যৱস্থা কৰিছিল।

চন্দ্ৰকান্ত অভিধান প্ৰণয়নৰ সম্পৰ্কে শৰৎ চন্দ্ৰ গোস্বামীয়ে নিজে দিয়া মনোৰম বৰ্ণনাৰ পৰা অসমীয়া অভিধান নিৰ্মাণৰ প্ৰস্তুতিৰ যি আভাস পোৱা যায় সেয়া কেৱল অসম সাহিত্য সভাৰে নহয়, অসমীয়া সাহিত্যৰ প্ৰকাশনৰ ইতিহাসৰ এক চমকপ্ৰদ অধ্যায়। সৰু বৰ অনেক কাহিনী, অনেক মানুহৰ কথা জড়িত হৈ আছে চন্দ্ৰকান্ত অভিধানৰ প্ৰণয়ন আৰু প্ৰকাশৰ লগত। সেই লেখাতেই আমি সন্ধেদ পাওঁ উক্ত অভিধান সভাই নিজস্ব প্ৰেছ পাতি ছপাবলৈ শৰৎ গোস্বামীয়ে পোন প্ৰথম চেষ্টা কৰাৰ খবৰ। অসম সাহিত্য সভাৰ নিজা ছপাশাল আজিও নহ'লগৈ। ১৯২৭ চনত প্ৰথম প্ৰকাশনৰ পিছত স্বাধীনতাৰ পূৰ্বলৈকে সভাৰ প্ৰকাশন বৰ উৎসাহজনক বুলিব নোৱাৰি। ১৯৪৩ চন পৰ্যন্ত সভাৰ মুঠ প্ৰকাশিত গ্ৰন্থৰ সংখ্যা মাত্ৰ ছখন। অৱশ্যে ইয়াৰ ভিতৰত ১৯৩৮ চনতে ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'অসমীয়া বৈজ্ঞানিক পৰিভাষা' শীৰ্ষক গ্ৰন্থখন প্ৰকাশ হোৱাটো সঁচাই তাৎপৰ্যপূৰ্ণ কথা।

চাৰি শতাধিক অসমীয়া-ইংৰাজী গ্ৰন্থৰ ভিতৰত সম্প্ৰতি সভাৰ পুথিভঁৰালত এতিয়াও ২১খন কিতাপ পাবলৈ নাই। বহু আগতে কিবা প্ৰকাশ সেয়া হৰণ-ভগন হ'ল।"

উৎস : কথা-গুৱাহাটী, অসম সাহিত্য সভাৰ প্ৰকাশন, প্ৰফুল্ল চন্দ্ৰ বৰা।

অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থসমূহ

১। শ্ৰীশ্ৰী দামোদৰ দেৱৰ চৰিত্ৰ ● নীলকণ্ঠ দাস ● প্ৰথম প্ৰকাশ ১৯২৭ ● ০.৮৭ টকা।

২। শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত পুৰাণ ● বলোৰাম দ্বিজ ● ১৯৩৩ ● ১.০০ টকা।

৩। চন্দ্ৰকান্ত অভিধান ● ১৯৩৩ ● ৭.০০ টকা।

৪। অসমীয়া বৈজ্ঞানিক পৰিভাষা ● সংকলক ঃ ড° বিৰিঞ্চি কুমাৰ বৰুৱা ● ১৯৩৮ ● ১.০০ টকা।

৫। সমাজতন্ত্ৰ ● ভাগৱত মিশ্ৰ ● ১৯৪৩ ● ০.৬২ টকা।

৬। The Assam Sahitya Sabha ● Keshab Narayan Dutta ● 1953 ● Rs. 1.00.

৭। বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা ● ড° সূৰ্যকুমাৰ ভূঞা ● ১৯৫৪ ● ২.০০ টকা।

৮। অসম সাহিত্য সভা ভাষণাৱলী (১ম ভাগ) ● সম্পা ঃ অতুল চন্দ্ৰ হাজৰিকা ● ১৯৫৫ ● ৮.০০ টকা।

৯। যোৰহাট বাৰ্ষিকী ● সম্পা ঃ অতুল চন্দ্ৰ হাজৰিকা ● ১৯৫৫ ● ২.০০ টকা।

১০। শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ ● ৰমাকান্ত দ্বিজ, সম্পা ঃ শৰৎ চন্দ্ৰ গোস্বামী ● ১৯৫৬ ● ০.৭৫ টকা।

১১। গুৱাহাটী বাৰ্ষিকী ● সম্পা ঃ অতুল চন্দ্ৰ হাজৰিকা ● ১৯৫৫ ● ২.০০ টকা।

১২। অসম সাহিত্য সভা ভাষণাৱলী (২য় ভাগ) ● সম্পা ঃ অতুল চন্দ্ৰ হাজৰিকা ● ১৯৫৭ ● ৮.০০ টকা।

১৩। সীমান্তৰ সন্ধেদ ● সম্পা ঃ পৰাগধৰ চলিহা ● ১৯৫৮ ● ৩.০০ টকা।

১৪। নীলাচল পাঠ ● মহেন্দ্ৰ সভাপণ্ডিত ● ১৯৫৮ ● ২.০০ টকা।

১৫। This is Assam ● Ed : B.N. Shastri, P. Bhattacharyya ● 1958 ● Rs. 3.50.

১৬। Outlook on NEFA ● Ed : Paragdhar Chaliha ● 1958 ● Rs. 4.00.

১৭। অসমীয়া ভাষা ● সম্পা ঃ আনন্দৰাম ঢেকিয়াল ফুকন ● ১৯৫৯ ● ০.৫০ টকা।

১৮। আনন্দৰাম ঢেকিয়াল ফুকন ● যতীন্দ্ৰনাথ গোস্বামী ● ১৯৫৯ ● ০.৩৭ টকা।

১৯। বাণিজ্যিক ভাষা অসমীয়া ● অসম সাহিত্য সভা ● ১৯৫৯ ● ০.১০ টকা।

২০। অসমীয়া লোকগীতি সংগ্ৰহ • সংকলক ঃ যোগেশ চন্দ্ৰ তামুলী • ১৯৬০ • ৬.০০ টকা।

২১। ৰাজ্যিক ভাষাৰ সমৰ্থনত • অসম সাহিত্য সভা • ১৯৬০ • ০.১০ টকা।

২২। কামিনীকান্তৰ চৰিত্ৰ • সম্পা ঃ প্ৰফুল্ল দত্ত গোস্বামী • ১৯৬০ • ২.০০ টকা।

২৩। উদয়াচলৰ সাধু • লুম্মেৰ দাই • ১৯৬০ • ২.০০ টকা।

২৪। চাহবাগিচাৰ বনুৱা • নকুল চন্দ্ৰ ভূঞা • ১৯৬০ • ১.২৫ টকা।

২৫। পৱিত্ৰ অসম • সম্পাদ ঃ ড° মহেশ্বৰ নেওগ • ১৯৬০ • ১২.০০ টকা।

২৬। ৰাধাকান্ত সন্দিকৈ • হৰিপ্ৰসাদ নেওগ • ১৯৬০ • ০.৮৭ টকা।

২৭। অসমীয়া খণ্ডবাক্য কোষ • বেণুধৰ ৰাজখোৱা • ১৯৬১ • ৯.০০ টকা।

২৮। কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা • কমলেশ্বৰ শৰ্মা • ১৯৬১ • ২.৫০ টকা।

২৯। Assam's Language Question • Ed : Dr. Maheswar Neog • 1961 • Rs. 2.00.

৩০। মিকিৰ জনজাতি • চাংকাম টেৰণ • ১৯৬১ • ১.০০ টকা।

৩১। ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া • নকুল চন্দ্ৰ ভূঞা • ১৯৬১ • ৩.০০ টকা।

৩২। অসম সাহিত্য সভা ভাষণাৱলী (৩য় খণ্ড) • সম্পা ঃ অতুল চন্দ্ৰ হাজৰিকা • ১৯৬১ • ৭.০০ টকা।

৩৩। অশান্ত হিমালয় সীমান্তৰ আহ্বান • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৬২ • ০.৩৭ টকা।

৩৪। সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৬২ • ২.০০ টকা।

৩৫। গোৱালপাৰা বাৰ্ষিকী • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৬২ • ৩.০০ টকা।

৩৬। ৰূপকত্ৰয়ম • সম্পা ঃ ড° সত্যেন্দ্ৰনাথ শৰ্মা • ১৯৬২ • ৪.০০ টকা।

৩৭। নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প • সম্পা ঃ ড° হেমন্ত কুমাৰ শৰ্মা • ১৯৬৩ • ৪.০০ টকা।

৩৮। অসমৰ জনজাতীয় সাধু • সম্পা ঃ বিশ্বনাৰায়ণ শাস্ত্ৰী • ১৯৬২ • ৬.০০ টকা।

৩৯। অসমৰ জনজাতি • সম্পা ঃ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য • ১৯৬২ • ১০.০০ টকা।

৪০। মুদ্ৰা ৰাক্ষস • বিশাখা দত্ত, সম্পা ঃ ৰজনীকান্ত দেব শৰ্মা • ১৯৬৩ • ৬.০০ টকা।

৪১। আপকি অসমীয়া • পৰেশ চন্দ্ৰ দেৱশৰ্মা • ১৯৬৩ • ২.০০ টকা।

৪২। Assamese for All • Dr. M. M. Sharmah • 1963 • Rs. 2.00.

৪৩। কৰ্পূৰমঞ্জৰী • ৰাজশেখৰ, সম্পা ঃ ড° মুকুন্দ মাধৱ শৰ্মা, • ১৯৬৩ • ২.০০ টকা।

৪৪। জয়মতী আৰু মূলাগাভৰু • লীলা গগৈ • ১৯৬৩ • ০.৬২ টকা।

৪৫। সাহিত্য সমীক্ষা • সম্পা ঃ ড° মহেশ্বৰ নেওগ, সম্পা ঃ ড° হেমন্ত কুমাৰ শৰ্মা • ১৯৬৩ • ৬.০০ টকা।

৪৬। ৰণ নিনাদ • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৬৩ • ০.২০ টকা।

৪৭। ডিগবৈ বাৰ্ষিকী • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৬৪ • ৩.০০ টকা।

৪৮। নাজিৰা বাৰ্ষিকী • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৬৪ • ৩.০০ টকা।

৪৯। সাহিত্য দৰ্পণ • বিশ্বনাথ কবিৰাজ, অনু ঃ বিশ্বনাৰায়ণ শাস্ত্ৰী • ১৯৬৪ • ১.২৫ টকা।

৫০। ৰত্নকান্ত বৰকাকতি স্মৃতিগ্ৰন্থ • সম্পা ঃ বিশ্বনাৰায়ণ শাস্ত্ৰী • ১৯৬৫ • ১.২৫ টকা।

৫১। অসমীয়া লা বড়ো হানে অসমীয়া হিকাই কাই • ডি ফ্ৰেকলীন • ১৯৬৫ • ২.০০ টকা।

৫২। আণ্টামগাৰী অসমীয়া কোজিয়ানী • হৰেন্দ্ৰ ডব্লিউ মাৰাক • ১৯৬৫ • ২.০০ টকা।

৫৩। অৰুনোদইৰ ঢলফাট • সম্পা ঃ ড° বিৰিঞ্চি কুমাৰ বৰুৱা • ১৯৬৫ • ২.৫০ টকা।

৫৪। অসমীয়া সংস্কৃতি • সম্পা ঃ লীলা গগৈ, হৰিপ্ৰসাদ নেওগ • ১৯৬৬ • ১২.০০ টকা।

৫৫। মোৰ জীৱন সোঁৱৰণ • লক্ষ্মীনাথ বেজবৰুৱা • ১৯৬৬ • ৪.০০ টকা।

৫৬। নলবাৰী বাৰ্ষিকী • সম্পা ঃ হৰিপ্ৰসাদ নেওগ • ১৯৬৬ • ৩.০০ টকা।

৫৭। উত্তৰ লক্ষীমপুৰ বাৰ্ষিকী • সম্পা ঃ হৰিপ্ৰসাদ নেওগ • ১৯৬৬ • ১.০০ টকা।

৫৮। অসম সাহিত্য সভা পৰিচিতি • সম্পা ঃ হৰিপ্ৰসাদ নেওগ • ১৯৬৬ • ১.০০ টকা।

৫৯। বিশ্বনাথ ৰাজবংশী • সম্পা ঃ হৰিপ্ৰসাদ নেওগ • ১৯৬৬ • ১.০০ টকা।

৬০। সেউজী পাতৰ মাজে মাজে • ড° নগেন শইকীয়া • ১৯৬৭ • ১.০০ টকা।

৬১। ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ • বীৰেন বৰকটকী • ১৯৬৭ • ১.০০ টকা।

৬২। অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ • হৰিপ্ৰসাদ নেওগ • ১৯৬৭ • ৩.০০ টকা।

৬৩। ডিব্ৰুগড় বাৰ্ষিকী • হৰিপ্ৰসাদ নেওগ • ১৯৬৭ • ১.০০ টকা।

৬৪। বিংশ শতাব্দীৰ অসমীয়া সাহিত্য • হোমেন বৰগোহাঞি • ১৯৬৭ • ৮.০০ টকা।

৬৫। অলকানন্দা • নলিনীবালা দেবী • ১৯৬৭ • ৪.০০ টকা।

৬৬। চাহবাগিচাৰ অসমীয়া • গোলাপ চন্দ্ৰ খাউণ্ড • ১৯৬৭ • ১.০০ টকা।

৬৭। ডিম্বেশ্বৰ নেওগ স্মৃতিগ্ৰন্থ • সম্পা ঃ হৰিপ্ৰসাদ নেওগ • ১৯৬৭ • ৪.০০ টকা।

৬৮। তত্ত্বকথা • লক্ষ্মীনাথ বেজবৰুৱা, সম্পা ঃ অতুল চন্দ্ৰ হাজৰিকা • ১৯৬৭ • ৪.০০ টকা।

৬৯। মৃচ্ছকটিকা • অনু ঃ ভবেন্দ্ৰনাথ হাজৰিকা • ১৯৬৭ • ৫.০০ টকা।

৭০। চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা • সম্পা ঃ শশী শৰ্মা • ১৯৬৭ • ৬.০০ টকা।

৭১। ৰজনীকান্ত বৰদলৈ ৰচনামালা • সম্পা ঃ ড° হেমন্ত কুমাৰ শৰ্মা • ১৯৬৭ • ৮.০০ টকা।

৭২। বেজবৰুৱা প্ৰতিভা • সম্পা ঃ মহেশ চন্দ্ৰ দেৱগোস্বামী • ১৯৬৮ • ৮.০০ টকা।

৭৩। বেজবৰুৱাৰ প্ৰবন্ধ বাছনি • সম্পা ঃ যতীন্দ্ৰনাথ গোস্বামী • ১৯৬৮ • ৭.০০ টকা।

৭৪। অসমীয়া ভাষা আৰু সাহিত্য • সম্পা ঃ অতুল চন্দ্ৰ হাজৰিকা • ১৯৬৮ • ৭.০০ টকা।

৭৫। অম্বিকাগিৰী ৰায়চৌধুৰী স্মৃতিগ্ৰন্থ • সম্পা ঃ হৰিপ্ৰসাদ নেওগ • ১৯৮৬ • ৪.০০ টকা।

৭৬। বেজবৰুৱাৰ চিত্ৰলেখা • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৬৮ • ৬.০০ টকা।

৭৭। ৰঘুনাথ চৌধুৰী স্মৃতিগ্ৰন্থ • সম্পা ঃ হৰিপ্ৰসাদ নেওগ • ১৯৬৮ • ৪.০০ টকা।

৭৮। কেহোকলি • লক্ষ্মীনাথ বেজবৰুৱা, সম্পা ঃ অতুল চন্দ্ৰ হাজৰিকা • ১৯৬৮ • ৪.০০ টকা।

৭৯। বেজবৰুৱাৰ পত্ৰলেখা • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৬৮ • ৪.০০ টকা।

৮০। Religion Love and Devotion • Laxminath Bezboruah • 1968 • Rs. 3.00.

৮১। অসমীয়া ভাষা • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৬৮ • ১.০০ টকা।

৮২। প্ৰমথনাথ চক্ৰবৰ্তী • হৰিপ্ৰসাদ নেওগ • ১৯৬৮ • ১.০০ টকা।

৮৩। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা (হিন্দী) • ৰোহিতেশ্বৰ শইকীয়া • ১৯৬৮ • ০.৫০ টকা।

৮৪। Laxminath Bezboruah • Dr. Maheswar Neog, • 1968 • Rs. 0.50.

৮৫। Sahityarathi Laxminath Bezboruah • Atulananda Goswami • 1968 • Rs. 0.50.

৮৬। বেজবৰুৱাৰ বাণী • সংকলক ঃ হৰিপ্ৰসাদ নেওগ • ১৯৬৮ • ০.৫০ টকা।

৮৭। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা • যতীন্দ্ৰনাথ গোস্বামী • ১৯৬৮ • ৭.০০ টকা।

৮৭। ক) আমাৰ লক্ষ্মীনাথ • বিনন্দ চন্দ্ৰ বৰুৱা • ১৯৬৮ • ১.৫০ টকা।

৮৮। শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা • সম্পা ঃ হৰিপ্ৰসাদ নেওগ • ১৯৬৯ • ৩.০০ টকা।

৮৯। তেজপুৰ বাৰ্ষিকী • সম্পা ঃ হৰিপ্ৰসাদ নেওগ • ১৯৬৯ • ৩.০০ টকা।

৯০। বেজবৰুৱাৰ দিনলেখা (১ম খণ্ড) • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৬৯ • ৪.০০ টকা।

৯১। নকুল চন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ • সম্পা ঃ হৰিপ্ৰসাদ নেওগ, নগেন শইকীয়া • ১৯৬৯ • ৪.০০ টকা।

৯২। মফিজুদ্দিন আহমেদ হাজৰিকাৰ ৰচনাৱলী • সম্পা ঃ আব্দুল চাত্তাৰ • ১৯৭০ • ৫.০০ টকা।

৯৩। বৰপেটা বাৰ্ষিকী • সম্পা ঃ চৈয়দ আব্দুল মালিক • ১৯৭১ • ৩.০০ টকা।

৯৪। থিং বাৰ্ষিকী • সম্পা ঃ যতীন্দ্ৰনাথ গোস্বামী • ১৯৭১ • ৩.০০ টকা।

৯৫। গোহাঞিবৰুৱাৰ প্ৰতিভা • সম্পা ঃ হৰিশ্চচন্দ্ৰ ভট্টাচাৰ্য • ১৯৭১ • ১০.০০ টকা।

৯৬। পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী • সম্পা ঃ বেণুধৰ শৰ্মা • ১৯৭২ • ৬.০০ টকা।

৯৭। হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী • সম্পা ঃ বেণুধৰ শৰ্মা • ১৯৭২ • ২০.০০ টকা।

৯৮। ধুবুৰী বাৰ্ষিকী • সম্পা ঃ যতীন্দ্ৰনাথ গোস্বামী • ১৯৭২ • ৩.০০ টকা।
৯৯। মাকুম বাৰ্ষিকী • সম্পা ঃ যতীন্দ্ৰনাথ গোস্বামী • ১৯৭২ • ৩.০০ টকা।
১০০। অসমীয়া গ্ৰন্থপঞ্জী • সম্পা ঃ লীলা গগৈ, কেশৱানন্দ দেৱ গোস্বামী • ১৯৭২ • ৭.০০ টকা।
১০১। Studies on the Early History of Assam • Kanaklal Baruah, Ed : Dr. Maheswar Neog • 1973 • Rs. 20.00.
১০২। হিতেশ্বৰ বৰুৱা স্মৃতিমাল্য • সম্পা ঃ ড° নগেন শইকীয়া • ১৯৭৩ • ৬.০০ টকা।
১০৩। কনকলাল বৰুৱা ৰচনাৱলী • সম্পা ঃ নন্দ তালুকদাৰ • ১৯৭৩ • ১০.০০ টকা।
১০৪। নাটক • ড° শৈলেন ভৰালী • ১৯৭৩ • ৩.৫০ টকা।
১০৫। অসম সাহিত্য সভাৰ ভাষণাৱলী (চতুৰ্থ খণ্ড) • সম্পা ঃ যতীন্দ্ৰ নাথ গোস্বামী • ১৯৭৩ • ২০.০০ টকা।
১০৬। বিষ্ণুপ্ৰিয়া মণিপুৰী • খুমল মহীদেৱ সিং • ১৯৭৪ • ০.৬০ টকা।
১০৭। মপিন উছৱ • ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য • ১৯৭৪ • ২.০০ টকা।
১০৮। কৰম পূজা আৰু ঝুমুৰ গীত • ৰুদ্ৰধৰ গোহাঞি • ১৯৭৪ • ৩.০০ টকা।
১০৯। Presidential Address • Dr. Maheswar Neog • 1974 • Rs. 2.00.
১১০। প্লেটʼ • শৰৎ চন্দ্ৰ গোস্বামী • ১৯৭৪ • ৩.০০ টকা।
১১১। টাইভাষা • বিমলা কান্ত বৰুৱা • ১৯৭৪ • ৩.০০ টকা।
১১২। গাৰো সংস্কৃতিৰ ৰূপৰেখা • ধীৰেন্দ্ৰ নাৰায়ণ মজুমদাৰ • ১৯৭৪ • ৫.০০ টকা।
১১৩। স্বপ্ন বাসৱদত্তা • অনু ঃ ড° মুকুন্দ মাধৱ শৰ্মা • ১৯৭৪ • ৩.০০ টকা।
১১৪। কবি প্ৰত্নতাত্ত্বিক আনন্দ চন্দ্ৰ আগৰৱালা • তিলক চন্দ্ৰ কাকতি • ১৯৭৪ • ৩.০০ টকা।
১১৫। দেউৰী চুতীয়া • পৱন চন্দ্ৰ শইকীয়া • ১৯৭৪ • ৩.০০ টকা।
১১৬। ছক্ৰেটিচ • ড° কালিচৰণ দাস • ১৯৭৪ • ৩.০০ টকা।
১১৭। জীৱনী • গোবিন্দ প্ৰসাদ শৰ্মা • ১৯৭৪ • ৩.০০ টকা।
১১৮। ডিমাছা • নিৰুপমা হাগজেৰ • ১৯৭৪ • ৪.০০ টকা।
১১৯। বৰ্ণিয়া বাৰ্ষিকী • সম্পা ঃ ড° নগেন শইকীয়া • ১৯৭৪ • ৪.০০ টকা।
১২০। কাৰ্বি জনগোষ্ঠী • লংকাম টেৰণ • ১৯৭৪ • ৪.৪০ টকা।
১২১। চুটিগল্প • উদয় দত্ত • ১৯৭৪ • ৫.০০ টকা।

১২২। আনন্দ চন্দ্ৰ আগৰবালাৰ কবিতা • সম্পা ঃ ড° মহেন্দ্ৰ বৰা • ১৯৭৪ • ৫.০০ টকা।

১২৩। একাদশী • সম্পা ঃ ছগনলাল জৈন • ১৯৭৪ • ৫.০০ টকা।

১২৪। ছেমুৱেল জনছনৰ জীৱনী • অনু ঃ ৰায়হান শ্বাহ • ১৯৭৪ • ৫.০০ টকা।

১২৫। ৰাভা জনজাতি • ৰাজেন ৰাভা • ১৯৭৪ • ৭.০০ টকা।

১২৬। অসমীয়া জাতিৰ ইতিবৃত্ত • গিৰিধৰ শৰ্মা • ১৯৭৪ • ১০.০০ টকা।

১২৭। গোৱালপৰীয়া লোকগীতি সংগ্ৰহ • সংকলক ঃ ড° বীৰেন্দ্ৰ নাথ দত্ত • ১৯৭৪ • ১৫.০০ টকা।

১২৮। আনন্দচন্দ্ৰ আগৰবালাৰ গ্ৰন্থাৱলী • সম্পা ঃ ড° মহেন্দ্ৰ বৰা, যতীন্দ্ৰনাথ গোস্বামী • ১৯৭৪ • ৫০.০০ টকা।

১২৯। লংকাকাণ্ড ৰামায়ণ • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৭৫ • ১০.০০ টকা।

১৩০। তিতাবৰ সৌৰৰণ • সম্পা ঃ ড° নগেন শইকীয়া • ১৯৭৫ • ৬.০০ টকা।

১৩১। মঙলদৈ মঙলদৈ • সম্পা ঃ ড° নগেন শইকীয়া • ১৯৭৫ • ১৫.০০ টকা।

১৩২। সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা • ডিম্বেশ্বৰ শৰ্মা • ১৯৭৫ • ৫.৫০ টকা।

১৩৩। তিৱা সম্প্ৰদায় • সম্পা ঃ তিৱা যুৱ ছাত্ৰ সম্মিলন • ১৯৭৫ • ৫.০০ টকা।

১৩৪। চুফি আৰু চুফিবাদ • চৈয়দ আব্দুল মালিক • ১৯৭৫ • ৪.০০ টকা।

১৩৫। অসমৰ লিপি সমস্যা • সম্পা ঃ ড° নগেন শইকীয়া • ১৯৭৫ • ৩.০০ টকা।

১৩৬। বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি • নাৰায়ণ ঘাটোৱাৰ • ১৯৭৫ • ৩.০০ টকা।

১৩৭। সাগৰৰ কথা • ৰমেশচন্দ্ৰ গোস্বামী • ১৯৭৫ • ২.৫০ টকা।

১৩৮। চন্দ্ৰধৰ বৰুৱা মানুহজন • ডিম্বেশ্বৰ শৰ্মা • ১৯৭৫ • ০.৫০ টকা।

১৩৯। চন্দ্ৰধৰ বৰুৱাৰ গ্ৰন্থাৱলী • সম্পা ঃ যতীন্দ্ৰনাথ গোস্বামী, সম্পা ঃ ড° নগেন শইকীয়া • ১৯৭৬ • ৩৫.০০ টকা।

১৪০। দেশভক্ত তৰুণৰাম ফুকন • জিতেন্দ্ৰনাথ বুজৰবৰুৱা • ১৯৭৬ • ৩.০০ টকা।

১৪১। কাৰ্বি সাধু • ৰংবং তেৰাং • ১৯৭৬ • ২.৫০ টকা।

১৪২। কামেং সীমান্তৰ সাধু • য়েছে দৰজে ঠংচি • ১৯৭৬ • ৩.০০ টকা।

১৪৩। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা • বিজয় চন্দ্ৰ ভাগৱতী • ১৯৭৬ • ৪.০০ টকা।

১৪৪। Annais of Assam Sahitya Sabha • Dr. Maheswar Neog • 1976 • Rs. 5.00.

১৪৫। স্নেহৰ অৰুণাচল • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৭৬ • ৫.০০ টকা।

১৪৬। অসম সাহিত্য সভা কা ইতিবৃত্ত • বাপচন্দ্ৰ মহন্ত • ১৯৭৬ • ৬.০০ টকা।

১৪৭। জগন্নাথ বৰুৱা • যতীন্দ্ৰনাথ গোস্বামী • ১৯৭৬ • ৫.০০ টকা।

১৪৮। বেজবৰুৱাৰ দিনলেখা (দ্বিতীয় খণ্ড) • সম্পা ঃ ড° মহেশ্বৰ নেওগ • ১৯৭৬ • ১০.০০ টকা।

১৪৯। শিখধৰ্মীয় সাধু • ইক্‌বাল কৌৰ • ১৯৭৬ • ৩.০০ টকা।

১৫০। Development of Scripts in Ancient Kamrup • Dr. T.P. Verma • 1976 • Rs. 10.00.

১৫১। অসম সাহিত্য সভাৰ ৰূপৰেখা • অতুল চন্দ্ৰ হাজৰিকা • ১৯৭৭ • ১৬.০০ টকা।

১৫২। আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ • সম্পা ঃ ড° নগেন শইকীয়া • ১৯৭৭ • ১২.০০ টকা।

১৫৩। Plea for Assam and Assamese • Ed : Dr. Maheswar Neog • 1977 • Rs. 12.00.

১৫৪। টিহু লখিমী • সম্পা ঃ ড° বসন্ত কুমাৰ গোস্বামী • ১৯৭৭ • ১০.০০ টকা।

১৫৫। দেশভক্ত ফুকন স্মৃতিমাল্য • সম্পা ঃ অতুল চন্দ্ৰ হাজৰিকা • ১৯৭৭ • ১০.০০ টকা।

১৫৬। ছেক্সপীয়েৰ • তাৰিণীকান্ত ভট্টাচাৰ্য • ১৯৭৭ • ১০.০০ টকা।

১৫৭। অসম সাহিত্য সভাৰ সুবচনী • সম্পা ঃ আব্দুল চাত্তাৰ, ড° বসন্ত কুমাৰ গোস্বামী • ১৯৭৭ • ৬.০০ টকা।

১৫৮। শতাব্দীৰ অৰ্ঘ্য • অতুল চন্দ্ৰ হাজৰিকা • ১৯৭৭ • ৫.০০ টকা।

১৫৯। চিকিৎসা বিজ্ঞানৰ ইতিহাস • ড° মথুৰানাথ ভট্টাচাৰ্য • ১৯৭৭ • ৫.০০ টকা।

১৬০। ধ্বনি আৰু ৰসতত্ত্ব • ড° মুকুন্দ মাধৱ শৰ্মা • ১৯৭৭ • ৪.০০ টকা।

১৬১। ৰাভা সাধু • ৰাজেন ৰাভা • ১৯৭৭ • ৪.০০ টকা।

১৬২। বাতৰিৰ বিভূতি • সম্পা ঃ বেণুধৰ শৰ্মা • ১৯৭৭ • ৪.০০ টকা।

১৬৩। বড়ো সাধু • বীৰেন্দ্ৰ কুমাৰ দাস • ১৯৭৭ • ৪.০০ টকা।

১৬৪। অসমীয়া সংগীতৰ ঐতিহ্য • ড° বীৰেন্দ্ৰ নাথ দত্ত • ১৯৭৭ • ৩.৫০ টকা।

১৬৫। ৰহিম আৰু ৰূপবানৰ সাধু • সংকলক ঃ আতাউৰ ৰহমান, ইলিমুদ্দিন দেৱান • ১৯৭৭ • ৩.০০ টকা।

১৬৬। দেউৰী সাধু • ডম্বৰুধৰ দেউৰী • ১৯৭৭ • ৩.০০ টকা।
১৬৭। চাহৰ কথা • ড° দীন বৰুৱা • ১৯৭৭ • ৩.০০ টকা।
১৬৮। অভিলেখ ঃ হীৰক জয়ন্তী স্মৰণ • সম্পা ঃ আব্দুছ ছাত্তাৰ • ১৯৭৭ • ৩.০০ টকা।
১৬৯। হীৰক জ্যোতি • সম্পা ঃ অতুলানন্দ গোস্বামী • ১৯৭৭ • ৩.০০ টকা।
১৭০। চাহ বনুৱাৰ মাজত প্ৰচলিত সাধু • দেউৰাম তাছা • ১৯৭৭ • ২.৫০ টকা।
১৭১। নৃতত্ত্বৰ চমু আভাষ • ড° ভুবনমোহন দাস • ১৯৭৭ • ২.৫০ টকা।
১৭২। নৱমী • সম্পা ঃ টীকাৰাম উপাধ্যায় • ১৯৭৭ • ২.৫০ টকা।
১৭৩। মিচিং সাধু • সংকলন ঃ তৰুণচন্দ্ৰ পামেগাম • ১৯৭৭ • ২.৫০ টকা।
১৭৪। শাখা সভাৰ পৰিচয় • সম্পা ঃ আব্দুল চাত্তাৰ • ১৯৭৭ • ২.৫০ টকা।
১৭৫। বুদ্ধ জাতকৰ সাধু • শাসন বংশ ভিক্ষু • ১৯৭৭ • ২.৫০ টকা।
১৭৬। প্ৰকাশনৰ বৰ্ণনামূলক তালিকা • যতীন্দ্ৰনাথ গোস্বামী • ১৯৭৭ • ১.৫০ টকা।
১৭৭। কিম্বদন্তিৰ সাধু • ড° হেমন্ত কুমাৰ শৰ্মা • ১৯৭৮ • ৩.০০ টকা।
১৭৯। ৰাসায়নিক আবিষ্কাৰ আৰু আমি • ড° যোগেন্দ্ৰ নাথ বৰুৱা • ১৯৭৮ • ২.৫০ টকা।
১৮০। অসমৰ খনিজ সম্পদ • শিশিৰ কুমাৰ দত্ত • ১৯৭৮ • ৩.৫০ টকা।
১৮১। মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন • বাপচন্দ্ৰ মহন্ত • ১৯৭৮ • ৩.৫০ টকা।
১৮২। নিবেদন ঃ দুৰ্গেশ্বৰ শৰ্মা • সম্পা ঃ ড° মহেন্দ্ৰ বৰা • ১৯৭৮ • ৪.০০ টকা।
১৮৩। অসমৰ বনৌষধি • শান্তনু তামূলী • ১৯৭৮ • ৪.০০ টকা।
১৮৪। টলষ্টয় • শশী শৰ্মা • ১৯৭৮ • ৬.০০ টকা।
১৮৫। সোণোৱালৰ সাধু • গগনচন্দ্ৰ সোণোৱাল • ১৯৭৮ • ৫.০০ টকা।
১৮৬। অসমীয়া গল্পগুচ্ছ • সংকলন ঃ ড° মহেশ্বৰ নেওগ, যোগেশ দাস, নাৰায়ণ শৰ্মা • ১৯৭৮ • ১০.০০ টকা।
১৮৭। কালিৰাম মেধি স্মৃতিমাল্য • সম্পা ঃ ড° ৰামচৰণ ঠাকুৰীয়া • ১৯৭৮ • ১২.০০ টকা।
১৮৮। কামৰূপী লোকগীতি সংগ্ৰহ • সম্পা ঃ ড° হেমন্ত কুমাৰ শৰ্মা • ১৯৭৮ • ১৫.০০ টকা।
১৮৯। প্ৰবন্ধ সঞ্চয়ন • সম্পা ঃ নগেন শইকীয়া • ১৯৭৮ • ১৫.০০ টকা।
১৯০। Studies in the Vaisnova Literature and Culture of Assam • Kaliram Medhi • 1978 • Rs. 20.00.

১৯১। কালিৰাম মেধি ৰচনাৱলী • সম্পা : যতীন্দ্ৰনাথ গোস্বামী, মুৰাৰিচৰণ দাস • ১৯৭৯ • ২৫.০০ টকা।

১৯২। নলিনীবালা দেৱী • সম্পা : ড° হেমন্ত কুমাৰ শৰ্মা • ১৯৭৯ • ১০.০০ টকা।

১৯৩। মৌ মহাভাৰত • মিত্ৰদেৱ মহন্ত • ১৯৭৯ • ১০.০০ টকা।

১৯৪। Nagaland • Navamalati Charkravarty • 1979 • Rs. 10.00.

১৯৫। হেম বৰুৱা • যোগেশ দাস • ১৯৭৯ • ১০.০০ টকা।

১৯৬। অসমীয়া প্ৰাচীন লিপি • সৰ্বেশ্বৰ শৰ্মা কটকী • ১৯৭৯ • ৭.০০ টকা।

১৯৭। অ্যাৰিষ্টটলৰ কাব্য-জিজ্ঞাসা • অনু : যজ্ঞেশ্বৰ শৰ্মা • ১৯৭৯ • ৬.০০ টকা।

১৯৮। অসম সাহিত্য সভাৰ পত্ৰিকাৰ প্ৰবন্ধপঞ্জী • সম্পা : যতীন্দ্ৰ নাথ গোস্বামী • ১৯৭৯ • ৪.০০ টকা।

১৯৯। প্ৰাথমিক অসমীয়া সাহিত্য চয়ন • সংকলন : ড° প্ৰকাশ গোস্বামী • ১৯৭৯ • ৪.০০ টকা।

২০০। কাৰ্যালয়ৰ হাতপুথি • যতীন্দ্ৰ গোস্বামী • ১৯৭৯ • ৩.০০ টকা।

২০১। কাৰ্বি অসমীয়া পাঠ • ৰংবং তেৰাং • ১৯৮০ • ২.০০ টকা।

২০২। Eclipse in the East • Assam Sahitya Sabha • 1980 • Rs. 10.00.

২০৩। মোৰ জীৱন যাত্ৰাৰ কথা • ধনাই বৰা • ১৯৮০ • ২.০০ টকা।

২০৪। অভয়াপুৰী বাৰ্ষিকী • সম্পা : ড° প্ৰকাশ গোস্বামী • ১৯৮০ • ৮.০০ টকা।

২০৫। ৰহাৰ ৰেঙনি • সম্পা : ড° অমল ৰাজখোৱা • ১৯৮০ • ৮.০০ টকা।

২০৬। বাগ্মীবৰ নীলমণি ফুকন • সম্পা : ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা • ১৯৮০ • ১০.০০ টকা।

২০৭। জোনাকীৰ আভা • সম্পা : ড° বসন্ত কুমাৰ গোস্বামী • ১৯৮০ • ১০.০০ টকা।

২০৮। Assam and the Assamese Mind • Ed. : Dr. Nagen Saikia • 1980 • Rs. 10.00.

২০৯। আধুনিক অসমীয়া কবিতা • ড° চন্দ্ৰ কটকী • ১৯৮০ • ১৫.০০ টকা।

২১০। গিৰিধৰ শৰ্মা • ৰামচৰণ ঠাকুৰীয়া • ১৯৮০ • ১৬.০০ টকা।

২১১। ৰঘুনাথ চৌধুৰী ৰচনাৱলী • অতুল চন্দ্ৰ বৰুৱা • ১৯৮০ • ৩০.০০ টকা।

২১২। Hostha Mukhavali • Dr. Maheswar Neog • 1980 • Rs. 25.00.

২১৩। মিচিং অসমীয়া পাঠ ● নাহেন্দ্ৰ পাদুন ● ১৯৮১ ● ৪.০০ টকা।

২১৪। জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী ● সম্পা ঃ ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা ● ১৯৮১ ● ৪০.০০ টকা।

২১৫। ৰামচৰিত মানস ● অনু ঃ বাপচন্দ্ৰ মহন্ত, কেশৱ মহন্ত ● ১৯৮১ ● ৩০.০০ টকা।

২১৬। Tradition and Style ● Dr. Maheswar Neog ● 1981 ● Rs. 25.00.

২১৭। পাৰ্বতী প্ৰসাদ বৰুৱা ৰচনাৱলী ● সম্পা ঃ পৰনাথ শৰ্মা ● ১৯৮১ ● ২০.০০ টকা।

২১৮। আধুনিক পাশ্চাত্য চিত্ৰশৈলী ● পুষ্প গগৈ ● ১৯৮১ ● ১২.০০ টকা।

২১৯। তত্ত্বপিপাসু উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ● ভগৱান মড়ল ● ১৯৮১ ● ১২.০০ টকা।

২২০। নবী কাহিনী ● মঃ চাদেৰ আলি ● ১৯৮১ ● ১০.০০ টকা।

২২১। শুৱালকুছি বাৰ্ষিকী ● সম্পা ঃ লীলা গগৈ ● ১৯৮১ ● ৮.০০ টকা।

২২২। কথা ভক্তি ৰত্নাকৰ ঃ গোপাল চৰণ দ্বিজ ● সম্পা ঃ নবীন চন্দ্ৰ গোস্বামী ● ১৯৮১ ● ৬.৫০ টকা।

২২৩। মহাৰাজ নৰনাৰায়ণ ● ৰমেশ চন্দ্ৰ কলিতা ● ১৯৮১ ● ৪.৫০ টকা।

২২৪। অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান ● ড° বাণীকান্ত শৰ্মা ● ১৯৮১ ● ৪.০০ টকা।

২২৫। চাহশ্ৰমিক সংস্কৃতিৰ ৰূপৰেখা ● প্ৰহ্লাদ চন্দ্ৰ তাচা ● ১৯৮১ ● ৪.০০ টকা।

২২৬। জননায়ক চেমছন সিং ইংতি ● ছামছিং হাঞ্চে ● ১৯৮১ ● ২.০০ টকা।

২২৭। চাহ বাগিচাৰ পূজা পৰব ● দেউৰাম তাচা ● ১৯৮১ ● ৩.৫০ টকা।

২২৮। উদ্ভিদৰ কথা ● সুৰেশ ডেকা ● ১৯৮১ ● ৩.৫০ টকা।

২২৯। গান বাজনা আৰু ৰং-বিৰঙৰ খেল ● ড° মহেন্দ্ৰ নাথ বৰা ● ১৯৮১ ● ৩.৫০ টকা।

২৩০। বিষ্ণু ৰাভা ● চিত্ৰ মহন্ত ● ১৯৮১ ● ৩.০০ টকা।

২৩১। দেউৰী শব্দমালা ● ড° উপেন্দ্ৰনাথ গোস্বামী ● ১৯৮১ ● ৪.৫০ টকা।

২৩২। টকাত একোটা হাতী ● গগন চন্দ্ৰ অধিকাৰী ● ১৯৮১ ● ৪.৫০ টকা।

২৩৩। তিৱা শব্দ সম্ভাৰ ● ৰামেশ্বৰ কোঁৱৰ ● ১৯৮১ ● ৩.০০ টকা।

২৩৪। লোকসেৱক ৰূপনাথ ব্ৰহ্ম ● ৰনলক্ষ্মী কছাৰী ● ১৯৮১ ● ৩.০০ টকা।

২৩৫। নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ● ড° হেমন্ত কুমাৰ শৰ্মা ● ১৯৮১ ● ১৪.০০ টকা।

২৩৬। শ্বহীদ কুশল কোঁৱৰ ● ললিত বৰা ● ১৯৮১ ● ৩.০০ টকা।

২৩৭। মহাপুৰুষ মাধৱদেৱ ● ধনপতি ডেকা ● ১৯৮১ ● ২.০০ টকা।

২৩৮। মহাবীৰ লাচিত • যতীন্দ্রনাথ ফুকন • ১৯৮১ • ২.০০ টকা।

২৩৯। মহাপুৰুষ শ্রীমন্ত শংকৰদেব • শৈলেন দাস • ১৯৮১ • ২.০০ টকা।

২৪০। অকণিৰ বাহাদুৰ গাঁওবুঢ়া • আব্দুছ চাত্তাৰ • ১৯৮১ • ১.০০ টকা।

২৪১। মণিৰাম দেৱান • এলি আহমেদ • ১৯৮২ • ৩.০০ টকা।

২৪২। চিংফৌ জনগোষ্ঠী • সৰ্বানন্দ ৰাজকুমাৰ • ১৯৮২ • ৩.০০ টকা।

২৪৩। কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি • ৰংবং তেৰাং • ১৯৮২ • ৪.০০ টকা।

২৪৪। মাধ্যমিক অসমীয়া সাহিত্য চয়ন • সম্পা ঃ যতীন্দ্ৰ নাথ গোস্বামী • ১৯৮২ • ৪.০০ টকা।

২৪৫। আলোচনা চয়নিকা • সম্পা ঃ আব্দুছ চাত্তাৰ • ১৯৮২ • ৫.০০ টকা।

২৪৬। হেমচন্দ্র বৰুৱাৰ জীৱন চৰিত • সৰ্বেশ্বৰ শৰ্মা কটকী • ১৯৮২ • ১০.০০ টকা।

২৪৭। Gramatical Notes on the Assamese Language • Dr. Nathan Brown • 1982 • Rs. 10.00.

২৪৮। আথৰ জোঁটনিৰ সমস্যা • সম্পা ঃ সতীশ চন্দ্ৰ চৌধুৰী • ১৯৮২ • ১৫.০০ টকা।

২৪৯। ৰাভা শব্দ সম্ভাৰ • ৰাজেন ৰাভা • ১৯৮২ • ১২.০০ টকা।

২৫০। কুমাৰ ভাস্কৰ বৰ্মা • কনক চন্দ্ৰ ডেকা • ১৯৮২ • ৩.০০ টকা।

২৫১। কবিতাৰ সবিশেষ • ইম্‌দাদ উল্লাহ্‌ • ১৯৮৩ • ১২.০০ টকা।

২৫২। সিংহপুৰুষ সীতানাথ ব্ৰহ্মচৌধুৰী • চিত্ৰ মহন্ত • ১৯৮৩ • ১২.০০ টকা।

২৫৩। গুৰুচৰিতৰ ইতিকথা • ড° মহেশ্বৰ নেওগ • ১৯৮৩ • ১২.০০ টকা।

২৫৪। সৰ্বানন্দ নগৰ অভিজ্ঞান • সম্পা ঃ ড° নগেন শইকীয়া • ১৯৮৩ • ১০.০০ টকা।

২৫৫। ভগৱতী প্ৰসাদ বৰুৱা • ড° মহেশ্বৰ নেওগ • ১৯৮৩ • ১০.০০ টকা।

২৫৬। আমেৰিকান মিছনেৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম • ড° হেৰম্বকান্ত বৰপূজাৰী • ১৯৮৩ • ১০.০০ টকা।

২৫৭। বেণুধৰ শৰ্মা • তীৰ্থনাথ শৰ্মা • ১৯৮৩ • ২০.০০ টকা।

২৫৮। তিৱা সমাজ • মনেশ্বৰ দেউৰী • ১৯৮৩ • ৬.০০ টকা।

২৫৯। অসমীয়া নেপালী সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা • মনবাহাদুৰ ছেত্ৰী • ১৯৮৩ • ৬.০০ টকা।

২৬০। গুৰুদেৱ কালীচৰণ ব্ৰহ্ম • দেৱেন্দ্ৰ নাথ শৰ্মা • ১৯৮৩ • ৪.৫০ টকা।

২৬১। চাহ বাগিচাৰ অসমীয়া সম্প্ৰদায় • সুশীল কুৰ্মী • ১৯৮৩ • ৪.০০ টকা।

২৬২। শিশুজ্ঞান কোষ (প্ৰথম খণ্ড) ● সম্পা ঃ ড° সত্যেন্দ্ৰনাথ শৰ্মা ● ১৯৮৪ ● ৬০.০০ টকা।

২৬৩। কৃষ্ণকান্ত সন্দিকৈ ৰচনা সম্ভাৰ ● সম্পা ঃ যতীন্দ্ৰ নাথ গোস্বামী ● ১৯৮৪ ● ৫০.০০ টকা।

২৬৪। প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্ত ● আব্দুছ চাত্তাৰ ● ১৯৮৪ ● ২৫.০০ টকা।

২৬৫। ক্ষেত্ৰধৰ বৰগোহাঁই প্ৰবন্ধ সংকলন ● সম্পা ঃ যতীন্দ্ৰনাথ গোস্বামী ● ১৯৮৪ ● ২০.০০ টকা।

২৬৬। অসমীয়া ভাওনা ● ড° কেশবানন্দ দেৱ গোস্বামী ● ১৯৮৪ ● ১০.০০ টকা।

২৬৭। অভিনয় শেষ হ'ল ● সম্পা ঃ ড° নগেন শইকীয়া ● ১৯৮৫ ● ১০.০০ টকা।

২৬৮। প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ ● ড° উপেন্দ্ৰ নাথ গোস্বামী ● ১৯৮৫ ● ৬.০০ টকা।

২৬৯। নাগাভিম কথালাগা নিয়ম ● ড° ভীমকান্ত বৰুৱা ● ১৯৮৫ ● ৫.০০ টকা।

২৭০। আনন্দৰাম বৰুৱা ● গুৰুদত্ত ভাগৱতী ● ১৯৮৬ ● ৪.০০ টকা।

২৭১। শিশু পাৰিজাত ● মঃ ছাদেৰ আলি ● ১৯৮৬ ● ৫.০০ টকা।

২৭২। আমি পাহাৰ বগাবলৈ যাওঁ ● খগেন্দ্ৰ নাথ বৰা ● ১৯৮৬ ● ৭.০০ টকা।

২৭৩। অসমৰ মানুহ ● সম্পা ঃ ভুবন মোহন দাস ● ১৯৮৬ ● ১৫.০০ টকা।

২৭৪। মাধৱদেৱ ক্ষেত্ৰৰ প্ৰতিধ্বনি ● সম্পা ঃ ড° নগেন শইকীয়া ● ১৯৮৬ ● ১৫.০০ টকা।

২৭৫। ছাবিন আলুন ● সম্পা ঃ ছামছিং হায়ো ● ১৯৮৬ ● ১৫.০০ টকা।

২৭৬। চাহ বাগিচাৰ জাতি উপজাতি ● দেউৰাম তাচা ● ১৯৮৬ ● ২০.০০ টকা।

২৭৭। সংগীত কোষ ● লক্ষীৰাম বৰুৱা ● ১৯৮৬ ● ৩৫.০০ টকা।

২৭৮। সংগীত সাধনা ● লক্ষীৰাম বৰুৱা ● ১৯৮৬ ● ৩৫.০০ টকা।

২৭৯। শিশু জ্ঞানকোষ (দ্বিতীয় খণ্ড) ● সম্পা ঃ ড° সত্যেন্দ্ৰ নাথ শৰ্মা ● ১৯৮৭ ● ৭০.০০ টকা।

২৮০। শৰৎ চন্দ্ৰ গোস্বামী ৰচনাৱলী ● সম্পা ঃ যতীন্দ্ৰ নাথ গোস্বামী ● ১৯৮৭ ● ২২৫.০০ টকা।

২৮১। শৰৎ চন্দ্ৰ গোস্বামী ● অতুল চন্দ্ৰ বৰুৱা ● ১৯৮৭ ● ২৫.০০ টকা।

২৮২। অসমৰ নৱজাগৰণ ঃ অনা অসমীয়াৰ ভূমিকা ● ড° হেৰম্বকান্ত বৰপূজাৰী ● ১৯৮৭ ● ২০.০০ টকা।

২৮৩। ভানুভক্ত ৰামায়ণ ● অনু ঃ গীতা উপাধ্যায় ● ১৯৮৭ ● ২০.০০ টকা।

২৮৪। ময়না ● শৰৎ চন্দ্ৰ গোস্বামী ● ১৯৮৭ ● ১২.০০ টকা।

২৮৫। গল্পাঞ্জলি • শৰৎ চন্দ্ৰ গোস্বামী • ১৯৮৭ • ৮.০০ টকা।
২৮৬। অসমীয়া সাধুকথা • শৰৎ চন্দ্ৰ গোস্বামী • ১৯৮৭ • ৬.০০ টকা।
২৮৭। ডাবৰৰ দেশৰ ৰূপকথা • ৰামচন্দ্ৰ চুতীয়া • ১৯৮৭ • ৫.০০ টকা।
২৮৮। সাহিত্যতত্ত্ব • সম্পা ঃ ড° নৱেন কলিতা • ১৯৮৮ • ২০০.০০ টকা।
২৮৯। দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা ৰচনাৱলী • সম্পা ঃ ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা • ১৯৮৮ • ৬০.০০ টকা।
২৯০। ৰাংচিনাৰ সুৰ • সম্পা ঃ দুৰ্গেশ্বৰ শৰ্মা • ১৯৮৮ • ২০.০০ টকা।
২৯১। দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা • যোগেন্দ্ৰনাৰায়ণ ভূঞা • ১৯৮৮ • ১২.০০ টকা।
২৯২। অসমৰ ধৰ্মৰ বুৰঞ্জী ঃ আন্ধাৰ আৰু পোহৰ • ড° মহেশ্বৰ নেওগ • ১৯৮৮ • ২০.০০ টকা।
২৯৩। সপোন আৰু স্মৃতি • গোবিন্দ চন্দ্ৰ পৈৰা • ১৯৮৮ • ১২.০০ টকা।
২৯৪। Batoha Path • Bhimkanta Baruah • 1988 • Rs. 10.00.
২৯৫। অসম গৌৰৱ • বিনন্দ চন্দ্ৰ বৰুৱা • ১৯৮৯ • ১০.০০ টকা।
২৯৬। শিশু জ্ঞানকোষ (তৃতীয় খণ্ড) • ড° সত্যেন্দ্ৰনাথ শৰ্মা • ১৯৮৯ • ৮০.০০ টকা।
২৯৭। তৰুণ চন্দ্ৰ পামেগাম ৰচনাৱলী (প্ৰথম খণ্ড) • সম্পা ঃ ভৃগুমণি কাগায়ুং • ১৯৮৯ • ৬০.০০ টকা।
২৯৮। শিল্প আলোচনা • সম্পা ঃ ড° নৱেন কলিতা • ১৯৮৯ • ৫০.০০ টকা।
২৯৯। সাহিত্য তীৰ্থৰ সৌৰৱণ • সম্পা ঃ ড° অমল ৰাজখোৱা • ১৯৮৯ • ৪০.০০ টকা।
৩০০। পানীপথ • শৰৎ চন্দ্ৰ গোস্বামী • ১৯৮৯ • ২০.০০ টকা।
৩০১। মাধৱ কন্দলি ক্ষেত্ৰৰ জিলিকনি • প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য • ১৯৮৯ • ২০.০০ টকা।
৩০২। কিশোৰ উপনিষদ • নৱকান্ত বৰুৱা • ১৯৮৯ • ১৬.০০ টকা।
৩০৩। Monetary Development in Early Assam • Dr. J. P. Singh • 1989 • Rs. 15.00.
৩০৪। জাগৰণ আৰু জোনাক • যতীন্দ্ৰ নাথ গোস্বামী • ১৯৮৯ • ১০.০০ টকা।
৩০৫। দেউৰী চচু দাগাৰেবা • নৃপেন দেউৰী • ১৯৮৯ • ৮.০০ টকা।
৩০৬। অসমৰ চৰাই চিৰিকতি • শান্তা শৰ্মা • ১৯৮৯ • ১২.০০ টকা।
৩০৭। পাঠাশালাৰ বেঙুনি • সম্পা ঃ সতীশ চন্দ্ৰ চৌধুৰী • ১৯৮৯ • ২৫.০০ টকা।

৩০৮। স্মৃতি পঞ্জিকা • অতুল চন্দ্ৰ হাজৰিকা • ১৯৯০ • ৩৫.০০ টকা।
৩০৯। অসমৰ বনজ সম্পদ • ফটিক চন্দ্ৰ গগৈ • ১৯৯০ • ২৫.০০ টকা।
৩১০। অসমৰ বাদ্যযন্ত্ৰ • ধৰ্মেশ্বৰ দুৱৰা • ১৯৯০ • ২০.০০ টকা।
৩১১। হাতী চিকাৰৰ বিচিত্ৰ কাহিনী • ফটিক চন্দ্ৰ গগৈ • ১৯৯০ • ২০.০০ টকা।
৩১২। অসমৰ বন বননি বন্যপ্ৰাণী • জীৱন দাস • ১৯৯০ • ১০.০০ টকা।
৩১৩। কল্লোলিতা বুঢ়িগাং • সম্পা ঃ সতীশ চন্দ্ৰ চৌধুৰী • ১৯৯০ • ১৫.০০ টকা।
৩১৪। উদগনি • শৈলধৰ ৰাজখোৱা • ১৯৯০ • ১৫.০০ টকা।
৩১৫। মৰ্হাজীৱনৰ মহাশিল্পী • ড° মহেন্দ্ৰ বৰা • ১৯৯০ • ১৫.০০ টকা।
৩১৬। নিজৰা কবি শৈলধৰ ৰাজখোৱা • সম্পা ঃ ড° ভুবন মোহন দাস • ১৯৯০ • ১৫.০০ টকা।
৩১৭। নিজৰা • শৈলধৰ ৰাজখোৱা • ১৯৯০ • ১২.০০ টকা।
৩১৮। চাহ মজদুৰ অসমীয়া সমাজ আৰু খণ্ডবাক্য সম্ভাৰ • দেউৰাম তাচা • ১৯৯০ • ১০.০০ টকা।
৩১৯। সাহিত্য আৰু চিন্তা • সম্পা ঃ সতীশ চন্দ্ৰ চৌধুৰী • ১৯৯০ • ১০.০০ টকা।
৩২০। কণ্টক উপহাৰ • প্ৰসন্নলাল চৌধুৰী • ১৯৯০ • ১০.০০ টকা।
৩২১। দণ্ডিনাথ কলিতা • মুনীন্দ্ৰনাথ শৰ্মা • ১৯৯০ • ১০.০০ টকা।
৩২২। পদ্মনাথ বৰগোহাঞি বৰুৱা • মুনীন্দ্ৰনাথ শৰ্মা • ১৯৯০ • ১০.০০ টকা।
৩২৩। গ্ৰীক দৰ্শনৰ চমু পৰিচয় • নিলীমা দত্ত • ১৯৯০ • ১০.০০ টকা।
৩২৪। কুশান গান • আনন্দমোহন ভাগৱতী • ১৯৯০ • ৬.০০ টকা।
৩২৫। অসমৰ লোকনাট্য • ৰাম গোস্বামী • ১৯৯১ • ১০০.০০ টকা।
৩২৬। A Few Aspects of Assamese Literature • Dr. Satyendranath Sharmah • 1991 • Rs. 60.00.
৩২৭। অসমীয়া প্ৰবন্ধ চয়ন • সম্পা ঃ ড° প্ৰকাশ গোস্বামী • ১৯৯১ • ৫০.০০ টকা।
৩২৮। বুৰঞ্জীৰ প্ৰকৃতি আৰু স্বৰূপ • সম্পা ঃ ড° প্ৰকাশ গোস্বামী • ১৯৯১ • ৫০.০০ টকা।
৩২৯। চাহ বাগিচাৰ জীৱন আৰু সংস্কৃতি • সুনীল কুৰ্মী • ১৯৯১ • ৩০.০০ টকা।
৩৩০। Bhagavad Gita as Karma Shastra • Dr. Sitanath Goswami • 1991 • Rs. 20.00.
৩৩১। অসমৰ ওজাপালি • ড° নবীন চন্দ্ৰ শৰ্মা • ১৯৯১ • ২০.০০ টকা।

৩৩২। প্ৰবন্ধ কৰণি ● সম্পা ঃ মুনীন্দ্ৰ নাথ শৰ্মা ● ১৯৯১ ● ১৫.০০ টকা।
৩৩৩। লুপ্তপ্ৰায় বন্যপ্ৰাণী ● ভুবনেশ্বৰ শৰ্মা ● ১৯৯১ ● ১৫.০০ টকা।
৩৩৪। বড়ো চুটি গল্প ● ধৰণীধৰ তেৰাৰী ● ১৯৯১ ● ১৫.০০ টকা।
৩৩৫। আখৰৰ গীত ● গগন চন্দ্ৰ অধিকাৰী ● ১৯৯১ ● ১০.০০ টকা।
৩৩৬। অসমীয়া ভাষা সাহিত্যৰ শৰাইঘটীয়া প্ৰথম দলটো ● উপেন্দ্ৰ বৰকটকী ● ১৯৯১ ● ১০.০০ টকা।
৩৩৭। সাধুকথাৰ টোপোলা ● মাধব চন্দ্ৰ অধিকাৰী ● ১৯৯১ ● ১০.০০ টকা।
৩৩৮। একুকি ধেমেলীয়া সাধু ● জয়শ্ৰী গোস্বামী মহন্ত ● ১৯৯১ ● ১০.০০ টকা।
৩৩৯। দুঃসাহসিক অভিযান ● হৰিপ্ৰসাদ চলিহা ● ১৯৯১ ● ১০.০০ টকা।
৩৪০। গোৱালপৰীয়া সাধুকথা ● ভৱেশ দাস ● ১৯৯১ ● ১০.০০ টকা।
৩৪১। জয়ছিং দলৈৰ ব্যক্তিত্বত এভুমুকি ● সম্পা ঃ ৰংবং তেৰাং ● ১৯৯১ ● ৮.০০ টকা।
৩৪২। জোনবাইৰ দেশৰ জীয়ৰী আৰু যাদুকৰ ● নৰেন্দ্ৰ নাথ শৰ্মা ● ১৯৯১ ● ৭.০০ টকা।
৩৪৩। দেশ বিদেশৰ সাধু ● সুভদ্ৰা বৰুৱা ● ১৯৯১ ● ৬.০০ টকা।
৩৪৪। অসমীয়া কাব্যত নাৰীকণ্ঠ ● সম্পা ঃ মনোৰমা বৰগোহাঞি ● ১৯৯১ ● ২০.০০ টকা।
৩৪৫। আকাশত এভুমুকি ● বিজয়কৃষ্ণ দেৱশৰ্মা ● ১৯৯১ ● ১২.০০ টকা।
৩৪৬। এনেখন মৰমৰ দেশ ● ড° নিৰ্মল প্ৰভা বৰদলৈ ● ১৯৯২ ● বিনামূলীয়া।
৩৪৭। শিশু জ্ঞানকোষ (পঞ্চম খণ্ড) ● সম্পা ঃ সত্যেন্দ্ৰনাথ শৰ্মা ● ১৯৯৩ ● ১৫০.০০ টকা।
৩৪৮। ৰজনীকান্ত শৰ্মা ঃ ব্যক্তিত্ব আৰু প্ৰতিভা ● সম্পা ঃ ড° মুকুন্দমাধৱ শৰ্মা, ড° বাণীকান্ত শৰ্মা ● ১৯৯৩ ● ৭০.০০ টকা।
৩৪৯। অসমৰ নদ-নদী ● যোগেন্দ্ৰ নাথ শৰ্মা ● ১৯৯৩ ● ৬০.০০ টকা।
৩৫০। দিখৌপৰীয়া বীণ বৰাগী ● দীপালী ভট্টাচাৰ্য বৰুৱা ● ১৯৯৩ ● ৩৫.০০ টকা।
৩৫১। স্বাধীনতা সূৰ্য্যৰ ক্ৰমক্ষীয়মান পোহৰত অসম বুৰঞ্জী ● ড° সত্যেন্দ্ৰনাথ শৰ্মা ● ১৯৯৩ ● ৩০.০০ টকা।
৩৫২। কছাৰী ৰাজ্যৰ উত্থান আৰু পতন ● ড° জয়ন্তভূষণ ভট্টাচাৰ্য ● ১৯৯৩ ● ২৫.০০ টকা।
৩৫৩। কমলাকান্ত ক্ষেত্ৰৰ বেঙণি ● সম্পা ঃ সতীশ চন্দ্ৰ চৌধুৰী ● ১৯৯৩ ● ২৫.০০ টকা।

৩৫৪। পিপ্লি নেম্পু ● অনু ঃ ছ্যমচিং হাঞ্চে ● ১৯৯৩ ● ২৫.০০ টকা।

৩৫৫। মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষা ● ড° লীলাৱতী শইকীয়া বৰা ● ১৯৯৩ ● ২৫.০০ টকা।

৩৫৬। মায়ং অঞ্চলৰ লোক সংস্কৃতি ● ড° হেমন্ত কুমাৰ শৰ্মা ● ১৯৯৩ ● ২৫.০০ টকা।

৩৫৭। যোৱা দুই শতকৰ অসমীয়া সাহিত্য ● সম্পা ঃ সতীশ চন্দ্ৰ চৌধুৰী ● ১৯৯৩ ● ২৫.০০ টকা।

৩৫৮। যুদ্ধ বিভীষিকা ● হৰিপ্ৰসাদ চলিহা ● ১৯৯৩ ● ২০.০০ টকা।

৩৫৯। পৃথিৱীৰ লোক কাহিনী ● সম্পা ঃ নৰকান্ত বৰুৱা ● ১৯৯৩ ● ২০.০০ টকা।

৩৬০। নিৰ্বাচিত প্ৰবন্ধ ● সম্পা ঃ অক্ষয় কুমাৰ মিশ্ৰ, সতীশ চন্দ্ৰ চৌধুৰী ● ১৯৯৩ ● ২০.০০ টকা।

৩৬১। ডিমাছা ভাষা আৰু সংস্কৃতি ● সম্পা ঃ শৈলেন দাস ● ১৯৯৩ ● ২০.০০ টকা।

৩৬২। নিৰ্বাচিত সাহিত্য নিবন্ধাৱলী ● সম্পা ঃ ড° ৰামচৰণ ঠাকুৰীয়া ● ১৯৯৩ ● ২০.০০ টকা।

৩৬৩। ময়নাৰ সাধুকথা ● ড° মুকুন্দমাধৱ শৰ্মা ● ১৯৯৩ ● ১৬.০০ টকা।

৩৬৪। অসমৰ চিত্ৰকলা ● প্ৰদীপ চলিহা ● ১৯৯৩ ● ১৫.০০ টকা।

৩৬৫। হৰিমোহন সৰকাৰ স্মৃতিমাল্য ● সম্পা ঃ ভৰত ডেকা ● ১৯৯৩ ● ১২.০০ টকা।

৩৬৬। অসমৰ তাঁতশাল ● লক্ষীপ্ৰিয়া দেৱী চাংকাকতি ● ১৯৯৩ ● ১০.০০ টকা।

৩৬৭। খামতি সাধু ● সম্পা ঃ বিষ্ণু বৰুৱা ● ১৯৯৩ ● ১০.০০ টকা।

৩৬৮। অসমীয়া বিজ্ঞান সাহিত্য ● সম্পা ঃ ডিম্বেশ্বৰ চলিহা ● ১৯৯৪ ● ৫০.০০ টকা।

৩৬৯। মিলনতীৰ্থৰ ধ্বনি ● সম্পা ঃ অমল ৰাজখোৱা ● ১৯৯৪ ● ৪০.০০ টকা।

৩৭০। বেণুধৰ শৰ্মা ঃ ব্যক্তিত্ব আৰু প্ৰতিভা ● সম্পা ঃ উপেন্দ্ৰ বৰকটকী ● ১৯৯৪ ● ৪০.০০ টকা।

